ITKS 02

ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতি

ছয়মহীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম

সংস্কৃত সাহিত্যৰ ইতিহাস

পদ্মনাথ গোহাঞি বৰুৱা মানবিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দীপক কুমাৰ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, লীনা ওজাঁ, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, পিঙ্কু কলিতা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা যোগাইছে
১-৬	ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।
৭-৯	ড° ইন্দিৰা শইকীয়া বৰা, সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ কলেজ।
১০	ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।
১১	ড° নন্দিতা ভট্টাচার্য, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, কটন কলেজ।
১২	ড° গায়ত্রী শর্মা, মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, সন্দিকৈ মহাবিদ্যালয়।
১৩	লীনা ওজাঁ, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।
১৪	অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ভাৰতী গোস্বামী, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী, অধ্যায় ১-১০
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১১
ড° ভাৰতী গোস্বামী, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী, অধ্যায় ১২
ড° ৰঞ্জিতা গোস্বামী, মুৰব্বী অধ্যাপিকা, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়, সংস্কৃত বিভাগ, গুৱাহাটী, অধ্যায় ১৩
অধ্যাপক দীপক কুমাৰ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১৪

গাঁথনিক সম্পাদনা ঃ লীনা ওজাঁ, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।

প্রকাশ ঃ জানুৱাৰী, ২০২৬ ISBN: 978-93-7839-019-7

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতি চার্টিফিকেট পাঠ্যক্ৰমৰ দ্বিতীয় পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতিৰ বহুতো উল্লেখযোগ্য বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম হ'ল- সংস্কৃত সাহিত্যৰ ইতিহাস। ইয়াত সৰ্বমুঠ চৈধ্যটা (১৪) অধ্যায় আছে । অধ্যায়সমূহ হ'ল —

অধ্যায় ১ঃ ৰামায়ণ (সাধাৰণ পৰিচয়)
অধ্যায় ২ঃ মহাভাৰত (সাধাৰণ পৰিচয়)
অধ্যায় ৩ঃ পুৰাণ (সাধাৰণ পৰিচয়)
অধ্যায় ৪ঃ মহাকাব্য (সাধাৰণ পৰিচয়)
অধ্যায় ৫ঃ নাটক (সাধাৰণ পৰিচয়)
অধ্যায় ৬ঃ চম্পূকাব্য আৰু গীতিকাব্য (সাধাৰণ পৰিচয়)
অধ্যায় ৭ঃ গদ্যকাব্য (সাধাৰণ পৰিচয়)
অধ্যায় ৮ঃ গল্পসাহিত্য (সাধাৰণ পৰিচয়)
অধ্যায় ৯ঃ শতককাব্য (সাধাৰণ পৰিচয়)
অধ্যায় ১০ঃ ঐতিহাসিক কাব্য, লিপিকাব্য, কোষকাব্য আৰু পালিকাব্য (সাধাৰণ পৰিচয়)
অধ্যায় ১১ঃ নীতিশতকম্ (সাধাৰণ পৰিচয়)
অধ্যায় ১২ঃ অলংকাৰশাস্ত্ৰৰ সম্প্ৰদায়সমূহ
অধ্যায় ১৩ঃ আধুনিক সংস্কৃত সাহিত্যকৃতি (সাধাৰণ পৰিচয়)
অধ্যায় ১৪ঃ ঐতিহাসিক প্ৰেক্ষাপটত সংস্কৃত ভাষাৰ ক্ৰমবিকাশ

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান আৰ্হি প্ৰশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ ৰামায়ণ (সাধাৰণ পৰিচয়) ৭-১৪

ৰামায়ণৰ ৰচনাকাল; ৰামায়ণৰ বিষয়বস্তু; ৰামায়ণৰ প্ৰভাৱ; ৰামায়ণৰ বিকাশ; ৰামায়ণৰ মহত্ব; ৰামায়ণৰ সামাজিক চিত্ৰণ।

অধ্যায় ২ঃ মহাভাৰত (সাধাৰণ পৰিচয়) ১৫-২১

মহাভাৰতৰ ক্ৰমবিকাশ; মহাভাৰতৰ বিষয়বস্তু; মহাভাৰতৰ ৰচনাকাল; মহাভাৰতৰ প্ৰভাৱ; ৰামায়ণ আৰু মহাভাৰতৰ তুলনা।

অধ্যায় ৩ঃ পুৰাণ (সাধাৰণ পৰিচয়) ২২-৩১

পুৰাণ শব্দৰ অৰ্থ আৰু উৎস; পুৰাণৰ ৰচক আৰু কাল; পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্য; মহাপুৰাণ আৰু উপপুৰাণৰ সংখ্যা ঃ বিভিন্ন মহাপুৰাণৰ বৰ্ণনা; পুৰাণৰ প্ৰভাৱ।

অধ্যায় ৪ঃ মহাকাব্য (সাধাৰণ পৰিচয়) ৩২-৪৩

প্ৰাক্-কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য ঃ বুদ্ধচৰিত, সৌন্দৰানন্দ; কালিদাস আৰু কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য ঃ কুমাৰসম্ভৱম্, ৰঘুবংশম্, সেতুবন্ধম্, জানকীহৰণম্; কালিদাসোত্তৰ যুগৰ মহাকবি আৰু মহাকাব্য ঃ কিৰাতার্জুনীয়ম্, ৰাৱণবধম্, শিশুপালবধম্, নৈষধচৰিতম্।

অধ্যায় ৫ঃ নাটক (সাধাৰণ পৰিচয়) ৪৪-৫২

নাটকৰ উৎপত্তি; নাটকৰ বিকাশ ঃ কালিদাসৰ পূৰ্বৰ যুগৰ নাটক, কালিদাসৰ যুগৰ নাটক, কালিদাসোত্তৰ যুগৰ নাটক।

অধ্যায় ৬ঃ চম্পূকাব্য আৰু গীতিকাব্য (সাধাৰণ পৰিচয়) ৫২-৬৪

চম্পূকাব্য ঃ চম্পূকাব্যৰ উৎস, চম্পূকাব্যৰ বৈশিষ্ট্য, বিভিন্ন চম্পূকাব্যৰ উল্লেখ; গীতিকাব্য ঃ গীতিকাব্যৰ উৎস, গীতিকাব্যৰ ভাগসমূহ, বিভিন্ন গীতিকাব্যৰ উল্লেখ।

অধ্যায় ৭ঃ গদ্যকাব্য (সাধাৰণ পৰিচয়) ৬৫-৭৭

গদ্যকাব্যৰ পৰিচয় ঃ গদ্যকাব্যৰ লক্ষণ, গদ্যকাব্যৰ ভাগ, গদ্যকাব্যৰ উৎস বা প্ৰাচীনতা; সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গদ্যকাব্যৰ উল্লেখ ঃ সুৱন্ধু আৰু তেওঁৰ প্ৰতিভা, দণ্ডি আৰু তেওঁৰ প্ৰতিভা, বাণ আৰু তেওঁৰ প্ৰতিভা; শব্দাৰ্থ তালিকা।

অধ্যায় ৮ঃ গল্পসাহিত্য (সাধাৰণ পৰিচয়) **৭৮-৮৮**

গল্পসাহিত্যৰ পৰিচয় ঃ গল্পসাহিত্যৰ লক্ষণ, গল্পসাহিত্যৰ উৎস, গল্পসাহিত্যৰ ৰচনাৰ উদ্দেশ্য, গল্পসাহিত্যৰ ভাগ; সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গল্পসাহিত্যৰ উল্লেখ; শব্দার্থ তালিকা।

অধ্যায় ৯ঃ শতককাব্য (সাধাৰণ পৰিচয়) **৮৯-৯৬**

শতককাব্যৰ পৰিচয় ঃ শতককাব্যৰ লক্ষণ, শতককাব্য ৰচনাৰ উদ্দেশ্য, শতককাব্যৰ উৎস, শতককাব্যৰ ভাগ; সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন শতককাব্যৰ উল্লেখ।

অধ্যায় ১০ঃ ঐতিহাসিক কাব্য, লিপিকাব্য, কোষকাব্য আৰু পালিকাব্য (সাধাৰণ পৰিচয়) **৯৭-১০৪**

ঐতিহাসিক কাব্য আৰু ইয়াৰ উৎস ঃ বিভিন্ন ঐতিহাসিক কাব্যৰ উল্লেখ; লিপি কাব্য আৰু বিভিন্ন লিপি কাব্যৰ উল্লেখ; কোষকাব্য আৰু বিভিন্ন কোষকাব্যৰ উল্লেখ; পালিকাব্য।

অধ্যায় ১১ঃ নীতিশতকম্ (সাধাৰণ পৰিচয়) **১০৫-১১৫**

কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱন ঃ কবিৰ ৰচনাৱলী; 'নীতিশতকম্'ৰ বিষয়বস্তু আৰু শিৰোনামৰ তাৎপর্য ঃ 'নীতিশতকম্'ৰ পাঠ, 'নীতিশতকম্'ৰ উৎকর্ষতা; নীতিশতকম্ৰ কেইটামান উল্লেখযোগ্য শ্লোকৰ সংস্কৃত পাঠ; নীতিশতকম্ৰ উল্লেখযোগ্য শ্লোকসমূহৰ সংস্কৃত পাঠৰ অসমীয়া অনুবাদ।

অধ্যায় ১২ঃ অলংকাৰশাস্ত্ৰৰ সম্প্রদায়সমূহ **১১৬০১২৩**

কাব্যশাস্ত্ৰৰ আৰম্ভণি আৰু বিকাশ; অলংকাৰশাস্ত্ৰৰ বিভিন্ন সম্প্রদায়।

অধ্যায় ১৩ঃ আধুনিক সংস্কৃত সাহিত্যকৃতি (সাধাৰণ পৰিচয়) **১২৪-১৩৫**

ভৱদেৱ ভাগৱতী; আনন্দৰাম বৰুৱা; কৃষ্ণকান্ত সন্দিকৈ; বিশ্বনাৰায়ণ শাস্ত্রী; মুকুন্দ মাধৱ শর্মা; মনোৰঞ্জন শাস্ত্রী।

অধ্যায় ১৪ঃ ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশ **১৩৬-১৪৫**

সংস্কৃত ভাষাৰ পৰিচয়; ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত; বৈদিক সংস্কৃত ভাষা; লৌকিক সংস্কৃত ভাষা; সংস্কৃত ভাষাৰ বর্তমান অৱস্থা।

প্রসংগ পুথি **১৪৬-১৪৭**

অধ্যায় ১ঃ ৰামায়ণ (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ৰামায়ণৰ ৰচনাকাল

১.৪ ৰামায়ণৰ বিষয়বস্তু

১.৫ ৰামায়ণৰ প্ৰভাৱ

১.৬ ৰামায়ণৰ বিকাশ

১.৭ ৰামায়ণৰ মহত্ব

১.৮ ৰামায়ণৰ সামাজিক চিত্ৰণ

১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১০ অধিক জানিবলৈ

১.১১ অগ্ৰগতিৰ খতিয়ান

১.১২ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰামায়ণৰ ৰচনা আৰু সময়সীমাৰ বিষয়ে জানিব পাৰিব
- ৰামায়ণৰ বিকাশ আৰু বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব
- ৰামায়ণৰ প্ৰভাৱ সংস্কৃত সাহিত্যৰ অন্যান্য ৰচনাৱলীৰ ওপৰত কেনেদৰে পৰিছে, সেই বিষয়ে গম পাব
- সৰ্বসাধাৰণ মানুহৰ মাজত ৰামায়ণৰ যি মহত্ব, সেই বিষয়ে জানিব পাৰিব
- ৰামায়ণৰ সামাজিক চিত্ৰণৰ লগতো অৱগত হ'ব পাৰিব।

১.২ পৰিচয়

ৰামায়ণ হৈছে সৰ্বজনবিদিত 'আদিকাব্য' আৰু ইয়াৰ ৰচক বাল্মীকিক 'আদিকবি' বুলি কোৱা হয়। পুৰাণত কোৱা আছে যে বাল্মীকি ভৃগুৰ বংশধৰ। এদিনাখন বাল্মীকিয়ে তমসা নদীত স্নান কৰি উভতি আহোতে গছৰ ডালত এযোৰ ক্ৰৌঞ্চ চৰাই দেখিলে। চৰাইহালে আনন্দমনেৰে গছৰ ডালত বহি আছিল। কিন্তু হঠাৎ ক্ৰৌঞ্চ যুগলৰ এটা ব্যাধৰ শৰত বিদ্ধ হোৱাত বাল্মীকিৰ মনত খুব দুখ উপজিল। তেতিয়া তেওঁৰ মুখৰ পৰা এফাঁকি শ্লোক নিগৰি আহিল। সেই শ্লোকটো হ'ল—

"মা নিষাদ প্ৰতিষ্ঠাং ত্বমগম ঃ শ্বাশ্বতী সমাঃ ।

যৎ ক্ৰৌঞ্চমিথুনাদেকমবধী ঃ কামমোহিতম্ ।।

এনেদৰে শোকত ম্ৰিয়মান হৈ থকা অৱস্থাত ব্ৰহ্মাৰ আদেশ মতে ৰামায়ণ ৰচনা কৰিবলৈ আৰম্ভ কৰে। ৰামায়ণত মুঠ সাতটা কাণ্ড আৰু পাঁচটা অধ্যায় আছে।

আপুনি এই অধ্যায়টিত ৰামায়ণৰ বিষয়বস্তু, ৰচনাকাল, ইয়াৰ বিকাশ, ৰামায়ণকালীন সামাজিক ব্যৱস্থা, অন্যান্য ৰচনাৱলীৰ ওপৰত ৰামায়ণৰ প্ৰভাৱ ইত্যাদি বিভিন্ন বিষয়ৰ লগত পৰিচিত হ'ব।

১.৩ ৰামায়ণৰ ৰচনাকাল

আপুনি এতিয়া ৰামায়ণৰ ৰচনাকালৰ বিষয়ে জানিব। বেদৰ ৰচনাৰ পিছত ৰামায়ণ ৰচনা হয় বুলি জনা যায়। ৰামায়ণৰ ৰচনা মহাভাৰতৰ আগতে হৈছিল বুলি স্বীকাৰ কৰা হয়। কাৰণ মহাভাৰতৰ বনপৰ্বত (সৰ্গ ২৫৮ - ২৮৩) ৰামৰ উল্লেখ আছে। অকল ৰামৰেই নহয় আন ভালেমান ৰামায়ণৰ চৰিত্ৰৰ উল্লেখ মহাভাৰততে পোৱা যায়। আনকি ৰামায়ণৰ দুটা শ্লোক মহাভাৰততে উদ্ধৃতও হৈছে। অন্যহাতে মহাভাৰতৰ কোনো বীৰৰ উল্লেখ ৰামায়ণত দেখা পোৱা নাযায়। গতিকে এই সকলোবোৰৰ পৰা ৰামায়ণ মহাভাৰতৰ পূৰ্ববৰ্তী ৰচনা বুলি অনুমান কৰা হয়।

পালি ভাষাত ৰচিত ত্ৰিপিটকৰ অন্তৰ্গত জাতকগ্ৰন্থত বৰ্ণিত 'দশৰথ জাতকে' ৰামায়ণৰ প্ৰভাৱৰ কথা দাঙি ধৰে। 'সামজাতক'ত চিকাৰীৰ হাতত মুনি পুত্ৰৰ নিধন হোৱা ঘটনাটোৱে ৰামায়ণত বৰ্ণিত অন্ধকমুনিৰ পুত্ৰ শ্ৰৱণকুমাৰ ৰজা দশৰথৰ হাতত নিধন হোৱা কথাটোলৈ মনত পেলাই দিয়ে। গতিকে ৰামায়ণৰ ৰচনা বৌদ্ধধৰ্মৰ আবিৰ্ভাৱৰ আগৰ বুলি অনুমান কৰিব পাৰি। আকৌ বৌদ্ধ ত্ৰিপিটকত ৰামচৰিত সম্বন্ধীয় প্ৰাচীনতম ৰূপ আছে, যিসমূহ ***চাৰণ*** সকলে মুখে মুখে গাইছিল।

> ***চাৰণ*** ঃস্বৰ্গীয় গায়ক

ৰামায়ণত 'যৱন' শব্দটো দুবাৰ উল্লেখ হোৱা দেখি পণ্ডিত ৱেবাৰ মহোদয়ে ৰামায়ণৰ ওপৰত গ্ৰীক কবি হোমাৰৰ গ্ৰন্থৰ প্ৰভাৱ পৰিছে বুলি উল্লেখ কৰে। কিন্তু ইয়াকোবি নামৰ আন এজন পণ্ডিতে বেৱাৰৰ এই মত অগ্ৰাহ্য কৰি খ্ৰীঃ পূঃ ৩০০ বছৰৰ পাছত ৰামায়ণ প্ৰক্ষিপ্ত বুলি মতামত দিয়ে। এই যৱন শব্দটোৱে অকল গ্ৰীক সকলোকেই বুজোৱা নাই; উত্তৰ পশ্চিম ভাৰততে যিবিলাক বিদেশীয়ে আক্ৰমণ চলাইছিল সেই আটাইবোৰ জাতিকে বুজাইছে। গ্ৰীক পৰিব্ৰাজক মেগেস্থেনিচৰ টোকাৰ পৰা পোৱা যায় যে খ্ৰীঃ পূঃ চতুৰ্থ শতাব্দীতে পাটলিপুত্ৰ নগৰ স্থাপিত হয়। এই নগৰ মগধৰ ৰাজধানী হিচাপে খ্ৰীঃ পূঃ ৩৫০ তে পৰিগণিত হয়। যদিও পাটলিপুত্ৰৰ ওচৰে পাজৰে থকা কিছুমান সৰু সৰু নগৰৰ উল্লেখ ৰামায়ণত আছে, কিন্তু এই পাটলিপুত্ৰৰ উল্লেখ ৰামায়ণত নাই। সেয়েহে পণ্ডিতসকলে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠিত হোৱাৰ আগতেই ৰামায়ণ ৰচিত হৈছিল বুলি মত পোষণ কৰে।

ৰামায়ণত "কৌশল" ৰাজ্যৰ ৰাজধানীৰ নাম 'অযোধ্যা' বুলি উল্লেখ আছে। বৌদ্ধ যুগত ইয়াৰ নাম আছিল "সাকেত"। আনকি গ্ৰীকসকলে আৰু অষ্টাধ্যায়ী ব্যাকৰণৰ ৰচক পাণিনিয়েও কৌশলৰ ৰাজধানী সাকেত বুলিহে উল্লেখ কৰিছে। ইয়াৰ পৰাও এইটো অনুমান কৰিব পাৰি যে বৌদ্ধযুগৰ বহু আগতে ৰামায়ণ ৰচিত হৈছিল।

বুৰঞ্জীৰ তথ্য মতে খৃঃ পূঃ ৩০০ শতাব্দীত অশোকে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠা কৰিছিল। গ্ৰীক পৰিব্ৰাজক মেগেস্থেনিচৰ ভ্ৰমণৰ সময়তো পাটলিপুত্ৰতেই মগধৰ ৰাজধানী আছিল। এইটোও মন কৰিবলগীয়া যে এই নগৰৰ ওচৰে পাজৰে থকা কৌশাম্বী, কান্যকুব্জ আদি নগৰবোৰৰ নাম ৰামায়ণত উল্লেখ আছে। কিন্তু প্ৰসিদ্ধ পাটলিপুত্ৰ নগৰখনৰ নাম ৰামায়ণৰ কতো উল্লেখ নাই। সেয়ে পণ্ডিতসকলে মত পোষণ কৰিছে যে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠিত হোৱাৰ আগতেই ৰামায়ণ ৰচিত হৈছিল।

ৰামায়ণৰ বালকাণ্ডত মিথিলা আৰু বিশালা নামেৰে দুখন পৃথক নগৰৰ উল্লেখ আছিল। তেতিয়া দুয়োখন নগৰতে দুজন শাসনকৰ্ত্তা আছিল। কিন্তু বুদ্ধদেৱৰ সময়ছোৱাত দুয়োখন ৰাজ্য একত্ৰিত হৈ বৈশালী নাম লয়। ইয়াৰ পৰাও অনুমান কৰিব পাৰি যে ৰামায়ণ বৌদ্ধ যুগৰ আগতেই ৰচিত হৈছিল।

১.৪ ৰামায়ণৰ বিষয়বস্তু

ৰামায়ণৰ ৰচনাকাল জনাৰ পিছত এতিয়া ৰামায়ণৰ বিষয়বস্তু সম্পৰ্কে জানিব পাৰিব। আদি কবি বাল্মীকি ৰচিত ৰামায়ণ মহাকাব্য প্ৰায় ২৪০০০ শ্লোকেৰে ৰচিত। ৰামায়ণৰ মূল পাঠ সাতটা কাণ্ডত ৰচিত। পৰম্পৰামতে ৰামায়ণৰ প্ৰতিহাজাৰ শ্লোক ***গায়ত্ৰী মন্ত্ৰৰ***একোটা আখৰেৰে ক্ৰমশঃ আৰম্ভ হৈছে।

> ***গায়ত্ৰী মন্ত্ৰক*** সাবিত্ৰী মন্ত্ৰ বুলিও কোৱা হয়। ঋক্‌বেদৰ এটা বিখ্যাত মন্ত্ৰ। এই মন্ত্ৰটো সূৰ্য্যদেৱতাক উদ্দেশ্য কৰি গোৱা হয়।

ৰামায়ণৰ প্ৰথম কাণ্ডটোৰ নাম বালকাণ্ড। এই কাণ্ডটোত দশৰথৰ পুত্ৰসমূহৰ জন্ম আৰু শৈশৱকাল বৰ্ণিত হৈছে। লগতে বিশ্বামিত্ৰ ঋষিৰ আশ্ৰমত যজ্ঞসংৰক্ষণ, তাড়কাদি ৰাক্ষস বধ, ৰাম আৰু ভৰত আদি ভাতৃসকলৰ বিবাহ বৰ্ণনা কৰা হৈছে।

দ্বিতীয় কাণ্ডটোৰ নাম অযোধ্যাকাণ্ড। এই কাণ্ডটোত বৰ্ণিত বিষয়বস্তুসমূহ হ'ল অযোধ্যাৰ ৰাজসভা, ৰামৰ অভিষেক আয়োজন, বনবাস, পুত্ৰশোকত কাতৰ দশৰথৰ মৃত্যু, ভৰতৰদ্বাৰা ৰামক প্ৰত্যাৱৰ্ত্তন কৰোৱাৰ বিফল প্ৰচেষ্টা আদি।

তৃতীয় কাণ্ডটোৰ নাম অৰণ্যকাণ্ড। দণ্ডকাৰণ্যত বনবাস পালন কৰি থকা ৰাম লক্ষ্মণ আৰু সীতাৰ জীৱন যাপন, বিৰাধ বধ, ৰামৰ পঞ্চৱটী নিবাস, ৰাৱণৰ ভগ্নী শূৰ্পণখাৰ সৈতে সাক্ষাৎকাৰ, খৰ দূষণাদি চৈধ্য হাজাৰ ৰাক্ষসৰ বধ তথা ৰাৱণৰ দ্বাৰা সীতাহৰণ আৰু তাৰ পিছত ৰামৰ বিলাপ আদি এই কাণ্ডটোত বৰ্ণোৱা হৈছে।

চতুৰ্থ কাণ্ডটো 'কিষ্কিন্ধাকাণ্ড' নামেৰে জনাজাত। কাণ্ডটোত বালিবধ, বালিৰ ভাতৃ সুগ্ৰীবৰ সৈতে ৰামচন্দ্ৰৰ মিত্ৰতা, বান্দৰসকলক লগত লৈ হনুমানৰ সীতাৰ অন্বেষণ বৰ্ণনা কৰা হৈছে।

পঞ্চম কাণ্ডটোৰ নাম সুন্দৰ কাণ্ড। ইয়াত ৰাৱণৰ ৰাজপুৰীৰ সৌন্দৰ্য্য, হনুমানৰ সীতাৰ প্ৰতি সান্ত্বনা আৰু সীতাৰ বাৰ্তা লৈ হনুমানৰ ৰামৰ ওচৰলৈ প্ৰত্যাগমন আদিৰ বৰ্ণনা কৰা হৈছে।

ষষ্ঠ কাণ্ডটো হ'ল যুদ্ধ কাণ্ড। ইয়াত ৰাম ৰাৱণৰ দীঘলীয়া যুদ্ধৰ বৰ্ণনা তথা যুদ্ধৰ শেষত ৰামৰ দ্বাৰা ৰাৱণৰ বধ আৰু সীতাক লৈ লংকাৰ পৰা ৰামৰ প্ৰত্যাগমন আৰু অযোধ্যাত ৰামৰ অভিষেক আদি বিষয় বৰ্ণনা কৰা হৈছে।

সপ্তম অৰ্থাৎ শেষৰ কাণ্ডটোৰ নাম হ'ল উত্তৰকাণ্ড। এই কাণ্ডটোত ৰামৰ ৰাজ্য শাসনৰ লগতে সীতাৰ লোকাপবাদৰ পৰিপ্ৰেক্ষিতত ৰামৰ দ্বাৰা সীতাৰ বিৰ্সজন, সীতাৰ বিলাপ, বাল্মীকিৰ আশ্ৰমত সীতাৰ আশ্ৰয় লাভ, লৱ কুশৰ জন্ম, অশ্বমেধ যজ্ঞ, লক্ষ্মণবৰ্জন আদি ঘটনা বৰ্ণনা কৰা হৈছে। ইয়াৰ উপৰিও অনেক আখ্যানৰ উল্লেখ ইয়াত পোৱা যায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তুলসীদাসে ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ২ঃ ৰামায়ণত 'কৌশল' ৰাজ্যৰ ৰাজধানীৰ নাম কি বুলি উল্লেখ আছে?

.....

প্ৰশ্ন নং ৩ঃ ৰামায়ণৰ মূল পাঠ কেইটা কাণ্ডত বিভক্ত?

.....

প্ৰশ্ন নং ৪ঃ ৰামায়ণৰ দ্বিতীয় কাণ্ডটোৰ নাম কি?

.....

প্ৰশ্ন নং ৫ঃ ৰামায়ণৰ অন্তিম কাণ্ডটোৰ নাম কি?

.....

১.৫ ৰামায়ণৰ প্ৰভাৱ

ৰামায়ণৰ বিষয়বস্তু জনাৰ পিচত আপুনি এতিয়া ৰামায়ণৰ প্ৰভাৱ পৰৱৰ্তী সাহিত্যৰ ওপৰত কেনেদৰে পৰিছে সেয়া জানিব পাৰিব। আদিকাব্য ৰামায়ণে সমগ্ৰ ভাৰতীয় জনমানস আৰু ভাৰতীয় সাহিত্য সংস্কৃতিৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাইছে। পৰৱৰ্তী বহুকেইখন কাব্য, নাটক আদি ৰামায়ণৰ অনুপ্ৰেৰণাতে ৰচিত হৈছে। আনকি মহাভাৰতৰ বনপৰ্বত (২৫৮ - ২৮৩ সৰ্গত) ৰামাখ্যানৰ বৰ্ণনা পোৱা যায়। বিষ্ণু, ব্ৰহ্মাণ্ড, গৰুড় অগ্নি, ভাগৱত আদি পুৰাণতো ৰামকথাৰ উল্লেখ পোৱা যায়। সেইদৰে দেৱী ভাগৱতত (তৃতীয় স্কন্ধ, ২৮ - ২৯ সৰ্গ) ৰাম কথাৰ বৰ্ণনা আছে। পালি ত্ৰিপিটকৰ অৰ্ন্তগত 'দশৰথ জাতক'তো ৰামকথাৰে লৈ বুদ্ধৰ পূৰ্বজন্মৰ কথা প্ৰচাৰ কৰা হৈছে। ৰামায়ণৰ আলমতে মহাকবি ভাসে 'প্ৰতিমা' আৰু 'অভিষেক' এই দুই নাটক ৰচনা কৰিছে। ভাসৰ অনুবৰ্তী মহাকবি কালিদাসেও ৰামায়ণক আলম কৰি ৰঘুবংশ মহাকাব্য ৰচনা কৰিছে। ইয়াৰ পিছৰ পৰ্যায়ত ভৱভূতিৰ মহাবীৰ চৰিত আৰু উত্তৰৰামচৰিত নাটক দুখন ৰামায়ণৰ কাহিনীক ভিত্তি কৰি ৰচিত হৈছে। আকৌ প্ৰবৰসেনৰ সেতুবন্ধ, কুমাৰ দাসৰ জানকীহৰণ, মুৰাৰীৰ 'অনৰ্ঘৰাঘৱ', জয়দেৱৰ 'প্ৰসন্নৰাঘৱ' ৰামকথাৰ আধাৰতে বিৰচিত হৈছে। একেদৰে, ৰামায়ণৰ কথাৰ আলম লৈ ৰাজশেখৰে 'বালৰামায়ণ', ভোজে 'ৰামায়ণচম্পূ' আৰু ক্ষেমেন্দ্ৰই 'ৰামায়ণ মঞ্জৰী' ৰচনা কৰে।

এইবোৰৰ উপৰিও বৌদ্ধ কবি অশ্বঘোষ, জৈন সন্যাসী বিমলসূৰী (পউম চৰিত) আদিৰ ৰচনাতো ৰামায়ণৰ প্ৰভাৱ দেখা যায়। বৌদ্ধগ্ৰন্থৰ তিব্বতীয় আৰু চীনা অনুবাদতো ৰামকথাৰ উল্লেখ পোৱা যায়। ইণ্ডোনেছিয়া, মালয়েচিয়া, ছিঙ্গাপুৰ, কম্বোদিয়া, থাইলেণ্ড আদি দেশৰ সাহিত্য সংস্কৃতি আৰু জনমানসত ৰামায়ণৰ চিৰস্থায়ী প্ৰভাৱ দেখা যায়।

মধ্যযুগীয় আৰু আধুনিক ভাৰতীয় সাহিত্যৰ ওপৰতো ৰামায়ণৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ দেখা পোৱা যায়। ষোড়শ শতাব্দীৰ ভক্তিকবি তুলসী দাসৰ ৰচনা 'ৰামচৰিত মানস', অসমৰ মাধৱকন্দলি ৰচিত ''অসমীয়া ৰামায়ণ', বংগদেশীয় 'কৃত্তিবাসী ৰামায়ণ' আদিয়ে জনপ্ৰিয়তা অৰ্জন কৰে। অৱশ্যে ৰামায়ণৰ বালকাণ্ডত (২/৩৬ - ৩৭) এইটো উল্লেখ আছে যে —

যাৱৎ স্থাস্যতি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱদ ৰামায়ণ কথা লোকেষু প্ৰচৰিষ্যতি।।

অৰ্থাৎ যেতিয়ালৈকে পৃথীৱীত নৈ আৰু পৰ্বত থাকিব তেতিয়ালৈকে ৰামায়ণ কথা লোক সমাজত প্ৰচাৰ হৈ থাকিব।

১.৬ ৰামায়ণৰ বিকাশ

এতিয়া আপুনি ৰামায়ণৰ বিকাশ পৰ্য্যায় ক্ৰমে কেনেদৰে হৈছিল, সেই বিষয়ে জানিব পাৰিব। জাৰ্মাণ পণ্ডিত ইয়াকোবিয়ে ৰামায়ণৰ পাঠ্যাংশ বিশ্লেষণ কৰি মূল ৰামায়ণ পাঁচটা কাণ্ডত বিভক্ত আছিল বুলি মত প্ৰকাশ

কৰিছে। এই মত অনুসাৰে ৰামায়ণৰ মূল কথা অযোধ্যা কাণ্ডত আৰম্ভ হৈ যুদ্ধ কাণ্ডত শেষ হৈছে। বালকাণ্ড আৰু উত্তৰাকাণ্ড, পিছত মূল কথাৰ আদিত আৰু অন্তত সংযোজিত হৈছে। এই মতামতৰ সমর্থনত কিছুমান যুক্তি আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল —

১) যুক্তিমতে দশৰথ পুত্ৰ ৰামচন্দ্ৰৰ অভিষেকৰ পিছতেই ৰামকথা শেষ হৈছে। বর্তমানেও দেখা যায় যে ৰামকথাৰ আবৃত্তি আৰু প্ৰবচন ৰামৰ অভিষেকতে শেষ হৈছে। উত্তৰ কাণ্ডত উল্লেখ থকা ঘটনাসমূহৰ লগত মূল ৰামকথাৰ সম্বন্ধ বেছি দেখা নাযায়। ৰাৱণ আৰু বান্দৰবোৰৰ পূর্ব বৃত্তান্ত সপ্তম কাণ্ডত দেখা যায়। উত্তৰাকাণ্ডত উল্লেখিত ৰামৰ উত্তৰ জীৱনৰ কথাবোৰে ৰামৰ বীৰোচিত চৰিত্ৰ অক্ষুন্ন ৰাখিবলৈ সমর্থ হোৱা নাই। তাত বহুতো উপাখ্যানৰ উল্লেখ পোৱা যায়।

২) বালকাণ্ডত প্ৰথম আৰু তৃতীয় সর্গত ৰামায়ণৰ দুটি বিষয়সূচী পোৱা যায়। সেই বিষয়সূচীৰ এটিত বালকাণ্ড আৰু উত্তৰকাণ্ডৰ বিষয়বস্তুৰ উল্লেখ পোৱা নাযায়। কিন্তু প্ৰথম সূচীত সেইবোৰৰ উল্লেখ আছে। গতিকে দুটা সূচীয়ে ৰামায়ণৰ দুটা স্তৰকে সূচাইছে।

৩) দ্বিতীয়, তৃতীয়, চতুর্থ আৰু পঞ্চম কাণ্ডসমূহৰ ভাষা আৰু ৰচনা শৈলীও প্ৰথম আৰু সপ্তম কাণ্ডৰ ভাষা শৈলীতকৈ পৃথক।

৪) বালকাণ্ডত লক্ষ্মণক বিবাহিত বুলি কোৱাৰ বিপৰীতে আকৌ অৰণ্যকাণ্ডত ৰামে লক্ষ্মণক অবিবাহিত বুলি উল্লেখ কৰিছে। গতিকে দুয়োটা কথাতে পাৰস্পৰিক বিৰোধিতা দেখা যায়।

৫) প্ৰথম আৰু সপ্তম কাণ্ডত ৰামক বিষ্ণুৰ অৱতাৰ বুলি কোৱা হৈছে যদিও আন পাঁচটা কাণ্ডত তেনে তথ্যৰ উল্লেখ পোৱা নাযায়।

৬) বালকাণ্ডত বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰাৰ পটভূমি চিত্ৰিত হৈছে। বালকাণ্ড আৰু উত্তৰকাণ্ডত বাল্মীকিৰ চৰিত্ৰও চিত্ৰিত হৈছে। এনে ক্ষেত্ৰত বাল্মীকিয়ে এই দুই কাণ্ড নিজে ৰচনা কৰা কথাটো অযুক্তিসঙ্গত।

৭) ৰামায়ণৰ বহুতো ঠাইত বহু অংশ প্ৰক্ষিপ্ত হৈছে।

ৰামায়ণৰ প্ৰথম আৰু সপ্তম কাণ্ডৰ বর্ণনাৰ পৰা জনা যায় যে বাল্মীকিয়ে অযোধ্যাৰ ওচৰতে গংগাৰ পাৰত আশ্ৰম পাতি বাস কৰিছিল। সেয়ে তেওঁ ৰাম আৰু ৰামৰ পূর্বপুৰুষসকলৰ বিষয়ে জ্ঞাত আছিল। ৰামে সীতাক পৰিত্যাগ কৰাৰ পিছত বাল্মীকিয়ে সীতাক আশ্ৰমত থাকিবলৈ আশ্ৰয় দান কৰিছিল। বাল্মীকিৰ আশ্ৰমতে লৱ কুশৰ জন্ম হয় আৰু ডাঙৰ দীঘলো হয়। বাল্মীকিয়ে এই ঘটনাসমূহৰ আলম লৈ ৰামায়ণ ৰচনা কৰে। পিছলৈ সেই গীতবোৰ ভ্ৰাম্যমান '*কুশীলৱ*' গায়ক শ্ৰেণীয়ে গাই ফুৰিছিল। লৱকুশে প্ৰথমতে ৰামকথা গাই প্ৰচাৰ কৰা বাবে তেনে গীতৰ গায়ক শ্ৰেণীয়ে 'কুশীলৱ' আখ্যা পায়। জনপ্ৰিয়তা বৃদ্ধি পোৱাত ৰামকথাৰ মাজত অন্য কথাও সংযোজিত হয়। কেই শতিকামানৰ পিছত ৰামকথাৰ আদি-অন্তত বালকাণ্ড আৰু উত্তৰকাণ্ড সংযোজিত হয়।

> ***কুশীলৱ ঃ*** লৱকুশকেই অর্থগতভাৱে বুজাইছে।

১.৭ ৰামায়ণৰ মহত্ব

এতিয়া আপুনি ৰামায়ণৰ মহত্বৰ বিষয়ে জানিব পাৰিব। বাল্মীকিকৃত ৰামায়ণ কেৱল প্ৰথম মহাকাব্য হিচাপেই জগতত প্ৰসিদ্ধ নহয়, ই হৈছে এনে এখন অতি জনপ্ৰিয় লৌকিক কাব্য, য'ত নিহিত শিক্ষাসমূহৰ এক ব্যৱহাৰিক প্ৰমূল্যও আছে। ৰামায়ণত থকা শিক্ষণীয় বিষয়বোৰ জনসাধাৰণৰ বাবে সহজবোধ্য তথ্য। ইয়াত থকা চৰিত্ৰসমূহ সমাজৰ প্ৰতিজন লোকৰ বাবে আদর্শস্বৰূপ। ৰাম যিদৰে পুৰুষৰ উত্তম আদর্শ, সীতা সেইদৰে নাৰীৰ আদর্শ, লক্ষ্মণ, ভৰত আৰু শত্রুঘ্ন প্ৰভৃতি ভাতৃৰ আদর্শ, হনুমান ভক্তৰ (সেৱকৰ) আদর্শ, একেদৰে সুমিত্ৰা আৰু

কৌশল্যা মাতৃসকলৰ বাবে আদর্শস্বৰূপ। অনুজ ভাতৃৰ বাবে ৰামৰ স্নেহ যিদৰে অতুলনীয়, সেইদৰে লক্ষ্মণৰো অগ্রজ ভাতৃলৈ শ্রদ্ধা আৰু প্রেম তুলনাবিহীন। মুঠতে ৰামায়ণ মহাকাব্যৰ প্রতিটো বাক্যত, প্রতিটো শব্দত নিহিত হৈ আছে উচ্চতম মানবাদর্শ আৰু নীতিজ্ঞানৰ ভাণ্ডৰ। সেয়েহে ৰামায়ণৰ কাহিনী পুৰণি হৈও চিৰনতুন হৈ আছে। সেই পুৰণি আদর্শই নৱতম পুৰুষকো অনুপ্রাণিত কৰি আহিছে। অর্থাৎ গৌৰৱময় অতীতে বর্তমানক তথা ভৱিষ্যতৰ প্রজন্মক প্রেৰণা দি আছে। ৰামায়ণ প্রাচীন ভাৰতীয় সভ্যতা-সংস্কৃতিৰ আধাৰশিলাৰূপে স্মৰণীয় আৰু বৰণীয়। ইয়ে আমাক প্রাগৈতিহাসিক যুগৰ সমাজব্যৱস্থা, ৰাজনৈতিক আৰু ভৌগোলিক অৱস্থাৰ বিষয়ে জানিবলৈ আৰু বুজিবলৈ সহায় কৰে। গতিকে ৰামায়ণৰ মহত্ব সদায়েই আমাৰ সমাজত বর্ত্তি থাকিব।

১.৮ ৰামায়ণৰ সামাজিক চিত্রণ

এতিয়া আপুনি ৰামায়ণৰ সামাজিক চিত্রণৰ বিষয়ে জানিব পাৰিব। ৰামায়ণৰ যুগত আর্যসকলৰ প্রধান জীৱিকা আছিল কৃষি, পশুপালন, বাণিজ্য আৰু কুটীৰ শিল্প। মাটি চহাবৰ বাবে একমাত্র আহিলা আছিল নাঙল। গম, যৱ, ধান, তিল, মাহ আদি আছিল প্রধান শস্য। উৎপন্ন শস্যৰ এক ষষ্ঠাংশ ৰজাক ৰাজহ হিচাপে দিয়াৰ নিয়ম আছিল। পশুপালনো এটা ডাঙৰ বৃত্তি আছিল। কুটীৰ শিল্পৰ ভিতৰত সোণ ৰূপৰ অলংকাৰৰ কাম, কাঁহ - পিতলৰ কাম, কাঁচৰ কাম, বস্ত্রবয়ন আৰু চিলাই আদি উল্লেখযোগ্য।

যাদুবিদ, গায়ক, সূত্রধাৰ, স্থপতি, বৈদ্য আদি বৃত্তিধাৰী লোক আছিল।

আর্যসকলে নিৰামিষ আৰু আমিষ দুয়োবিধ খাদ্যই ভক্ষণ কৰিছিল। আমিষৰ ভিতৰত হৰিণৰ মাংস আছিল অতি প্রিয় খাদ্য। সীতাৰ লগত বনবাসলৈ যোৱাৰ সময়ত ৰাম আৰু লক্ষ্মণে হৰিণ চিকাৰ কৰি মাংস ভক্ষণ কৰাৰ কথা উল্লেখ আছে। মাছৰ ব্যৱসায় প্রচলিত আছিল। যৌন সম্ভোগ আৰু যুদ্ধক্ষেত্রত উত্তেজনা সৃষ্টিৰ বাবে সুৰাপান কৰাৰ প্রথা আছিল।

ৰাজনৈতিক জীৱন আছিল যথেষ্ট উন্নত। ৰাজবংশৰ জ্যেষ্ঠ সন্তানজনে উত্তৰাধিকাৰীসূত্রে শাসনভাৰ গ্রহণ কৰিছিল। ৰজাৰ আচৰণ যেনেকুৱা হয় প্রজাৰো আচৰণ তেনেকুৱাই আছিল। ৰজাই জনমতক যথেষ্ট শ্রদ্ধা কৰিছিল। সীতাৰ প্রতি থকা অগাধ ভালপোৱাৰ বাবেই ৰামে ৰাৱণৰ হাতৰ পৰা সীতাক উদ্ধাৰ কৰি আনিলে, কিন্তু সেই সীতাকেই তেওঁ প্রজাক সন্তুষ্ট কৰিবৰ বাবে নির্বাসন দিলে।

পিতৃ সত্য পালনৰ বাবে পুত্রৰ স্বেচ্ছায় বনবাস গ্রহণ, ভাতৃপ্রেমৰ বাবে বনবাসী অগ্রজৰ আনুগত্য, ভাৰতীয় ৰমণীৰ একনিষ্ঠ পতিভক্তি আদি পাৰিবাৰিক আদর্শসমূহ আছিল জীৱন্ত শক্তি। ৰাম আদর্শৰ প্রতীক আছিল।

ৰামায়ণকালীন সমাজত অন্ধনীতি নিয়মৰ প্রচলন আছিল। ৰামায়ণত সমাজৰ নানা লোকাচাৰৰ বর্ণনা আছে। উল্কাপাত আদিক অশুভসূচক ঘটনাৰ ইংগিত বুলি কোৱা হৈছে।

অগ্রগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰক -

প্রশ্ন নং ৬ঃ ৰামাখ্যানৰ বর্ণনা মহাভাৰতৰ ..... পোৱা যায়।

.....

প্রশ্ন নং ৭ঃ ক্ষেমেন্দ্রই ৰামায়ণৰ আধাৰত ৰচিত কৰা গ্রন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ৮ঃ "অসমীয়া ৰামায়ণ' কোনে ৰচনা কৰিছিল ?

.....

প্ৰশ্ন নং ৯ঃ ৰামায়ণৰ সপ্তম কাণ্ডত ৰামক কিহৰ অৱতাৰ বুলি কোৱা হৈছে?

.....

প্ৰশ্ন নং ১০ঃ 'বালৰামায়ণ' কোনে ৰচনা কৰিছিল ?

.....

১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰামায়ণৰ ৰচনাকালৰ বিষয়ে জানিব পাৰিলে
- ৰামায়ণৰ ক্ৰমবিকাশ আৰু বিষয়বস্তুৰ বিষয়ে অৱগত হ'ল
- অন্যান্য সংস্কৃত সাহিত্যৰ ওপৰত ৰামায়ণৰ প্ৰভাৱৰ বিষয়ে গম পালে
- ৰামায়ণৰ মহত্ব বিষয়ে অৱগত হ'ল
- ৰামায়ণৰ এক সামাজিক চিত্ৰণো লাভ কৰিলে

১.১০ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত;* গুৱাহাটী, চন্দ্ৰ প্ৰকাশ।

২) গোস্বামী, হৰমোহন দেৱ, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী,* পাণবজাৰ, গুৱাহাটী, বুকলেণ্ড।

১.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্ন উত্তৰঃ ৰামচৰিত মানস

২নং প্ৰশ্ন উত্তৰঃ অযোধ্যা

৩নং প্ৰশ্ন উত্তৰঃ সাতটা কাণ্ড

৪নং প্ৰশ্ন উত্তৰঃ অযোধ্যা কাণ্ড

৫নং প্ৰশ্ন উত্তৰঃ উত্তৰ কাণ্ড

৬নং প্ৰশ্ন উত্তৰঃ বনপৰ্বত (২৫৮ - ২৮৩ সৰ্গত)

৭নং প্ৰশ্ন উত্তৰঃ ৰামায়ণ মঞ্জৰী

৮নং প্ৰশ্ন উত্তৰঃ মাধৱ কন্দলি

৯নং প্ৰশ্ন উত্তৰঃ বিষ্ণু অৱতাৰ

১০নং প্ৰশ্ন উত্তৰঃ ৰাজশেখৰ

১.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ৰামায়ণৰ বিষয়বস্তুৰ বিষয়ে সবিশেষ লিখক।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ৰামায়ণৰ প্ৰভাৱ সংস্কৃত সাহিত্যৰ ওপৰত কেনেদৰে পৰিছে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ৰামায়ণৰ ৰচনাকালৰ ওপৰত এটি টোকা লিখক।

*** ***** ***

অধ্যায় ২ঃ মহাভাৰত (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ মহাভাৰতৰ ক্রমবিকাশ

২.৪ মহাভাৰতৰ বিষয়বস্তু

২.৫ মহাভাৰতৰ ৰচনাকাল

২.৬ মহাভাৰতৰ প্রভাৱ

২.৭ ৰামায়ণ আৰু মহাভাৰতৰ তুলনা

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৯ অধিক জানিবলৈ

২.১০ অগ্রগতিৰ খতিয়ান

২.১১ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মহাভাৰতৰ বিকাশ কেইটা স্তৰত হৈছিল, সেই বিষয়ে গম পাব
- মহাভাৰতৰ বর্ণনীয় কথা বস্তুৰ লগত অৱগত হ'ব
- মহাভাৰতৰ ৰচনাৰ সময়সীমাৰ বিষয়ে জানিব পাৰিব
- মহাভাৰতৰ প্রভাৱ পিছৰ সময়ত কেনেদৰে পৰিছে, সেই বিষয়ে অৱগত হ'ব
- ৰামায়ণ আৰু মহাভাৰতৰ তুলনামূলক অধ্যয়ন এটিও এই অধ্যায়ত জানিব পাৰিব।

২.২ পৰিচয়

এই অধ্যায়ত আপুনি মহাভাৰতৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব। সংস্কৃত আলংকাৰিকসকলে মহাভাৰতক শ্রেষ্ঠ মহাকাব্য বুলি গণ্য কৰে। প্রাচীন ভাৰতীয় ভৰতবংশীয় ৰাজর্ষিসকলক আলম কৰিয়েই এই কাব্য ৰচিত হৈছে। ইয়াত বহুতো আখ্যান আৰু উপাখ্যানৰ সমাহাৰ দেখা যায়। আকৌ মহাভাৰতক একেধাৰে ইতিহাস আৰু পুৰাণ বুলিও কোৱা হয়। মহত্ব আৰু গুৰুত্বৰ আধিক্য হেতুকে এই গ্রন্থক মহাভাৰত বুলি জনা যায়।

মহাভাৰতৰ ওপৰত আধাৰিত এই অধ্যায়টি অধ্যয়ন কৰি আপুনি মহাভাৰতৰ ৰচনাকাল, মহাভাৰতৰ প্রভাৱ তথা ৰামায়ণ আৰু মহাভাৰতৰ তুলনা কৰিব পাৰিব।

২.৩ মহাভাৰতৰ ক্ৰমবিকাশ

এতিয়া আপুনি মহাভাৰতৰ ক্ৰমবিকাশৰ বিষয়ে জানিব। মহাভাৰতৰ ৰচনা এটা নিৰ্দিষ্ট সময়ত হোৱা নাই। সেয়ে ইয়াৰ ৰচকো এজন নহয় বুলি কব পাৰি আৰু ইয়াৰ সমাপ্তিও বহু শতাব্দী পিছতহে হয়।

বেদব্যাস কৃষ্ণদ্বৈপায়ণক মহাভাৰতৰ মুখ্য ৰচক হিচাপে ধৰা হয়। তেওঁ চন্দ্ৰ বংশীয় প্ৰজাসকলৰ বিষয়ে লিখিবলৈ এই মূল গ্ৰন্থভাগ ৰচনা কৰে। কুৰুপাণ্ডৱৰ মাজত হোৱা যুদ্ধখনেই এই কাব্য ইতিহাসৰ প্ৰধান উপজীব্য বিষয়বস্তু। ব্যাসদেৱে ৰচনা কৰা মূল কাব্যখনক 'জয়কাব্য' বুলি জনা যায়। সম্ভৱত পাণ্ডৱসকলে কুৰুক্ষেত্ৰ যুদ্ধত জয়লাভ কৰা বাবেই এই কাব্যৰ নাম 'জয়কাব্য' হয়। এই কাব্যখনত ৮৮০০ টা মান শ্লোক থকা বুলি পণ্ডিত ***মেকডোনেলে*** অনুমান কৰে। মহাভাৰতৰ বিকাশ প্ৰধানকৈ তিনিটা স্তৰত হোৱা বুলি কোৱা হয়। ইয়াৰ ইঙ্গিত মহাভাৰতৰ আদি পৰ্বৰ (প্ৰথম পৰ্বৰ) শ্লোক এটিত পোৱা যায়—

> মন্বাদি ভাৰতং কেচিদাস্তিকাদি তথাপৰে।
> তথোপৰিচৰাদন্যে বিপ্ৰাঃ সম্যগধিগম্যতে।। ১.১.৫৩

> ***মেকডোনেল*** ঃ বিখ্যাত সংস্কৃত পণ্ডিত। এওঁ জার্মানীৰ ব্যক্তি হয়।

বেদব্যাসে তেওঁৰ পাঁচজন শিষ্যৰ অন্যতম বৈশম্পায়ণক মূল 'জয়াখ্য' কাব্য প্ৰথমস্তৰত শিকাইছিল। এই কাব্যত বহুতো আখ্যান বা কাহিনীৰ বৰ্ণনা আছে। দ্বিতীয় স্তৰত বৈশম্পায়ণে পৰিবৰ্ধিত ৰূপত 'ভাৰতাখ্য' গ্ৰন্থ জন্মেজয়পৰীক্ষিতৰ সৰ্পযজ্ঞত আবৃত্তি কৰিছিল। আস্তিক আখ্যানেৰে তেওঁ এই গ্ৰন্থ আৰম্ভ কৰিছিল। তাত শ্লোকৰ সংখ্যা আছিল ২৪০০০। তৃতীয় স্তৰত মহাভাৰতাখ্য গ্ৰন্থ সৌতি লোমহৰ্ষণে নৈমিষাৰণ্যৰ সত্ৰযজ্ঞত শৌনকাদি মুনিসকলৰ আগত আবৃত্তি কৰিছিল। ইয়াৰ শ্লোক সংখ্যা হ'ল এশ হাজাৰ বা এক লক্ষ (১০০,০০০)। এই কথাৰ উল্লেখ মহাভাৰতত এনেদৰে পোৱা যায় —

> অস্মিংস্তু মানুষ্যে লোক বৈশম্পায়নোক্তান্।
> একং শতসহস্ৰং তু ময়োক্তং বৈ নিবোধত।

সৌতিয়ে আবৃত্ত কৰা মহাভাৰতখন বিশ্বকোষৰ নিচিনা পৰিণত হয়। কাৰণ তাত বিশ্বকোষৰ নিচিনা সকলো কথাই সন্নিবিষ্ট আছে। সেয়েহে ই বৰ্তমান এখন ইতিহাস, পু�ৰাণ, ধৰ্মশাস্ত্ৰ তথা মহাকাব্যত পৰিণত হৈছে। ভাৰত গ্ৰন্থ বিভিন্ন আখ্যান উপাখ্যানেৰে ভৰপূৰ। কিন্তু শেষত সৌতিয়ে যি কথা শৌনকাদি ঋষিসকলক শুনাইছিল তাত বিভিন্ন আখ্যান উপাখ্যান আৰু শেষত 'হৰিবংশ' অংশ যোগ দিয়ে আৰু ফলত ইয়াৰ আকাৰ বৃহৎ হৈ পৰে। সেইবাবে এই বৃহৎ গ্ৰন্থক 'মহাভাৰত' নামেৰে অভিহিত কৰা হয়।

২.৪ মহাভাৰতৰ বিষয়বস্তু

মহাভাৰতৰ ক্ৰমবিকাশৰ পিছত এতিয়া আপুনি মহাভাৰতৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব। মহাভাৰত ওঠৰটা (১৮) পৰ্বত বিভক্ত। প্ৰতিটো *পৰ্ব*আকৌ কেইবাটাও সৰ্গত বিভক্ত। ওঠৰতা (১৮) পৰ্বৰ নাম পৰ্যায়ক্ৰমে তলত উল্লেখ কৰা হ'ল — ১। আদি ২। সভা ৩। বন ৪। বিৰাট ৫। উদ্যোগ ৬। ভীষ্ম ৭। দ্ৰোণ ৮। কৰ্ণ ৯। শল্য ১০। সৌপ্তিক ১১। স্ত্ৰী ১২। শান্তি ১৩। অনুশাসন ১৪। অশ্বমেধিক ১৫। আশ্ৰমিক ১৬। মৌষল ১৭। মহাপ্ৰস্থানিক আৰু ১৮। স্বৰ্গাৰোহণ পৰ্ব।

> ***পৰ্ব*** ঃঅধ্যায়

এতিয়া তলত আপুনি পৰ্বসমূহৰ বিষয়বস্তুৰ সংক্ষিপ্ত বিৱৰণ পঢ়িবলৈ পাব—

আদিপৰ্বত চন্দ্ৰবংশৰ বিস্তৃত ইতিহাস তথা কৌৰৱ পাণ্ডৱসকলৰ বংশ পৰিচয়, জন্ম শৈশৱ, কৈশোৰ, দ্ৰৌপদীৰ স্বয়ম্বৰ, কৃষ্ণৰ আগমণৰ বিৱৰণ পোৱা যায়।

সভাপর্বত পাণ্ডৱসকলৰ ইন্দ্রপ্রস্থত সভাগৃহ নিমার্ণকার্য, যজ্ঞৰ অনুষ্ঠান, দুর্যোধনসহ যুধিষ্ঠিৰৰ দ্যুতক্রীড়াত যুধিষ্ঠিৰে পণ হিচাপে ৰাজ্য, ধন, অনুজ ভাতৃসকল সহ পত্নী দ্রৌপদীকো হেৰুৱায়। ফলত পাণ্ডৱসকলে বাৰবছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাসত থাকিবলৈ বাধ্য হয়। এই সকলোবোৰ বিষয়ৰ সবিশেষ বিৱৰণ এই সভা পর্বত পোৱা যায়।

বন পর্বত পাণ্ডৱসকলে বাৰ বছৰ কাল কাম্যক নামৰ বনত জীৱন নির্বাহ কৰে। বিৰাট পর্বত মৎস্যৰাজ বিৰাটৰ ৰাজপ্রাসাদত পাণ্ডৱসকলে এবছৰ সময় কটোৱাৰ বিৱৰণ আছে। এই পর্বতেই পঞ্চপাণ্ডৱ আৰু দ্রৌপদীয়ে ৰাজভৃত্যৰূপে ছদ্মবেশ ধৰি উপনাম লৈ বিৰাট ৰজাৰ ৰাজপ্রসাদত এবছৰ কাল কটায়।

উদ্যোগ পর্বত কুৰুক্ষেত্র যুদ্ধৰ আয়োজনৰ কথা বর্ণনা আছে। দুর্যোধনে কুশাগ্র পৰিমাণৰ ভূমিও বিনাযুদ্ধে যুধিষ্ঠিৰক এৰি দিবলৈ অস্বীকাৰ কৰে। এই পর্বটোৰ বিষয়বস্তু হৈছে পাঞ্চালৰাজ দ্রুপদ, মৎস্যৰাজ বিৰাট আৰু বার্ষ্ণেয় সাত্যকি প্রভৃতিৰ কথা মতে পাণ্ডৱসকলে নিজ ৰাজ্য উদ্ধাৰার্থে কৌৰৱসকলৰ সৈতে যুদ্ধ কৰিবলৈ কৰা আয়োজন।

উদ্যোগ পর্বৰ পিছৰ পাঁচটা পর্বত (ভীষ্ম, দ্রোণ, কর্ণ, শল্য আৰু সৌপ্তিক পর্বত) কুৰুক্ষেত্র যুদ্ধৰ সবিশেষ বিৱৰণ পোৱা যায়। ওঠৰদিনীয়া এই যুদ্ধত ভাগ লোৱা দুই দলৰ মুঠ ওঠৰ অক্ষৌহিনী (পাণ্ডৱৰ সাত অক্ষৌহিনী আৰু কৌৰৱৰ এঘাৰ অক্ষৌহিনী সৈন্য আৰু পঞ্চপাণ্ডৱ, কৃষ্ণ, সাত্যকি পাণ্ডৱপক্ষৰ), কৃপাচার্য্য, অশ্বত্থামা আৰু কৃতবর্মাৰ (কৌৰৱপক্ষৰ) বাহিৰে সকলো লোক যুদ্ধত নিহত হয়।

স্ত্রী পর্বত যুদ্ধত নিহত লোকসকলৰ শেষকৃত্যৰ বর্ণনা আছে।

পিছৰ দুটা পর্বত (শান্তি পর্ব আৰু অনুশাসন পর্ব) শৰশয্যাত শয়ন কৰি থকা ভীষ্মই যুধিষ্ঠিৰক ৰাজনীতি, সমাজনীতি, বর্ণাশ্রম ধর্ম, ধমার্থ কামমোক্ষ চতুর্বর্গ, বৈষ্ণৱ - শৈৱাদি পন্থাৰ বিষয়ে বিৱৰণ পোৱা যায়।

আশ্বমেধিক পর্বত যুধিষ্ঠিৰৰ হস্তিনাপুৰ প্রৱেশ, ৰাজ্যাভিষেক আৰু অশ্বমেধ যজ্ঞানুষ্ঠান সম্পন্ন কৰাৰ সবিশেষ বিৱৰণ পোৱা যায়।

আশ্রমিক পর্বত ধৃতৰাষ্ট্র, গান্ধাৰী আদিৰ বানপ্রস্থাশ্রমত প্রৱেশ আৰু দাবাগ্নিত প্রাণনাশৰ বিৱৰণ আছে। মৌষল পর্বত যদুকুল নাশ আৰু যাদৱকুলৰ বংশধৰ বজ্রৰ মথুৰাৰ ৰজাৰূপে অভিষিক্ত হোৱাৰ বিৱৰণ আছে। মহাপ্রস্থানিক পর্বত পাণ্ডৱসকলৰ দ্বাৰা পৰীক্ষিতৰ অভিষেক আৰু পাণ্ডৱসকলৰ মহাপ্রস্থানৰ বর্ণনা আছে।

স্বর্গাৰোহন পর্বত যুধিষ্ঠিৰৰ স্বর্গাৰোহনৰ সবিশেষ বিৱৰণ আছে।

২.৫ মহাভাৰতৰ ৰচনাকাল

মহাভাৰতৰ বিষয়বস্তুৰ পিছত এতিয়া আপুনি ৰচনাকালৰ বিষয়ে জানিব পাৰিব। মহাভাৰতৰ ৰচানকাল সম্বন্ধে পণ্ডিতসকলে বেলেগ বেলেগ মত পোষণ কৰে। কোনো এক নির্দিষ্ট কালত ইয়াৰ ৰচনা আৰম্ভ হৈ শেষ হোৱা নাই। সাধাৰণতে ইয়াৰ ৰচনা ১০০০ খৃঃ পূঃ ৰ পৰা ৪০০ খৃঃ লৈকে এই সুদীর্ঘ কাল ধৰা হয়। সেই ফালৰ পৰা মহাভাৰতৰ উচ্চতম আৰু নিম্নতম সময়সীমা তলত নির্ধাৰণ কৰা হৈছে —

১) গুপ্তকালত পোৱা এক শিলালিপিৰ পৰা জনা যায় যে মহাভাৰত একলাখ শ্লোকৰ সমষ্টি। সেয়েহে মহাভাৰতৰ ৰচনাকাল ইয়াতকৈ (শিলালিপিতকৈ) বহুত আগৰ বুলি ধাৰণা কৰা হয়।

২) খ্রীষ্টীয় ষষ্ঠ শতিকাত বিদেশত মহাভাৰত জাভা আৰু বালিদ্বীপৰ কবিভাষালৈ অনুদিত হ'লে নিশ্চয় তাতকৈ বহুকাল আগতে ভাৰতবর্ষত উক্ত গ্রন্থ ৰচিত হ'ব লাগিব।

৩) খ্রীষ্টীয় তৃতীয় শতিকামানতে পণ্ডিতসকলৰ মতে মহাভাৰত চীনত প্রচাৰ হয়। গতিকে তাৰ আগতেই

নিশ্চয় মহাভাৰত ভাৰতবর্ষত ৰচিত হয়।

৪) খ্ৰীষ্টীয় প্ৰথম শতিকাৰ বৌদ্ধ কবি অশ্বঘোষকৃত বজ্ৰসূচিকোপনিষদতো মহাভাৰতৰ শ্লোকৰ উল্লেখ আছে।

৫) খ্ৰীষ্টীয়পূর্ব পঞ্চম শতিকাৰ প্ৰসিদ্ধ বৈয়াকৰণ পাণিনিয়ে তেওঁৰ অষ্টাধ্যায়ীত ভীষ্ম, যুধিষ্ঠিৰ, বিদুৰ প্ৰভৃতি চৰিত্ৰসহ মহাভাৰতৰ উল্লেখলৈ চাই মহাভাৰতৰ ৰচনাকাল পঞ্চম শতিকাৰ আগতেই হোৱা বুলি অনুমান কৰিব পাৰি।

৬) ভাসে (খৃঃ পূঃ ৩০০ - ৪০০ অব্দ) তেওঁৰ সাতখন ক্ষুদ্ৰ নাটক মহাভাৰতৰ বিভিন্ন ঘটনাৰ আলমত ৰচনা কৰিছে। গতিকে সেইফালৰ পৰা মহাভাৰততৰ ৰচনা ভাসৰ সময়ৰ আগতেই হোৱা বুলি কব পাৰি।

৭) সূত্ৰ সাহিত্যৰ অন্তর্গত আশ্বলায়ন গৃহ্যসূত্ৰ, শাংখায়ন শ্ৰৌত সূত্ৰ, বৌধায়ন ধর্মসূত্ৰ আদিত মহাভাৰতৰ যুদ্ধৰ কিছু বর্ণনা পোৱা যায়। কাশিকা, ৰামগোপাল আদি পণ্ডিতৰ মতে কল্পসূত্ৰবোৰৰ ৰচনা কাল খৃঃ পূঃ ৮০০ - ৫০০ অব্দৰ ভিতৰত। এনেবোৰ প্ৰমাণৰ পৰা মহাভাৰতৰ ৰচনাৰ উচ্চতম সীমা খৃঃ পূঃ দশম শতিকা বুলি কব পাৰি।

৮) সপ্তম শতিকাৰ গদ্যকাৰ সুৰন্ধুয়ে তেওঁৰ "বাসৱদত্তা" গ্ৰন্থত মহাভাৰতৰ উল্লেখ কৰিছে।

৯) সপ্তম শতিকাৰ আন এজন দার্শনিক কবি কুমাৰিল ভট্টই নিজ গ্ৰন্থত মহাভাৰতৰ উদ্ধৃতি দিছে।

১০) গদ্যকাৰ বাণভট্টই (খৃঃ ৬৫০) তেওঁৰ "কাদম্ববী" গ্ৰন্থত মহাকাল মন্দিৰৰ বর্ণনা প্ৰসংগত মহাভাৰতৰ কথা উল্লেখ কৰিছে।

১১) ৫০০ খৃষ্টাব্দৰ দানপাত্ৰ কিছুমানত মহাভাৰতৰ উল্লেখ পোৱা যায়।

১২) বিভিন্ন পণ্ডিতে মহাভাৰতৰ ৰচনা বিভিন্ন ধৰণে নির্ধাৰণ কৰিছে। কিছুমানৰ মতে অন্তিমসীমা খৃঃ পূঃ ৫০০ অব্দ আৰু কিছুমানৰ মতে খৃঃ পূঃ ৩৫০ - ৩২০ অব্দৰ মাজত ৰচিত।

২.৬ মহাভাৰতৰ প্ৰভাৱ

মহাভাৰতৰ ৰচনাকালৰ পিছত এতিয়া আপুনি মহাভাৰতৰ প্ৰভাৱ পৰৱর্তী সাহিত্যৰ ওপৰত কেনেদৰে পৰিছে, সেই বিষয়ে গম পাব। ভাৰতীয় সাহিত্যৰ ওপৰত মহাভাৰতৰ প্ৰভাৱ অপৰিসীম। মহাভাৰতৰ পাতত থকা বিভিন্ন নীতিকথা, ধর্মকথাসমূহ নানাধৰণে প্ৰকাশ পাইছে।

শ্ৰীমদ্ভগবদ্গীতা, বিষ্ণুসহস্ৰনাম, অনুগীতা, ভীষ্মস্তৱৰাজ আৰু গজেন্দ্ৰমোক্ষ নামৰ পাঁচখন গ্ৰন্থ মহাভাৰতৰ বুকুৰ পৰাই প্ৰকাশ পাইছে। মহাভাৰতৰ আধাৰত বিভিন্ন মহাকাব্য, কাব্য, নাটক, কথাসাহিত্য আদি ৰচিত হৈছে। মহাকবি ভাস, কালিদাস, মাঘ, ভট্টনাৰায়ণ, ভাৰবি, শ্ৰীহর্ষ, ৰাজশেখৰ, ক্ষেমেন্দ্ৰ আদি কবিসকলে মহাভাৰতৰ আলমতে বিভিন্ন গ্ৰন্থ ৰচনা কৰি থৈ গৈছে।

মহাকবি ভাসৰ ছয়খন নাটক (পঞ্চৰাত্ৰ, দূতকাব্য, দূতঘটোৎকচ, উৰুভংগ, কর্ণভাৰ, মধ্যমব্যায়োগ) মহাভাৰতৰ বিভিন্ন কাহিনীক আশ্ৰয় কৰি ৰচিত হৈছে।

মহাকবি কালিদাসৰ অভিজ্ঞানশকুন্তলম্ নাটকখন মহাভাৰতৰ আদি পর্বত থকা শকুন্তলোপাখ্যানক অবলম্বন কৰি ৰচিত হৈছে।

ভট্টনাৰায়ণৰ বেণীসংহাৰ নাটক মহাভাৰতৰ কাহিনীৰ আধাৰতেই ৰচিত হৈছে। শ্ৰীহর্ষ ৰচিত নৈষধচৰিত মহাকাব্য মহাভাৰতৰ নলোপাখ্যানৰ আধাৰত ৰচিত হৈছে। ইয়াৰ উপৰিও মাঘৰ "শিশুপালবধ" মহাকাব্যখন মহাভাৰতত বর্ণিত শিশুপালৰ কাহিনীক লৈ ৰচিত হৈছে। ভাৰবিৰ "কিৰাতার্জুনীয়ম্" মহাকাব্যখন মহাভাৰতত বর্ণিত শিৱ আৰু অর্জুনৰ সংবাদ লৈ ৰচিত। ঠিক তেনেদৰে ত্ৰিবিক্ৰমভট্টৰ "নলচম্পূ" নামৰ চম্পূকাব্যখন মহাভাৰতৰ

নলোপাখ্যানক অবলম্বন কৰি ৰচিত হৈছে। ক্ষেমেন্দ্ৰৰ "ভাৰতমঞ্জৰী" খন মহাভাৰতৰ সাৰাংশ কৰিয়েই ৰচিত হৈছে। ইয়াৰ উপৰিও বহুতো প্ৰাচীন গ্ৰন্থ তথা আধুনিক ভাৰতীয় ভাষাবোৰতো সাহিত্যিকসকলে মহাভাৰতক উপজীব্য কৰি নানা গ্ৰন্থ ৰচনা কৰিছে।

২.৭ ৰামায়ণ আৰু মহাভাৰতৰ তুলনা

এতিয়া আপুনি ৰামায়ণ আৰু মহাভাৰতৰ পাৰ্থক্য জানিব পাৰিব। ৰামায়ণ বা মহাভাৰত এই দুয়োখন মহাকাব্যই ভাৰতীয় সভ্যতা সংস্কৃতি, ৰীতি নীতি আৰু সাহিত্যৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাইছে। দুয়োখন গ্ৰন্থই ভাৰতীয় সাহিত্যৰ দুটা ভিন্ন যুগক প্ৰতিনিধিত্ব কৰিছে। তলত দুয়োখন গ্ৰন্থৰ তুলনা দাঙি ধৰা হ'ল —

১) ৰামায়ণৰ ৰচক হৈছে আদিকবি বাল্মীকি আৰু মহাভাৰতৰ ৰচক হৈছে পৰাশৰৰ পুত্ৰ মহামুনি কৃষ্ণদ্বৈপায়ন বেদব্যাস।

২) ৰামায়ণৰ মূল কথা হৈছে ৰাম ৰাৱণৰ যুদ্ধ। আনহাতে মহাভাৰতৰ প্ৰধান বিষয়বস্তু হৈছে কৌৰৱ আৰু পাণ্ডৱসকলৰ মাজত হোৱা যুদ্ধ।

৩) ৰামায়ণ সাতটা কাণ্ডত বিভক্ত আৰু প্ৰতিটো কাণ্ড বিভিন্ন সৰ্গত বিভক্ত। মহাভাৰত আকৌ ওঠৰ (১৮) টা পৰ্বত বিভক্ত। প্ৰতিটো পৰ্ব অনেক অধ্যায়ত বিভক্ত।

৪) বিস্তৃতিৰ ফালৰ পৰা দেখা যায় যে ৰামায়ণ মহাভাৰতৰ এক চতুৰ্থাংশ মাত্ৰ। ৰামায়ণৰ শ্লোকসংখ্যা ২৪০০০। অন্যহাতে মহাভাৰত প্ৰায় এক লাখ শ্লোকৰ সমষ্টি।

৫) মহাভাৰতৰ ৰচনা ৰামায়ণতকৈ পিছৰ। কাৰণ মহাভাৰতৰ বনপৰ্বত ৰামোপাখ্যানৰ বৰ্ণনা পোৱা যায়।

৬) ৰামায়ণৰ ভাষা মহাভাৰতৰ তুলনাত অধিক বিশুদ্ধ। চৰিত্ৰ চিত্ৰণ, ছন্দ-অলংকাৰ, ৰসাদিৰ প্ৰয়োগৰ ক্ষেত্ৰত ৰামায়ণৰ উৎকৃষ্টতা সহজে চকুত পৰে।

৭) ৰামায়ণত সতীদাহৰ উল্লেখ পোৱা নাযায়; কিন্তু মহাভাৰতত আছে। উদাহৰণস্বৰূপে মাদ্ৰীৰ সতীদাহ।

৮) মহাভাৰতৰ নাৰী দ্ৰৌপদী প্ৰতিশোধপৰায়ণা স্বভাৱৰ, কিন্তু ৰামায়ণৰ সীতা ধীৰ স্থিৰ।

৯) মহাভাৰতৰ যুদ্ধৰ বৰ্ণনাত ৰামায়ণতকৈ অধিক বাহুল্যতা দেখা যায়। ৰণনীতিৰ কৌশলগত দিশত মহাভাৰতৰ যোদ্ধাসকল বেছি আগৰণুৱা। আনহাতে ৰামায়ণত শিল লৈ বান্দৰ ৰাক্ষসসকলে যুদ্ধ কৰা দেখা যায়।

১০) ৰামায়ণৰ সমাজ আদৰ্শবাদৰ ওপৰত প্ৰতিষ্ঠিত। মহাভাৰতৰ সামাজিক ব্যৱস্থাত আদৰ্শবাদৰ স্থান নাই।

১১) ৰামায়ণৰ নায়িকা সীতা আৰু মহাভাৰতৰ নায়িকা দ্ৰৌপদীৰ জন্ম অলৌকিকভাৱে হোৱা দেখা যায়। দুয়োজনী নায়িকাৰ বিবাহ স্বয়ম্বৰৰ জৰিয়তে সম্পন্ন হৈছে। ৰামায়ণত যি ধৰণেৰে সিংহাসনৰ উত্তৰাধিকাৰিত্বলৈ ৰামৰ বনবাস হৈছে, ঠিক তেনেধৰণেৰে যুধিষ্ঠিৰাদি পঞ্চপাণ্ডৱৰো সিংহাসন লৈ বনবাস হৈছে।

এনেধৰণেৰে বিশ্লেষণ কৰিলে দেখা যায় যে ৰামায়ণ আৰু মহাভাৰতৰ বৰ্ণনীয় বিষয়ৰ মাজত অমিলৰ পৰিমাণেই বেছি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ মহাভাৰতত কেইটা পৰ্ব আছে?

.....

প্ৰশ্ন নং ২ঃ মহাভাৰতৰ শেষৰ পৰ্বটোৰ নাম কি?

.....

প্ৰশ্ন নং ৩ঃ ভাসৰ কেইখন নাটক মহাভাৰতৰ আধাৰত ৰচিত?

.....

প্ৰশ্ন নং ৪ঃ 'নলচম্পূ' নামৰ চম্পূকাব্যখন কিহৰ আধাৰত ৰচিত?

.....

প্ৰশ্ন নং ৫ঃ ভাৰত মঞ্জৰীৰ ৰচক কোন?

.....

প্ৰশ্ন নং ৬ঃ সুবন্ধুয়ে লিখা গ্ৰন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ৭ঃ পাণিনিয়ে ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ৮ঃ সপ্তম শতিকাৰ এজন দাৰ্শনিক কবিৰ নাম লিখক।

.....

প্ৰশ্ন নং ৯ঃ "কাদম্বৰী" গ্ৰন্থৰ লিখক কোন?

.....

প্ৰশ্ন নং ১০ঃ মহাভাৰতৰ ৰচক কোন?

.....

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মহাভাৰতৰ ক্ৰমবিকাশৰ বিষয়ে জানিলে, এই বিকাশ প্ৰধানকৈ তিনিটা স্তৰত হোৱা বুলি কোৱা হয়।
- মহাভাৰতৰ বিষয়বস্তু সম্পৰ্কে গম পালে, সৰ্বমুঠ ওঠৰটা পৰ্বত মহাভাৰত বিভক্ত।
- মহাভাৰতৰ সময়সীমাৰ বিষয়ে জানিব পাৰিলে, কিছুমানৰ মতে অন্তিম সীমা খৃঃপূঃ ৫০০ অব্দ আৰু কিছুমানৰ মতে খৃঃ পূঃ ৩৫০-৩২০ অব্দৰ মাজত ৰচিত।
- অন্যান্য সংস্কৃত সাহিত্যৰ ওপৰত মহাভাৰতৰ প্ৰভাৱ দেখা যায়। যেনে- ভাসৰ ছয়খন নাটক, কালিদাসৰ এখন নাটক মহাভাৰতৰ আধাৰত ৰচিত।
- ৰামায়ণ আৰু মহাভাৰতৰ এটি তুলনামূলক অধ্যয়নৰ পৰা দেখা যায় যে মহাভাৰতৰ ৰচনা ৰামায়ণতকৈ পিছত হৈছে।

২.৯ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ ।

২) গোস্বামী, হৰমোহন দেৱ; *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* পাণবজাৰ, গুৱাহাটী ঃ বুকলেণ্ড।

২.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰঃ ১৮ টা (ওঠৰটা)

২নং প্ৰশ্নৰ উত্তৰঃ স্বৰ্গাৰোহণ পৰ্ব

৩নং প্ৰশ্নৰ উত্তৰঃ সাতখন নাটক

৪নং প্ৰশ্নৰ উত্তৰঃ মহাভাৰতৰ নলোপাখ্যান

৫নং প্ৰশ্নৰ উত্তৰঃ ক্ষেমেন্দ্ৰ

৬নং প্ৰশ্নৰ উত্তৰঃ বাসবদত্তা

৭নং প্ৰশ্নৰ উত্তৰঃ অষ্টাধ্যায়ী

৮নং প্ৰশ্নৰ উত্তৰঃ কুমাৰিল ভট্ট

৯নং প্ৰশ্নৰ উত্তৰঃ বাণভট্ট

১০নং প্ৰশ্নৰ উত্তৰঃ কৃষ্ণদ্বৈপায়ণ বেদব্যাস।

২.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ মহাভাৰতৰ বিষয়বস্তু সম্পৰ্কে লিখক।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ ৰামায়ণ আৰু মহাভাৰতৰ এটি তুলনামূলক অধ্যয়ন কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ মহাভাৰতৰ ক্ৰমবিকাশৰ বিষয়ে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৩ঃ পুৰাণ (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ পুৰাণ শব্দৰ অর্থ আৰু উৎস

৩.৪ পুৰাণৰ ৰচক আৰু কাল

৩.৫ পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্য

৩.৬ মহাপুৰাণ আৰু উপপুৰাণৰ সংখ্যা

৩.৬.১ বিভিন্ন মহাপুৰাণৰ বর্ণনা

৩.৭ পুৰাণৰ প্রভাৱ

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান

৩.১১ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পুৰাণ শব্দৰ অর্থ আৰু ইয়াৰ ৰচকৰ বিষয়ে জানিব
- পুৰাণৰ উৎস আৰু ইয়াৰ ৰচনাকালৰ বিষয়ে অৱগত হ'ব পাৰিব
- পুৰাণ সাহিত্যৰ বিষয়বস্তু আৰু বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন মহাপুৰাণ আৰু উপপুৰাণ সমূহৰ নাম জানিব পাৰিব
- পিছৰ কালৰ সাহিত্যত পুৰাণ সাহিত্যৰ প্রভাৱৰ বিষয়ে জানিব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়ত আপুনি পুৰাণ সাহিত্যৰ বিষয়ে জানিব পাৰিব। প্রকৃততে ভাৰতীয় সভ্যতা সংস্কৃতি সর্বসাধাৰণৰ মাজত প্রচাৰ আৰু প্রসাৰৰ ক্ষেত্রত পুৰাণসমূহে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। পুৰাণসমূহ অধ্যয়ন কৰি বিভিন্ন সময় তথা পৰিৱেশ পৰিস্থিতিৰ, ভাৰতীয় সভ্যতা সংস্কৃতিৰ আভাস পাব পাৰি। সেইবাবেই পুৰাণৰ জ্ঞান আহৰণ অতিকৈ আৱশ্যক। পুৰাণ শব্দৰ অর্থই হৈছে পুৰণি আখ্যান।

ব্যাস, মহাভাৰতৰ ব্যাখ্যাকর্তাক পুৰাণৰ ৰচক বুলি গণ্য কৰা হয়। সংস্কৃত সাহিত্যত ১৮ খন উপপুৰাণ আছে। পুৰাণৰ কাহিনীসমূহ মুখে মুখে প্রথমে চলি আহিছিল পিছতহে ইয়াৰ লিখিতৰূপ পোৱা যায়। পুৰাণৰ উল্লেখ সর্বপ্রথমে ছান্দোগ্য উপনিষদত পোৱা যায়।

এই অধ্যায়ত আপুনি পুৰাণৰ বিভিন্ন দিশৰ লগত পৰিচিত হ'ব পাৰিব। যেনে— পুৰাণ শব্দৰ অর্থ, পুৰাণসমূহ কোনে ৰচনা কৰিছিল, পুৰাণৰ উৎস, পুৰাণসমূহৰ ৰচনাৰ সময়, ইয়াৰ বিভিন্ন মনোমোহা বিষয়বস্তু,

পুৰাণৰ উল্লেখযোগ্য বৈশিষ্ট্য, বিভিন্ন মহাপুৰাণ তথা উপপুৰাণৰ সংখ্যা, সেইবোৰৰ নাম তথা সর্বশেষত পিছৰ কালৰ সাহিত্য আৰু সংস্কৃতিৰ ওপৰত পুৰাণ সাহিত্যৰ প্ৰভাৱ কেনেদৰে পৰিছে এই বিষয়ে জানিব পাৰিব।

৩.৩ পুৰাণ শব্দৰ অর্থ আৰু উৎস

এতিয়া আপুনি 'পুৰাণ' শব্দৰ অর্থ জানিব পাৰিব। পুৰাণ শব্দৰ সাধাৰণ অর্থ হৈছে 'পুৰাণমাখ্যানম্' অর্থাৎ 'পুৰণি আখ্যান'। পুৰাণ শব্দৰ ব্যুৎপত্তিগত অর্থ হৈছে পুৰাণঃ অথবা 'আগৰ'। পুৰাণ সাহিত্য বিশেষভাৱে বিভিন্ন দেৱ-দেৱীৰ নামেৰে নামকৰণ কৰা হৈছে। আকৌ পুৰাণ সাহিত্য বিভিন্ন বিষয়বস্তুৰে সমাদৃত হৈ আছে। ইয়াত বিভিন্ন দেৱ-দেৱী, ৰজা, নেতা, ঋষি, উপদেৱতা, লোকসাধু, ধর্মস্থান, মন্দিৰ, ঔষধি, জ্যোতিষ, ব্যাকৰণ, প্ৰেমৰ কাহিনী, দর্শন আদি বিভিন্ন বিষয়ৰ আখ্যান পোৱা যায়।

ওঠৰখন পুৰাণৰ উৎসৰ বিষয়ে বিষ্ণু পুৰাণত উল্লেখ আছে। মুখ্য ওঠৰ পুৰাণৰ উপৰিও ওঠৰখন উপ-পুৰাণৰ অৱস্থিতিৰ বিষয়ে গম পোৱা যায়।

জানি থোৱা ভাল

বৃহদাৰণ্যকোপনিষদত পুৰাণক 'পঞ্চম বেদ' বুলি আখ্যা দিয়া হৈছে— 'ইতিহাসপুৰাণম্ পঞ্চমং বেদানাম্'। উল্লেখযোগ্য যে মহাভাৰতখনকে বিখ্যাত ইতিহাসপুৰাণ বুলি গণ্য কৰা হয়। ইয়াৰ উল্লেখ অথর্ববেদতো পোৱা যায়।

৩.৪ পুৰাণৰ ৰচক আৰু কাল

সাধাৰণতে ব্যাস অর্থাৎ মহাভাৰতৰ ব্যাখ্যাকর্তাক পুৰাণৰ ৰচক বুলি গণ্য কৰা হয়। অন্যহাতে, বায়ু পুৰাণৰ এঠাইত ব্ৰহ্মাকে পুৰাণৰ ৰচক বুলি কোৱা হৈছে। এইখন পুৰাণৰে অন্য এঠাইত ভৰদ্বাজ মুনিকো পুৰাণৰ প্ৰবক্তা বুলি ধৰা হৈছে।

আকৌ বিষ্ণুপুৰাণত উল্লেখ আছে যে ভগৱান বেদব্যাসে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি আদিৰ লগে লগে পুৰাণ সংহিতাও ৰচনা কৰে। ইয়াৰ পিছত ব্যাসে সেইসমূহ তেওঁৰ প্ৰিয় শিষ্য 'লোমহর্ষণ'ক অধ্যয়ন কৰায়। 'লোমহর্ষণে' পুৰাণ অধ্যয়ন কৰি লাভ কৰা জ্ঞান তেওঁৰ শিষ্য অকৃতব্ৰণ সাবর্ণি আৰু শাংখপায়নক দান কৰে। তেওঁলোক তিনিজনে অর্থাৎ লোমহর্ষণ. অকৃতব্ৰণ সাবর্ণি আৰু শাংখপায়নে লগ হৈ মুল সংহিতাৰ ওপৰত তিনিখন পুৰাণ সংহিতা ৰচনা কৰে। পিছত এই তিনিজনৰ শিষ্যসকলে ক্ৰমে ওঠৰখন মহাপুৰাণ আৰু অন্যান্য উপপুৰাণসমূহ ৰচনা কৰে।

মৎস্যপুৰাণত উল্লেখ আছে যে সর্বপ্রথমে এখনহে পুৰাণ-সংহিতা আছিল। বিষ্ণুপুৰাণত উল্লেখ থকাৰ দৰে, শিৱপুৰাণতো উল্লেখ আছে যে ব্যাসদেৱে পুৰাণৰ উত্থান তেওঁৰ শিষ্য লোমহর্ষণক দান কৰে। শিৱপুৰাণত এইটো উল্লেখ আছে যে কল্পৰ শেষত মাত্ৰ এখনেই পুৰাণ আছিল আৰু তাক বেদৰ দৰে ব্ৰহ্মাই ঋষিসকলক কয়। আটাইবোৰ পুৰাণৰ প্ৰসংগৰ পৰা গম পোৱা যায় যে ব্ৰহ্মাই বেদৰ নিচিনাকৈ পুৰাণৰ কথা স্মৰণ কৰে আৰু এইটো ব্যাসদেৱলৈ প্ৰৱাহিত হৈ আছে।

পুৰাণৰ সময় বা কাল মহাভাৰতৰ ৰচনাৰ আগৰ বুলি ধৰা হয়। অর্থাৎ কিছুমানৰ মতে সপ্তম শতিকাৰ আগতে পুৰাণসাহিত্যৰ উল্লেখ পোৱা যায়। মহাভাৰতখনক কেৱল পুৰাণ বুলিয়েই গণ্য কৰা নহয়।

অপিতু মহাভাৰতখনো পুৰাণৰ নিচিনা একেধৰণে আৰম্ভ হৈছে। সূত লোমহর্ষণৰ পুত্ৰ উগ্রশ্রবস হৈছে মহাভাৰত আৰু পুৰাণৰ সূত্রধাৰ। এই 'উগ্রশ্রবস' পুৰাণ সাহিত্যত পাৰ্গত। মহাভাৰতত প্রায়ে 'এইটো পুৰাণত উল্লেখ আছে' এনেধৰণেৰে পুৰাণ শব্দৰ উল্লেখ পোৱা যায়। গৌতম ধর্মসূত্র, যিখনক আটাইতকৈ পুৰণি ধর্মগ্রন্থ বুলি গণ্য কৰা হয়, সেইখন ধর্মসূত্রত পুৰাণ সাহিত্যক বেদৰ লগত তুলনা কৰা হৈছে। অপস্তম্বীয় ধর্মসূত্র, যিখন ৪ বা ৫শতিকাত ৰচিত, তাতো পুৰাণৰ উল্লেখ আছে। প্রায় সকলো বেদ, বাহ্মণ, আৰণ্যক, উপনিষদ তথা বৌদ্ধ সাহিত্যত পুৰাণৰ উল্লেখ আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ পুৰাণ শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ২ঃ লোমহর্ষণ কোন আছিল?

.....

প্রশ্ন নং ৩ঃ কোনখন পুৰাণত উল্লেখ আছে যে সর্বপ্রথম এখনহে পুৰাণ সংহিতা আছিল?

.....

৩.৫ পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্য

পুৰাণৰ কাহিনীসমূহ সৃষ্টিৰ পাতনিৰে পৰা বর্তমানলৈ ক্রমবদ্ধৰূপত পোৱা যায়। **বুৰঞ্জীবিদ**সকলৰ মতে পুৰাণ সাহিত্যৰ মাজত প্রাচীন ভাৰতৰ যিমানবোৰ ঐতিহাসিক তথ্য পোৱা যায় আন কোনো গ্রন্থতে তেনেদৰে পোৱা নাযায়। পুৰাণ হৈছে মানৰ সমাজৰ এক সুপ্রসিদ্ধ ইতিহাস।

> ***বুৰঞ্জীবিদ***-বুৰঞ্জী বা ইতিহাস বিষয়ত পাৰ্গত বা নিপুণ ব্যক্তিক বুৰঞ্জীবিদ বোলা হয়।

পুৰাণৰ বিষয়বস্তুক যথাক্রমে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি এই চাৰিভাগত ভগাব পাৰি। পিছৰ পর্যায়ত অৱশ্যে অনেক বিষয় পুৰাণ সাহিত্যৰ বিষয়সূচীত অন্তর্ভুক্ত হয়। মৎস্য পুৰাণত পুৰাণ সাহিত্যৰ পাঁচপ্রকাৰৰ বিষয়বস্তুৰ বিষয়ে এনেদৰে উল্লেখ আছে—

"সর্গশ্চ প্রতিসর্গশ্চ বংশো মন্বন্তৰাণি চ
বংশানুচৰিত চৈৱ পুৰাণং পঞ্চলক্ষণম্।।"

অর্থাৎ (১) সর্গ বা সৃষ্টি, (২) প্রতিসর্গ অর্থাৎ সৃষ্টিৰ বিস্তাৰ, (৩) বংশ অর্থাৎ দেৱতা আৰু ঋষিসকলৰ বংশাৱলী, (৪) মন্বন্তৰ অর্থাৎ মনুৰ শাসন কালৰ বর্ণনা আৰু (৫) বংশানুচৰিত অর্থাৎ সূর্য্য আৰু চন্দ্রবংশীয় ৰজাসকলৰ বর্ণনা। প্রকৃততে এইবোৰেই হৈছে পুৰাণসমূহৰ বিষয়বস্তু। অৱশ্যে এইবোৰৰ বাহিৰেও অন্য অধিক বিষয়ৰ বর্ণনা পুৰাণসমূহত পোৱা যায়।

জানি থোৱা ভাল

বক্তা অথবা ৰচকে নিজে প্রত্যক্ষ কৰি দিয়া কোনো ঘটনাৰ বর্ণনাক আখ্যান বোলা হয়।

আকৌ বক্তাই শুনি দিয়া কথাৰ বর্ণনাক উপাখ্যান বোলে। সেইফালৰ পৰা বিবেচনা কৰিলে ৰামায়ণত বর্ণিত ৰামচৰিত আখ্যান আৰু তাৰ সৈতে জড়িত অধিক পুৰণি কথা বা পৰোক্ষ কথাৰ বর্ণনাসমূহ হৈছে

উপাখ্যান।

একেদৰে বেদ-বেদাংগ, ইতিহাস পুৰাণ আদিত কিছুমান নাম নথকা ৰচকৰ পুৰণি শ্লোক বা পদ্য পোৱা যায়। ঋগ্বেদতো এনে কিছুমান ৰজা-মহাৰজাৰ বীৰত্বৰ প্রশংসা বা দানস্তুতি অথবা নাৰাশংসী নামেৰে বীৰগাথা পোৱা যায়। পুৰাণ ইতিহাস সাহিত্যত এনে অজ্ঞাত ৰচকৰ বহু পদ্য ৰচনা পোৱা যায়। এনেধৰণৰ গাথা বুলি সাধাৰণতে 'কল্প' শব্দই শ্রৌত, গৃহ্য, ধর্ম, সদাচাৰ আৰু সংস্কাৰ বিষয়ক কর্মবোৰকে বুজা যায়। পুৰাণসমূহে প্রথমতে আখ্যান-উপাখ্যান, গাথা আৰু কল্পশুদ্ধি বিষয়কে সামৰি লয়।

পুৰাণৰ ৰচনাশৈলীৰ এক বিশেষ বৈশিষ্ট্য আছে। কিছুমান মানুহে পুৰাণত উল্লেখ থকা কাহিনীবোৰ কাল্পনিক আৰু অবাস্তৱ বুলি গণ্য কৰে। অলংকাৰিক ভাষাত তথ্য কথন, ৰূপক কথন আৰু অতিশয়োক্তি কথন এই তিনি প্রকাৰৰ বিষয়বস্তুৰ অন্তর্ভুক্তিৰ বাবে পুৰাণৰ কাহিনীসমূহ কাল্পনিক আৰু অবাস্তৱ যেন অনুভৱ হয়। কোনো এটা বিষয়ৰ আচল ৰূপ উদঘাটন কৰাটোৱেই হৈছে 'তাৰ তথ্য কথন'। য'ত ৰূপক অলংকাৰক আশ্রয় কৰি কোনো কথা বর্ণনা কৰা হয় তেতিয়া তাৰ নাম 'ৰূপক কথন' বোলা হয়। ৰূপক কথনৰ উল্লেখ বৈদিক সাহিত্যতো পোৱা যায়। বেদত সূর্য্যৰ কিৰণত পোৱা সাত ৰঙক ৰঙ বুলি নকৈ ঘোঁৰা বুলি কল্পনা কৰিছে। পুৰাণত কোনো এটা বস্তু বর্ণনা কৰাৰ বাবে অতিশয়োক্তি অলংকাৰ প্রয়োগ কৰা হয়। পুৰাণৰ আন এটা বৈশিষ্ট্য হ'ল বেদৰ টান ভাষা শৈলীৰ সহজ সৰলভাৱে বর্ণনা কৰা। পুৰাণৰ অন্য এটা বৈশিষ্ট্য হ'ল ই সমাজৰ দাপোনস্বৰূপ। পুৰাণৰ পৰাই আমি প্রাচীন ভাৰতৰ ৰজা-মহাৰজা, ঋষিসকলৰ জীৱনবৃত্তান্ত, বিভিন্ন তীর্থস্থানৰ বিস্তৃত বর্ণনা পোৱা যায়।

পুৰাণ অধ্যয়নৰ পৰা আমি বিভিন্ন ভৌগোলিক বর্ণনাও লাভ কৰিব পাৰো। পুৰাণৰ পৰা আমি বিভিন্ন ঠাইৰ মহত্বৰ বিষয়ে জানিব পাৰো তথা সেইবোৰ অধ্যয়নে আমাৰ মনত শ্রদ্ধাভাৱ জগাই তোলে।

মানৱ ধর্মক সুদৃঢ় আৰু সুপ্রতিষ্ঠিত কৰাটো পুৰাণৰ অন্যতম বৈশিষ্ট্য। অজ্ঞানৰ পৰা জ্ঞানৰ পোহৰ, মৰণশীলতাৰ পৰা অবিনশতাৰ পিনে, অন্ধকাৰৰ পৰা পোহৰৰ পিনে প্রত্যেক মানুহৰ বুদ্ধি যাতে অগ্রসৰ হ'ব পাৰে পুৰাণ সাহিত্যই তাৰেই প্রয়াস কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ পুৰাণ সাহিত্যৰ বিষয়বস্তু কেইভাগত ভগাব পাৰি?

.....

প্রশ্ন নং ৫ঃ গাথা মানে কি?

.....

প্রশ্ন নং ৬ঃ আখ্যান বুলিলে কি বুজা যায়?

.....

প্রশ্ন নং ৭ঃ পুৰাণ সাহিত্যৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

.....

প্রশ্ন নং ৮ঃ বুৰঞ্জীবিদ বুলিলে কি বুজা যায়?

.....

৩.৬ মহাপুৰাণ আৰু উপপুৰাণৰ সংখ্যা

প্ৰথমতে পুৰাণ এখন বৃহৎ সংহিতা আছিল বুলি কোৱা হয়। সময় যোৱাৰ লগে লগে ইয়াৰ কলেবৰ আৰু আখ্যানবোৰ সলনি হৈ মহাপুৰাণ তথা উপপুৰাণৰ ৰূপত বৃদ্ধি প্ৰাপ্ত হয়। 'বিষ্ণু পুৰাণ'ত পুৰাণৰ সংখ্যা ওঠৰ বা অষ্টাদশ বুলি উল্লেখ আছে। সেইসমূহ হ'ল—

(১) ব্ৰহ্মা (২) পদ্ম (৩) বিষ্ণু (৪) শিৱ (৫) ভাগৱত (৬) নাৰদ (৭) মাৰ্কণ্ডেয় (৮) অগ্নি (৯) ভৱিষ্য (১০) ব্ৰহ্মবৈৱৰ্ত (১১) লিংগ (১২) ৱৰাহ (১৩) স্কন্দ (১৪) বামন (১৫) কূৰ্ম (১৬) মৎস (১৭) গৰুড় আৰু (১৮) ব্ৰহ্মাণ্ড।

পুৰাণসমূহ সাধাৰণতে গুণ অনুসৰি তিনি শ্ৰেণীত বিভক্ত। কিছুমান পুৰাণত বিষ্ণুৰ মহিমাই প্ৰাধান্য লাভ কৰে। যেনে— ভাগৱত, নাৰদীয়, পদ্ম, ৱৰাহ, গৰুড় আৰু বিষ্ণুপুৰাণ। এইসমূহ পুৰাণ সাত্বিক পুৰাণৰ অন্তৰ্ভুক্ত হয়। কিছুমান পুৰাণত ব্ৰহ্মাৰ মাহাত্ম্য বেচিকৈ প্ৰকাশ কৰা হয়। সেই সমূহ পুৰাণ হ'ল— ব্ৰহ্মপুৰাণ, ব্ৰহ্মাণ্ডপুৰাণ, ব্ৰহ্মবৈৱৰ্তপুৰাণ, মাৰ্কণ্ডেয় পুৰাণ, বামণপুৰাণ আৰু ভৱিষ্যপুৰাণ। এই সমূহ পুৰাণক ৰাজসিক পুৰাণ বোলা হয়।

যি সমূহ পুৰাণত শিৱৰ মাহাত্ম্য প্ৰচাৰ কৰা হয়, সেই সমূহক তামসিক বুলি কোৱা হয়। সেই সমূহ পুৰাণ হ'ল— শিৱপুৰাণ, লিংগপুৰাণ, স্কন্দপুৰাণ, মৎস্যপুৰাণ আৰু কূৰ্মপুৰাণ আদি।

দেৱী ভাগৱতত (১/৩/২১) আদি আখৱেৱে অষ্টাদশ পুৰাণৰ নাম পোৱা যায়—

(১) মকাৰাদি দুই পুৰাণ — মৎস্য আৰু মাৰ্কণ্ডেয়

(২) ভকাৰাদি দুই পুৰাণ— ভাগৱৎ আৰু ভৱিষ্য

(৩) বকাৰাদি তিনি পুৰাণ— ব্ৰহ্ম, ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মবৈৱৰ্ত্ত

(৪) বকৰাদি চাৰি পুৰাণ— বামণ, বিষ্ণু, বায়ু আৰু ৱৰাহ

(৫) অনাপৎ লিংগ— অগ্নি, নাৰদ, পদ্ম, লিংগ, গৰুড়, কূৰ্ম, স্কন্দ, বিষ্ণু আৰু ভাগৱৎ পুৰাণত এই ওঠৰখন পুৰাণৰ নাম বিশিষ্ট ক্ৰমানুসৰি এনেদৰে দিছে— ব্ৰহ্মপুৰাণ, পদ্মপুৰাণ, বিষ্ণুপুৰাণ, শিৱপুৰাণ, ভাগৱৎ পুৰাণ, নাৰদীয় পুৰাণ, মাৰ্কণ্ডেয় পুৰাণ, অগ্নিপুৰাণ, ভৱিষ্যপুৰাণ, ব্ৰহ্মবৈৱৰ্তপুৰাণ, লিংগপুৰাণ, ৱৰাহপুৰাণ, স্কন্দপুৰাণ, বামণপুৰাণ, কূৰ্মপুৰাণ, মৎস্যপুৰাণ, গৰুড়পুৰাণ আৰু ব্ৰহ্মাণ্ড পুৰাণ।

যদিও মহাপুৰাণ ওঠৰখন আছে বুলি ধৰা হয়, বায়ু পুৰাণ আৰু দেৱীভাগৱতপুৰাণ মিলি পুৰাণৰ সংখ্যা বিশখন হয়। পণ্ডিতসকলৰ মতে উপপুৰাণসমূহ মহাপুৰাণৰ পিছত ৰচিত হৈছে। মহাপুৰাণৰ নিচিনা উপপুৰাণসমূহো সমানেই মহত্ত্বপূৰ্ণ।

৩.৬.১ বিভিন্ন মহাপুৰাণৰ বৰ্ণনা

এতিয়া আপুনি বিভিন্ন পুৰাণৰ বৰ্ণনা পঢ়িবলৈ পাব। প্ৰথমেই আপুনি ব্ৰহ্মপুৰাণৰ বিষয়ে কিছু জানিবলৈ পাব।

(১) ব্ৰহ্ম পুৰাণ ঃ ব্ৰহ্মপুৰাণখন 'আদি ব্ৰহ্ম' নামেৰেও জনাজাত। বিষ্ণুপুৰাণত উল্লেখ আছে যে ব্ৰহ্মপুৰাণেই সকলো পুৰাণৰ ভিতৰত প্ৰথম। ব্ৰহ্মাৰ বৰ্ণনাই এই পুৰাণত প্ৰাধান্য লাভ কৰিছে। সেইবাবে এই পুৰাণক ৰাজসিক শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে।

ব্ৰহ্মপুৰাণত উল্লেখ আছে যে পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষই শ্ৰেষ্ঠ ভূমি, ভাৰতবৰ্ষৰ ভিতৰত আকৌ দণ্ডকাৰণ্য মুখ্য স্থান। আকৌ দণ্ডকাৰণ্যৰ মাজেদি যি গোদাবৰী নদী প্ৰৱাহিত হৈছে সেই নদীয়েই হৈছে সকলোবোৰ নদীৰ ভিতৰত শ্ৰেষ্ঠ নদী। এই গোদাবৰী নদীৰ পাৰত অৱস্থিত সকলো তীৰ্থস্থানৰ বৰ্ণনা এই

ব্ৰহ্মপুৰাণত পোৱা যায়। ইয়াৰ উপৰিও এই পুৰাণত পুৰী, কোণাৰ্ক, ভুৱনেশ্বৰ আদি ঠাইৰ বৰ্ণনা আছে।

ব্ৰহ্মপুৰাণত জগতৰ সৃষ্ঠিতত্ত্ব, সূৰ্যবংশ তথা চন্দ্ৰবংশৰ ৰজাসকলৰ কাহিনী, ভাৰতবৰ্ষৰ নদীৰ পাৰত অৱস্থিত বিভিন্ন তীৰ্থস্থানৰ বৰ্ণনাও পোৱা যায়। ভগৱান শিৱ আৰু দেৱী পাৰ্বতীৰ বিষয়ে উপাখ্যানও আছে। ভগৱান শ্ৰীকৃষ্ণ তথা যদুবংশৰ বৰ্ণনা আছে। যেনে প্ৰথম অধ্যায়ৰ পৰা উনসত্তৰ অধ্যায়লৈ (১-৬৯) পুৰুষোত্তম ক্ষেত্ৰ অৰ্থাৎ বৰ্তমান পুৰী, কোণাৰ্ক, ভুৱনেশ্বৰ আদি উল্লেখযোগ্য স্থানৰ বৰ্ণনা আছে। পুৰীৰ জগন্নাথৰ স্নানযাত্ৰাৰ বৰ্ণনাও আছে। ব্ৰহ্মপুৰাণৰ কিছুমান অধ্যায়ত নৰকৰ বৰ্ণনাও আছে। আনকি ইয়াত শ্ৰাদ্ধৰ কথা, সূৰ্যৰ মহিমা, ভৱিষ্যত যুগৰ কথা আৰু সাংখ্য তথা যোগদৰ্শনৰ কথাও ধৰ্মশাস্ত্ৰৰ উপযোগী অনেক তত্ত্বকথা, অন্নদানৰ মহিমা, বৰ্ণধৰ্মপ্ৰতিষ্ঠা, সদাচাৰ নিৰূপণ, ধৰ্মনিৰূপণ আদি বিষয়ৰ বৰ্ণনা পোৱা যায়। কিন্তু ব্ৰহ্মপুৰাণত 'গৌতমী মাহাত্ম্য'ই বেছিকৈ স্থান লাভ কৰিছে।

(২) **পদ্মপুৰাণ ঃ** পদ্মপুৰাণখন পাঁচটা খণ্ডত বিভক্ত। অৰ্থাৎ সেইসমূহ হ'ল - সৃষ্টিখণ্ড, ভূমিখণ্ড, স্বৰ্গখণ্ড, পাতালখণ্ড আৰু উত্তৰখণ্ড।

এইখন পুৰাণত বিভিন্ন ধৰ্মানুষ্ঠানৰ বৰ্ণনা আছে। শ্ৰীমদ্ভাগৱতগীতাৰ মাহাত্ম্যও ইয়াত বৰ্ণিত হৈছে। এই পাঁচটা খণ্ডৰ বিষয়ে এনেদৰে পোৱা যায়—

প্ৰথমং সৃষ্টিখণ্ডং হি, ভূমি খণ্ডং দ্বিতীয়কম্।
তৃতীয় স্বৰ্গখণ্ডং চ পাতালং চ চতুৰ্থকম্।।
পঞ্চমং চোত্তৰং খণ্ডং সৰ্বপাপপ্ৰণাশনম্।

সৃষ্টিখণ্ডত সমুদ্ৰমন্থন, পৃথুৰ আখ্যান, পৌষ্কৰ আখ্যান, বৃত্ৰবধাখ্যান, বামনাৱতাৰ আখ্যান, মাৰ্কণ্ডেয়ৰ আখ্যান, কাৰ্তিকৰ আখ্যান, ৰামাখ্যান, তাৰকাসুৰৰ কাহিনী আদি বৰ্ণনা আছে।

ভূমিখণ্ডত যযাতি-মাতলিৰ আধ্যাত্মিক সংবাদ, চ্যাৱনচৰিত তথা শৈৱ আৰু বৈষ্ণৱবাদৰ বিভিন্ন কথা বৰ্ণনা আছে। শিৱ আৰু বিষ্ণুৰ অভেদত্ব কল্পনা কৰি পদ্মপুৰাণত এনেদৰে উল্লেখ আছে যে—

শিৱায় বিষ্ণু ৰূপায় বিষ্ণৱে শিৱৰূপিণে।
শিৱস্য হৃদয়ে বিষ্ণুঃ বিষ্ণোশ্চ হৃদয়ে শিৱঃ।

আকৌ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ অভিন্নতা উল্লেখ কৰি পদ্মপুৰাণত এনেদৰে কোৱা হৈছে—

একমূৰ্তিস্ত্ৰয়োদেৱাঃ ব্ৰহ্মাবিষ্ণুমহেশ্বৰাঃ।
এয়ানামন্তৰং নাস্তি, গুণভেদাঃ প্ৰকীৰ্তিতাঃ।।

স্বৰ্গখণ্ডত দেৱ গন্ধৰ্ব, অপ্সৰা, যক্ষ আদি উৰ্ধলোকৰ বিষয়ে বৰ্ণনাৰ উপৰিও দুষ্যন্ত-শকুন্তলাৰ উপাখ্যানো বৰ্ণিত হৈছে। পাতাল খণ্ডত নাগলোকৰ বিষয়ে উল্লেখ আছে। উত্তৰখণ্ডত অন্যান্য আখ্যানৰ লগতে বিষ্ণুভক্তিৰ প্ৰশংসা কৰা হৈছে।

(৩) **বিষ্ণুপুৰাণ ঃ** বিষ্ণুপুৰাণ হৈছে বৈষ্ণৱ সম্প্ৰদায়ৰ এখন বিশুদ্ধ প্ৰামাণ্য গ্ৰন্থ। ইয়াৰ স্থান ভাগৱতপুৰাণৰ পাছতে। এইখন পুৰাণত শ্ৰীকৃষ্ণৰ জন্ম বৃত্তান্ত আৰু ৰাসলীলাই প্ৰধানকৈ বৰ্ণিত হৈছে। ইয়াৰ উপৰিও বিভিন্ন কাহিনী ইয়াত বৰ্ণিত হৈছে, যেনে— নৰকৰ বৰ্ণনা, বৰ্ণাশ্ৰম ধৰ্ম, আচাৰ-বিধি, শ্ৰাদ্ধকৰ্ম, যুগধৰ্ম, সৃষ্টি-কাহিনী, দেৱতা আৰু ঋষিবংশৰ বৰ্ণনা, ধ্ৰুৱ-প্ৰহ্লাদ উপাখ্যান, শিশুনাগ-নন্দ-মৌৰ্যবংশৰ বিৱৰণ ইত্যাদি।

(৪) **বায়ুপুৰাণ ঃ** বায়ুপুৰাণক শিৱপুৰাণ বুলিও জনা যায়। শিৱৰ উপাসনাই এই পুৰাণৰ মুখ্য বিষয়। পুৰাণৰ পঞ্চলক্ষণ এই বায়ুপুৰাণত সুস্পষ্ট। ইয়াত বৰ্ণাশ্ৰম ধৰ্ম, প্ৰাচীন ভূগোল, শ্ৰাদ্ধকৰ্ম বিষয় আদি আলোচিত হৈছে। গুপ্তবংশৰ ৰজাসকলৰ শাসনকালৰ বৰ্ণনাও ইয়াত উল্লেখিত হৈছে। সেইফালৰ পৰা চাব গ'লে ভূগোল, বুৰঞ্জী আৰু সমাজতত্ত্বৰ ছাত্ৰৰ বাবেই এই পুৰাণ অতি মূল্যবান।

(৫) **ব্রহ্মাণ্ডপুৰাণ ঃ** ব্রহ্মাণ্ডপুৰাণত বিভিন্ন উপাখ্যানৰ উপৰিও তীর্থস্থানসমূহৰ বিৱৰণ উল্লেখিত হৈছে। ইয়াত ভগৱান শিৱ-পাৰ্বতীৰ আৰু ৰামৰ বর্ণনাও পোৱা যায়।

(৬) **ভাগৱতপুৰাণ ঃ** পুৰাণসমূহৰ ভিতৰত ভাগৱতপুৰাণখন আটাইতকৈ জনপ্রিয় আৰু প্রসিদ্ধ পুৰাণ। বিষ্ণুপুৰাণৰ সৈতে ভাগৱত পুৰাণৰ বিষয়বস্তুৰ বহুখিনি মিল আছে। ভাগৱত পুৰাণত শ্রীকৃষ্ণৰ জীৱনৰ কাহিনী অতি সুন্দৰকৈ বর্ণিত হৈছে। ভাগৱতখন দ্বাদশ স্কন্ধত (অধ্যায়) ৰচিত। এইখন পুৰাণত ৰজা পৰিক্ষিতৰ কাহিনী, ধ্রুৱৰ কাহিনী, বৃত্রাসুৰৰ কাহিনী, বিষ্ণুভক্ত প্রহ্লাদৰ কাহিনী আদি বর্ণনা হৈছে। আটাইতকৈ উল্লেখযোগ্য বিষয়টো হ'ল ভাগৱতৰ দশম স্কন্ধত শ্রীকৃষ্ণৰ ৰাসলীলা বর্ণিত হৈছে। যদিও ভাগৱতপুৰাণত সৃষ্টিতত্ব তথা বিভিন্ন নীতিউপদেশমূলক কথা বর্ণিত হৈছে, তথাপি এইখন পুৰাণৰ মূল প্রাতিপাদ্য বিষয়টো হৈছে অকৃত্রিম সৰল কৃষ্ণভক্তি আৰু কৃষ্ণপ্রীতি। শ্রীকৃষ্ণৰ জীৱনকাহিনী বর্ণনাৰ উপৰিও এইখন পুৰাণৰ বিভিন্ন অংশত ব্রহ্মোৎপত্তি, সৃষ্টি, ৰুদ্র, মৰীচি, পৃথিৱী, সৰস্বতী আদি উৎপত্তি, মনুবংশ কথা, বৃত্রবধাখ্যান, প্রহ্লাদৰ চৰিত, মন্বন্তৰ কথা, গজেন্দ্র উপাখ্যান, সমুদ্রমন্থন, বামনাৱতাৰ, বলিৰ উপাখ্যান, মৎস্যাৱতাৰ, সোম আৰু সূর্য্যৰ বংশৰ বর্ণনা আদি অনেক বিষয় আলোচিত হৈছে।

(৭) **মৎস্যপুৰাণ ঃ** মৎস্যপুৰাণত ভগৱান বিষ্ণুৰ মৎস্য অৱতাৰৰ কথা বর্ণিত আছে। পৃথিৱী যেতিয়া প্রলয়কালত প্রৱল পানীৰ সোঁততে প্লাৱিত হৈছিল, তেতিয়া ভগৱান বিষ্ণুই মৎসৰূপ ধাৰণ কৰি নৌকাত উঠি থকা মনুক উদ্ধাৰ কৰি হিমালয়ৰ উচ্চতম শৃংগত নৌকাবন্ধন কৰি মনুক ৰক্ষা কৰিছিল। এই মনোমোহা কাহিনীৰ আশ্রয়তেই মৎস্যপুৰাণৰ কাহিনীৰ পাতনি হৈছে। প্রকৃততে মনু আৰু মৎস্যৰ কথা বার্তাই হৈছে এই বিশাল পুৰাণৰ প্রধান বিষয়বস্তু।

(৮) **নাৰদ পুৰাণ ঃ** বিষ্ণুভক্তিয়েই হৈছে নাৰদপুৰাণৰ মূল বিষয়বস্তু। এইখন পুৰাণত নাৰদ বিষ্ণুভক্তিৰ প্রচাৰক হিচাপে চিত্রিত হৈছে। কিছুসংখ্যক উপকথাৰ মাধ্যমেৰে বিষ্ণুপুজা তথা বিষ্ণুব্রতৰ মহিমা ইয়াত ব্যক্ত কৰা হৈছে। ইয়াৰ উপৰিও পাপ-পূণ্য, বর্ণাশ্রমৰ কথা, ভক্তি আৰু মুক্তিৰ কথা ইয়াত আলোচিত হৈছে।

(৯) **মার্কণ্ডেয় পুৰাণ ঃ** মার্কণ্ডেয় পুৰাণ শাক্ত ধর্মীসকলৰ এখন উপযুক্ত ধর্মপুথি। এইখন পুৰাণত দেৱীশক্তিৰ মহামায়াৰ কাহিনী বর্ণিত হৈছে। মার্কণ্ডেয় পুৰাণৰ যিকেইটা অধ্যায়ত দেৱীৰ মাহাত্ম্য বর্ণিত হৈছে, সেইখিনি 'শ্রীশ্রীচণ্ডী'বা 'দেৱী-সপ্তশতী' গ্রন্থ হিচাপে বিখ্যাত। ইয়াত মহাদেৱীৰ দ্বাৰা মধুকৈটভ, মহিষাসুৰ বধ, শুম্ভ-নিশুম্ভ বধ, চণ্ডমুণ্ড আৰু ৰক্তবীজ বধ আদি কাহিনীৰ জৰিয়তে দেৱী মহামায়াৰ মহাশক্তিৰ বর্ণনা কৰা হৈছে। ইয়াৰ উপৰিও এই পুৰাণত ৰজা হৰিচন্দ্র, বিশ্বামিত্র, মদালসা, অত্রি-অনসূয়া, সোম-দত্তাত্রেয় দুর্বাসা আদিৰ বিভিন্ন আখ্যান বর্ণিত হৈছে। এইখন পুৰাণৰ কাব্যিক গুণো অপৰিসীম।

(১০) **অগ্নিপুৰাণ ঃ** অগ্নিপুৰাণক সম্পূর্ণ ভাৰতীয় বিদ্যাসমূহৰ চমু বিশ্বকোষ বুলি ধৰা হয়। এইখন পুৰাণত বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহৰ চমু বিৱৰণ তথা ৰামায়ণ মহাভাৰতৰ কাহিনীৰ উপৰিও গীতাৰ সাৰাংশ দাঙি ধৰা হৈছে। এইসমূহৰ উপৰিও জন্ম, পুনর্জন্ম, যোগ-যাগ, বিবাহ-বিধি, জ্যোতিষ, ভূগোল, আয়ুর্বেদ, তীর্থসমূহৰ মাহাত্ম্য, যুদ্ধবিদ্যা, ৰাজ-ধর্ম, ছন্দ-ব্যাকৰণ, অলংকাৰশাস্ত্র আদিত বিভিন্ন বিষয়সমূহ এইখন পুৰাণত ঠাই পাইছে। অগ্নিপুৰাণৰ ৰচনাকাল সম্বন্ধে পণ্ডিতসকল এতিয়ালৈ একমত নহয়।

(১১) **ভৰিষ্য পুৰাণ ঃ** ভৰিষ্যপুৰাণখন পাঁচটা-পর্বত ৰচিত হৈছে। সেই পাঁচটা পর্ব হ'ল— (১) ব্রহ্মপর্ব (২) বিষ্ণুপর্ব (৩) শিৱপর্ব (৪) সূর্যপর্ব আৰু (৫) প্রতিবর্গপর্ব। এইখন পুৰাণত সূর্য্য মাহাত্ম্য, ব্রহ্মা মাহাত্ম্য, শিৱমাহাত্ম্য, বিষ্ণুমাহাত্ম্য আদি বিষয় লিপিবদ্ধ হৈছে।

(১২) **ব্রহ্মবৈৱর্তপুৰাণ ঃ** ব্রহ্মবৈৱর্তপুৰাণ চাৰিটা খণ্ডত বিভক্ত। সেইসমূহ হৈছে (১) ব্রহ্মখণ্ড (২) প্রকৃতি খণ্ড (৩) গণপতি খণ্ড আৰু (৪) কৃষ্ণজন্মখণ্ড। ব্রহ্মখণ্ডত জগতৰ সৃষ্টি, প্রকৃতি খণ্ডত দুর্গা, লক্ষ্মী, সৰস্বতী,

সাবিত্রী, ৰাধা আদি প্রকৃতি, গণপতিখণ্ডত গণেশ কার্তিকৰ জন্ম কাহিনী, কৃষ্ণজন্মখণ্ডত হৰিবংশ, ভাগৱত কৃষ্ণাৱতাৰৰ কাহিনীসমূহ বর্ণিত হৈছে।

(১৩) **লিংগ পুৰাণ ঃ** এইখন পুৰাণত ভগৱান শিৱৰ মাহাত্ম্য বর্ণিত হৈছে। শিৱলিংগৰ উপাসনা বর্ণিত হোৱা বাবে এই পুৰাণখন লিংগপুৰাণ নামে খ্যাত। এই পুৰাণখন পূর্বভাগ আৰু উত্তৰভাগ নামেৰে দুটা ভাগত বিভক্ত। ইয়াত সৃষ্টিৰ বর্ণনা, শৈৱব্রত তথা সূর্য্য আৰু চন্দ্রবংশৰ কাহিনী বর্ণিত হৈছে।

(১৪) **স্কন্ধপুৰাণ ঃ** স্কন্ধপুৰাণখন সাতটা খণ্ডত বিভক্ত। যেনে — (১) মহেশ্বৰখণ্ড (২) বৈষ্ণৱ খণ্ড, (৩) ব্রহ্মখণ্ড, (৪) কাশীখণ্ড ইত্যাদি। মহেশ্বৰখণ্ডত শিৱ-পার্ৱতীৰ বিচিত্র মহিমা বর্ণিত হৈছে। বৈষ্ণৱখণ্ডত ভগৱান জগন্নাথ মন্দিৰৰ বর্ণনা, পূজাবিধি, আৰু প্রতিষ্ঠাৰ বর্ণনা আছে। ব্রহ্মখণ্ডত উজ্জয়িনীৰ মহাকালৰ পূজা বিধি বর্ণিত হৈছে। ঠিক তেনেদৰে কাশীখণ্ডত কাশীনগৰীৰ বর্ণনা পোৱা যায়। এইখন পুৰাণৰ জৰিয়তে বিভিন্ন ঠাইৰ ঐতিহাসিক আৰু ভৌগোলিক বিৱৰণো লাভ কৰা যায়।

(১৫) **ৱৰাহপুৰাণ ঃ** ৱৰাহপুৰাণখন এখন বৈষ্ণৱ পুৰাণ। ৱৰাহৰূপী ভগৱান বিষ্ণু এই পুৰাণৰ প্রবক্তা। এইখন পুৰাণত দেৱী গৌৰীৰ জন্ম কাহিনী, ভগাৱান শিৱ আৰু দেৱী দুর্গাৰ আখ্যান, যম আৰু নাচিকেতাৰ কাহিনী তথা বিবিধ ধর্ম কথাৰ উল্লেখ পোৱা যায়।

(১৬) **বামন পুৰাণ ঃ** বামন পুৰাণখনো এখন বৈষ্ণৱ পুৰাণ। বামণৰূপী ভগৱান বিষ্ণুৰ বর্ণনাই হৈছে এই পুৰাণৰ প্রধান প্রতিপাদ্য বিষয়। এইখন পুৰাণতো শিৱৰ মহিমা, দুর্গাৰ কাত্যায়নী ৰূপ, গণেশ আৰু কার্তিকৰ উৎপত্তিৰ বর্ণনা কৰা হৈছে।

(১৭) **গৰুড় পুৰাণ ঃ** গৰুড়পুৰাণৰ কথা অংশ ভগৱান বিষ্ণুৱে গৰুড়পক্ষীক কৈ শুনাইছিল। এই পুৰাণখন দুটা ভাগত বিভক্ত। প্রথম ভাগত ভগৱান বিষ্ণুৰ মহিমা বর্ণনা কৰাৰ লগতে ৰত্নপৰীক্ষা, ৰাজনীতি, আয়ুর্বেদ, পশুচিকিৎসা, ছন্দশাস্ত্র, সাংখ্যযোগ আৰু গীতাৰ সাৰাংশ বর্ণিত হৈছে, দ্বিতীয় খণ্ড প্রেতকল্প নামে জনাজাত। ইয়াত জীৱৰ অৱস্থা, নৰকাদি বিভিন্ন বিষয়ৰ কথা আলোচিত হৈছে।

(১৮) **কূর্মপুৰাণ ঃ** কূর্মৰূপী ভগৱান বিষ্ণুৰ কাহিনী কূর্মপুৰাণত বর্ণিত আছে। কূর্মপুৰাণ দুটা ভাগত বা খণ্ডত বিভক্ত। পূর্বভাগত মহাবৰাহৰ দ্বাৰা পৃথিৱী উদ্ধাৰ, দক্ষৰজাৰ যজ্ঞ আৰু বামণাৱতাৰ ইত্যাদি বিষয় আলোচিত হৈছে। উত্তৰখণ্ডত নানা বিধ তীর্থ স্থান আৰু উচ্চস্তৰৰ দার্শনিক তত্ত্বৰ বিষয়ে বর্ণনা কৰা হৈছে। এনেদৰে আপুনি সর্বমুঠ ওঠৰখন পুৰাণৰ চমু বিৱৰণ জানিব পাৰিলে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ঃ উপপুৰাণ আৰু মহাপুৰাণৰ সংখ্যা কিমান ?

.....

প্রশ্ন নং ১০ঃ পুৰাণসমূহ গুণ অনুসৰি কেই শ্রেণীত বিভক্ত ?

.....

প্রশ্ন নং ১১ঃ বৈষ্ণৱ সম্প্রদায়ৰ এখন পুৰাণৰ নাম লিখক।

.....

প্রশ্ন নং ১২ঃ আটাইতকৈ জনপ্রিয় আৰু প্রসিদ্ধ পুৰাণখনৰ নাম লিখক।

.....

৩.৬ পুৰাণৰ প্ৰভাৱ

এতিয়া আপুনি পুৰাণ সাহিত্যৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব। পুৰাণৰ বৃহৎ সংস্কৃতিৰ প্ৰভাৱ হিন্দুসভ্যতাৰ ওপৰত উৎসৱ পাৰ্বণকে আদি কৰি বিভিন্ন কলা-সাহিত্যৰ মাজত দেখা যায়। ভাগৱত পুৰাণৰ পৰাই ভা�ৰত নৃত্যই অনুপ্ৰেৰণা লাভ কৰিছে। একেদৰে কাব্যত ৰাস-লীলা পুৰাণ সাহিত্যৰ পৰা অনুপ্ৰাণিত হৈছে। ফাকুৱা, দেৱালী, দুৰ্গাপূজা আদি উৎসৱৰ উল্লেখ পুৰাণ সাহিত্যত দেখা যায়।

কৌটিল্যৰ অৰ্থশাস্ত্ৰত (1.5 (P.10) ত ইতিহাসৰ লক্ষণ বৰ্ণনাৰ সময়ত 'পুৰাণ' আৰু 'ইতিবৃত্ত'ক একেলগে ইতিহাসৰ শাৰীত ধৰা হৈছে।

পুৰাণ সাহিত্যত বৰ্ণিত বিভিন্ন দেৱতা, ঋষি, ৰজা, নেতাৰ কাহিনীৰ মানৰ সভ্যতাৰ ওপৰত শিক্ষামূলক প্ৰভাৱ পৰিছে।

জানি থোৱা ভাল

'ইতিবৃত্ত' বুলিলে 'ঐতিহাসিক ঘটনা'ক বুজা যায়। পুৰাণ বুলিলেও সম্ভৱত 'পৌৰাণিক কাহিনী' আৰু 'আখ্যান প্ৰসিদ্ধ কাহিনী'ক বুজা যায়। আগৰ কালৰ সাহিত্যত যেনে ব্ৰাহ্মণ উপনিষদ আৰু বৌদ্ধ সাহিত্যত ইতিহাসৰ লগত পুৰাণ শব্দৰ উল্লেখ পোৱা যায়। পুৰণি কালত ইতিহাস আৰু পুৰাণ অথবা 'ইতিহাস পুৰাণ'ৰ উল্লেখ বিভিন্ন ক্ষেত্ৰত সঘনাই হোৱা দেখা যায়।

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পুৰাণ শব্দৰ অৰ্থ আৰু ইয়াৰ উৎসৰ বিষয়ে জানিলো।
- পুৰাণৰ ৰচক আৰু ৰচনাকালৰ বিষয়ে জানিলো।
- পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্যৰ বিষয়ে জানিলো।
- মহাপুৰাণ আৰু উপপুৰাণৰ নামবোৰ জানিব পাৰিলো আৰু লগতে বিভিন্ন মহাপুৰাণৰ চমু আভাস পালো।
- পুৰাণ সাহিত্যৰ প্ৰভাৱ অন্যান্য ক্ষেত্ৰত কেনেদৰে পৰিছে, সেইবিষয়ে জানিব পাৰিলো।

৩.৯ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) গোস্বামী, হৰমোহন দেৱ, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Krishna Machariar, M.History of classical sanskrit Literature, New Delhi : MLBD

৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ পুৰাণ শব্দৰ সাধাৰণ অৰ্থ হৈছে— 'পুৰাণমাখ্যাণম্' অৰ্থাৎ 'পুৰণি আখ্যান'।

২ নং প্ৰশ্নৰ উত্তৰঃ 'লোমহৰ্ষণ' ব্যাসদেৱৰ প্ৰিয় শিষ্য আছিল।

৩ নং প্ৰশ্নৰ উত্তৰঃ মৎস্যপুৰাণ।

৪ নং প্ৰশ্নৰ উত্তৰঃ চাৰিভাগত।

৫ নং প্ৰশ্নৰ উত্তৰঃ পুৰাণ আৰু ইতিহাস সাহিত্যত কিছুমান অজ্ঞাত ৰচকৰ বহু পদ্য পঢ়িবলৈ পোৱা যায়। এনে ধৰণৰ ৰচনাক গাথা বুলি জনা যায়।

৬ নং প্ৰশ্নৰ উত্তৰঃ বক্তা অথবা ৰচকে নিজে প্ৰত্যক্ষ কৰি দিয়া কোনো ঘটনাৰ বৰ্ণনাক আখ্যান বোলা হয়।

৭ নং প্ৰশ্নৰ উত্তৰঃ ১) পুৰাণৰ কাহিনীসমূহ কাল্পনিক।

২) অতিশয়োক্তি কথন দেখা যায়।

৩) বেদৰ টান ভাষা-শৈলীৰ সহজ-সৰলভাৱে বৰ্ণনা কৰাটো পুৰাণৰ বৈশিষ্ট্য।

৪) পুৰাণ সমাজৰ দাপোনস্বৰূপ।

৫) মানৱ-ধৰ্মক সুদৃঢ়-কৰাটো পুৰাণৰ বৈশিষ্ট্য।

৮ নং প্ৰশ্নৰ উত্তৰঃ বুৰঞ্জীবিদ বুলিলে বুৰঞ্জী বা ইতিহাস বিষয়ত পাৰ্গত ব্যক্তিক বুজা যায়।

৯ নং প্ৰশ্নৰ উত্তৰঃ সৰ্বমুঠ ৩৬ খন।

১০ নং প্ৰশ্নৰ উত্তৰঃ তিনিভাগত।

১১ নং প্ৰশ্নৰ উত্তৰঃ বিষ্ণুপুৰাণ।

১২ নং প্ৰশ্নৰ উত্তৰঃ ভাগৱতপুৰাণ।

? ৩.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ পুৰাণ সাহিত্যৰ বিষয়বস্তুৰ বিষয়ে লিখক।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ পুৰাণৰ ৰচকৰ বিষয়ে এটি টোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ বৈষ্ণৱ ধৰ্মী পুৰাণ সমূহৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ বিভিন্ন মহাপুৰাণৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৪ঃ মহাকাব্য (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ প্ৰাক্-কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য

৪.৩.১ বুদ্ধচৰিত

৪.৩.২ সৌন্দৰানন্দ

৪.৪ কালিদাস আৰু কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য

৪.৪.১ কুমাৰসম্ভৱম্

৪.৪.২ ৰঘুবংশম্

৪.৪.৩ সেতুবন্ধম্

৪.৪.৪ জানকীহৰণম্

৪.৫ কালিদাসোত্তৰ যুগৰ মহাকবি আৰু মহাকাব্য

৪.৫.১ কিৰাতাৰ্জুনীয়ম্

৪.৫.২ ৰাৱণবধম্

৪.৫.৩ শিশুপালবধম্

৪.৫.৪ নৈষধচৰিতম্

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৭ অধিক জানিবলৈ

৪.৮ অগ্ৰগতিৰ খতিয়ান

৪.৯ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্ৰাক্-কালিদাসৰ যুগৰ অৰ্থাৎ অশ্বঘোষ আৰু তেওঁৰ দুখন মহাকাব্যৰ বিষয়ে জানিব পাৰিব
- কালিদাস ৰচিত দুখন মহাকাব্যৰ লগত অৱগত হ'ব পাৰিব
- কালিদাসৰ সমসাময়িক মহাকবি আৰু তেওঁলোকৰদ্বাৰা ৰচিত মহাকাব্যৰ লগত পৰিচিত হ'ব
- কালিদাসৰ পিচৰ যুগত ৰচিত বিভিন্ন মহাকাব্যৰ লগত অৱগত হ'ব পাৰিব।

৪.২ পৰিচয়

সংস্কৃত কাব্য-সাহিত্য প্ৰধানকৈ দুই ভাগত বিভক্ত - ১। দৃশ্যকাব্য আৰু ২। শ্ৰব্যকাব্য। শুনাৰ উপযোগী কাব্যক শ্ৰব্যকাব্য আৰু অভিনয়ৰ জৰিয়তে উপভোগ্য কাব্যক দৃশ্যকাব্য বোলা হয়। এই দুয়োবিধ কাব্যৰ আকৌ বহুতো ভাগ আছে। নাটক, ৰূপক আদি দৃশ্যকাব্য তথা গদ্য আৰু পদ্য আদি শ্ৰব্যকাব্য। গদ্যকাব্য দুই ভাগত

বিভক্ত - কথা আৰু আখ্যায়িকা। আনহাতে পদ্যকাব্য তিনি ভাগত বিভক্ত - ১। মহাকাব্য ২। খণ্ডকাব্য আৰু ৩। মিশ্রকাব্য বা চম্পূকাব্য। এই সকলোবোৰ বিভাগৰ ভিতৰত মহাকাব্যক শ্রব্যকাব্যৰ প্রধান ভাগ বুলি ধৰা হয়।

এতিয়া আপুনি এই অধ্যায়টোত প্রথমে প্রাক্-কালিদাসৰ যুগৰ মহাকাব্যৰ লগত পৰিচিত হ'ব। প্রাক্-কালিদাসৰ যুগৰ মহাকাব্য বুলি কলে মহাকবি অশ্বঘোষ ৰচিত "বুদ্ধচৰিত" আৰু "সৌন্দৰানন্দ" নামৰ দুখন মহাকাব্যৰ বিষয়ে জানিব পাৰিব। ইয়াৰ পিচত কালিদাস ৰচিত "ৰঘুবংশম্" আৰু "কুমাৰসম্ভৱম্" - এই দুখন মহাকাব্যৰ লগত অৱগত হব পাৰিব। কালিদাসৰ সমসাময়িক প্রৱৰসেন ৰচিত "সেতুবন্ধ" আৰু কুমাৰদাস ৰচিত "জানকীহৰণ" মহাকাব্যৰ বিষয়ে জানিব পাৰিব। সর্বশেষত, এই অধায়টিৰ জৰিয়তে কালিদাসৰ পিচৰ যুগৰ চাৰিখন মহাকাব্যৰ বিষয়েও জানিব পাৰিব। সেই সমূহ হ'ল ভাৰবি ৰচিত "কিৰাতার্জুনীয়ম্" মহাকাব্য, ভট্টি বিৰচিত "ৰাৱণবধম্" মহাকাব্য, মাঘ বিৰচিত "শিশুপালবধ" মহাকাব্য আৰু শ্রীহর্ষ বিৰচিত "নৈষধচৰিতম্" মহাকাব্য।

৪.৩ প্রাক্-কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্য

এতিয়া আপুনি প্রাক্-কালিদাসৰ যুগৰ মহাকবি আৰু মহাকাব্যৰ বিষয়ে জানিব পাৰিব। প্রাক্-কালিদাসৰ যুগৰ কবিসকলৰ ভিতৰত বৌদ্ধ কবি অশ্বঘোষ অন্যতম। তেওঁৰ প্রকৃত নাম জনা নাযায়। তেওঁ আছিল অযোধ্যা নিবাসী এজন ব্রাহ্মণ । বৌদ্ধ ধর্মত দীক্ষিত হোৱাৰ পাছতহে তেওঁক অশ্বঘোষ নামেৰে জনা যায়। তেওঁৰ সময় খ্রীষ্টীয় ১ম শতাব্দী বুলি ধৰা হয়। অশ্বঘোষৰ কবিত্ব প্রতিভা অসীম আছিল। তেওঁ একেৰাহে এজন কবি, অভিনেতা গৱেষক, গায়ক, দার্শনিক আৰু ধার্মিক ব্যক্তি আছিল। অশ্বঘোষৰ দর্শন বিষয়ক আৰু অন্য গ্রন্থও চীন আৰু তিব্বতী ভাষাত সংৰক্ষিত হৈ আছে। তেওঁ অকল মহাৰাজ কণিষ্কৰ ৰাজ কবিয়েই নাছিল, ৰাজ গুৰুও আছিল। ডেকা বয়সতে অশ্বঘোষে মহাকবিৰূপে স্বীকৃতি লাভ কৰিছিল। তেওঁ লিখা প্রেমৰ কবিতা আবৃত্তি কৰি ডেকা সমাজে আনন্দ লাভ কৰিছিল। চীনা পৰিব্রাজক হিউয়েন চাঙৰ মতে অশ্বঘোষে বৌদ্ধদর্শনৰ ওপৰত চাৰিখন গ্রন্থ লিখে। সেইসমূহ হ'ল -

১। মহাযানশ্রদ্ধোৎপাদন সংগ্রহ,

২। বজ্রসূচী।

৩। গণ্ডীস্তোত্র ব্যাখ্যা

৪। সূত্রালংকাৰ

ইয়াৰোপৰি তেওঁ দুখন মহাকাব্য ৰচনা কৰিছিল। সেই দুখন হ'ল -

১। বুদ্ধচৰিত আৰু ২। সৌন্দৰানন্দ।

জানি থোৱা ভাল

কোৱা হয় জন্মৰ সময়ত ঘোঁৰাশালৰ ঘোঁৰাবোৰে চিঞৰিছিল বাবে তেওঁৰ নাম অশ্বঘোষ ৰখা হৈছিল। আন এটা প্রবাদ অনুসৰি তেওঁৰ মুখত মধুৰ ধর্মবাণী শুনি ঘোঁৰাবোৰে আনন্দতে চিঞৰিছিল বুলি তেওঁৰ নাম অশ্বঘোষ হৈছিল। অশ্বঘোষৰ পিতৃৰ নাম জনা নাযায়। কিন্তু তেওঁৰ মাতৃৰ নাম "সুবর্ণাক্ষী" আছিল বুলি কোৱা হয়। অশ্বঘোষে বৌদ্ধ সন্ন্যাসী পার্শ্বৰ হাতত তর্কত পৰাস্ত হৈ তেওঁৰ শিষ্যত্ব স্বীকাৰ কৰিছিল বুলি এটা মতবাদ আছে। সম্রাট কণিষ্কই অশ্বঘোষৰ ওচৰত শিষ্যত্ব গ্রহণ কৰিছিল। শুনা যায় অশ্বঘোষে নিজ জীৱনৰ অন্তিম কাললৈকে গান্ধাৰতে আছিল।

৪.৩.১ বুদ্ধচৰিত

এতিয়া আপুনি অশ্বঘোষ ৰচিত বুদ্ধচৰিতৰ বিষয়ে জানিব পাৰিব। অশ্বঘোষ ৰচিত বুদ্ধচৰিত নামৰ মহাকাব্যখন ২৮ টা সৰ্গত বিভক্ত। বুদ্ধচৰিতত গৌতম বুদ্ধৰ সমগ্ৰ জীৱনৰ বৰ্ণনা পোৱা যায়। লগতে তেওঁৰ উপদেশ আৰু সিদ্ধান্তসমূহৰো বৰ্ণনা পোৱা যায়। বৰ্তমান সংস্কৃতত ইয়াৰ ১৭ টা সৰ্গৰ সংস্কৰণহে পোৱা গৈছে। ইয়াৰ শেষৰ চাৰিটা সৰ্গ অমৃতানন্দই নৱম শতাব্দীত যোগ দিয়ে। বাকীবোৰ সৰ্গ (১১ টা) সংস্কৃতত সম্পূৰ্ণৰূপে পোৱা নাযায়। প্ৰথম পাঁচটা সৰ্গত (১ - ৫) বুদ্ধৰ জন্মৰপৰা আৰম্ভ কৰি অভিনিষ্ক্ৰমণ পৰ্যন্তলৈ কথাভাগৰ বৰ্ণনা পোৱা যায়। ছয় আৰু সাত সৰ্গত বুদ্ধই তপোবনত প্ৰৱেশ কৰাৰ কথা পোৱা যায়। অষ্টম সৰ্গত বুদ্ধৰ গৃহ ত্যাগত পত্নী যশোধৰাৰ বিলাপৰ বৰ্ণনা আছে তথা নৱম সৰ্গত সিদ্ধাৰ্থক (অৰ্থাৎ বুদ্ধক) বিচৰাৰ যি প্ৰচেষ্টা চলে, তাৰ বৰ্ণনা পোৱা যায়। দশম সৰ্গত বুদ্ধই বুদ্ধত্ব প্ৰাপ্ত হৈ (অৰ্থাৎ জীৱনৰ প্ৰকৃত সত্য লাভ কৰি) মগধলৈ যাত্ৰা কৰাৰ বৰ্ণনা আৰু ইয়াৰ পিচৰ তিনিটা সৰ্গত (১১ - ১৩) সাংসাৰিক মায়া - মোহৰ নিন্দা কৰা হৈছে। চতুৰ্দশ সৰ্গত (১৪ সৰ্গ) তেওঁৰ পূৰ্ণ বুদ্ধত্ব প্ৰাপ্তিৰ বৰ্ণনা আছে। শেষৰ সৰ্গসমূহত বুদ্ধৰ ধৰ্মপ্ৰচাৰ, বুদ্ধৰ শিক্ষা, উপদেশ আৰু সম্ৰাট অশোকৰ সময়লৈকে বৌদ্ধধৰ্মৰ প্ৰচলনৰ কথা বৰ্ণনা কৰা হৈছে।

ধৰ্মৰক্ষ নামৰ এজন ভাৰতীয় বৌদ্ধ ভিক্ষুই বুদ্ধচৰিতক ৪১৪-৪২১ খ্ৰীঃ ৰ ভিতৰত চীনা ভাষালৈ অনুবাদ কৰে। পাছত এই বুদ্ধচৰিত মহাকাব্যখন তিব্বতীভাষালৈও অনুদিত হয়।

৪.৩.২ সৌন্দৰানন্দ

বুদ্ধ চৰিতৰ পিছত আপুনি এতিয়া অশ্বঘোষ ৰচিত 'সৌন্দৰানন্দ'ৰ বিষয়ে জানিব পাৰিব। সৌন্দৰানন্দ মহাকাব্যখন অশ্বঘোষৰদ্বাৰা ৰচিত প্ৰথম মহাকাব্য বুলি কোৱা হয়। ইয়াত ১৮ টা সৰ্গ আছে। বুদ্ধদেৱৰ জীৱন কাহিনী আৰু তেওঁৰ বৈমাত্ৰেয় (মাহীমাকৰ পৰা জন্মা) ভাতৃ নন্দৰ বৌদ্ধধৰ্ম গ্ৰহণ তথা সুন্দৰী আৰু নন্দৰ প্ৰণয় কাহিনীয়েই এই মহাকাব্যৰ বিষয়বস্তু। মহাকাব্যখনৰ প্ৰথম তিনিটা সৰ্গত সিদ্ধাৰ্থৰ (বুদ্ধৰ এটা নাম) জন্মৰপৰা বুদ্ধত্ব প্ৰাপ্ত হৈ কপিলাবস্তুলৈকে উভতি অহালৈকে সংঘটিত হোৱা ঘটনাসমূহৰ বৰ্ণনা আছে। চতুৰ্থ সৰ্গত বুদ্ধৰ ভাতৃ নন্দ আৰু সুন্দৰীৰ বিবাহোৎসৱৰ বৰ্ণনা পোৱা যায়। লগতে নৱ-বিবাহিত দম্পতিৰ পাৰস্পৰিক ভালপোৱা তথা ভিক্ষা কৰিবলৈ অহা বুদ্ধই নন্দৰ পদুলিমুখৰপৰা প্ৰত্যাবৰ্তন কৰা ঘটনাৰ বৰ্ণনা আছে। ইয়াৰ পিচত পঞ্চম সৰ্গত নন্দই কৰা অনুশোচনা আৰু বুদ্ধৰ ওচৰলৈ যোৱা কথাৰ উল্লেখ পোৱা যায়। লগতে বুদ্ধদেৱে নন্দক বৌদ্ধধৰ্মত দীক্ষা দিয়াৰ কথাও উল্লেখ আছে। ষষ্ঠ সৰ্গত পতিৰ বিৰহত সুন্দৰীৰ বিলাপৰ বৰ্ণনা, সপ্তম সৰ্গত পত্নী সুন্দৰীৰ প্ৰতি নন্দৰ মনত আসক্তি ওপজা তথা পত্নীৰ ওচৰলৈ নন্দৰ উভতি যোৱাৰ ইচ্ছা বৰ্ণিত হৈছে। পিচৰ দুটা সৰ্গত অৰ্থাৎ অষ্টম আৰু নৱম সৰ্গত সহযোগী এজনে নন্দক উপদেশ দিয়াৰ বৰ্ণনা পোৱা যায়। দশম আৰু একাদশ সৰ্গত নন্দৰ মনৰপৰা পত্নীৰ প্ৰতি থকা আসক্তি দূৰ কৰিবলৈ বুদ্ধই যোগবিদ্যাৰদ্বাৰা আকাশমাৰ্গেৰে নন্দক লৈ গৈ অপ্সৰাসকলক দেখুৱায়। অপ্সৰাসকলক দেখি নন্দৰ পত্নীবিয়োগৰ দুখ নাইকীয়া হয় আৰু অপ্সৰাসকলক পাবৰ বাবে বুদ্ধই নন্দক তপস্যা কৰিবলৈ উপদেশ দিয়াৰ বৰ্ণনা আছে। দ্বাদশ সৰ্গত এজন ভিক্ষুৱে নন্দক জানিবলৈ দিয়ে যে তেওঁৰ তপস্যাৰ উদ্দেশ্যই তেওঁক আনৰ হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে। ইয়াৰ পিচত নন্দৰ মন বুদ্ধত্ব প্ৰাপ্তিৰ বাবে ইচ্ছুক হৈ পৰে আৰু তেওঁ সকলো পৰিত্যাগ কৰি বুদ্ধত শৰণ লয়। ত্ৰয়োদশ সৰ্গৰ পৰা বাকী চাৰিটা সৰ্গলৈ (১৩ - ১৬) বুদ্ধৰ নন্দৰ প্ৰতি থকা উপদেশ আৰু জীৱনৰ প্ৰকৃত সত্যসমূহৰ জ্ঞানৰ বৰ্ণনা কৰা হৈছে। সপ্তদশ আৰু অষ্টাদশ সৰ্গত (১৭ - ১৮ সৰ্গত) পৰমশান্তিৰ বাবে নন্দৰ তপস্যা আৰু তেওঁৰ সমাধিস্থ স্বৰূপৰ বৰ্ণনা পোৱা যায়।

অশ্বঘোষে "সৌন্দৰানন্দ" নামৰ এই মহাকাব্যখন ৰচনা কৰাৰ প্ৰধান উদ্দেশ্যই হৈছে মনুষ্যক বৌদ্ধধৰ্মৰ পিনে আকৰ্ষিত কৰা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ পদ্যকাব্য কেইভাগত বিভক্ত ?

.....

প্ৰশ্ন নং ২ঃ অশ্বঘোষ ৰচিত মহাকাব্য দুখনৰ নাম কি কি ?

.....

প্ৰশ্ন নং ৩ঃ অশ্বঘোষ কোন ঠাইৰ নিবাসী আছিল ?

.....

প্ৰশ্ন নং ৪ঃ 'বুদ্ধচৰিত' মহাকাব্যখন ..... সৰ্গত বিভক্ত ? (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ৫ঃ 'সৌন্দৰানন্দ' মহাকাব্যখন কেইটা সৰ্গত বিভক্ত ?

(ক) ১৮ টা সৰ্গত (খ) ২২টা সৰ্গত (গ) ১৫ টা সৰ্গত (শুদ্ধ উত্তৰটো লিখক)

.....

৪.৪ কালিদাস আৰু কালিদাসৰ যুগৰ মহাকবি

আপুনি ইতিমধ্যে কবি অশ্বঘোষৰ বিষয়ে অধ্যয়ন কৰিলে। এতিয়া অশ্বঘোষৰ পিচৰ যুগৰ মহাকবি কালিদাসৰ বিষয়ে জানিব পাৰিব। মহাকবি কালিদাসক ভাৰতীয় পণ্ডিত সমাজে 'কবিকুলগুৰু' বুলি স্বীকৃতি দিছে। পাশ্চাত্য পণ্ডিত উইলিয়াম্ জোন্সে কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটকৰ সৌন্দৰ্যত মুগ্ধ হৈ কবিজনক ভাৰতৰ "***শ্বেক্সপীয়াৰ***" আখ্যা দিছে। এতিয়ালৈ কালিদাসৰ আৰিৰ্ভাৰ কাল আৰু জীৱনী সম্বন্ধে কোনেও নিশ্চিন্ত সিদ্ধান্তত উপনীত হব পৰা নাই। কিছুমান পণ্ডিতৰ মতে তেওঁৰ জন্মভূমি কাশ্মীৰ, কিছুমানৰ মতে বিদিশা নগৰী আৰু কিছুমানৰ মতে উজ্জয়িনী। কিন্তু সকলোবোৰ মতৰ ভিতৰত সৰ্বাধিক গ্ৰাহ্য মতটো হৈছে যে কালিদাসৰ জন্ম স্থান উজ্জয়িনী। আকৌ কালিদাসৰ সৰ্বাধিক গ্ৰহণযোগ্য আৰিৰ্ভাৰ কাল খ্ৰীঃ পূঃ প্ৰথম শতাব্দী বুলি ধৰা হয়। মহাকবি কালিদাস এজন বিদগ্ধ পণ্ডিত আছিল। তেওঁ বেদ-বেদান্ত-বেদাংগ, ধৰ্মশাস্ত্ৰ, ৰামায়ণ-মহাভাৰত-পুৰাণ, নীতিশাস্ত্ৰ, ব্যাকৰণ, আয়ুৰ্বেদ, জ্যোতিষ, দৰ্শনশাস্ত্ৰ, চিত্ৰকলা, বাস্তুকলা আদি সকলো শাস্ত্ৰতে পাৰ্গত আছিল।

> ***শ্বেক্সপীয়াৰ*** ঃ শ্বেক্সপীয়াৰ হৈছে এজন বিশ্ববিখ্যাত ইংৰাজ কবি আৰু নাট্যকাৰ। তেওঁৰ চাৰিখন বিখ্যাত নাটক হৈছে - অথেলো, মেক্‌বেথ, কিংলিয়াৰ, হেমলেট। তেওঁৰ কাল সম্বন্ধে সঠিক সিদ্ধান্তত উপনীত হব পৰা নাযায়। তথাপি তেওঁৰ সময় ১৫৬৪ - ১৬১৬ শতিকা বুলি ধৰা হয়।

মহাকবি কালিদাসৰ নামত অনেক গ্ৰন্থ প্ৰচলিত হৈ থাকিলেও সাতখন গ্ৰন্থহে তেওঁৰ প্ৰকৃত ৰচনা বুলি ধৰা হয়। সেইসমূহ হৈছে - ১। ঋতুসংহাৰম্ ২। মালৰিকাগ্নিমিত্ৰম্ ৩। কুমাৰসম্ভৱম্, ৪। বিক্ৰমোৰ্বশীয়ম্, ৫। মেঘদূতম্ ৬। অভিজ্ঞানশকুন্তলম্ আৰু ৭। ৰঘুবংশম্। এই সমূহৰ ভিতৰত 'ঋতুসংহাৰ' আৰু 'মেঘদূত' হৈছে খণ্ডকাব্য, 'কুমাৰসম্ভৱ' আৰু 'ৰঘুবংশ' হৈছে মহাকাব্য। 'মালবিকাগ্নিমিত্ৰ', 'বিক্ৰমোৰ্বশীয়' আৰু 'অভিজ্ঞানশকুন্তলম্' এই তিনিখন হৈছে নাটক।

জানি থোৱা ভাল

কোৱা হয় ব্ৰাহ্মণকুলত জন্ম হৈও কালিদাসে গৰু চৰাই নিজৰ পেট প্ৰৱৰ্তন কৰিছিল। ঘটনা চক্ৰত পৰি তেওঁ এগৰাকী বিদুষী ৰাজকুঁৱৰীক বিবাহ কৰাইছিল। অজ্ঞানতাবশত তেওঁ নৱবিৰাহিতা পত্নীৰ হাতত লাঞ্ছিত হৈ ঘৰৰপৰা ওলাই গৈ দেৱী কালিকাৰ উপাসনা কৰি দেৱীৰ আশীৰ্বাদত কাব্য প্ৰতিভাৰে প্ৰতিভাত হৈ নিজ গৃহলৈ প্ৰত্যাবৰ্তন কৰে। স্ব গৃহত পত্নীয়ে কালিদাসক দেখি হেনো প্ৰশ্ন কৰিছিল এনেদৰে - "অস্তি কশ্চিদ্ বাগ্‌বিশেষঃ"? তেতিয়া হেনো কালিদাসে পত্নীয়ে কৰা প্ৰশ্নটোৰ প্ৰতিটো শব্দকে প্ৰতীক হিচাপে লৈ একোখন মনোমোহা কাব্য ৰচনা কৰে। 'অস্তি' শব্দৰে (অস্তুত্তৰস্যাং দিশি দেৱতাত্মা হিমালয়ঃ) 'কুমাৰসম্ভৱ মহাকাব্য', 'কশ্চিৎ' শব্দেৰে (কশ্চিৎ কান্তাবিৰহগুৰুণা) 'মেঘদূত' নামৰ খণ্ডকাব্য, বাক্ শব্দেৰে (বাগার্থাবিৱ সম্পৃক্তৌ) 'ৰঘুবংশ' মহাকাব্য আৰু 'বিশেষ' শব্দেৰে (বিশেষঃ সূৰ্যঃ স্পৃহনীয়ঃ চন্দ্ৰমা) 'ঋতুসংহাৰ'নামৰ কাব্য ৰচনা কৰে।

কালিদাসৰ যুগৰ সমসাময়িক কবিসকলৰ ভিতৰত 'প্ৰৱৰসেন' অন্যতম। প্ৰবৰসেন হৈছে "সেতুবন্ধ" নামৰ মহাকাব্যখনৰ ৰচক। প্ৰবৰসেনৰ সময় ৪২০ - ৫০ খৃষ্টাব্দ। ভাৰতীয় ঐতিহাসিক পৰম্পৰাত বহুতো প্ৰবৰসেনৰ নাম পোৱা যায়। তাৰে দুজন কাশ্মীৰৰ। কিন্তু তেওঁলোক 'সেতুবন্ধ' ৰ ৰচক নহয়।

কালিদাসৰ সমসাময়িক অন্য এজন প্ৰতিভাশালী কবি হৈছে কুমাৰদাস। কুমাৰ দাসৰ ব্যক্তিগত জীৱন আৰু আৱিৰ্ভাৱ কাল সম্বন্ধে সঠিকভাৱে একো গম পোৱা নাযায়। তেওঁৰ দ্বাৰা ৰচিত মহাকাব্যখনৰ নাম হ'ল 'জানকীহৰণম্'। এই কাব্যখনৰ অন্তিম শ্লোকৰ পৰা এইটো অনুমান কৰিব পাৰি যে "কুমাৰদাস" ৰজা কুমাৰমানৰ পুত্ৰ আছিল। কোৱা হয় কুমাৰমান যুদ্ধক্ষেত্ৰত নিহত হোৱা দিনতেই কুমাৰদাসৰ জন্ম হৈছিল। সেয়েহে তেওঁ দুজন মোমায়েকৰ হাততেই ডাঙৰ-দীঘল হয়। আন এক প্ৰৱাদ অনুসৰি তেওঁ সিংহলৰ ৰজা আছিল আৰু মহাকবি কালিদাসৰ পৰমবন্ধু আছিল।

৪.৪.১ কুমাৰসম্ভৱম্

এতিয়া আপুনি কালিদাস ৰচিত "কুমাৰসম্ভৱম্" মহাকাব্যৰ বিষয়ে জানিব পাৰিব। মহাকবি কালিদাসে দুখন মহাকাব্য ৰচনা কৰিছিল। সেই দুখন হৈছে 'কুমাৰসম্ভৱম্' আৰু 'ৰঘুবংশম্'। ইয়াৰে ভিতৰত কুমাৰসম্ভৱকে কবিসমাজে ৰঘুবংশতকৈ আগৰ ৰচনা বুলি মন্তব্য কৰে। পৰম্পৰা অনুসৰি "কুমাৰসম্ভৱম্" মহাকাব্যখনত বাইশটা (২২) সৰ্গ থকা বুলি কোৱা হয়। কিন্তু বৰ্তমান কালত মহাকাব্যখনৰ পাণ্ডুলিপিৰ সপ্তদশ সৰ্গলৈহে পোৱা যায়। তাতকৈ বেছি সৰ্গৰ পাণ্ডুলিপি উপলব্ধ নহয়।

পণ্ডিতসমাজে মত পোষণ কৰে যে প্ৰথম আঠটা সৰ্গ নিশ্চিতভাৱে কালিদাসৰ নিজস্ব ৰচনা। নৱম আৰু দশম সৰ্গ দুটাও কবিজনাৰ দ্বাৰা ৰচিত বুলি ধাৰণা কৰা হয়। কিন্তু একাদশৰ পৰা বাকীসৰ্গসমূহ কালিদাসৰ দ্বাৰা ৰচিত হয় নে নহয় এই বিষয়ত সন্দেহ আছে।

"কুমাৰসম্ভৱম্" মহাকাব্যৰ প্ৰথম সৰ্গটোত হিমালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু পাৰ্বতীৰ শাৰীৰিক সৌন্দৰ্য্যৰ বৰ্ণনা পোৱা যায়। দ্বিতীয় সৰ্গত পৰমপিতা ব্ৰহ্মাৰ বৰ্ণনা আৰু তাৰকাসুৰৰ অত্যাচাৰৰ বৰ্ণনা পোৱা যায়। তৃতীয় সৰ্গত বসন্তকালৰ বৰ্ণনা আৰু শিৱ-পাৰ্বতীৰ বৰ্ণনাও উপলব্ধ হয়। চতুৰ্থ সৰ্গটিত কামদহনৰ পিচত (শিৱৰ দ্বাৰা ভস্মীভূত হৈ) কামদেৱৰ পত্নী ৰতিৰ বিলাপৰ দুখজনক বৰ্ণনা পোৱা যায়। পঞ্চম সৰ্গটিত হিমালয় কন্যা পাৰ্বতীৰ মহাদেৱ শিৱক পতিৰূপে পাবলৈ কৰা তপস্যা তথা শিৱৰদ্বাৰা পাৰ্বতীৰ ভক্তিৰ পৰীক্ষা আৰু পিচত পাৰ্বতী বিজিত বুলি কৰা ঘোষণাৰ উল্লেখ পোৱা যায়। ষষ্ঠ সৰ্গত শিৱে পাৰ্বতীক পত্নীৰূপে গ্ৰহণ কৰাৰ ইচ্ছা প্ৰকাশ কৰি

সপ্তর্ষিক পার্বতীৰ পিতৃ হিমালয়ৰ ওচৰলৈ প্রেৰণ কৰাৰ বর্ণনা আছে। সপ্তম সর্গটিত শিৱ-পার্বতীৰ বিবাহৰ সুন্দৰ বর্ণনা কৰা হৈছে। অষ্টম সর্গত মুখ্যভাৱে শিৱ-পার্বতীৰ বিবাহৰ পিচত হোৱা সম্ভোগৰ বর্ণনাই স্থান পাইছে। ইয়াৰ পিচৰ নটা সর্গত উল্লেখ আছে যে বিয়াৰ পাছত শিৱ আৰু পার্বতীয়ে সম্ভোগ ক্রীড়াত মগ্ন হৈ শ শ ঋতু অতিবাহিত কৰাত দেৱতাসকল অধৈর্য্য হৈ পৰিল। তেতিয়া দেৱতাসকলে অগ্নিক কপৌ চৰাইৰ ৰূপত শিৱ আৰু পার্বতীৰ ওচৰলৈ ঘটনাৰ বুজ লবলৈ পঠিয়ালে। অগ্নিৰ আগমনত শিৱ পোনতে ক্রোধান্বিত হ'ল। কিন্তু অগ্নিয়ে শিৱৰ আগত ব্যক্ত কৰিলে যে তেওঁ দেৱতাসকলৰ অনুৰোধ ক্রমেহে শিৱ-পার্বতীৰ ওচৰলৈ আহিছে। সেই কথা শুনি শিৱ সন্তুষ্ট হ'ল আৰু নিজৰ তেজোবিন্দু অগ্নিত নিক্ষেপ কৰিলে। অগ্নিয়ে সেই তেজ ধাৰণ কৰিবলৈ অসমর্থ হৈ ইন্দ্রক জনোৱাত দেৱতাসকলৰ ৰজা ইন্দ্রই আকাশী গংগাত সেই তেজ নিক্ষেপ কৰিবলৈ ক'লে। কিন্তু গংগাই সেই তেজ বহন কৰিবলৈ সমর্থ নহ'ল। তেতিয়া তেওঁ গংগাস্নান কৰিবলৈ অহা ছজনী ***কৃত্তিকাৰ*** শৰীৰত ন্যস্ত কৰিলে। ফলত কৃত্তিকাসকল গর্ভৱতী হ'ল। তেওঁলোকে সেই গুৰুভাৰ বহন কৰিবলৈ অসমর্থ হৈ বেতসবন ত্যাগ কৰি গুচি গ'ল। সেই সময়তে শিৱ আৰু পার্বতীয়ে বিমানেৰে আকাশ ভ্রমণ কৰি থাকোতে শিশু এটিৰ ওপৰত তেওঁলোকৰ দৃষ্টি পৰিল। শিৱে সেই শিশুটি নিজ তেজৰপৰা উৎপন্ন বুলি গম পাই শিশুটিক তাৰপৰা তুলি ল'লে। সেই দেৱ শিশুটো মাত্র ছয়দিনতে পৈনত হ'ল আৰু সকলো অস্ত্র-শস্ত্রত পার্গত হৈ উঠিল। শিৱৰ নিজ দেহৰ বীর্য্যৰ পৰা উৎপন্ন হোৱা সেই শিশুটি কুমাৰ কার্তিকেয় নামে জনাজাত হ'ল। ইন্দ্রাদি দেৱতাসকলৰ অনুৰোধক্রমে শিৱই তেওঁক (কুমাৰক) দেৱসেনাপতি পাতিলে আৰু সেই কুমাৰে তাৰকাসুৰক যুদ্ধত বধ কৰি ইন্দ্র আদি অন্য দেৱতা সকলক ৰক্ষা কৰিলে।

> ***কৃত্তিকাঃ*** ছজনী অপ্সৰা। তেওঁলোকে কার্ত্তিকেয়ক (শিৱপুত্র) লালন-পালন কৰিছিল বুলি কোৱা হয়। 'কৃত্তিকা' বুলি নক্ষত্রপুঞ্জত ছয়টা তৰা আছে, সেই তৰাই ছয়টা অপ্সৰাৰ ৰূপ লৈছে বুলি শুনা যায়।

গতিকে আপুনি গম পালে যে কুমাৰ কার্তিকেয়ৰ জন্ম আৰু কার্তিকেয়ৰ হাতত তাৰকাসুৰৰ বধেই হৈছে এই কুমাৰসম্ভৱম্ মহাকাব্যৰ প্রধান বিষয়বস্তু।

৪.৪.২ ৰঘুবংশম্

এতিয়া আপুনি কালিদাস ৰচিত ৰঘুবংশম্ মহাকাব্যৰ বিষয়ে জানিব পাৰিব। ৰঘুবংশম্ মহাকাব্যখনক কালিদাসৰ অন্তিম আৰু শ্রেষ্ঠ কাব্য বুলি গণ্য কৰা হয়। এই মহাকাব্যখন উনৈশটা সর্গত (১৯) বিভক্ত। সর্গসমূহত ৰঘু অর্থাৎ সূর্য্যবংশীয় ৰজাসকলৰ চৰিত্র বর্ণনা কৰা হৈছে। ৰঘুবংশত জন্মা ৰজা দিলীপৰ পৰা আৰম্ভ কৰি অগ্নিবর্ণলৈ সূর্য্যবংশীয় ঊনত্রিশজন ৰজাৰ বর্ণনা এই সর্গসমূহত পোৱা যায়।

প্রথম সর্গত মূলতঃ ৰজা দিলীপৰ চৰিত্রৰ বর্ণনা পোৱা যায়। ৰজা দিলীপৰ পত্নীৰ নাম আছিল সুদক্ষিণা। তেওঁলোকৰ কোনো সতি-সন্তান নথকাত এদিনাখন কুলগুৰু বশিষ্ঠৰ আশ্রমলৈ প্রস্থান কৰিলে। বশিষ্ঠই পুত্রপ্রাপ্তিৰ বাবে তেওঁলোকক তেওঁৰ আশ্রমত থকা কামধেনু নন্দিনীক সেৱা কৰিবলৈ নির্দেশ দিলে।

দ্বিতীয় সর্গত দিলীপ আৰু সুদক্ষিণাৰ গো-সেৱা ব্রত কৰাৰ বর্ণনা আছে।

তৃতীয় সর্গত নন্দিনীৰ বৰত ৰজা দিলীপ আৰু সুদক্ষিণাৰ গর্ভত ৰঘুৰ জন্ম, সংস্কাৰ, শিক্ষাগ্রহণ, অভিষেক আৰু ৰজা দিলীপৰ অশ্বমেধ যজ্ঞৰ বর্ণনা আছে।

চতুর্থ সর্গত যজ্ঞ সমাপ্তিৰ পিছত ৰঘুক ৰজাৰূপে অভিষিক্ত কৰি সুদক্ষিণাৰে সৈতে ৰজা দিলীপে তপোবনলৈ গমন কৰাৰ বর্ণনা পোৱা যায়।

পঞ্চম সর্গত ৰঘুৰ দানশীলতাৰ বর্ণনা পোৱা যায়।

ষষ্ঠ আৰু সপ্তম সৰ্গত ইন্দুমতীৰ সয়ম্বৰ আৰু ৰঘুপুত্ৰ অজৰ সৈতে ইন্দুমতীৰ বিবাহৰ বৰ্ণনা পোৱা যায়।

অষ্টম সৰ্গত ৰঘুৱে অজৰ হাতত ৰাজ্যশাসনৰ ভাৰ অপৰ্ণ কৰা, ইন্দুমতীৰ আকস্মিক মৃত্যুত অজৰ বিলাপ আৰু বশিষ্ঠমুনিৰ দ্বাৰা অজক সান্ত্বনা প্ৰদান কৰাৰ উল্লেখ পোৱা যায়।

নৱম সৰ্গত দশৰথৰ ৰাজ্যশাসনৰ বৰ্ণনা পোৱা যায়। দশৰথে মৃগয়া কৰিবলৈ যাওঁতে দৈৱবশতঃ শ্ৰৱণ কুমাৰক বধ কৰাৰ হৃদয় বিদাৰক বিৱৰণো এই সৰ্গত পোৱা যায়। নৱমৰ পৰা পঞ্চদশ (৯ - ১৫) সৰ্গলৈকে দশৰথ পুত্ৰ ৰামৰ বৰ্ণনা পোৱা যায়। ষোড়শ সৰ্গত (১৬) ৰামৰ পুত্ৰ কুশৰ ৰাজ্যশাসনৰ বৰ্ণনা বিশদভাৱে উল্লেখ কৰা হৈছে। সপ্তদশ সৰ্গত কুশৰ পুত্ৰ অতিথিৰ চৰিত্ৰ বৰ্ণনা কৰা হৈছে। অষ্টাদশ সৰ্গত ৰজা সুদৰ্শনেৰে সৈতে একৈশজন ৰঘুবংশীয় ৰজাৰ উল্লেখ কৰা হৈছে। ঊনবিংশ সৰ্গত সুদৰ্শনপুত্ৰ ৰজা অগ্নিবৰ্ণৰ বৰ্ণনা পোৱা যায় আৰু তেওঁৰ শোকাবহ মৃত্যুতেই মহাকাব্যখনৰ সমাপ্তি ঘটিছে।

৪.৪.৩ সেতুবন্ধ

এতিয়া আপুনি প্ৰবৰসেন ৰচিত সেতুবন্ধৰ বিষয়ে জানিব পাৰিব। সেতুবন্ধ মহাকাব্যখন প্ৰবৰসেনৰদ্বাৰা ৰচিত বুলি আপুনি গম পাইছে। এই কাব্যখন পোন্ধৰটা সৰ্গত বিভক্ত। হনুমানে সাগৰ পাৰ হৈ লংকালৈ গৈ সীতাৰ বাৰ্তা লৈ অহাৰেপৰা ৰাৱণবধলৈকে সকলোখিনি সেতুবন্ধ মহাকাব্যত বৰ্ণিত হৈছে। সেতুবন্ধন অৰ্থাৎ সেতুৰচনাই হৈছে এই কাব্যৰ প্ৰধান বিষয়বস্তু। ইয়াৰে প্ৰথম সৰ্গত শৰৎ কালৰ বৰ্ণনা পোৱা যায়। সীতাক উদ্ধাৰ কৰিবলৈ ৰামক আগত লৈ সুগ্ৰীৱে বানৰ সৈন্যসমূহৰে সৈতে সমুদ্ৰৰ তীৰলৈ যাত্ৰা কৰাৰ বৰ্ণনা এই সৰ্গত উল্লেখ আছে। দ্বিতীয় সৰ্গত সমুদ্ৰৰ টো দেখি বানৰ সৈন্য নিতাল মাৰে। তৃতীয় সৰ্গত সুগ্ৰীৱে অনুসৰণকাৰীসকলক লংকালৈ যাবলৈ প্ৰেৰণা দিবলৈ উদাত্ত ভাষণ প্ৰদান কৰে। চতুৰ্থ সৰ্গত বানৰসকল সুগ্ৰীবৰ কথাত সন্মত হৈ লংকালৈ যাবলৈ সাজু হয়। পঞ্চম সৰ্গত ৰামে সাগৰ পাৰ হোৱাত সহযোগ কৰিবলৈ সাগৰক অনুৰোধ জনাই উপবাস খাটে। প্ৰথমে সমুদ্ৰই ৰামক কোনো সহাৰি নজনায়। ষষ্ঠ সৰ্গত ৰামৰ বাণৰ প্ৰহাৰত আহত সমুদ্ৰই পত্নী গংগা সহ ৰামক সাক্ষাৎ কৰে। তেতিয়া সেতুবন্ধন কৰিবলৈ সমুদ্ৰই ৰামক পৰামৰ্শ দিয়ে। সপ্তম আৰু অষ্টম সৰ্গত সেতুবন্ধনৰ আৰু সেই সেতুৰে গৈ লংকাত উপস্থিত হোৱাৰ বৰ্ণনা আছে। নৱম সৰ্গত বানৰ সেনা সুবেল পৰ্বত পোৱা আৰু সেই পৰ্বতৰ প্ৰাকৃতিক শোভাৰ উল্লেখ আছে। দশম সৰ্গত লংকা নগৰীৰ সান্ধ্যকালৰ জীৱনৰ চিত্ৰ অংকিত হৈছে। একাদশ সৰ্গত লংকাধিপতি ৰাৱনে সীতাৰ মন জয় কৰিবলৈ প্ৰচেষ্ঠা চলায়। দ্বাদশ, ত্ৰয়োদশ আৰু চতুৰ্দশ সৰ্গত লংকা যুদ্ধৰ বিশদ বিৱৰণ পোৱা যায়। পঞ্চদশ সৰ্গত ৰাৱণ ভাতৃ কুম্ভকৰ্ণ আৰু মেঘনাদৰ যুদ্ধত মৃত্যুবৰণ কৰাৰ বৰ্ণনা পোৱা যায়। যুদ্ধত ৰামৰ হাতত ৰাৱণ নিহত হয় আৰু সীতাক লৈ ৰামচন্দ্ৰই অযোধ্যানগৰীলৈ প্ৰত্যাগমন কৰে। এয়াই হৈছে সেতুবন্ধ মহাকাব্যৰ বিষয়বস্তু।

৪.৪.৪ জানকীহৰণ

এতিয়া আপুনি কুমাৰদাস ৰচিত জানকীহৰণ মহাকাব্যখনৰ বিষয়ে জানিব পাৰিব। জানকীহৰণ মহাকাব্যখন কুমাৰদাসৰ দ্বাৰা ৰচিত। এই কাব্যখনত পচিশটা (২৫) সৰ্গ আছে আৰু ইয়াৰ কাহিনীভাগ ৰামায়ণৰ পৰা লোৱা হৈছে। কাব্যখনৰ প্ৰথমসৰ্গত অযোধ্যানগৰী, ৰজা দশৰথ আৰু তেওঁৰ ৰাণীসকলৰ বৰ্ণনা পোৱা যায়। দ্বিতীয়সৰ্গত ৰাৱণৰ চৰিত্ৰৰ বৰ্ণনা আছে। তৃতীয়সৰ্গত ৰজা দশৰথৰ জলক্ৰীড়া আৰু সান্ধ্যবৰ্ণনা, চতুৰ্থ আৰু পঞ্চমসৰ্গত দশৰথৰ চাৰিপুত্ৰৰ জন্মবৃত্তান্ত আৰু সেই পুত্ৰসকলৰ দ্বাৰা তাৰকা আদি বধৰ বাল্যলীলাৰ বৰ্ণনা পোৱা যায়। সপ্তম সৰ্গত ৰাম-সীতাৰ বিবাহৰ বৰ্ণনা আছে। অষ্টমসৰ্গত বিবাহৰ পিচত অনুষ্ঠিত হোৱা উৎসৱ-পাৰ্বণৰ উল্লেখ আছে। নৱম

সৰ্গত ৰামৰ অযোধ্যা প্ৰত্যাবৰ্তনৰ বৰ্ণনা পোৱা যায়। দশম সৰ্গত ৰামৰ অভিষেকৰ পৰা জানকী (সীতা) হৰণ হোৱালৈকে বহুতো ঘটনাৰ বৰ্ণনা আছে। একাদশ সৰ্গত ৰাম আৰু হনুমানৰ মিত্ৰতা আৰু বালিবধ, দ্বাদশ সৰ্গত সীতা অন্বেষণ, ত্ৰয়োদশ সৰ্গত বানৰসেনা একত্ৰিত হোৱা, চতুৰ্দশ সৰ্গত সমুদ্ৰৰ ওপৰেৰে লংকালৈ ৰামৰ সৈন্যই সেতুৰচনা কৰা আৰু শেষত সমুদ্ৰ পাৰ হোৱাৰ দৃশ্য বৰ্ণিত হৈছে। পঞ্চদশ সৰ্গ আৰু ষোড়শ সৰ্গত ৰামৰ দূতৰূপে অংগদৰ ৰাৱণৰ সভাত উপস্থিত হোৱাৰ বাৰ্তা তথা ৰাক্ষস সকলৰ বিভিন্ন লীলাৰ বৰ্ণনা আছে। সপ্তদশৰপৰা বিংশতি সৰ্গলৈ (১৭ - ২০) বানৰ আৰু ৰাক্ষসসৈন্যৰ যুদ্ধৰ উল্লেখ আছে। যুদ্ধৰ শেষত ৰামৰ হাতত ৰাৱণৰ বধ আৰু ৰামৰ বিজয় প্ৰাপ্তিতেই কাব্যখনৰ সমাপ্তি ঘটিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ "কুমাৰসম্ভৱম্'ৰ ৰচক কোন আৰু ই কেইটা সৰ্গত বিভক্ত?

.....

প্ৰশ্ন নং ৭ঃ ৰঘুবংশম্ মহাকাব্যত কেইটা সৰ্গ আছে আৰু ইয়াত কেইজন ৰজাৰ বৰ্ণনা আছে?

.....

প্ৰশ্ন নং ৮ঃ সেতুবন্ধ কোনে ৰচনা কৰিছিল আৰু মহাকাব্যখন কেইটা সৰ্গত বিভক্ত?

.....

প্ৰশ্ন নং ৯ঃ কুমাৰদাসে লিখা কাব্যখনৰ নাম কি আৰু এইখন কেইটা সৰ্গত বিভক্ত?

.....

প্ৰশ্ন নং ১০ঃ জানকীহৰণৰ কাহিনীভাগ ক'ৰ পৰা লোৱা হৈছে?

.....

প্ৰশ্ন নং ১১ঃ ৰজা দিলীপৰ পুত্ৰজনৰ নাম ..... আছিল।(খালী ঠাই পূৰণ কৰক)

.....

৪.৫ কালিদাসোত্তৰ যুগৰ মহাকবি আৰু মহাকাব্য

এতিয়া আপুনি কালিদাসৰ পিচৰ যুগৰ মহাকবি আৰু তেওঁলোকৰদ্বাৰা ৰচিত মহাকাব্যসমূহৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব। কালিদাসৰ পিচৰ যুগৰ কবি বুলিলে 'ভাৰবিৰ' নামেই প্ৰথমে আহে। কোৱা হয় তেওঁ ৰজা ভোজৰ সমকালীন আছিল। ভাৰবিৰ পিতৃৰ নাম শ্ৰীধৰ আৰু মাতৃৰ নাম সুশীলা। ভাৰবিৰ প্ৰকৃত নাম আছিল দামোদৰ। ভাৰবিৰ কাল ৬০০ খ্ৰীষ্টাব্দ বুলি ধৰা হয়। সৰহভাগ পণ্ডিতৰ মতে তেওঁৰ জন্মস্থান দক্ষিণ ভাৰত। ভাৰৱি এজন সুনিপুণ বৈয়াকৰণবিদ্ আছিল।

সংস্কৃত সাহিত্যত উল্লেখ থকা পঞ্চ মহাকাব্যৰ ভিতৰত ভাৰৱি বিৰচিত "কিৰাতাৰ্জুনীয়ম্" মহাকাব্যখন অন্যতম বুলি আপুনি ইতিমধ্যে গম পাইছে।

কালিদাসৰ পৰবৰ্তী কবিসমূহৰ ভিতৰত "ভট্টি"ৰ নাম অন্যতম। তেওঁ ব্যাকৰণ শাস্ত্ৰোপদেশী কবি আছিল। ব্যাকৰণৰ উপদেশ দিবলৈ ভট্টিয়ে "ৰাবণ বধ বা ভট্টিকাব্য ৰচনা কৰিছিল। ভট্টিৰ আবিৰ্ভাৱ কাল খৃষ্টীয় সপ্তম শতিকাৰ প্ৰথম ভাগ বুলি ধৰা হয়।

মহাকবি 'মাঘ' হৈছে কালিদাসৰ পিচৰ যুগৰ অন্য এজন উল্লেখযোগ্য কবি। মাঘৰ আৱিৰ্ভাৱকাল সপ্তম শতাব্দী। কোৱা হয় মাঘ আছিল ভোজ ৰজাৰ পৰমবন্ধু। 'মাঘ' ৰাজনীতি, দৰ্শন, ব্যাকৰণ আদি বিভিন্ন বিষয়তে

পাৰ্গত আছিল।

মাঘৰ সংস্কৃত ভাষা-সাহিত্যত অগাধ পাণ্ডিত্য আছিল। মাঘ ৰচিত "শিশুপালবধম্" মহাকাব্য সংস্কৃত সাহিত্যৰ অন্য এক সম্পদ।

কালিদাসৰ পিচৰ যুগৰ কবিসকলৰ ভিতৰত "শ্রীহর্ষ" হৈছে অন্যতম কবি। শ্রীহর্ষ ৰচিত "নৈষধচৰিতম্" মহাকাব্য সংস্কৃত সাহিত্যৰ সুবৃহৎ মহাকাব্য। শ্রীহর্ষৰ পিতৃৰ নাম "শ্রীহীৰ' আৰু মাতৃৰ নাম মামল্লদেৱী। শ্রীহর্ষ কানাকুব্জৰ ৰজা জয়চন্দ্রৰ ৰাজসভাৰ ৰাজকবি আছিল। ৰজাৰ প্রেৰণাতেই তেওঁ 'নৈষধচৰিতম্' মহাকাব্য ৰচনা কৰিছিল বুলি কোৱা হয়। 'নৈষধচৰিতম্'ৰ উপৰিও শ্রীহর্ষই কেবাখনো গ্রন্থ ৰচনা কৰিছিল। কবিজনাৰ আৰির্ভাৰ কাল দ্বাদশ শতাব্দীৰ উত্তৰার্ধ বুলি অনুমান কৰা হয়।

জানি থোৱা ভাল

শ্রীহর্ষই "নৈষধচৰিতম্" ৰ উপৰিও যিবোৰ গ্রন্থ ৰচনা কৰিছিল, সেইবোৰ হৈছে - ১। স্থৈর্য্য বিচাৰণ প্রকৰণ ২। বিজয়-প্রশস্তি ৩। অর্ণৱবর্ণন ৪। শিৱশক্তি সিদ্ধি ৫। খণ্ডন খণ্ড-খাদ্য, ৬। গৌড়োবীংশকুল প্রশস্তি ৭। চিন্দ প্রশস্তি ৮। নৱসাহসাংক-চৰিতচম্পূ ৯। ঈশ্বৰাভিসন্ধি।

শ্রীহর্ষ ৰচিত দহখন গ্রন্থৰ ভিতৰত এতিয়া মাত্র 'নৈষধ চৰিত' আৰু "খণ্ডন খণ্ড খাদ্য" এই দুখনহে পোৱা গৈছে। সকলোবোৰ গ্রন্থৰ সূচনা নৈষধ চৰিতৰ পাততে পোৱা যায়।

৪.৫.১ কিৰাতার্জুনীয়ম্

এতিয়া আপুনি ভাৰবি ৰচিত কিৰাতার্জুনীয়ম্ মহাকাব্যৰ বিষয়ে জানিব পাৰিব। ভাৰবি বিৰচিত 'কিৰাতার্জুনীয়ম্' মহাকাব্যখন ১৮ টা সর্গৰ সমষ্টি। ইয়াৰ কাহিনীভাগ মহাভাৰতৰ বনপর্বৰ পৰা লোৱা হৈছে। দেৱতাসকলৰ ৰজা ইন্দ্র আৰু শিৱক সন্তুষ্ট কৰি পাণ্ডৱ অর্জুনে কেনেদৰে পাশুপাত অস্ত্র লাভ কৰিছিল সেই কাহিনীকে আলম কৰি কিৰাতার্জুনীয়ম্ মহাকাব্য ৰচিত হৈছে। পাশাখেলত কৌৰৱৰ হাতত পৰাজিত হৈ পাণ্ডৱসকলে দ্বৈতবনত বাস কৰাৰ পৰা মহাকাব্যখনৰ কাহিনীভাগ আৰম্ভ হৈছে। প্রথম আৰু দ্বিতীয় সর্গত পাশাখেলত পৰাজিত হোৱা পাণ্ডৱসকলক দ্বৈতবনত কবিয়ে উপস্থাপন কৰি দেখুৱাইছে। তৃতীয় সর্গত মহর্ষি ব্যাসৰ পৰামর্শ মতে মধ্যম পাণ্ডৱ অর্জুনে পাশুপাত অস্ত্র লাভৰ বাবে ইন্দ্রকীল পর্বতলৈ যোৱাৰ কথা বর্ণনা আছে। চতুর্থৰপৰা দ্বাদশ সর্গলৈ (৪ - ১২) অর্জুনৰ ঘোৰ তপস্যা, শিৱৰ কিৰাত ৰূপ ধাৰণৰ বর্ণনা আছে। ত্রয়োদশৰ পৰা পঞ্চদশ সর্গত (১৩ - ১৫) কিৰাত আৰু অর্জুনৰ যুদ্ধৰ বর্ণনা আছে। শেষৰ তিনিটা সর্গত অর্জুনৰ বীৰত্ব আৰু কঠিন তপস্যাত প্রসন্ন হৈ ভগৱান শংকৰে অর্জুনক পাশুপাত অস্ত্র প্রদান কৰে। অর্জুনে পাশুপাত অস্ত্র লৈ যুধিষ্ঠিৰৰ ওচৰলৈ প্রত্যাগমন কৰাৰ লগে লগে মহাকাব্যৰ সমাপ্তি ঘটে।

৪.৫.২ ৰাৱণবধম্

এতিয়া কিৰাতার্জুনীয়ম্ মহাকাব্যৰ পিছত আপুনি ভট্টি ৰচিত "ৰাৱণবধ" মহাকাব্যৰ বিষয়ে জানিব পাৰিব। ভট্টি ৰচিত "ৰাৱণবধ" মহাকাব্যখন ভট্টিকাব্য নামেৰে জনাজাত। ৰামায়ণৰ কাহিনীৰ আধাৰত ৰচিত এই কাব্যখন ২২ টা সর্গত বিভক্ত। কাব্যখনত ৰামচন্দ্রৰ জন্মৰে পৰা ৰাৱণবধৰ পিচত অযোধ্যাৰ ৰজা হিচাপে ৰামচন্দ্র অভিষিক্ত হোৱালৈ সকলোখিনি বর্ণিত হৈছে। ছাত্রক ব্যাকৰণ আৰু অলংকাৰৰ জ্ঞান দিবলৈ এই মহাকাব্যখন ৰচনা কৰা হৈছিল। কাব্যখন চাৰিটা কাণ্ডত বিভক্ত -

১) প্ৰকীৰ্ণ কাণ্ড (১ - ৫ সৰ্গলৈ)

২) অধিকাৰ কাণ্ড (৬ - ৯ সৰ্গলৈ)

৩) প্ৰসন্ন কাণ্ড (১০ - ১৩ সৰ্গলৈ)

৪) তিঙন্ত কাণ্ড (১৪ - ২২ সৰ্গলৈ)

প্ৰকীৰ্ণ কাণ্ডত ৰামৰ জন্মৰপৰা বনবাসৰ কালত সীতা হৰণ হোৱালৈ কাহিনীভাগ বৰ্ণিত হৈছে। এই কাণ্ডত 'প্ৰত্যয়'ৰ বিষয়ে কোৱা হৈছে।

অধিকাৰ কাণ্ডত ব্যাকৰণৰ নিয়মসমূহ অতি সূক্ষ্মভাৱে বিচাৰ কৰা হৈছে। প্ৰসন্ন কাণ্ডত 'অলংকাৰ'ৰ বিষয়ে কোৱা হৈছে। তিঙন্ত কাণ্ডত সংস্কৃত ব্যাকৰণৰ 'নবিধ লকাৰ'ৰ বিষয়ে কোৱা হৈছে। এনেদৰে মহাকবি ভট্টিয়ে কাব্যৰ মাজেৰে ব্যাকৰণৰ বিবিধ প্ৰয়োগৰ বিষয়ে আলোচনা কৰিছে।

৪.৫.৩ শিশুপালবধম্

এতিয়া আপুনি মাঘ ৰচিত 'শিশুপালবধ' মহাকাব্যৰ বিষয়ে জানিব পাৰিব। মাঘ ৰচিত 'শিশুপালবধ' মহাকাব্যখন বিশটা (২০) সৰ্গত বিভক্ত। মহাকাব্যখনৰ কাহিনীভাগ মহাভাৰতৰ সভাপৰ্ব আৰু শ্ৰীমদ্‌ভাগৱৎপুৰাণৰ পৰা লোৱা হৈছে।

প্ৰথম সৰ্গত দেৱৰ্ষি নাৰদ আৰু শ্ৰীকৃষ্ণৰ মাজত শিশুপালক বধ কৰা বিষয় লৈ আলোচনা হয়। দ্বিতীয় সৰ্গত বলৰাম, শ্ৰীকৃষ্ণ আৰু উদ্ধৱৰ মাজত ৰাজনীতি বিষয়ক কথাৰ আলোচনা হয়। তৃতীয় সৰ্গৰ পৰা অষ্টম সৰ্গলৈ মুঠ ছটা সৰ্গত শ্ৰীকৃষ্ণই সসৈন্যে ইন্দ্ৰপ্ৰস্থলৈ যোৱাৰ বৰ্ণনা আছে। মাজৰ ষষ্ঠ সৰ্গত ঋতু বৰ্ণনা, সপ্তম সৰ্গত বনবিহাৰ বৰ্ণনা আৰু অষ্টম সৰ্গত জলক্ৰীড়াৰ বৰ্ণনা পোৱা যায়। নৱম আৰু দশম সৰ্গ দুটাত যদুকুলৰ দম্পতীসকলৰ মাজত হোৱা কাম-ক্ৰীড়া আৰু সৌন্দৰ্য্য প্ৰসাধনাদিৰ বৰ্ণনা পোৱা যায়। একাদশ সৰ্গত ভগৱান শ্ৰীকৃষ্ণক নিদ্ৰাৰ পৰা জগাবলৈ ***বৈতালিক*** সকলে প্ৰভাত বৰ্ণনাৰ গীত গায়। দ্বাদশ সৰ্গত শ্ৰীকৃষ্ণই সৈন্য-সামন্ত আৰু সপৰিবাৰে যমুনা নদী পাৰ হোৱাৰ দৃশ্য বৰ্ণনা কৰা হৈছে। ত্ৰয়োদশ সৰ্গত পাণ্ডৱসকলে যমুনানদীৰ পাৰৰ পৰা শ্ৰীকৃষ্ণক আদৰি নিয়াৰ উল্লেখ আছে। চতুৰ্দশ সৰ্গত পিতামহ ভীষ্মৰ আজ্ঞামতে যুধিষ্ঠিৰে শ্ৰীকৃষ্ণলৈ যজ্ঞৰ আদ্যপূজা আগবঢ়ায় আৰু তেওঁলৈ প্ৰথম অৰ্ঘ্য প্ৰদান কৰে। পঞ্চদশ সৰ্গত শিশুপালৰ অত্যাচাৰিতা বৰ্ণিত হৈছে। ষোড়শ সৰ্গত দূতৰ মাধ্যমেৰে শিশুপালে ভগৱান শ্ৰীকৃষ্ণক তিৰস্কাৰ কৰাৰ কথা পোৱা যায়। সপ্তদশ সৰ্গত শিশুপালৰ বিপক্ষে কৃষ্ণৰ যুদ্ধযাত্ৰা আৰম্ভ হয়। শেষৰ তিনিটা সৰ্গত শ্ৰীকৃষ্ণ আৰু শিশুপালৰ সৈন্যৰ মাজত হোৱা যুদ্ধৰ বৰ্ণনা তথা শ্ৰীকৃষ্ণৰ সুদৰ্শন চক্ৰৰদ্বাৰা শিশুপালৰ মস্তক হৰণ হোৱাৰ দৃশ্য বৰ্ণিত হৈছে। এনেদৰে মাঘ ৰচিত "শিশুপালবধম্" মহাকাব্যৰ সমাপ্তি ঘটিছে।

> ***বৈতালিক***ঃ স্তুতি গায়ক।

৪.৫.৪ নৈষধচৰিতম্

"শিশুপাল বধ" মহাকাব্যৰ পিছত আপুনি এতিয়া "নৈষধচৰিতম্" মহাকাব্যৰ বিষয়ে জানিব। মহাকবি শ্ৰীহৰ্ষ ৰচিত "নৈষধ চৰিতম্" মহাকাব্যখন মহাভাৰতৰ বনপৰ্বৰ নল-দময়ন্তী আখ্যানৰ আধাৰত ৰচিত হৈছে। মহাকাব্যখন বাইশটা সৰ্গত (২২) বিভক্ত। নিষাদ দেশৰ ৰজা নল আৰু বিদৰ্ভৰ ৰজা ভীমৰ জীয়ৰী দময়ন্তীৰ প্ৰেম-কাহিনীয়েই কাব্যৰ প্ৰধান বিষয়-বস্তু। মহাকাব্যখনৰ প্ৰথম সৰ্গত ৰজা নলৰ মৃগয়া বৰ্ণন, দ্বিতীয় সৰ্গত হংসৰদ্বাৰা দময়ন্তীৰ সৌন্দৰ্য্য বৰ্ণন তথা নলৰদ্বাৰা হংসক কুণ্ডিনপুৰীলৈ প্ৰেৰণ কৰাৰ বৰ্ণনা, তৃতীয় সৰ্গত দময়ন্তীৰ

আগত হংসৰদ্বাৰা নলৰ পুৰুষত্ব আৰু সৌন্দর্য্যৰ বর্ণনা, চতুর্থ সর্গত নলৰ দ্বাৰা দময়ন্তীৰ প্রতি থকা অনুৰাগৰ বর্ণনা, পঞ্চম সর্গত দময়ন্তীৰ সয়ম্বৰৰ আয়োজন আৰু ইন্দ্র, বৰুণ, অগ্নি তথা যমৰ দ্বাৰা ৰজা নলক অদৃশ্য ভাৱে দূত হিচাপে দময়ন্তীৰ অন্তঃপুৰলৈ পঠোৱাৰ বর্ণনা, ষষ্ঠ সর্গৰ পৰা নৱম সর্গলৈ নলৰদ্বাৰা দময়ন্তীৰ সন্মুখত চাৰিদেৱতাৰ (ইন্দ্র, বৰুণ, অগ্নি, যম) বাণী নিবেদন, দময়ন্তীৰ নলৰ প্রতি সদ্‌ভাৱ প্রদর্শন, দময়ন্তীৰ কান্দোন আৰু শেষত নলৰ দ্বাৰা দময়ন্তীৰ আগত আত্ম প্রকাশ, দশম সর্গত দময়ন্তীৰ স্বয়ম্বৰৰ বর্ণনা, দময়ন্তীৰ প্রসাধন আৰু সৌন্দর্য্যৰ সুন্দৰ বর্ণনা, একাদশ তথা দ্বাদশ সর্গত দময়ন্তীৰ সয়ম্বৰলৈ অহা ৰজাসকলৰ সুন্দৰ বর্ণনা, ত্রয়োদশ সর্গত স্বয়ম্বৰলৈ নলৰ ৰূপ ধাৰণ কৰি অহা চাৰিওদেৱতা আৰু নলৰ (সৰস্বতীৰ দ্বাৰা) বর্ণনা, চতুর্দশ সর্গত দময়ন্তীৰ নলৰ প্রতি থকা প্রেম দেখি চাৰি দেৱতাৰ প্রকৃত স্বৰূপ ধাৰণ আৰু প্রকৃত নলক দময়ন্তীৰ পতিৰূপে বৰণ, পঞ্চদশ সর্গত দৰা-কইনাৰ (নল-দময়ন্তীৰ) প্রসাধনৰ বর্ণনা, ষষ্ঠদশ সর্গত নল-দময়ন্তীৰ বিবাহ আৰু বিবাহকালীন ভোজৰ বর্ণনা।

সপ্তদশ সর্গত স্বর্গৰপৰা ঘূৰি অহা দেৱতাসকলৰ লগত কলিৰ কথোপকথন, অষ্টাদশ সর্গত নল-দময়ন্তীৰ প্রথম মিলনৰ সুন্দৰ বর্ণনা, তথা শেষৰ চাৰিটা সর্গত নল-দময়ন্তীৰ দৈনন্দিন ব্যৱহাৰিক জীৱন, দাম্পত্য প্রেম আদিৰ সুন্দৰ বর্ণনাৰে কাব্যখনৰ সমাপ্তি ঘটিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ঃ ভট্টিকাব্যৰ অন্য এটা নাম কি?

.....

প্রশ্ন নং ১৩ঃ শিশুপালবধ মহাকাব্যত কেইটা সর্গ আছে।

.....

প্রশ্ন নং ১৪ঃ 'কিৰাতার্জুনীয়ম্' মহাকাব্যখন ..... সর্গত বিভক্ত।
(খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ১৫ঃ 'নৈষধচৰিতম্' মহাকাব্যৰ কাহিনীভাগ কৰ পৰা লোৱা হৈছে?

.....

প্রশ্ন নং ১৬ঃ শিশুপালক কোনে বধ কৰিছিল?

.....

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রাক্-কালিদাসৰ যুগৰ কবি অশ্বঘোষে বুদ্ধ চৰিত তথা সৌন্দৰানন্দ কাব্যৰ ৰচনা কৰিছিল।
- অশ্বঘোষৰ পিচৰ যুগৰ মহাকবি কালিদাসে কুমাৰ সম্ভৱম্ আৰু ৰঘুবংশম্ মহাকাব্য ৰচনা কৰিছিল।
- কালিদাসৰ সমসাময়িক মহাকবি, যেনে - প্রবৰসেনে সেতুবন্ধ আৰু কুমাৰ দাসে জানকী হৰণ মহাকাব্য ৰচনা কৰিছিল।
- কালিদাসৰ পিচৰ যুগত চাৰিখন মহাকাব্যৰ ৰচনা হৈছিল। যেনে- ভাৰবিৰ "কিৰাতার্জুনীয়ম্, ভট্টিৰ "ৰাৱণবধ", মাঘৰ "শিশুপালবধ" আৰু শ্রীহর্ষৰ "নৈষধ চৰিত" মহাকাব্য।

৪.৭ অধিক জানিবলৈ

১) শর্মা, ড° থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী, চন্দ্ৰ প্ৰকাশ।

২) গোস্বামী, হৰমোহন দেৱ, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*, পাণবজাৰ, গুৱাহাটী, বুকলেণ্ড।

৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰঃ পদ্য কাব্য তিনিভাগত বিভক্ত।

২নং প্ৰশ্নৰ উত্তৰঃ ১। বুদ্ধচৰিত আৰু ২। সৌন্দৰানন্দ।

৩নং প্ৰশ্নৰ উত্তৰঃ অযোধ্যা নিবাসী আছিল।

৪নং প্ৰশ্নৰ উত্তৰঃ ২৮ টা সৰ্গত বিভক্ত।

৫নং প্ৰশ্নৰ উত্তৰঃ ১৮ টা সৰ্গত বিভক্ত।

৬নং প্ৰশ্নৰ উত্তৰঃ কালিদাস আৰু ২২ টা সৰ্গত বিভক্ত।

৭নং প্ৰশ্নৰ উত্তৰঃ ঊনৈশটা (১৯) সৰ্গ আছে আৰু ঊনত্ৰিশজন (২৯) ৰজাৰ বৰ্ণনা আছে।

৮নং প্ৰশ্নৰ উত্তৰঃ প্ৰৱৰসেনে ৰচনা কৰিছিল আৰু ১৫ টা সৰ্গত বিভক্ত।

৯নং প্ৰশ্নৰ উত্তৰঃ জানকীহৰণ আৰু ২৫ টা সৰ্গত বিভক্ত।

১০নং প্ৰশ্নৰ উত্তৰঃ ৰামায়ণৰ পৰা।

১১নং প্ৰশ্নৰ উত্তৰঃ ৰঘু।

১২নং প্ৰশ্নৰ উত্তৰঃ ৰাৱণবধ।

১৩নং প্ৰশ্নৰ উত্তৰঃ ২০ টা সৰ্গত।

১৪নং প্ৰশ্নৰ উত্তৰঃ ১৮ টা সৰ্গত।

১৫নং প্ৰশ্নৰ উত্তৰঃ মহাভাৰতৰ বন পৰ্বৰ পৰা।

১৬নং প্ৰশ্নৰ উত্তৰঃ ভগৱান শ্ৰীকৃষ্ণই।

৪.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ অশ্বঘোষ ৰচিত কাব্য দুখনৰ চমু পৰিচয় দাঙি ধৰক।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ কালিদাস ৰচিত মহাকাব্যসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ কালিদাসৰ পিচৰ যুগৰ কবিসমূহৰ নাম লিখক আৰু তাৰে ভিতৰত অন্তত দুজন মহাকবিৰ মহাকাব্যৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ কালিদাসৰ সমসাময়িক মহাকবি দুজনৰ নাম লিখক আৰু তেওঁলোকৰ ৰচনাসমূহৰ পৰিচয় দাঙি ধৰক।

*** ***** ***

অধ্যায় ৫ঃ নাটক (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ নাটকৰ উৎপত্তি

৫.৪ নাটকৰ বিকাশ

৫.৪.১ কালিদাসৰ পূৰ্বৰ যুগৰ নাটক

৫.৪.২ কালিদাসৰ যুগৰ নাটক

৫.৪.৩ কালিদাসোত্তৰ যুগৰ নাটক

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সংস্কৃত নাটকৰ উৎপত্তি সম্পৰ্কে জানিব পাৰিব
- সংস্কৃত নাটকৰ বিকাশৰ সৈতে অৱগত হ'ব পাৰিব
- কালিদাসৰ পূৰ্ব যুগ অৰ্থাৎ ভাসৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব
- কালিদাসৰ যুগৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব
- কালিদাসৰ পিচৰ যুগৰ নাটকসমূহৰ লগতো অৱগত হ'ব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপুনি সংস্কৃত নাট্য সাহিত্যৰ লগত পৰিচিত হব পাৰিব। প্ৰথমেই সংস্কৃত নাটকৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিব। তাৰ পিচত সংস্কৃত নাটকৰ বিকাশৰ ধাৰাৰ লগত অৱগত হ'ব। নাটকৰ বিকাশৰ ধাৰা বুলিলে কালিদাসৰ পূৰ্বযুগ অৰ্থাৎ ভাসৰ নাটকসমূহৰ লগত পৰিচিত হব পাৰিব। ইয়াৰ পিচত কালিদাসৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব আৰু সৰ্বশেষত কালিদাসৰ পিচৰ যুগৰ নাট্যকাৰসকলৰ নাট্যকৃতিৰ সৈতেও পৰিচিত হ'ব পাৰিব।

৫.৩ নাটকৰ উৎপত্তি

এতিয়া প্ৰথমেই আপুনি নাটকৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিব । সংস্কৃত নাটকৰ উৎপত্তি বিষয়ে বিভিন্ন পণ্ডিতে বিভিন্ন মত পোষণ কৰিছে। পাশ্চাত্য পণ্ডিতসকলে ভাৰতীয় নাট্যকলাৰ উৎপত্তি বৈদিক যুগ বুলি মন্তব্য

কৰে। ভাৰতীয় পৰম্পৰা মতে এসময়ত দেৱগণৰ মনোৰঞ্জনৰ বাবে ব্ৰহ্মাই এক অভিনৱ নাট্যবেদৰ সৃষ্টি কৰে। ব্ৰহ্মাই নাট্যবেদ সৃষ্টি কৰাৰ সময়ত তেওঁক বিভিন্নজন দেৱতাই বিভিন্ন ধৰণেৰে সহায় কৰে আৰু স্বয়ং ব্ৰহ্মাইও চাৰিও বেদৰ পৰা ৰস সংগ্ৰহ কৰি "পঞ্চম" বেদ নাট্যৰ সৃষ্টি কৰিলে।

আন এজন পাশ্চাত্য পণ্ডিতৰ মতে মৃত বীৰসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰাৰ উদ্দেশ্যৰে পতা অনুষ্ঠানত অভিনয় কৰা হৈছিল আৰু তাৰ মাধ্যমেৰে নাটকৰ উৎপত্তি হৈছিল।

আকৌ, আন এজন পণ্ডিতৰ মতে প্ৰাকৃতিক পৰিৱৰ্তন মানুহৰ সন্মুখত সজীৱৰূপে দেখুওৱাৰ অভিলাষেৰে নাটকৰ সৃষ্টি হৈছিল। আনহাতে, এজন জাৰ্মান পণ্ডিতৰ মতে পুতলা নাচৰপৰাই সংস্কৃত নাটকৰ উৎপত্তি হৈছিল।

কিছুমান পণ্ডিতৰ মতে নাটকৰ উৎপত্তি স্থল হৈছে ছায়া নাটক। কিন্তু এই মত সমীচীন নহয়। কাৰণ ছায়া নাটক, পুতলা নাচ আদি প্ৰকৃত নাটক, অভিনয়ৰ পূৰ্বে উৎপত্তি হোৱাটো সম্ভৱ নহয়। অৰ্থাৎ নাটক অবিহনে ছায়া নাটকৰ কথা ভাবিবই নোৱাৰি।

পশ্চিমীয়া দেশবোৰত মে' মাহত বৰ ধুমধামেৰে নৃত্য গীতৰ মাধ্যমেৰে মে'পোল উৎসৱ পালন কৰে। সেয়েহে কিছুমান পাশ্চাত্য পণ্ডিতে মত পোষণ কৰে যে 'মে'পোল' নামৰ লোকনৃত্যৰ পৰাই নাটকৰ উৎপত্তি হৈছে। এটি আখ্যান মতে ভাৰতৰ ইন্দ্ৰধ্বজ উৎসৱৰ সৈতে মে'পোল (Maypole) উৎসৱৰ মিল আছে বুলি কোৱা হয়। কিন্তু প্ৰকৃততে এনে ধৰণৰ ভুল সাদৃশ্যৰ ওপৰত ভিত্তি কৰি সংস্কৃত নাটকৰ উৎপত্তি হোৱা বুলি কব নোৱাৰি।

আন এটা মতবাদ মতে কৃষ্ণলীলাক কেন্দ্ৰ কৰি সংস্কৃত নাটকৰ উৎপত্তি হৈছিল।

এজন জাৰ্মান পণ্ডিতৰ মতে সংস্কৃত নাটকত গ্ৰীকৰ প্ৰভাৱ আছে। সংস্কৃত নাটকত ব্যৱহাৰ হোৱা "যৱনী" আৰু "যৱনিকা" শব্দ দুটাৰপৰা ভাৰতীয় সংস্কৃত নাট্য-সাহিত্যত গ্ৰীকৰ প্ৰভাৱ পৰা বুলি ধাৰণা কৰা হয়। ৰংগমঞ্চ আৰু প্ৰসাধন কক্ষৰ মাজত আঁৰা কাপোৰখনৰ নামেই হৈছে "যৱনিকা"। গ্ৰীক নাটকৰ অভিনয়ৰ সময়ত মঞ্চৰ পিছৰ পিনে কোনো আঁৰ-কাপোৰ ব্যৱহাৰ নহয়। ইয়াৰ পৰাই প্ৰমাণিত হয় যে গ্ৰীক নাটকৰ প্ৰভাৱ ভাৰতীয় নাটকত দেখা নাযায়।

আচলতে দেখা যায় যে ভাৰতীয় সাহিত্যৰ মাজতেই সংস্কৃত নাটকৰ জন্ম হৈছিল। বৈদিক সাহিত্য আৰু ক্ৰিয়াকাণ্ডত নাটকৰ বীজ নিহিত হৈ আছিল আৰু পিচৰ কালত প্ৰতিভাসম্পন্ন নাট্যকাৰৰ প্ৰভাৱত ভাৰতীয় নাটক সমৃদ্ধ হৈছিল।

৫.৪ নাটকৰ বিকাশ

সংস্কৃত নাটকৰ বিকাশৰ ধাৰাক তিনিটা ভাগত ভগাব পাৰি । কালিদাসৰ পূৰ্বযুগ । কালিদাসৰ যুগ আৰু কালিদাসোত্তৰ যুগ। এতিয়া প্ৰথমেই আপুনি কালিদাসৰ পূৰ্বযুগৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব।

৫.৪.১ কালিদাসৰ পূৰ্বযুগৰ নাটক

কালিদাসৰ পূৰ্বযুগৰ নাটক বুলিলে ভাস ৰচিত নাটকসমুহকে বুজা যায়। ভাসে সৰ্বমুঠ তেৰখন নাটক ৰচনা কৰিছিল। সেই সমূহৰ নাম হ'ল ১) মধ্যমব্যায়োগ ২) পঞ্চৰাত্ৰ ৩) দূতবাক্য ৪) দূতঘটোৎকচ ৫) কৰ্ণভাৰ ৬) উৰুভংগ ৭) প্ৰতিমা ৮) অভিষেক ৯) বালচৰিত ১০) প্ৰতিজ্ঞাযৌগন্ধৰায়ণ ১১) স্বপ্নবাসবদত্তা ১২) অবিমাৰক আৰু ১৩) চাৰুদত্ত।

এই নাটকসমূহৰ প্ৰথম ছয়খন মহাভাৰতৰ আধাৰত ৰচিত। 'প্ৰতিমা' আৰু 'অভিষেক ' ৰামায়ণৰ আধাৰত

ৰচিত। বালচৰিতৰ মূল আধাৰ 'হৰিবংশ'। 'প্ৰতিজ্ঞা যৌগন্ধৰায়ণ' আৰু 'স্বপ্নবাসবদত্তা' বৃহৎ কথাৰ আধাৰত ৰচিত। 'অবিমাৰক' আৰু 'চাৰুদত্ত'ৰ বিষয়বস্তুৰ আধাৰ গ্ৰন্থ এতিয়ালৈ গম পোৱা নাযায়। ভাসৰ দ্বাৰা ৰচিত উক্ত নাটকসমূহৰ বিষয়ে জনসমাজ বহুদিনলৈ জ্ঞাত নাছিল। কিন্তু ১৯০৯ চনত মহামহোপাধ্যায় গণপতি শাস্ত্ৰীয়ে বৰ্ত্তমানৰ কেৰালা ৰাজ্যৰ ত্ৰিবান্দ্ৰম নামৰ ঠাইত এই নাটকসমূহৰ ৩০০ বছৰ পুৰণি পাণ্ডুলিপি উদ্ধাৰ কৰে। গ্ৰন্থসমূহৰ সমালোচনাত্মক পৰীক্ষা কৰি তথা নাটক কেইখনৰ বহুতো সাদৃশ্য দেখি শাস্ত্ৰী মহোদয়ে এই সিদ্ধান্তত উপনীত হয় যে এই তেৰখন গ্ৰন্থৰ ৰচক একেজনেই আৰু ৰচকজন হৈছে মহাকবি ভাস। পণ্ডিতসমাজে বিভিন্ন যুক্তিৰ আধাৰত ভাসৰ সময়ৰ উচ্চতম সীমা খৃঃ পূঃ ৪৫০ আৰু নূন্যতম সীমা খৃঃ পূঃ ৩৭০ চন বুলি ধাৰণা কৰে।

১) **মধ্যমব্যায়োগ ঃ** এতিয়া আপোনাক ভাস ৰচিত নাটকসমূহৰ বিষয়বস্তুৰ লগত অৱগত কৰাব বিচাৰিছো। প্ৰথমেই মহাভাৰতৰ আধাৰত ৰচিত এক অংকৰ "মধ্যমব্যায়োগ" নামৰ নাটকৰ বিষয়বস্তুলৈ আহিছো। নাটকত হিড়িম্বা পুত্ৰ ঘটোৎকচে মাকৰ আদেশ মতে ভোজনৰ বাবে এজন ব্ৰাহ্মণ সন্তানক বধ কৰিবলৈ উদ্যত হোৱা সময়তে দৈৱক্ৰমে মধ্যম পাণ্ডৱ ভীমৰে সৈতে ভেটা-ভেটি হয়। দুয়োৰে মাজত (ভীম আৰু ঘটোৎকচ) তুমুল যুদ্ধ হয় আৰু শেষত দুয়ো হিড়িম্বাৰ ওচৰ পায়। মাকে (হিড়িম্বাই) পিতা-পুত্ৰক (ভীম আৰু ঘটোৎকচক) পৰিচয় কৰি দিয়ে আৰু ফলত ব্ৰাহ্মণ সন্তানজন আসন্ন মৃত্যুৰ মুখৰপৰা ৰক্ষা পৰে। আচলতে ব্ৰাহ্মণ সন্তান হৰণৰ মাধ্যমেৰে হিড়িম্বা আৰু ভীমৰ মিলনেই হৈছে এই নাটকৰ মূল বিষয়বস্তু।

২) **পঞ্চৰাত্ৰ ঃ** মহাভাৰতৰ বিৰাটপৰ্বৰ ঘটনাক আশ্ৰয় কৰি "পঞ্চৰাত্ৰ" নামৰ নাটকখন ৰচিত হৈছে। ঘটনা অনুসৰি দুৰ্যোধনে যজ্ঞ এটি সমাপন কৰি দ্ৰোণাচাৰ্য্যক দক্ষিণা দিবলৈ ইচ্ছা প্ৰকাশ কৰে। দ্ৰোণে এই সুযোগতে দক্ষিণা স্বৰূপে পাণ্ডৱসকলক আধা ৰাজ্য ঘূৰাই দিয়াৰ প্ৰস্তাৱ কৰে। পাঁচ ৰাতিৰ ভিতৰতে পাণ্ডৱসকলক বিচাৰি দিব পাৰিলে দুৰ্যোধনে দ্ৰোণৰ প্ৰস্তাৱ কাৰ্য্যত ৰূপায়িত কৰিব বুলি মান্তি হয়। দ্ৰোণই বহু যত্ন কৰি বিৰাট নগৰত পাণ্ডৱসকলৰ অনুসন্ধান পালে আৰু চৰ্ত অনুসৰি ৰাজ্যৰ আধা অংশ দান কৰে। এনেদৰে তিনিটা অংকত বিভক্ত "পঞ্চৰাত্ৰ" নাটকৰ অন্ত পৰে।

৩) **দূতবাক্য ঃ** মহাভাৰতৰ আধাৰত ৰচিত "দূতবাক্য" নাটকখন এটা অংকত ৰচিত। এই খনক ভাসৰ দ্বাৰা ৰচিত প্ৰথম নাটক বুলি কোৱা হয়। ঘটনাৰ বিষয়বস্তু অনুসৰি পঞ্চপাণ্ডৱে সন্ধিৰ প্ৰস্তাৱ আগবঢ়াই শ্ৰীকৃষ্ণক দূত হিচাপে কৌৰৱৰ ওচৰলৈ পঠায়। কৌৰৱৰ ৰাজসভাত শ্ৰীকৃষ্ণ আৰু দুৰ্যোধনৰ মাজত তৰ্ক-বিতৰ্ক হয় আৰু দুৰ্যোধনে শ্ৰীকৃষ্ণক বন্দী কৰিবলৈ চেষ্টা কৰাত তেওঁ বিশ্বৰূপ ধাৰণ কৰে। তেতিয়া ধৃতৰাষ্ট্ৰই শ্ৰীকৃষ্ণক স্তুতি কৰি শান্ত কৰিবলৈ সক্ষম হয়। এনেদৰে শান্তিৰ প্ৰস্তাৱ সফল নোহোৱাত শ্ৰীকৃষ্ণ পাণ্ডৱ শিৰিৰকৈ উভতি যায়।

৪) **দূতঘটোৎকচ ঃ** মহাভাৰতৰ কাহিনীৰ আধাৰত ৰচিত আন এখন নাটক হৈছে "দূতঘটোৎকচ"। নাটকখনৰ বিষয়বস্তু অনুসৰি জয়দ্ৰথকে আদি কৰি সাতগৰাকী বীৰে অৰ্জুন পুত্ৰ অভিমন্যুক অন্যায়ভাৱে বধ কৰাত তাৰ প্ৰতিশোধৰূপে অৰ্জুনে জয়দ্ৰথক বধ কৰিবলৈ প্ৰতিজ্ঞা কৰে। তেতিয়া শ্ৰীকৃষ্ণই হিড়িম্বাৰ পুত্ৰ ঘটোৎকচক কৌৰৱসকলৰ অগন্তুক বিপদৰ কথা জনাবলৈ দূত হিচাপে কৌৰৱৰ ৰাজসভালৈ পঠায়। দুতেৰে সৈতে কৌৰৱসকলৰ বাদানুবাদ হয় আৰু ঘটোৎকচে শ্ৰীকৃষ্ণৰ বাণী সকলোকে শুনাই প্ৰত্যাবৰ্তন কৰে।

৫) **কৰ্ণভাৰ ঃ** মহাভাৰতৰ কাহিনীৰ আধাৰত ৰচিত 'কৰ্ণভাৰম্' নামৰ নাটকখন এটা অংকত ৰচিত। এবাৰ কৰ্ণই পৰশুৰামৰ পৰা দিব্য কবচ কুণ্ডল লাভ কৰে। কিন্তু পৰশুৰামে কৰ্ণক সকীয়াই থলে যে যথাসময়ত এই কবচ-কুণ্ডলে কাম নিদিব। অৰ্জুনে যি সময়ত যুদ্ধ কৰিবলৈ কৰ্ণৰ ওচৰ পায়, সেই সময়ত ইন্দ্ৰই ব্ৰাহ্মণৰ ৰূপ ধাৰণ কৰি কবচ কুণ্ডল কৰ্ণৰ পৰা দান স্বৰূপে খুজিলে। কৰ্ণইও নিজৰ সৰ্বনাশ মাতি কবচ-

কুণ্ডল ব্ৰাহ্মণৰূপী ইন্দ্ৰক দান কৰে। পিচতহে কৰ্ণই এজন দেৱদূতৰ পৰা ব্ৰাহ্মণৰূপী ইন্দ্ৰৰ প্ৰকৃত স্বৰূপ গম পায়।

৬) **উৰুভংগ ঃ** "উৰুভংগ" নামৰ নাটকখনত ভীম আৰু দুৰ্যোধনৰ মাজত হোৱা ভয়ংকৰ গদাযুদ্ধৰ বৰ্ণনা পোৱা যায়। গদাযুদ্ধত দুৰ্যোধনৰ উৰুভংগ হৈ মৃত্যু ঘটে। নাটকত দুৰ্য্যোধনৰ পুত্ৰ আৰু পত্নীৰ বিলাপৰ বৰ্ণনা আছে।

৭) **প্ৰতিমা ঃ** ভাসৰচিত "প্ৰতিমা" নাটকখন ৰামায়ণৰ কাহিনীৰ আধাৰত ৰচিত। ই সাতটা অংকত বিভক্ত। নাটকখনত ৰামৰ বনবাসৰপৰা আৰম্ভ কৰি ৰাৱণবধলৈকে ঘটনা প্ৰৱাহৰ বিৱৰণ আছে। নাটকখনৰ তৃতীয় অংকত ভৰতে মোমায়েকৰ ঘৰৰপৰা অযোধ্যা লৈ উভটি আহোঁতে অযোধ্যাৰ প্ৰতিমা মন্দিৰত পৰলোকগত পূৰ্ব-পুৰুষসকলৰ সৈতে পিতৃ দশৰথৰ প্ৰতিমাও দেখিবলৈ পায়। প্ৰতিমাৰ জৰিয়তে পিতৃ দশৰথৰ বিয়োগৰ কথা জনা বাবে নাটকখনৰ নাম "প্ৰতিমা" হয়। নাটকখনত ৰাৱণৰ সীতাহৰণ, ৰাৱণৰ অস্ত্ৰাঘাতত জটায়ুৰ মৃত্যু, সীতাক উদ্ধাৰ কৰাৰ বাবে ভৰতৰ ৰামলৈ সৈন্য-সামন্ত প্ৰেৰণ, ৰাম-ৰাৱণৰ যুদ্ধত ৰাৱণবধ, তথা ভৰতৰ দ্বাৰা ৰামৰ হাতত অযোধ্যাৰ ৰাজ্যভাৰ প্ৰদান আদি ঘটনাসমূহ বৰ্ণিত হৈছে।

৮) **অভিষেক ঃ** ছয়টা অংকত বিভক্ত "অভিষেক" নাটকখনো ৰামায়ণৰ আধাৰত ৰচিত। নাটকখনত সীতা হৰণৰ পৰা ৰাৱণবধ তথা ৰামৰ অভিষেকলৈকে কথাবস্তু বৰ্ণিত হৈছে। নাটকখনত বালিবধ, হনুমানৰ লংকাত প্ৰৱেশ কৰি সীতাক সাক্ষাৎ, লংকাত হনুমানক বন্ধন, বিভীষণৰদ্বাৰা ৰাৱণক ৰামেৰে মিত্ৰতা কৰিবলৈ উপদেশ প্ৰদান, বিভীষণৰ ৰামত শৰণ, ৰাম-ৰাৱণৰ যুদ্ধ, ৰাৱণৰ যুদ্ধত মৃত্যু, লংকাত বিভীষণৰ আৰু অযোধ্যাত ৰামৰ অভিষেক আদি বিষয় আলোচিত হৈছে।

৯) **বালচৰিত ঃ** "বালচৰিত" নাটকত শ্ৰীকৃষ্ণৰ জন্মৰ পৰা কংসবধলৈকে সংঘটিত ঘটনাৱলী বৰ্ণিত হৈছে। ইয়াত শ্ৰীকৃষ্ণৰ বাল্যলীলা, কৃষ্ণৰ দ্বাৰা কংসবধ, কংসবধৰ পিচত কংসৰ পিতৃ উগ্ৰসেনৰ পুনৰাভিষেক তথা কৃষ্ণৰ গুনানুকীৰ্তনেৰে নাটকখনৰ সমাপ্তি ঘটিছে।

১০) **প্ৰতিজ্ঞাযৌগন্ধৰায়ণ ঃ** "প্ৰতিজ্ঞা যৌগন্ধৰায়ণ" নাটকত বৎসৰাজ উদয়ন আৰু অৱন্তীকুমাৰী বাসৱদত্তাৰ প্ৰণয় কাহিনী বৰ্ণিত হৈছে। নাটকৰ বিষয়বস্তু অনুসৰি উদয়ন হ'ল এজন সুসংগীতজ্ঞ আৰু তেওঁ বাসবদত্তাক সংগীত শিক্ষা প্ৰদান কৰে। এনেদৰে দুয়োজনাৰ মাজত প্ৰেমাভাব গঢ়ি উঠে আৰু এই কাৰ্য্যত দুয়োকে মন্ত্ৰী যৌগন্ধৰায়ণে সহায় কৰে।

১১) **স্বপ্নবাসবদত্তা ঃ** 'স্বপ্নবাসবদত্ত' নাটকখন হৈছে ভাসৰ সৰ্বোৎকৃষ্ট নাটক। এইখন নাটকৰ বিষয়বস্তু প্ৰতিজ্ঞাযৌগন্ধৰায়ণ নাটকৰ পৰৱৰ্ত্তী ঘটনাৰ ওপৰত আধাৰিত। ৰজা উদয়ন মহাসেন কন্যা পত্নী বাসবদত্তাৰ প্ৰেমত ইমানেই মতলীয়া হৈ পৰিছিল যে তেওঁ ৰাজ্যৰ কাম-কাজৰ প্ৰতি অমনোযোগী হৈ পৰে। ফলত তেওঁৰ ৰাজ্যৰ বহু অংশ আন শত্ৰু ৰজাৰ কবলত পৰে। তেতিয়া মহামন্ত্ৰী যৌগন্ধৰায়ণে হৃতৰাজ্য উদ্ধাৰৰ বাবে মগধৰাজ দৰ্শকৰ ভনীয়েক পদ্মাৱতীৰ সৈতে উদয়নৰ বিবাহ পাতি মগধৰ সৈন্যদলৰ সহায়ত উদয়নৰ হেৰোৱা ৰাজ্য উদ্ধাৰৰ বাবে যোজনা চলায়। এই কাৰ্য্যৰ বাবে যৌগন্ধৰায়ণে ৰাণী বাসবদত্তাক নিজৰ বিশ্বাসত লৈ দুয়োজনেই (যৌগন্ধৰায়ণ আৰু বাসবদত্তা) লাবানকত অগ্নিদগ্ধ হৈ মৃত্যুৰ মুখত পৰা বুলি উৰাবাতৰি প্ৰচাৰ কৰে। আনহাতে পৰিব্ৰাজকৰ বেশত যৌগন্ধৰায়ণে পদ্মাৱতীৰ ওচৰলৈ গৈ নিজৰ ভগ্নী বুলি পৰিচয় দি আবন্তিকাবেশিনী বাসবদত্তাক ন্যাসৰূপে কিছুদিনৰ বাবে ৰাখিবলৈ পদ্মাৱতীক সন্মত কৰায়। ৰজা উদয়নৰ পদ্মাৱতীৰ লগত বিবাহৰ যো-যা চলে যদিও তেওঁ বাসবদত্তাৰ বিৰহত কাতৰ হৈ থাকে আৰু সেই কথা বাসদত্তা আৰু পদ্মাবতীয়েও গম পায়। এদিনাখন গধূলি ৰজা উদয়ন সমুদ্ৰ গৃহৰ শয্যাত বিশ্ৰাম কৰি থাকোতে বাসবদত্তাই পদ্মাৱতীক বিচাৰি সেই ঠাই গৈ পায়। বাসবদত্তাই উদয়নক পদ্মাৱতী বুলি

ভাবি তেওঁৰ শয্যাৰ ওচৰত শুই দিয়ে। সেই সময়তে ৰজাই সপোনত বাসবদত্তাক দেখি মাতে আৰু বাসবদত্তাইও ৰজাক সহাৰি জনায় স্পর্শ কৰি তাৰ পৰা ওলাই যায়। ৰজাই সাৰ পাই বাসবদত্তাক বিচাৰে যদিও বসন্তকে তালৈ আহি ৰজাৰ ভ্রম দূৰ কৰিবলৈ চেষ্টা কৰে। ইফালে উদয়নৰ ৰাজ্য উদ্ধাৰ হয় আৰু ঘটনাৰ সকলো ৰহস্য দূৰ হয়। ফলত ৰজা আৰু বাসবদত্তাৰ পুনর্মিলন হয়। এয়াই হৈছে স্বপ্নবাসবদত্তম্ নাটকৰ মূল বিষয়বস্তু।

১২) **অবিমাৰক ঃ** ভাসৰ 'অৱিমাৰক' নাটক লোককথাৰ আধাৰত ৰচিত। নাটকত মহাৰাজ কুন্তিভোজৰ কন্যা কুৰংগী আৰু মহাৰাজ সৌবীৰৰ ৰাজকুমাৰ অৱিমাৰকৰ প্রণয়কাহিনী বর্ণিত হৈছে। সৌবীৰ ৰজাই শাপভ্রষ্ট হৈ সপৰিবাৰে কুন্তীভোজৰ ৰাজ্যত আত্মগোপন কৰি থাকোঁতেই 'অবিমাৰক' নাটকৰ কথাবস্তু আৰম্ভ হয়। নায়ক অবিমাৰকে এটা হাতীৰ কবলৰপৰা নায়িকা কুৰংগীক ৰক্ষা কৰে আৰু দুয়োজনৰে পাৰস্পৰিক প্রেমৰ সূচনা হয়। এবাৰ অবিমাৰকে কুন্তিভোজৰ হাতত ধৰা পৰিলত ৰজাই তেওঁক প্রাণদণ্ডৰ আদেশ দিয়ে। সেই সময়তে নাৰদে উপস্থিত হৈ ৰজাক সকলো কথা ভালদৰে বুজাই দিয়াত নাৰদৰ কথা অনুসৰি নাটকৰ নায়ক আৰু নায়িকাৰ বিবাহ সম্পন্ন হয়।

১৩) **চাৰুদত্ত ঃ** 'চাৰুদত্ত' নাটকখন ভাসৰ অন্তিম ৰচনা বুলি কোৱা হয়। উজ্জয়িনীৰ ব্রাহ্মণ চাৰুদত্ত আৰু গণিকা বসন্তসেনাৰ প্রকৃত প্রেম কাহিনীয়েই এই নাটকৰ বিষয়বস্তু। বসন্তসেনাৰ শকাৰ নামৰ আন এজন প্রেমিক আছিল কিন্তু বসন্তসেনাই তেওঁৰ প্রতি অলপো আসক্ত নাছিল। দৰিদ্র ব্রাহ্মণ চাৰুদত্তৰ লগত বসন্তসেনাৰ প্রেম বৰ সুন্দৰভাৱে নাটকখনত দেখুৱা হৈছে। কোৱা হয় এই নাটকখন সম্পূর্ণ কৰাৰ আগতেই নাট্যকাৰ ভাসৰ পৰলোক প্রাপ্তি হয়।

জানি থোৱা ভাল

সংস্কৃত নাটকৰ কিছুমান সুকীয়া বৈশিষ্ট্য দেখা যায়। সংস্কৃত নাটকত নান্দী প্রভৃতি বিধানে নাটকৰ সফল পৰিসমাপ্তিত অৱিহনা যোগায়। একেদৰে, নাটকৰ শেষত ভৰতবাক্যৰ জৰিয়তে অভিনেতা আদিৰ কল্যাণ কামনা কৰা হয়। নাটকত থকা উত্তম, মধ্যম আৰু নিম্ন চৰিত্রসমূহৰ মুখত বিভিন্ন ভাষা আৰোপ কৰা হয়। ৰজা, মন্ত্রী, দেৱতা আদিয়ে সংস্কৃততে আৰু স্ত্রী, শূদ্রাদি জাতিয়ে প্রাকৃততে কথোপকথন কৰে। সংস্কৃত নাটকৰ আন এক বৈশিষ্ট্য হৈছে ইয়াত যুদ্ধ-বিগ্রহ, শয়ন, ভোজন, দন্তচ্ছেদ, নখচ্ছেদ আদি কার্য্য দেখুৱা নিষেধ। নাটকত বীৰ বা শৃংগাৰ প্রধান ৰস হিচাবে থাকিব আৰু বাকীবোৰ ৰস অপ্রধান ৰূপে নাটকত বিৰাজমান থাকিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ সংস্কৃত নাটকৰ বিকাশৰ ধাৰাক কেইটা ভাগত ভগাব পাৰি?

.....

প্রশ্ন নং ২ঃ ভাসে সর্বমুঠ ..... ৰচনা কৰিছিল। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন নং ৩ঃ ভাসৰ সর্বোৎকৃষ্ট নাটক কোনখন?

(ক) অভিষেক (খ) দূতকাব্য (গ) স্বপ্নবাসবদত্তম্ (শুদ্ধ উত্তৰটো লিখক)

.....

প্ৰশ্ন নং ৪ঃ 'অভিষেক' নাটকৰ আধাৰ গ্ৰন্থ কি?

.....

প্ৰশ্ন নং ৫ঃ 'দূতবাক্য' নাটকখনৰ উৎস কি?

.....

৫.৪.২ কালিদাসৰ যুগৰ নাটক

আপুনি কালিদাসৰ আগৰ যুগৰ নাট্যকাৰ ভাসৰ নাটকসমূহৰ লগত পৰিচিত হ'ল। এতিয়া ভাসৰ পিচৰ যুগৰ মহান নাট্যকাৰ কালিদাসৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিব। কালিদাস হৈছে সৰ্বকালৰ শ্ৰেষ্ঠ নাট্যকাৰ তথা কবি। কালিদাসে তিনিখন নাটক ৰচনা কৰিছিল। সেইসমূহ হৈছে - ১। মালবিকাগ্নিমিত্ৰম্, ২। বিক্ৰমোৰ্বশীয়ম্ আৰু ৩। অভিজ্ঞান শকুন্তলম্। পণ্ডিতসমাজে কালিদাসৰ "মালবিকাগ্নিমিত্ৰম্" নাটকখনকেই তেওঁৰ প্ৰথম ৰচনা বুলি মানি লয়। আকৌ এইজনা নাট্যকাৰৰ 'অভিজ্ঞানশকুন্তলম্' নাটকখনক সৰ্বাত্মকভাৱে শ্ৰেষ্ঠ ৰচনা বুলি গণ্য কৰে।

'মালবিকাগ্নিমিত্ৰম্' নাটকখন পাচঁটা অংকৰ সমষ্ঠি। নাটকখনৰ নায়ক অগ্নিমিত্ৰ আৰু নায়িকা মালবিকা। অগ্নিমিত্ৰ আছিল মৌৰ্য্যৰজা বৃহদ্ৰথৰ সেনাপতি পুষ্যমিত্ৰৰ পুত্ৰ। অগ্নিমিত্ৰ আৰু মালবিকাৰ প্ৰেমকাহিনী হৈছে এইখন নাটকৰ বিষয়বস্তু। মালবিকা আৰু অগ্নিমিত্ৰৰ বিবাহ সম্পন্ন হোৱাৰ লগে লগে নাটকৰ শুভ সমাপ্তি ঘটে।

'বিক্ৰমোৰ্ৱশীয়ম্' হৈছে কালিদাসৰ দ্বাৰা ৰচিত দ্বিতীয়খন নাটক। এইখন নাটকতো পাঁচটা অংক আছে। নাটকৰ নায়ক হৈছে পুৰুৰবা আৰু নায়িকা উৰ্বশী। চন্দ্ৰবংশীয় ৰজা পুৰুৰবা আৰু উৰ্বশীৰ প্ৰেম কাহিনীয়েই কালিদাসৰ এইখন নাটকৰ প্ৰধান বিষয়বস্তু।

"অভিজ্ঞানশকুন্তলম্" হৈছে কালিদাসৰ শ্ৰেষ্ট আৰু অন্তিম নাটক। নাটকখন সাতটা অংকত বিভক্ত। নাটকৰ নায়িকা হৈছে শকুন্তলা আৰু নায়ক ৰজা দুষ্যন্ত। দুয়োজনাৰ প্ৰেমকাহিনীয়েই হৈছে নাটকৰ বিষয়বস্তু। নাটকৰ কাহিনীভাগ মহাভাৰতৰ আদিপৰ্বৰ পৰা লোৱা হৈছে। নাটকৰ প্ৰথম অংকত মৃগয়াৰ্থী ৰজা দুষ্যন্তই কণ্ব মুনিৰ আশ্ৰমত প্ৰবেশ কৰি কণ্বমুনিৰ অনুপস্থিতিত দুগৰাকী সমবয়সীয়া কিশোৰীৰ সৈতে অপৰূপা শকুন্তলাক দৰ্শন কৰে। তাৰ পিচত ৰজাই দ্বিতীয় অংকত ঋষিসকলৰ আমন্ত্ৰণক্ৰমে সাৰথিৰ সৈতে আশ্ৰমতে যজ্ঞ ৰক্ষাৰ্থে থাকে। তৃতীয় অংকত শকুন্তলাৰ ৰজা দুষ্যন্তৰ প্ৰতি থকা প্ৰেমাসক্তিৰ উল্লেখ পোৱা যায়। ৰজা দুষ্যন্ত আৰু শকুন্তলাৰ প্ৰেম প্ৰণয়ৰ অগ্ৰগতিত শকুন্তলাৰ দুই সখী প্ৰিয়ম্বদা আৰু অনসূয়াই যথেষ্ট অৰিহণা যোগায়। ৰজাই শকুন্তলাৰ ওচৰত গন্ধৰ্ববিবাহৰ প্ৰস্তাৱ আগবঢ়ায়। চতুৰ্থ অংকত ৰজাই শকুন্তলাক আশ্ৰমতে এৰি নিজ ৰাজ্যলৈ প্ৰত্যাবৰ্তন কৰে। লগতে তেওঁ শকুন্তলাকো সোনকালে নিজ ৰাজধানীলৈ লৈ যোৱাৰ প্ৰতিশ্ৰুতি দি থৈ যায়। ইফালে দুষ্যন্তৰ প্ৰেমত নিমগ্ন শকুন্তলাই দুৰ্বাসাৰ (আশ্ৰমত) উপস্থিতি গম নাপায়। দুৰ্বাসাই শকুন্তলাৰ পৰা আতিথ্য লাভ নকৰি শকুন্তলাক অভিশাপ দিয়ে যে শকুন্তলাই যাৰ কথা ভাবি তেওঁক সমাদৰ কৰা নাই, সময়ত সেই ব্যক্তিয়েই তেওঁক পাহৰি যাব। ইতিমধ্যে কণ্ব তীৰ্থ ভ্ৰমণৰ পৰা উভতি আহি পালিতা কন্যা শকুন্তলা অন্তঃসত্ত্বা বুলি গম পাই শকুন্তলাক পতি গৃহলৈ পঠিয়াবলৈ আয়োজন কৰে।

পঞ্চম অংকত শকুন্তলা আশ্ৰমবাসীসকলৰ সৈতে ৰজা দুষ্যন্তৰ ৰাজসভাত উপস্থিত হয়। কিন্তু দুৰ্বাসাৰ শাপৰ প্ৰভাৱত পৰি ৰজাই শকুন্তলাৰ কথা মনত পেলাবলৈ অসমৰ্থ হয়। শকুন্তলাই ৰজাৰ নামাঙ্কিত আঙুঠিতো ৰজাক দেখুৱাব খুজি আঙুলিত নেপাই বিব্ৰতা হৈ পৰে।

ষষ্ঠ অংকত ৰজা দুষ্যন্তই মাছমৰীয়া এজনৰ হাতত তেওঁৰ নামাঙ্কিত আঙুঠিটো পাই শকুন্তলাৰ স্মৃতি পুনৰ বোধন কৰিবলৈ সক্ষম হয়। নাটকখনৰ শেষৰ অংকত ৰজা দুষ্যন্তই নিজ পুত্ৰ সৰ্বদমনক নাটকীয়ভাৱে দেখা

পায়। এই অংকতে শকুন্তলা আৰু ৰজা দুষ্যন্তৰ পুনর্মিলন হয় আৰু কাশ্যপ মুনিৰ অনুমতি লৈ সপৰিবাৰে হস্তিনাপুৰলৈ যাত্রা কৰে। ইয়াতেই নাটকৰ সমাপ্তি ঘটে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ কালিদাসে কেইখন নাটক ৰচনা কৰিছিল আৰু সেই নাটকসমূহৰ নাম কি?

.....

প্রশ্ন নং ৭ঃ "মালবিকাগ্নিমিত্রম্" নাটকত কেইটা অংক আছে?

.....

প্রশ্ন নং ৮ঃ "বিক্রমোর্বশীয়ম্" নাটকৰ নায়ক আৰু নায়িকাৰ নাম কি?

.....

প্রশ্ন নং ৯ঃ "অভিজ্ঞানশকুন্তলম্" নাটকৰ নায়ক কোন?

.....

প্রশ্ন নং ১০ঃ "অভিজ্ঞানশকুন্তলম" নাটকত কেইটা অংক আছে?

.....

৫.৪.৩ কালিদাসোত্তৰ যুগৰ নাটক

কালিদাসোত্তৰ যুগৰ নাটক বুলিলে শূদ্রক ৰচিত "মৃচ্ছকটিকম্" নামৰ নাটকখনৰ কথাই প্রথমে উল্লেখ কৰিব পাৰিব। এইখন এখন সুপ্রসিদ্ধ প্রকৰণ শ্রেণীৰ ৰূপক। (নাটকৰ নিচিনা এইখনো এখন ৰূপক)। নাটকৰ প্রস্তাৱনাত পোৱা বিৱৰণ মতে ৰজা শূদ্রক হস্তিশাস্ত্রত পাৰ্গত আছিল। কিন্তু ৰজা শূদ্রক আৰু নাট্যকাৰ শূদ্রক এজন ব্যক্তি নে দুজন ভিন্ ভিন্ ব্যক্তি, সেই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ আছে। একেদৰে শূদ্রকৰ স্থিতিকাল সম্বন্ধেও পণ্ডিতসকল একমত নহয়। "মৃচ্ছকটিকম্"ত দহটা অংক আছে। ই ভাসৰ "চাৰুদত্ত" নাটকৰ আধাৰত ৰচিত। চাৰুদত্ত নামে এজন ব্রাহ্মণ আৰু বসন্তসেনা নামেৰে উজ্জয়িনীৰ ধনী বেশ্যা এজনীৰ প্রণয় কাহিনীয়েই এই প্রকৰণৰ উপজীব্য বিষয়।

কালিদাসোত্তৰ যুগৰ আন এখন উল্লেখযোগ্য নাটক হৈছে "মুদ্রাৰাক্ষস"। ইয়াৰ ৰচক বিশাখাদত্ত। নাটকখন সাতটা অংকত বিভক্ত। এইখন এখন পুৰুষ প্রধান নাটক। ইয়াত নাৰী চৰিত্রৰ উল্লেখ নাই। ইয়াত কোনো ধৰণৰ প্রেমকথা আৰু হাস্যৰস বা শৃংগাৰ ৰসৰ উল্লেখ নাই। ই এখন সম্পূর্ণ ৰাজনীতিমূলক নাটক।

"চাণক্য'ৰ চৰিত্রটোৰেই হৈছে এই নাটকৰ প্রাণ কেন্দ্র। তেওঁ অর্থাৎ চাণক্যই নন্দবংশ নির্মূ ল কৰি নিজৰ অনুগত চন্দ্রগুপ্ত মৌর্য্যক মগধৰ সিংহাসনত বহুৱায়। কিন্তু চাণক্যই নন্দবংশৰ শেষৰ অনুগত মন্ত্রী 'ৰাক্ষস'ক চন্দ্রগুপ্তৰ পক্ষলৈ আনিবলৈ নোৱাৰালৈকে শান্তিত থাকিব পৰা নাছিল। সেয়েহে বিভিন্ন কৌশলেৰে মন্ত্রী ৰাক্ষসক নিজৰ হাতৰ মুঠিলৈ আনিবলৈ চাণক্যই অতি সংঘাতপূর্ণ প্রচেষ্ঠা চলায়। চাণক্যই এই কার্য্যত সফলো হয়। এয়াই হৈছে "মুদ্রাৰাক্ষস" নাটকৰ উপজীব্য বিষয়।

সংস্কৃত নাট্য-সাহিত্যত কালিদাসৰ পিচতে ভৱভূতিৰ স্থান বুলি কোৱা হয়। নাট্যকাৰ ভৱভূতিয়ে তিনিখন নাটক ৰচনা কৰে। সেইসমূহ হৈছে - ১। মহাবীৰ চৰিত, ২। মালতী-মাধৰ আৰু ৩। উত্তৰ ৰামচৰিত।

'মহাবীৰচৰিত' নাটক সাতটা অংকত বিভক্ত। ইয়াৰ কাহিনী ভাগ ৰামায়ণৰ পৰা লোৱা হৈছে। নাটকখনত

ৰামৰ বিবাহ, ৰামৰ বনবাস, সীতাহৰণ আৰু ৰাৱণবধৰ পাছত ৰামৰ অভিষেক আদি ঘটনাসমূহ বৰ্ণিত হৈছে। "মহাবীৰ চৰিত" নাটক ভবভূতিৰ আদ্য সৃষ্টি আৰু ই ভবভূতিৰ এখন উৎকৃষ্ট নাটক বুলি ধৰা হয়।

"মালতী মাধৱ" নাটক নাট্যকাৰ ভবভূতিৰ দ্বিতীয় সৃষ্টি। প্ৰকৃততে ই এখন "প্ৰকৰণ" প্ৰকৃতিৰ ৰূপক। প্ৰকৰণৰ কাহিনী কবিকল্পিত হয়। মালতীমাধৱৰ কাহিনীভাগ দহটা অংকত বিভক্ত। মালতী আৰু মাধৱৰ প্ৰেমকাহিনীয়েই ইয়াৰ প্ৰধান আলোচ্য বিষয়।

"উত্তৰ ৰামচৰিত" নাটক ভৱভূতিৰ সৰ্বশ্ৰেষ্ঠ আৰু অন্তিম নাটক বুলি কোৱা হয়। নাটকখন সাতটা অংকত বিভক্ত। ইয়াৰ কাহিনীভাগৰ উৎস ৰামায়ণৰ উত্তৰাকাণ্ড। ৰাৱণবধৰ পিচত অযোধ্যাৰ সিংহাসনত অভিষিক্ত হোৱাৰপৰা সীতাবিসৰ্জন, অশ্বমেধ যজ্ঞানুষ্ঠান, লৱ-কুশৰ বীৰত্ব আদিৰ বৰ্ণনাই নাটকৰ আলোচ্য বিষয়।

কালিদাসোত্তৰ যুগৰ নাটকসমূহৰ ভিতৰত ভট্টনাৰায়ণ ৰচিত "বেণীসংহাৰ" নাটকখন অন্যতম। এই নাটকখন ছয়টা অংকত বিভক্ত। ইয়াৰ কাহিনীভাগ মহাভাৰতৰ আধাৰত ৰচিত। ভীম, দুৰ্যোধন, অশ্বত্থামা, যুধিষ্ঠিৰ আৰু শ্ৰীকৃষ্ণ এই নাটকৰ প্ৰমুখ পুৰুষ চৰিত্ৰ আৰু দ্ৰৌপদী তথা ভানুমতী অন্যতম স্ত্ৰীচৰিত্ৰ। কৌৰৱৰ সভাত দুঃশাসনৰ হাতত অপমানিত হোৱাত নিজ অপমানৰ প্ৰতিশোধ নোলোৱা পৰ্য্যন্ত দ্ৰৌপদীয়ে বেণী নাবান্ধো বুলি প্ৰতিজ্ঞা কৰে। স্বয়ং ভীমেও দ্ৰৌপদীৰ অপমানৰ পোটক তুলিবলৈ দুঃশাসন আৰু দুৰ্যোধনৰ বধৰ প্ৰতিজ্ঞা কৰে। ভীমে দুৰ্যোধনৰ উৰুভংগ কৰিহে ৰক্তাক্ত হাতেৰে দ্ৰৌপদীৰ বেণী সংহাৰ কৰে। সেই বাবেই এই নাটকখনৰ নাম "বেণীসংহাৰ" হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ঃ "মৃচ্ছকটিকম্" এখন নাটক নে প্ৰকৰণ?

.....

প্ৰশ্ন নং ১২ঃ ৰজা শূদ্ৰক ..... শাস্ত্ৰত পাৰ্গত আছিল। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ১৩ঃ "মুদ্ৰাৰাক্ষস" নাটকৰ ৰচক কোন?

.....

প্ৰশ্ন নং ১৪ঃ ভবভূতিয়ে কেইখন নাটক ৰচনা কৰিছিল?

(ক) দুখন (খ) তিনিখন (গ) এখন (ঘ) ইয়াৰ এটাও নহয়। (শুদ্ধ উত্তৰটো লিখক)

.....

প্ৰশ্ন নং ১৫ঃ 'ভট্টনাৰায়ণ' ৰচিত নাটকখনৰ নাম কি?

.....

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পাশ্চাত্য পণ্ডিতসকলে সংস্কৃত নাটকৰ উৎপত্তি বৈদিক যুগত হৈছিল বুলি মন্তব্য কৰে। আচলতে ভাৰতীয় সাহিত্যৰ মাজতে সংস্কৃত নাটকৰ জন্ম হৈছিল।
- ভাসৰ তেৰখন নাটক হ'ল-১। মধ্যমব্যায়োগ ২। পঞ্চৰাত্ৰ ৩। দূতবাক্য ৪। দূতঘটোৎকচ ৫। কৰ্ণভাৰ ৬। উৰুভংগ ৭। প্ৰতিমা ৮। অভিষেক ৯। বালচৰিত ১০। প্ৰতিজ্ঞাযৌগন্ধৰায়ণ ১১। স্বপ্নবাসবদত্তা ১২। অবিমাৰক আৰু ১৩। চাৰুদত্ত।
- কালিদাস ৰচিত তিনিখন নাটক হ'ল, যেনে - অভিজ্ঞানশকুন্তলম্, বিক্ৰমোৰ্বশীয়ম্, মালবিকাগ্নিমিত্ৰম্।

- কালিদাসৰ পিচৰ যুগৰ বিভিন্ন নাট্যকাৰৰ নাটকসমূহৰ বিষয়ে জানিব পাৰিলে, যেনে - মৃচ্ছকটিকম্, মুদ্রাৰাক্ষস, মালতীমাধৱ আদি।

৫.৬ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত;* গুৱাহাটী, চন্দ্র প্রকাশ ।

২) গোস্বামী, হৰমোহন দেৱ; *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* পাণবজাৰ, গুৱাহাটী, বুকলেণ্ড ।

৫.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ তিনিটা ভাগত ভগাব পাৰি।

২নং প্রশ্নৰ উত্তৰঃ তেৰখন (১৩)

৩নং প্রশ্নৰ উত্তৰঃ স্বপ্নবাসবদত্তম্।

৪নং প্রশ্নৰ উত্তৰঃ ৰামায়ণ।

৫নং প্রশ্নৰ উত্তৰঃ মহাভাৰত।

৬নং প্রশ্নৰ উত্তৰঃ তিনিখন নাটক ৰচনা কৰিছিল আৰু সেইকেইখন হ'ল —

১। মালবিকাগ্নিমিত্রম্ , ২। বিক্রমোর্বশীয়ম্ আৰু ৩। অভিজ্ঞানশকুন্তলম্।

৭নং প্রশ্নৰ উত্তৰঃ পাঁচটা অংক।

৮নং প্রশ্নৰ উত্তৰঃ নায়ক পুৰুৰবা আৰু নায়িকা উর্বশী।

৯নং প্রশ্নৰ উত্তৰঃ দুষ্যন্ত।

১০নং প্রশ্নৰ উত্তৰঃ সাতটা।

১১নং প্রশ্নৰ উত্তৰঃ প্রকৰণ ।

১২নং প্রশ্নৰ উত্তৰঃ হস্তিশাস্ত্র।

১৩নং প্রশ্নৰ উত্তৰঃ বিশাখাদত্ত।

১৪নং প্রশ্নৰ উত্তৰঃ তিনিখন।

১৫নং প্রশ্নৰ উত্তৰঃ বেণীসংহাৰ।

৫.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সংস্কৃত নাটকৰ উৎপত্তি সম্পর্কে এটি টোকা লিখক।

(খ) চুটি প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ কালিদাসৰ পূর্বযুগৰ নাটকসমূহৰ এটি আভাস দাঙি ধৰক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ কালিদাস ৰচিত নাটকসমূহৰ চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ঃ কালিদাসোত্তৰ যুগৰ নাটকসমূহৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৬ঃ চম্পূকাব্য আৰু গীতিকাব্য (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ চম্পূকাব্য

- ৬.৩.১ চম্পূকাব্যৰ উৎস
- ৬.৩.২ চম্পূকাব্যৰ বৈশিষ্ট্য
- ৬.৩.৩ বিভিন্ন চম্পূকাব্যৰ উল্লেখ

৬.৪ গীতিকাব্য

- ৬.৪.১ গীতিকাব্যৰ উৎস
- ৬.৪.২ গীতিকাব্যৰ ভাগসমূহ
- ৬.৪.৩ বিভিন্ন গীতিকাব্যৰ উল্লেখ

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান

৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—


- *চম্পূকাব্যৰ* লক্ষণ আৰু উৎসৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন *চম্পূকাব্যৰ* লগত পৰিচিত হ'ব পাৰিব
- *গীতিকাব্যৰ* লক্ষণ আৰু উৎসৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন *গীতিকাব্যৰ* বিষয়ে জানিব পাৰিব
- *গীতিকাব্যৰ* ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সংস্কৃত কাব্য-সাহিত্যৰ অন্তর্ভুক্ত *চম্পূকাব্য* আৰু *গীতিকাব্যৰ* বিষয়ে সবিশেষ জ্ঞান লাভ কৰিব পাৰিব। আপুনি জানে যে সংস্কৃত কাব্য-সাহিত্য প্রধানকৈ দুই ভাগত বিভক্ত— ১। দৃশ্যকাব্য আৰু ২। শ্রব্যকাব্য। নাটক, ৰূপক আদি দৃশ্যকাব্যৰ অন্তর্ভুক্ত তথা গদ্য, পদ্য আৰু *চম্পূকাব্য* শ্রব্যকাব্যৰ অন্তর্ভুক্ত। নাটক (যেনে— কালিদাস বিৰচিত *অভিজ্ঞানশকুন্তলম্* আদি) এখন আমি মঞ্চস্থ কৰি চকুৰে উপভোগ কৰিব পাৰো, সেয়ে ই দৃশ্যকাব্য। শ্রব্যকাব্যৰ অন্তর্ভুক্ত গদ্যকাব্য দুই ভাগত বিভক্ত ১। কথা আৰু ২। আখ্যায়িকা। পদ্যকাব্য মূলতঃ দুটা ভাগত বিভক্ত— ১। মহাকাব্য আৰু ২। খণ্ডকাব্য। *গীতিকাব্য*সমূহক খণ্ডকাব্যৰ অন্তর্ভুক্ত বুলি ধৰা হয়। কিন্তু *চম্পূকাব্যৰ* কোনো ভাগ নাই। ই গদ্য-পদ্য মিশ্রিত এক প্রকাৰ শ্রব্য কাব্য। আনহাতে ঐতিহাসিক

কাব্য গদ্য আৰু পদ্য দুয়োবিধতে ৰচিত হয়। তলত দিয়া ধৰণেৰে সংস্কৃত কাব্য-সাহিত্যৰ ভাগসমূহ আপোনাৰ সুবিধাৰ বাবে সহজকৈ দেখুওৱা হ'ল—

চিত্ৰ ৬.১ ঃ কাব্য-সাহিত্যৰ বিভাগ



৬.৩ চম্পূকাব্য

আপুনি এতিয়া *চম্পূকাব্যৰ* লক্ষণৰ বিষয়ে জানিব পাৰিব। গদ্য আৰু পদ্যৰ সংমিশ্ৰণত ৰচিত কাব্যকে *চম্পূকাব্য* নামে জনা যায়। সংস্কৃত সাহিত্যৰ বিশিষ্ট আলংকাৰিক ***বিশ্বনাথে*** *চম্পূকাব্যৰ* এক সহজলভ্য সংজ্ঞা এইদৰে দাঙি ধৰিছে— "গদ্যপদ্যময়ংকাব্যং চম্পূৰিত্যভিধীয়তে"। অর্থাৎ গদ্যপদ্যময়ী ভাষাত যি কাব্য ৰচনা কৰা হয়, সেয়ে *চম্পূকাব্য*। এই লক্ষণটো সর্বজনবিদিত আৰু সর্বাধিক জনপ্রিয়। ইয়াৰ আগতে বিশিষ্ট আলংকাৰিক দণ্ডীয়ে চম্পূক 'গদ্যপদ্যময়ী বাণী বুলি কৈছে। অৱশ্যে *চম্পূত* গদ্য-পদ্যৰ অংশ কিমান থাকিব লাগে, তাৰ কোনো ধৰাবন্ধা নিয়ম নাই। গদ্যকাব্যৰ লগত ইয়াৰ পার্থক্য এইখিনিয়েই যে গদ্যকাব্যত গদ্যই আখ্যান ভাগৰ মূল সাৰথি, কিন্তু *চম্পূত* আখ্যানসমূহ গদ্য আৰু পদ্যত বর্ণনা কৰা থাকে। *চম্পূ* ৰচনাৰ জৰিয়তে কবিয়ে কাব্যৰ বিষয়বস্তুৰ উপস্থাপনাত সহজে আগু�ৰাই যাব পাৰে। প্রকৃততে দশম (১০ম) শতিকাত *চম্পূকাব্যৰ* ৰচনা বিস্তৃতভাৱে হোৱা দেখা যায়।

> ***বিশ্বনাথ ঃ*** সাহিত্য দর্পণ নামৰ অলংকাৰ শাস্ত্ৰৰ ৰচক। সেয়ে তেওঁক আলংকাৰিক বুলি কোৱা হয়।

৬.৩.১ *চম্পূকাব্যৰ* উৎস

দুই প্রকাৰৰ লক্ষণৰ পিছত এতিয়া আপুনি *চম্পূকাব্যৰ* উৎস সম্পর্কে জানিব পাৰিব। বৈদিক সাহিত্যত অর্থাৎ *যজুর্বেদ* আৰু *অথর্ববেদ* সংহিতাত পোনতে গদ্য আৰু পদ্যৰ সংমিশ্ৰণ চকুত পৰে। *ব্ৰাহ্মণ* সাহিত্যতো এনে সংমিশ্ৰণ দেখা যায়। তথাপি পৌৰাণিক গল্প আৰু আখ্যানসমূহেই *চম্পূকাব্যৰ* মূল উৎস। মহাভাৰতৰ কাহিনীতো গদ্য আৰু পদ্যৰ সংমিশ্ৰণ দেখা যায়। একেদৰে *পঞ্চতন্ত্ৰ, হিতোপদেশ* আদিত *চম্পূকাব্যৰ* প্রভাৱ দেখা যায়।

৬.৩.২ *চম্পূকাব্যৰ* বৈশিষ্ট্য

১) *চম্পূকাব্য* গদ্য আৰু পদ্যৰ সংমিশ্ৰণত ৰচিত হয়।

২) *চম্পূকাব্যৰ* বিষয়বস্তুক অংক, উচ্ছ্বাস আদিত বিভক্ত কৰা হয়।

৩) *চম্পূকাব্যত* বার্তালাপ নাথাকে (উক্তিপ্রত্যুক্তিৰহিতম *চম্পূকাব্যম্*)

৪) *চম্পূকাব্যত* বিষ্কম্ভ নাথাকে (বিষ্কম্ভশূন্য)

এই বৈশিষ্ট্যসমূহ লক্ষ্য কৰিলে দেখা যায় যে যদিও গদ্য আৰু পদ্যৰ সংমিশ্ৰণকেই *চম্পূকাব্য* বুলি কোৱা হয়, (গদ্যপদ্যময়তা) তথাপিও *চম্পূকাব্যৰ* এই লক্ষণ অতিব্যাপ্তিৰ পৰা মুক্ত নহয়। কাৰণ *ব্ৰাহ্মণ* সাহিত্যত আমি কেতিয়াবা গদ্য আৰু পদ্যৰ সংমিশ্ৰণ দেখা পাওঁ। যেনে— *ঐতৰেয় ব্ৰাহ্মণৰ* হৰিশ্চন্দ্ৰোপাখ্যান। (অধ্যায় ৩৩)

আকৌ সংস্কৃত সাহিত্যৰ ২৪৫খন *চম্পূকাব্যৰ* ভিতৰত মাত্ৰ *নলচম্পূ* আৰু *গংগাবতৰণচম্পূ* কাব্যহে অংকত বিভক্ত। ঠিক তেনেদৰে আমি দেখা পাওঁ যে ভোজৰ চম্পূৰামায়ণ কাণ্ডতহে বিভক্ত, উচ্ছ্বাসত নহয়। সোমদেবৰ *যশস্তিলকচম্পূ* আশ্বাস আৰু অচ্যুত শৰ্মাৰ *ভাগীৰথীচম্পূ* মনোৰথত বিভক্ত। যদিও *চম্পূকাব্যক* উক্তি প্ৰত্যুক্তিৰহিত বুলি কোৱা হয় তথাপিও আমি দেখা পাওঁ যে বিখ্যাত বিশ্বগুণাদৰ্শ *চম্পূকাব্যত* কৃষ্ণ আৰু বিশ্বাবসুৰ উক্তি প্ৰত্যুক্তিৰ উল্লেখ আছে। যিহেতু *চম্পূকাব্য* শ্ৰব্যকাব্যৰ অন্তৰ্গত গতিকে ইয়াত দৃশ্যকাব্যৰ নিচিনা কোনো সূত্ৰধাৰৰ প্ৰয়োজন নাই।

৬.৩.৩ বিভিন্ন *চম্পূকাব্যৰ* উল্লেখ

চম্পূকাব্যৰ লক্ষণ, বৈশিষ্ট্য আৰু উৎসৰ পিছত এতিয়া আপুনি বিভিন্ন *চম্পূকাব্যৰ* বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ উল্লেখযোগ্য *চম্পূকাব্যসমূহৰ* ভিতৰত ত্ৰিবিক্ৰমভট্ট বিৰচিত *নলচম্পূৰ* নাম প্ৰথমে ল'ব পাৰি। এই *চম্পূকাব্যখন* সাতটা অধ্যায়ত বিভক্ত। ইয়াত অধ্যায়সমূহক "উচ্ছ্বাস" বুলি কোৱা হয়। ইয়াত নিষাদৰাজ্যৰ ৰজা নল আৰু বিদৰ্ভৰাজকন্যা দময়ন্তীৰ প্ৰেম কাহিনী অতি মনোৰমভাৱে বৰ্ণনা কৰা হৈছে। ইয়াৰ কাহিনীভাগ *মহাভাৰতৰ* বনপৰ্বত বৰ্ণিত নলোপাখ্যানক উপজীব্য কৰি ৰচিত হৈছে।

নলচম্পূৰ ৰচক ত্ৰিবিক্ৰমভট্ট আছিল শাণ্ডিল্য গোত্ৰীয় দেৱাদিত্য অথবা নেমাদিত্যৰ পুত্ৰ। তেওঁ আছিল ৰাষ্ট্ৰকূট বংশীয় দ্বিতীয় কৃষ্ণৰ নাতি আৰু ৩য় ইন্দ্ৰৰ ৰাজসভাৰ কবি। ত্ৰিবিক্ৰমভট্টই *নলচম্পূ* ৰচনা কৰা সম্পৰ্কত এক জনশ্ৰুতি আছে। সেই জনশ্ৰুতিমতে এবাৰ পিতৃ দেৱাদিত্যই অন্য কোনো কাৰ্যত ব্যস্ত থকা সময়তে কোনো এজন বিদ্বেষভাৱাপন্ন পণ্ডিতে ৰাজসভালৈ আহি দেবাদিত্যৰ প্ৰতিস্পৰ্ধী হৈ থিয় দিলে। তেতিয়া ৰজাই দেবাদিত্যৰ পুতেক ত্ৰিবিক্ৰমকে পিতৃৰ হৈ নিজৰ পাণ্ডিত্য প্ৰকাশ কৰিবলৈ আহ্বান জনালে। ত্ৰিবিক্ৰমভট্টই সৰস্বতীৰ পৰা বৰদান পাই ৰাজসভালৈ আহিল আৰু প্ৰতিদ্বন্দ্বী পণ্ডিতক পৰাস্ত কৰিলে। সেই কথাত ৰজাই ত্ৰিবিক্ৰমভট্টক যথেষ্ট আদৰ-সাদৰ কৰিলে। ইয়াৰ পিছতে তেওঁ *নলচম্পূ* ৰচনা কৰিবলৈ আৰম্ভ কৰিলে আৰু সপ্তম উচ্ছ্বাসলৈকে লিখিলে। কিন্তু সপ্তম উচ্ছ্বাস সমাপ্ত হোৱাৰ দিনা তেওঁ পিতৃৰ ঘৰলৈ উভতি আহিল আৰু লগে লগে তেওঁৰ কাব্যও অসম্পূৰ্ণ হৈ ৰ'ল।

জৈন আচাৰ্য সোমদেৱসূৰীয়ে জৈন নীতি আৰু ধৰ্মীয় মতবাদ প্ৰচাৰ কৰিবলৈ *যশস্তিলকচম্পূ* ৰচনা কৰিছিল। এই *চম্পূকাব্যখন* অবন্তী ৰাজ্যৰ ৰজা যশোধৰৰ জীৱন-কাহিনীৰ আধাৰত ৰচিত। ইয়াত বৰ্ণিত বিষয়বস্তুৰ বিষয়ে আপুনি জানেনে? ইয়াত বৰ্ণিত আছে ৰজা যশোধৰৰ ৰাজধানী উজ্জয়িনী, ৰাণীসকলৰ বিশ্বাসঘাতকতা আৰু ষড়যন্ত্ৰ, ৰজাৰ জৈন ধৰ্মগ্ৰহণ, হত্যা আৰু পুনৰ্জন্ম আদি ঘটনা। এই *চম্পূকাব্যখন* সাতটা অধ্যায়ত বিভক্ত আৰু অধ্যায়সমূহক "আশ্বাস" বুলি কোৱা হয়। ইয়াৰ শেষৰ তিনিটা আশ্বাসত জৈনধৰ্মৰ স্বৰূপ বৰ্ণনা কৰা হৈছে। পণ্ডিত-প্ৰৰৰ কৃষ্ণকান্ত সন্দিকৈয়ে এই *চম্পূকাব্যক* আলম কৰি তেওঁৰ বিখ্যাত গ্ৰন্থ *Yas'astilaka and Indian Culture* ৰচনা কৰি থৈ গৈছে। *চম্পূকাব্যৰ* জগতখনত সোমদেৱসূৰীৰ যশস্তিলক *চম্পূখনে* এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। গ্ৰন্থখন নীতিকথাৰ ভাণ্ডাৰস্বৰূপ। ইয়াৰ চতুৰ্থ আশ্বাসত কবিয়ে বিখ্যাত গদ্যকাৰ বাণৰ কথা উল্লেখ কৰিছে। ইয়াৰ পৰা এইটোও বুজা যায় যে সোমদেৱসূৰী বাণৰ পৰৱৰ্তী কালৰ কবি। বাণ হৈছে *কাদম্বৰী কথাকাব্য* আৰু হৰ্ষচৰিত আখ্যায়িকাৰ ৰচক। সোমদেৱসূৰীৰ যশস্তিলক গ্ৰন্থখন অধ্যয়ন কৰিলে দেখা

যায় যে তেওঁ বাণৰ ৰচনাৰ দ্বাৰা যথেষ্ট অনুপ্রাণিত হৈছিল। *যশস্তিলক চম্পূকাব্য*খন সম্বন্ধে বিশ্ববিখ্যাত সংস্কৃতজ্ঞ কৃষ্ণকান্ত সন্দিকৈয়ে এইদৰে উল্লেখ কৰিছে ঃ "A part from its special characteristics as a prose narrative, *Yas'astilaka* combines features which bring it into relation with diverse branches of Sanskrit literature. It is not only a Jaina romance in prose and verse but a learned compendium of jaina and non-jaina philosophical and religious doctrines, a manual of state-craft and a great repository of kavya poetry, ancient tales, citations and references, and numerous rare words of lexical interest, Somadeva's *Yas'astilaka* is a work of massive scholarship enlivened by occasional flashes of literary genius and poetic feeling."

আন এখন উল্লেখযোগ্য *চম্পূকাব্য* হ'ল *ৰামায়ণচম্পূ*। পৰমাৰ ৰাজবংশীয় ধাৰাপতি ভোজৰ দ্বাৰা এই কাব্যখন ৰচিত। ভোজে *ৰামায়ণকথাৰ* আধাৰত *ৰামায়ণচম্পূ*ৰচনা কৰিছে। এইখন এখন অতি জনপ্রিয় *চম্পূকাব্য*। ৰজা ভোজে *ৰামায়ণচম্পূৰ* কিষ্কিন্ধাকাণ্ডলৈকেহে ৰচনা কৰে, যুদ্ধকাণ্ডখিনি পৰৱৰ্তীকালত লক্ষণ নামৰ কবিয়ে ৰচনা কৰে। *ৰামায়ণচম্পূত* কবিয়ে নিজৰ কাব্য-কৌশলৰ প্রকাশ কৰিছে। এই *চম্পূকাব্য*খনত প্রায় সকলো প্রকাৰ ছন্দৰ প্রয়োগ দেখা যায়। আকৌ গদ্যকাব্যৰ নিচিনা কাব্যখনৰ ভাষা দীর্ঘ সমাসবহুল। কিন্তু পদ্যসমূহ সৰল তথা বর্ণনাৰীতি সুন্দৰ।

কবি অনন্তভট্টৰ দ্বাৰা ৰচিত আন এখন উল্লেখযোগ্য চম্পূ হ'ল *ভাৰতচম্পূ*। এই *চম্পূকাব্য*খন *মহাভাৰত*ৰ কাহিনীৰ আধাৰত ৰচিত হৈছে। কোৱা হয় অনন্তভট্ট অভিনৱ কালিদাস নামৰ কবিজনাৰ সমসাময়িক আছিল। *ভাৰতচম্পূত* বিভিন্ন শব্দৰ সমাহাৰ দেখা যায়। ইয়াৰ উপৰি কাব্যখনত অনেক অলংকাৰ আৰু ছন্দৰো প্রয়োগ হৈছে।

ভাগৱতচম্পূ নামৰ এখন *চম্পূকাব্য* অভিনৱ কালিদাসে ৰচনা কৰে। এই *চম্পূকাব্য*খন ছয়টা উচ্ছ্বাসত বিভক্ত।

পঞ্চ কল্যানচম্পূ কাব্যখন চিদাম্বৰ নামৰ কবি এজনে ৰচনা কৰে। কাব্যখনত কবিয়ে ভগৱান ৰাম, কৃষ্ণ, বিষ্ণু, শিৱ আদি ভগৱানৰ বিবাহৰ আখ্যানবোৰ সুন্দৰকৈ বর্ণনা কৰিছে।

*নীলকণ্ঠ-বিজয় চম্পূকাব্য*খন নীলকণ্ঠ দীক্ষিতে ১৬৩৭ খ্রীষ্টাব্দত ৰচনা কৰে। এই *চম্পূকাব্য*খন পাঁচটা (৫) অধ্যায়ত বিভক্ত তথা *চম্পূকাব্য*খনত সমুদ্রমন্থনত উঠি অহা হলাহল পান কৰি মহাদেৱে অন্য দেৱতাবোৰক ৰক্ষা কৰি নিজে 'নীলকণ্ঠ' নাম পোৱা ঘটনা বর্ণনা কৰা হৈছে। কাব্যখনত কবিৰ আবেগিক অনুভূতি তথা কল্পনাসুলভ গুণৰ সুন্দৰ উপস্থাপন ঘটিছে। ছন্দ আৰু অলংকাৰ প্রয়োগৰ ক্ষেত্রতো কবিয়ে নিজৰ পাণ্ডিত্য দেখুৱাইছে। একেদৰে দীর্ঘ সমাসবদ্ধ পদৰ ব্যৱহাৰো এই *চম্পূকাব্য*খনত বিদ্যমান।

বিশ্বগুণাদর্শচম্পূ কাব্যখনৰ ৰচক হ'ল বেংকটাচার্য বা বেঙ্কটাধ্বৰী। বেংকটাচার্যৰ সাহিত্যকর্ম নীলকণ্ঠৰ সমসাময়িক আছিল। এই কাব্যখন সপ্তদশ খ্রীষ্টাব্দৰ শেষৰফালে ৰচিত হৈছিল। এই *চম্পূকাব্য*খনত কোনো প্রকাৰৰ নিয়মীয়া কথাবস্তু বর্ণিত হোৱা নাই। কাব্যখনত কবিয়ে মানব জীৱনৰ সমালোচনা দাঙি ধৰিছে। গ্রন্থখনত দুজন গন্ধর্বৰ কথা বর্ণিত হৈছে। গন্ধর্ব দুজনে পৃথিৱীৰ ওপৰেৰে আকাশমার্গেৰে বিচৰণ কৰি থাকোতে তেওঁলোকৰ মনত বিভিন্ন গুৰুত্বপূর্ণ তীর্থস্থান, অনুষ্ঠান, বিদ্যাৰ বিভিন্ন শাখা-প্রশাখা আৰু গুণ আদিৰ বিষয়ে যিবোৰ ভাৱৰ উদয় হৈছিল তাকে কাব্যখনত প্রকাশ কৰিছে কবিয়ে। তেওঁলোকৰ এজনে সেইবোৰৰ নিন্দা কৰি ক'লে আৰু আনজনে আকৌ সেইবোৰৰ সুন্দৰ দিশটোৰ ওপৰতহে মতামত দিলে। এনেদৰে কাব্যখনৰ মাধ্যমেৰে কবিজনাই তীর্থস্থান আদিৰ ভাল আৰু বেয়া দুয়োটি দিশ কথোপকথনৰ মাজেৰে উপস্থাপন কৰিছে। ৰচনাশৈলী, ৰীতি, ছন্দ আদি সর্বদিশৰ পৰা এইখন *চম্পূকাব্য*ক এখন উত্তম কাব্য বুলি গণ্য কৰিব পাৰি।

উপৰোক্ত *চম্পূকাব্য*সমূহৰ বাহিৰেও আৰু অনেক *চম্পূকাব্য* সংস্কৃত সাহিত্যত আছে। যেনে— শেষকৃষ্ণৰ দ্বাৰা ৰচিত *পাৰিজাত হৰণচম্পূ*, মিত্রমিশ্রৰ দ্বাৰা ৰচিত *আনন্দকাণ্ডচম্পূ*, কেশৰভট্টৰ *নৃসিংহচম্পূ*, ইত্যাদি।

গতিকে আপুনি এই অংশটিৰ অধ্যয়নৰ পৰা সংস্কৃত সাহিত্যৰ বহুকেইখন উল্লেখযোগ্য *চম্পূকাব্য*ৰ বিষয়ে থূলমূল আভাস লাভ কৰিবলৈ সক্ষম হ'ল।

জানি থোৱা ভাল

গদ্যকাৰ দণ্ডীয়ে সপ্তম-অষ্টম খ্রীষ্টাব্দত চম্পূৰ সংজ্ঞা ৰচনা কৰিলেও তেতিয়া ৰচনা কৰা চম্পূৰ কোনো নিদর্শন উপলব্ধ হোৱা নাই।

*নলচম্পূ*ৰ ৰচক ত্রিবিক্রমভট্ট শাণ্ডিল্যগোত্রীয় শ্রীধৰৰ পৌত্র আছিল। ত্রিবিক্রমভট্টই তেওঁৰ কাব্যত গদ্যকবি বাণভট্টৰ উল্লেখ কৰিছে আৰু ভোজে সৰস্বতীকণ্ঠাভৰণত ত্রিবিত্রমভট্টৰ নাম উল্লেখ কৰিছে।

জৈন নীতি-ধর্মৰ ওপৰত সোমসূৰীৰ বাহিৰেও হৰিশ্চন্দ্র নামৰ আন এজন কবিয়ে *জীৱন্ধৰ চম্পূ* ৰচনা কৰিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিশ্বনাথৰ মতে, চম্পূকাব্যৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ ঃ ত্রিবিক্রমভট্ট ৰচিত চম্পূকাব্যখনৰ নাম কি?

.....

.....

৬.৪ গীতিকাব্য

*চম্পূকাব্য*ৰ পিছত এতিয়া আপুনি *গীতিকাব্য*ৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ পৰম ৰমণীয় অংগস্বৰূপ হৈছে *গীতিকাব্য*সমূহ। ইংৰাজীত এই শ্রেণীৰ কাব্যক ***lyric poem*** বুলি জনা যায়। অতিশয় আৱেগিক, অনুভূতিপূর্ণ আৰু সংবেদনশীল ভাৱযুক্ত অথচ মাধুর্য্যময় কবিতাক *গীতিকাব্য* আখ্যা দিয়া হয়। অর্থাৎ অতীৰ উৎকণ্ঠাপূর্ণ ভাৱানুভূতিৰে বিৰচিত কাব্যকে *গীতিকাব্য* বোলা হয়। সংস্কৃত সাহিত্যত এই শ্রেণীৰ মনোমোহা কাব্যক লঘু বা খণ্ডকাব্যৰ অন্তর্ভুক্ত কৰা হৈছে। শৃংগাৰ, বৈৰাগ্য, ৰমণীৰ সৌন্দর্য তথা প্রাকৃতিক দৃশ্যৰাজিৰ বহুল বর্ণনা *গীতিকাব্যত* দেখা যায়।

সেয়েহে পাঠকে এই শ্রেণীৰ কাব্য অধ্যয়ন কৰি নিজেই আনন্দত আত্মহাৰা হ'ব পাৰে। ভর্তৃহৰি আৰু অমৰুৰ শতক কাব্যসমূহেই হৈছে মুক্তককাব্যৰ উত্তম উদাহৰণ। প্রবন্ধাত্মক *গীতিকাব্য*ৰ ভিতৰত মহাকবি কালিদাস ৰচিত মেঘদূত তথা ইয়াৰ অনুকৰণত ৰচিত *সন্দেহ কাব্য* বা *দূতকাব্য*সমূহেই উৎকৃষ্ট উদাহৰণ। *গীতিকাব্য*সমূহত বাহ্যিক তথা অন্তঃপ্রকৃতিৰ বৰ সুন্দৰ বর্ণনা পোৱা যায়। সংস্কৃত সাহিত্যৰ এটি উল্লেখযোগ্য গীতিকাব্য হ'ল মহাকবি কালিদাসৰ *মেঘদূত কাব্য*।

৬.৪.১ *গীতিকাব্যৰ* উৎস

আপুনি *ঋগ্বেদৰ* কথা জানে। এই *ঋগ্বেদৰ* পাতত থকা উষাসূক্তত*গীতিকাব্যৰ* প্রথম চানেকি দেখা যায় বুলি পণ্ডিতসকলৰ ধাৰণা। আনকি ইতিহাস পুৰাণৰ যুগতো *ৰামায়ণ মহাভাৰত* তথা অনেক *পুৰাণৰ* অংশ বিশেষত *গীতিধর্মী* কাব্যৰ নিদর্শন পোৱা যায়। অৱশ্যে কালিদাসৰ যুগৰপৰা এই *গীতিকাব্যৰ* স্বতন্ত্র অস্তিত্ব দেখা পোৱা যায়। মহাকবিজনৰ *মেঘদূত* আৰু *ঋতুসংহাৰকে* এই শ্রেণীৰ কাব্যৰ প্রথম নিদর্শন বোলা হয়।

৬.৪.২ *গীতিকাব্যৰ* ভাগসমূহ

গীতিকাব্যৰ সংজ্ঞা জনাৰ পিছত আপুনি এতিয়া ইয়াৰ ভাগসমূহৰ বিষয়ে জানিব। *গীতিকাব্যক* প্রধানকৈ দুই ভাগত বিভক্ত কৰা হৈছে। ১। ভক্তি-মূলক *গীতিকাব্য* বা স্তোত্রকাব্য আৰু ২। শৃংগাৰ প্রধান *গীতিকাব্য* বা সন্দেশকাব্য।

যিবিলাক *গীতিকাব্যত* আধ্যাত্মিক ভাবনাৰ প্রাধান্য বেছি, সেইবিলাক ভক্তিকাব্যৰ অন্তর্গত তথা যিবিলাক *গীতিকাব্যত* শৃংগাৰ ভাবৰ প্রাধান্য বেছি, সেইবিলাক শৃংগাৰ বা সন্দেশ কাব্যৰ অন্তর্গত। সংস্কৃত কাব্যত শৃংগাৰপ্রধান *গীতিকাব্য* কেবা প্রকাৰৰ। তাৰ ভিতৰত *দূতকাব্য*সমূহেই প্রধান। এই *দূতকাব্য*বোৰত প্রেমিক নাইবা প্রেমিকাই কোনোবা দূতৰ জৰিয়তে নিজৰ প্রণয় বার্তা প্রেৰণ কৰে। মহাকবি কালিদাসৰ *মেঘদূত* খণ্ডকাব্যখন আৰু *ঋতুসংহাৰ* কাব্যখন শৃংগাৰ প্রধান *গীতিকাব্য* আৰু জয়দেৱৰ দ্বাৰা ৰচিত বিখ্যাত *গীতগোবিন্দ* পুথিখন ভক্তিমূলক *গীতিকাব্যৰ* অন্তর্গত।

জানি থোৱা ভাল

মহাকবি কালিদাসে যথাসম্ভৱ *ঋতুসংহাৰেৰে* নিজৰ কবি জীৱনৰ পাতনি মেলিছিল। তেওঁৰ *মেঘদূত* কাব্যখন ইংৰাজী, জার্মান, তিব্বতী তথা চীন আদি বহু ভাষালৈ অনূদিত হৈছে। *মেঘদূতৰ* প্রাচীনতম অনুবাদ ত্রয়োদশ শতিকাত তিব্বতী ভাষাত পোৱা যায়। এই অনুবাদৰ অবলম্বনত জার্মান পণ্ডিত এজনে মেঘদূত কাব্যখন জার্মান ভাষালৈ অনুবাদ কৰে। *মেঘদূত* খণ্ডকাব্যখনৰ ১৫৫টা শ্লোক *মন্দাক্রান্তা* ছন্দত ৰচিত। বৌদ্ধ-স্তোত্র আৰু জৈন স্তোত্র এই দুখন স্তোত্র কাব্যও ভক্তিমূলক *গীতিকাব্যৰ* অন্তর্গত। দুয়োখন কাব্য ক্রমে বৌদ্ধ ধর্ম আৰু জৈনধর্ম প্রচাৰৰ আৰু প্রসাৰৰ বাবে ৰচিত হৈছিল।

৬.৪.৩ বিভিন্ন *গীতিকাব্যৰ* উল্লেখ

এতিয়া আপুনি বিভিন্ন *গীতিকাব্যৰ* বিষয়ে জানিব পাৰিব। মহাকবি কালিদাসৰ দ্বাৰা ৰচিত *ঋতুসংহাৰ* শৃংগাৰ প্রধান *গীতিকাব্যৰ* অন্তর্গত। এই খণ্ডকাব্যখনত ভাৰতবর্ষত সততে দেখা পোৱা ছয় ঋতুৰ বর্ণনা ক্রমশঃ কবিজনে তুলি ধৰিছে। *ঋতুসংহাৰ* নামটোৱে ঋতুসমূহৰ সমাহাৰ বা সমষ্টিক বুজায়। ইয়াত কবিজনে ক্রমে গ্রীষ্ম, বর্ষা, শৰৎ, হেমন্ত, শীত আৰু বসন্ত এই ছয়ঋতুৰ সুন্দৰ বর্ণনা ১১৪ টা শ্লোকত প্রকাশ কৰিছে। ছয় ঋতু বর্ণনা কৰাৰ লগতে প্রত্যেক ঋতুৰ আগমনত বাহ্যিক জগত তথা মানৰ হৃদয়ত যি পৰিবর্তন দেখা যায় আৰু প্রেমিক-প্রেমিকাৰ অন্তৰত যি অপূর্ব ভাৱৰ সৃষ্টি হয়, সেইবোৰেই এই কাব্যৰ বর্ণনাৰ বিষয়।

এই কাব্যখন বসন্ত ঋতুৰ বর্ণনাৰে সমাপ্ত হৈছে। কালিদাসে ঋতুসমূহৰ বর্ণনা কৰোতে বাল্মীকিৰ *ৰামায়ণৰ*

বৰ্ণনা সমুখত ৰখা যেন বোধ হয়। ভাৰতৰ কবিসম্ৰাট কালিদাসৰ দ্বাৰা মন্দাক্ৰান্তা ছন্দত বিৰচিত *মেঘদূত গীতিকাব্য*ৰ আদি গ্ৰন্থ। এই কাব্যখন দুটা ভাগত বিভক্ত— পূৰ্বমেঘ আৰু উত্তৰমেঘ। বাল্মিকী ৰামায়ণত ৰামৰ সীতা বিৰহৰ যি ছাঁ, তাৰ অনুপ্ৰেৰণাতে কালিদাসে *মেঘদূত*ৰচনা কৰিছে যেন বোধ হয়। ইয়াৰ কাহিনীভাগ বৰ মৰ্মস্পৰ্শী বিষয়বস্তুৰ উপজীব্য কৰি ৰচনা কৰা হৈছে। প্ৰভু কুবেৰৰ আদেশ পালনত ব্যৰ্থ হৈ ৰামগিৰিনিবাসী যক্ষই আকাশত বাৰিষাৰ মেঘ দেখা দিয়াৰ লগে লগে অদম্য বাসনাত ব্যাকুল হৈ জড়চেতনৰ কথা পাহৰি মেঘখণ্ডক প্ৰিয়তমাৰ ওচৰলৈ বাতৰি নিবলৈ অনুৰোধ কৰিছে। কাব্যখনৰ পূৰ্বমেঘত বাহ্য প্ৰকৃতিৰ মনোৰম চিত্ৰাঙ্কন আৰু উত্তৰমেঘত অন্তঃপ্ৰকৃতিৰ বৰ্ণনা দেখা যায়। মেঘদূত কাব্যত নৰ্মদা নদী, বিদিশা নগৰী, বেত্ৰবতী নদী, অবন্তী ৰাজ্যৰ ৰাজধানী, উজ্জয়িনী আদিৰ বৰ্ণনা পোৱা যায়। উত্তৰ মেঘত অলকাপুৰীৰ বৰ্ণনাও আছে। খণ্ডকাব্যৰ আদ্য সৃষ্টিৰূপে এই কাব্যখন পিছলৈ *দূতকাব্য* নামৰ *গীতিকাব্য* সৃষ্টিৰ প্ৰেৰণাৰ স্থল হয়গৈ। *দূতকাব্য*ৰ ভিতৰত নেমিদূত, পৱনদূত, হংসদূত আদি উল্লেখযোগ্য। আকৌ অমৰুৰ *অমৰুশতক*, বিল্হনৰ *চৌৰপঞ্চাশিকা* গোবৰ্ধনৰ *আৰ্যাসপ্তশতী* আদি *গীতিকাব্য*ৰ অন্তৰ্ভুক্ত।

পাৰ্শ্বাভ্যুদয় নামৰ *গীতিকাব্য*খন জৈন কবি জিনাসনে জৈন ভগবান্ পাৰ্শ্বনাথৰ জীৱন-চৰিতৰ ওপৰত ৰচনা কৰে। এই কাব্যখন চাৰিটা সৰ্গত ৰচিত। কাব্যখনত থকা ৩৬৪টা শ্লোকৰ ভিতৰত প্ৰায় ১২০টা শ্লোক *মেঘদূত* কাব্যত পোৱা যায়।

ঘটকৰ্পৰ নামৰ *গীতিকাব্য*খন মেঘদূতৰ অনুপ্ৰেৰণাতে ৰচিত হৈছে। এই কাব্যখন মাত্ৰ বাইশটা শ্লোকত ৰচিত। পৰম্পৰা মতে বিক্ৰমাদিত্য ৰজাৰ ৰাজসভাৰ পণ্ডিত এজনে মেঘদূত কাব্যৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই কাব্যখন ৰচনা কৰিছিল।

কাব্যখনৰ কোনো কোনো পাণ্ডুলিপিত ৰচক হিচাপে মহাকবি কালিদাসৰ নামো পোৱা গৈছে। কাব্যশাস্ত্ৰৰ প্ৰসিদ্ধ আচাৰ্য অভিনৱগুপ্তই এই *ঘটকৰ্পৰ গীতিকাব্য*ৰ ওপৰত এটা টীকাও লিখে। মূলত বৰ্ষা ঋতুৰ আগমনত কোনো বিৰহী ৰমণীয়ে দূৰত থকা নিজৰ প্ৰেমিকলৈ মেঘৰ জৰিয়তে পঠোৱা এক বাৰ্তাৰ আলম লৈ এই কাব্যখন ৰচনা কৰা হৈছে। সেই ফালৰ পৰা এই কাব্যখনক সম্পূৰ্ণভাৱে *মেঘদূত*ৰ এক ক্ষুদ্ৰ অনুকৰণ বুলি ক'ব পৰা যায়। *ঘটকৰ্পৰ* আৰু কালিদাসৰ ৰচনাই পৰৱৰ্তীকালৰ সংস্কৃত কাব্য-সাহিত্যত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে।

নেমিদূত কাব্যখন সপ্তদশ শতিকাত বিক্ৰম নামৰ এজন কবিয়ে ৰচনা কৰে। কাব্যখন কবিয়ে স্বামী নেমিনাথৰ জীৱনীৰ ওপৰত ৰচনা কৰে। ইয়াত *মেঘদূত*ৰ ১২৫টা শ্লোক উদ্ধৃত হৈছে।

পৱনদূত নামৰ *গীতিকাব্য*খন ত্ৰয়োদশ খ্ৰীষ্টাব্দত ধোয়ীয়ে ৰচনা কৰে। এই *গীতিকাব্য*খনো *মেঘদূত*ক আলম কৰি ৰচিত হৈছে। *পৱনদূত* কাব্যখনত ৰজা লক্ষ্মণসেন আৰু মলয় পৰ্বতৰ গন্ধৰ্বকন্যা কুৱলয়ৱতীৰ কাহিনী বৰ্ণিত হৈছে। ৰজা লক্ষ্মণসেনে দক্ষিণফালে দিগ্বিজয় কৰিবলৈ যোৱাত কুৱলয়ৱতীৰ প্ৰণয়পাশত আৱদ্ধ হয় আৰু দক্ষিণ-পূব বতাহক দূতৰূপে পঠায়। এইবোৰেই কাব্যখনৰ বৰ্ণনাৰ বিষয়বস্তু। ত্ৰয়োদশ খ্ৰীষ্টাব্দতে আব্দুল ৰহমান নামৰ এজন মুছলমান কবিয়ে *সন্দেশৰাসক* নামৰ এখন সুন্দৰ *দূতকাব্য* ৰচনা কৰে। ইয়াৰ পিছৰ পৰ্যায়ত পঞ্চদশ খ্ৰীষ্টাব্দতে বিষ্ণুদাস নামৰ এজন কবিয়ে *মনোদূত*, ষোড়শ খ্ৰীষ্টাব্দতে মাধৱ কবীন্দ্ৰ ভট্টাচাৰ্যই *উদ্ধৱদূত* আৰু সপ্তদশ খ্ৰীষ্টাব্দত গৌড়ীয় সম্প্ৰদায়ৰ কবি ৰূপগোস্বামীয়ে 'উদ্ধৱসন্দেশ' নামৰ কাব্যখন ৰচনা কৰে। *হংসদূত* নামৰ এখন দূতকাব্য ৰূপগোস্বামী নামৰ আন এজন কবিয়ে ৰচনা কৰে। ইয়াৰ উপৰিও *চাতকদূত*, *কোকিলদূত* আদি অনেক *দূতকাব্য* সংস্কৃত সাহিত্যত ৰচিত হৈছে।

প্ৰাচীন কালৰ পৰা প্ৰাকৃত ভাষাত গীতি-কাব্য ৰচিত হৈছে। সাতবাহন বংশীয় ৰজা হালে *গাথাসপ্তশতী*ত যিবোৰ গাথা সংকলিত কৰিছে, সেইবোৰ শৃংগাৰ ৰসেৰে পৰিপূৰ্ণ। এই কাব্যখন প্ৰথম খ্ৰীষ্টাব্দত প্ৰাকৃত ভাষাত

ৰচিত হয়। গ্ৰাম্য জীৱনৰ সহজ সৰলতাৰ লগত এই গাথাবোৰৰ ওতঃপ্ৰোত সম্বন্ধ দেখা যায়। কবিয়ে ইয়াত মানৱ জীৱনৰ বিবিধ অৱস্থাৰ সজীৱ চিত্ৰণো দাঙি ধৰিছে।

ইয়াৰ পিছত হালৰ গাথা সপ্তশতীৰ আৰ্হিত গোবৰ্ধনে সংস্কৃতত আৰ্যাসপ্তশতী ৰচনা কৰে। তেওঁ আছিল বংগৰ ৰজা লক্ষ্মণসেনৰ সভাকবি তথা কবি জয়দেৱৰ সমকালীন।

*অমৰুশতক*নামৰ *গীতিকাব্য*খন কবি অমৰুৱে ৰচনা কৰিছিল। অমৰু নৱম খ্ৰীষ্টাব্দৰ পূৰ্বৰ কবি বুলি জনা যায়। অমৰুশতক কাব্যখন এশ শ্লোকৰ সমষ্টি। কাব্যখনৰ পদ্যসমূহ অতি মনোগ্ৰাহী। বিভিন্ন ছন্দৰ লগতে দীঘল দীঘল সমাসৰো সুন্দৰ সমাবেশ এই কাব্যখনত দেখা যায়। এই গীতি কাব্যখন শৃংগাৰ ৰসৰ সুন্দৰ নিৰ্দশন। প্ৰবাদমতে ভগৱান আদি শংকৰাচাৰ্যই মণ্ডনমিশ্ৰৰ পত্নী ভা�ৰতীৰ আগত ৰতিশাস্ত্ৰ বিষয়ক প্ৰশ্নৰ যথাযথ উত্তৰ দিয়াত অসমৰ্থ হোৱাত অমৰু নামৰ এজন ৰজাৰ দেহত থাকি অন্তঃপুৰত ৰাণীৰ সৈতে বহুদিন বসবাস কৰি ৰতি সম্বন্ধে যথেষ্ট জ্ঞান লাভ কৰে আৰু সেই ৰতি সম্বন্ধীয় অভিজ্ঞতাৰে *অমৰুশতক গীতিকাব্য*খন ৰচনা কৰে। কাব্যখনত ভাষাৰ লালিত্য, প্ৰেমৰ গভীৰত্ব আদি সুন্দৰভাৱে প্ৰকাশ ঘটিছে।

চৌৰপঞ্চাশিকা নামৰ *গীতিকাব্য*খন একাদশ শতিকাত কাশ্মীৰি কবি বিল্হনে ৰচনা কৰে। এই *গীতিকাব্য*খনত পঞ্চাশটা শ্লোক আছে। প্ৰতিটো শ্লোকত কবিয়ে প্ৰেমিক-প্ৰেমিকাৰ প্ৰণয়ৰ মধুৰ বৰ্ণনা দাঙি ধৰিছে। বৰ্ণনা মতে কবি বিল্হন গুজৰাটৰ ৰজা বীৰ সিংহৰ কন্যাৰ গৃহ শিক্ষকৰূপে নিযুক্ত হৈছিল। সময়ত বিল্হন আৰু ৰাজ কন্যাৰ মাজত গভীৰ প্ৰেম গঢ়ি উঠে। সেই কথা ৰজাৰ কাণত পৰিলত ৰজাই খঙত অগ্নিশৰ্মা হৈ বিল্হনক মৃত্যুদণ্ডৰ আদেশ দিয়ে। এদিনাখন বিল্হনক মৃত্যুদণ্ডৰ বাবে বধ্যভূমিলৈ লৈ যোৱা হ'ল। সেই সময়ত বিল্হনে যাত্ৰাপথত প্ৰেমিকাক উদ্দেশ্য কৰি মুখে মুখে পঞ্চাশটা শ্লোক ৰচনা কৰি শেষৰ শ্লোকটো গাই থাকোতে ঘাতকে ৰজাৰ ওচৰলৈ গৈ সকলো কথা বিৱৰি কোৱাত ৰজাই বিল্হনক ক্ষমা কৰি বিধিমতে নিজ কন্যাক দান কৰে।

*গীতিকাব্য*ৰ অন্তৰ্গত স্তোত্ৰ কাব্য বা ভক্তি কাব্যসমূহ ভক্তি-ভাৱসম্পন্ন আৰু সেইকাৰণে সমাজত অতি জনপ্ৰিয়। শৃংগাৰ ৰসাত্মক *গীতিকাব্য*ৰ লগে লগে এই ভক্তিমূলক *গীতিকাব্য*সমূহক সংস্কৃত কবিসকলে ধৰ্মীয় আৰু দাৰ্শনিক অনুভূতিসম্পন্ন শ্ৰোতাসকলক উদ্দেশ্যি সৃষ্টি কৰিছিল। নিজৰ উপাস্য দেৱ-দেৱীৰ প্ৰতি কবিৰ হৃদয়ত উদ্ভাসিত হোৱা সংবেদনশীল ভাবৰ অনুভূতি এনেবোৰ কাব্যৰ যোগেদি প্ৰকাশিত হৈছে। এই ভক্তিগীতসমূহত কেতিয়াবা উপাস্য দেৱ-দেৱীৰ শাৰীৰিক সৌন্দৰ্যৰ প্ৰশংসাও কৰা হয়।

স্তোত্ৰকাব্য বা ভক্তি কাব্যসমূহৰ ভিতৰত কালিদাসৰ *শ্যামলা দণ্ডক* কাব্য অতি প্ৰাচীন। এই কাব্যখনৰ ৰচক কালিদাস বুলি কোৱা হয় যদিও, ই সম্পূৰ্ণ সত্য বুলি প্ৰমাণিত হোৱা নাই। কাব্যখনত দেৱী সৰস্বতীৰ স্তুতি বৰ্ণনা কৰা হৈছে।

গদ্যকবি বাণে সপ্তম শতিকাত *চণ্ডীশতক*নামে এখনি ভক্তিমূলক গীতিকাব্য ৰচনা কৰিছিল। কাব্যখনত এশ দুটা শ্লোক আছে। *মাৰ্কণ্ডেয় পুৰাণ*ত বৰ্ণিত দেৱী মাহাত্ম্য এই কাব্যখনৰ উৎস। এইখন কাব্যত দেৱী চণ্ডীৰ স্তুতি অৰ্চনা কৰা হৈছে। কাব্যখনত দীঘল দীঘল সমাস আৰু বিভিন্ন অলংকাৰৰ সমাহাৰ দেখা যায়।

সূৰ্যশতক কাব্যখন ময়ূৰে ৰচনা কৰিছিল। কিম্বদন্তী মতে ময়ূৰ বাণৰ শহুৰেক আছিল। বাণ আৰু ময়ূৰ দুয়োজনেই সপ্তম শতিকাৰ পূৰ্বভাগৰ কবি আছিল। এই কাব্যখনত এশ এটা শ্লোকত সূৰ্যদেৱতাৰ স্তুতি কৰা হৈছে। ইয়াৰ উপৰি সূৰ্যদেৱতাৰ বিভিন্ন অংগ, ৰথ আৰু ঘোঁৰা আদিৰ বৰ্ণনাও কৰা হৈছে।

ভক্তামৰস্তোত্ৰ কাব্যখন মানতুংগ নামৰ জৈন সম্প্ৰদায়ভুক্ত কবি এজনে ৰচনা কৰে। মানতুংগই জৈন মুনিক স্তুতি কৰি ৰোগমুক্ত হ'বলৈ এই কাব্যখন ৰচনা কৰিছিল। কবি মানতুংগ বাণভট্ট আৰু ময়ূৰৰ সমসাময়িক আছিল।

গাণ্ডীস্তোত্রগাথা নামৰ গীতিকাব্যখন প্ৰথম খ্ৰীষ্টাব্দত অশ্বঘোষে ৰচনা কৰে। অশ্বঘোষৰ পিছত ১০০ খ্ৰীষ্টাব্দত মাতৃচেতে *চতুঃশতক* আৰু *অধ্যৰ্ধশতক* নামৰ দুখন স্তুতি কাব্য ৰচনা কৰে। এই কাব্য দুখন তিব্বতী ভাষালৈ অনূদিত হৈছে। ঠিক একেদৰে *সুপ্রভাতস্তোত্র* আৰু *অষ্টকমহাশ্রীচৈত্যস্তোত্র* এই দুখন কাব্য ৰজা হৰ্ষণ (৭০০ খ্ৰীষ্টাব্দত) ৰচনা কৰে। কাব্যখনত বৌদ্ধ ধৰ্মৰ বিষয়ে লিখা হৈছে। *চতুঃস্তৱ* নামৰ এখন বৌদ্ধ-স্তোত্র আচাৰ্য নাগাৰ্জুনে ৰচনা কৰে। এই কাব্যখনো তিব্বতী ভাষালৈ অনূদিত হয়।

স্তোত্ৰৰত্ন নামৰ এখন *স্তোত্রকাব্য* যমুনাচাৰ্যই দশম শতাব্দীত ৰচনা কৰে। এই কাব্যখন বৈষ্ণৱ ধৰ্মৰ উপদেশ প্ৰচাৰ কৰিবলৈ ৰচনা কৰা হৈছিল। *কৃষ্ণকর্ণামৃত* নামৰ স্তোত্রকাব্যখন লীলাশুকে ৰচনা কৰে। লীলাশুক অতিকৈ কৃষ্ণভক্ত আছিল। তাৰ প্ৰভাব এই কাব্যত দেখা যায়। বালকৃষ্ণৰ নানান লীলাৰ বৰ্ণনা থকা এই কাব্যখন ৩০০ শ্লোকৰ সমষ্টি। কাব্যখনত গোপবধুসকলৰ কৃষ্ণভক্তিৰ বৰ্ণনা পোৱা যায়। গ্ৰন্থখন তিনিটা আশ্বাসত বিভক্ত। এই কাব্যখনত ৰাসক্ৰীড়াৰ বৰ্ণনাও পোৱা যায়। পঞ্চদশ খ্ৰীষ্টাব্দত বংগত আবিৰ্ভাব হোৱা শ্ৰীচৈতন্য আৰু অসমত আবিৰ্ভাব হোৱা শ্ৰীমাধৱদেৱৰ ওপৰত *কৃষ্ণকর্ণামৃত*ৰ বহুখিনি প্ৰভাৱ দেখা পোৱা যায়।

লক্ষ্মী হস্র নামৰ ভক্তি কাব্যখন বৈষ্ণৱ কবি বেংকটাধ্বৰিয়ে ৰচনা কৰিছিল। মাদ্ৰাজ নিবাসী এই কবিজনাৰ আবিৰ্ভাৱ কাল সপ্তদশ খ্ৰীষ্টাব্দ। এই সংস্কৃত কাব্যখনত কবিয়ে লক্ষ্মীৰ স্তুতি প্ৰশংসা এহেজাৰ শ্লোকত কৰিছে।

স্তুতিকুসুমাঞ্জলি কাব্যখন চতুৰ্দশ খ্ৰীষ্টাব্দত জগদ্ধৰ ভট্টই ৰচনা কৰে। কাব্যখনত ৩৮টা স্তোত্র আৰু ২৪০০টা শ্লোক আছে। এই কাব্যখন কৰুণ ৰসযুক্ত আৰু কাব্যখনত বিভিন্ন অলংকাৰৰ সমাবেশ ঘটিছে।

মুকুন্দমালা নামৰ বৈষ্ণৱ স্তোত্র কাব্যখন কুলশেখৰে ৰচনা কৰে। এই স্তোত্রকাব্যখনক বৈষ্ণৱ স্তোত্রসমূহৰ মুকুট মণি গণ্য কৰা হয়। ইয়াৰ শ্লোক সংখ্যা ৩৪টা।

শিৱমহিম্নঃ স্তোত্র কাব্যখন ভগৱান শংকৰক স্তুতি কৰি ৰচনা কৰা হৈছে। এই কাব্যখন আচাৰ্য পুষ্পদণ্ড নামৰ এজন ব্যক্তিয়ে ৰচনা কৰা বুলি জনা যায়। কবিজনাৰ আবিৰ্ভাৱ কাল দশম খ্ৰীষ্টাব্দৰ আগৰ বুলি অনুমান কৰা হয়।

সৌন্দর্যলহৰী আৰু *শিবানন্দলহৰী* এই দুখন স্তোত্রকাব্য শংকৰাচাৰ্যই ৰচনা কৰে। বৰ্তমান কেৰালা ৰাজ্যৰ এখন ভিতৰুৱা গাঁৱত শংকাৰাচাৰ্যৰ জন্ম হৈছিল। এওঁক ভগৱান শিৱৰ অৱতাৰ বুলি গণ্য কৰা হয়। বাল্যকালত সন্ন্যাস গ্ৰহণ কৰি মাত্র ৩২ বছৰ বয়সতে তেওঁ অদ্বৈত বেদান্ত দৰ্শন প্ৰতিষ্ঠা কৰি বিখ্যাত হৈ পৰে। দহখন মুখ্য উপনিষদ, *ব্রহ্মসূত্র* আৰু *শ্রীমদ্ভগবদ্ গীতা*ৰ ওপৰত ভাষ্য প্ৰস্তুত কৰি অদ্বৈত সিদ্ধান্ত প্ৰচাৰ কৰে। শংকৰাচাৰ্য ৰচিত *সৌন্দর্যলহৰী* স্তোত্রকাব্যত এশটা শ্লোকত মহাদেৱী পাৰ্বতীৰ অপৰিসীম সৌন্দৰ্যৰ বৰ্ণনা পোৱা যায়। একেদৰে *শিবানন্দলহৰী* স্তোত্র কাব্যখনত এশ শ্লোকত কবিজনে শিৱৰ স্তুতি কৰিছে।

মোহমুদ্গৰ বা *ভজগোবিন্দস্তোত্রত* কবিয়ে দাৰ্শনিক সত্যৰ বৰ্ণনা দাঙি ধৰিছে। মানুহৰ মোহভংগ কৰাই এই কাব্যৰ উদ্দেশ্য। কাব্যখনৰ ভাষা অতি সহজ আৰু সৰল।

সংস্কৃত গীতিকাব্য বা ভক্তিগীতৰ ইতিহাসত জয়দেৱ বিৰচিত *গীতগোবিন্দ* কাব্যৰ স্থান কালিদাস বিৰচিত *মেঘদূত* খণ্ডকাব্যৰ পিছতেই। এই *গীতিকাব্য*খন দ্বাদশ খ্ৰীষ্টাব্দৰ বংগদেশৰ ৰজা লক্ষ্মণসেনৰ ৰাজসভাৰ কবি জয়দেৱৰ দ্বাৰা ৰচিত। এই কাব্যখন ১২টা সৰ্গৰ সমষ্টি তথা ইয়াত ৰাধাকৃষ্ণৰ লীলা বৰ্ণনা কৰা হৈছে।

গীতিকবি জয়দেৱে জীৱনৰ প্ৰথম সময়খিনি মথুৰা আৰু বৃন্দাবন পৰিভ্ৰমণ কৰি ৰাধাকৃষ্ণৰ বিষয়ে মনোমোহা গীত-মাত তথা কাহিনী শুনি বৰকৈ আপ্লুত হৈছিল। তাৰ পাছত তেওঁ পুৰীৰ জগন্নাথ ধাম দৰ্শন কৰিবলৈ যায়। তাত তেওঁ পদ্মাৱতী নামেৰে এগৰাকী নাৰীক বিয়া কৰায়। জয়দেৱ ৰজা লক্ষ্মণসেনৰ দ্বাৰাও সন্মানিত হৈছিল। আনকি তেওঁ ৰজাৰ ৰাজসভাৰ পঞ্চৰত্নৰ অন্যতমৰূপে বিৰাজ কৰিছিল। লক্ষ্মণসেনৰ ৰাজত্বকাল অনুসৰি জয়দেৱৰ

আৱির্ভাৱ কাল দ্বাদশ খ্ৰীষ্টাব্দৰ শেষভাগ বুলি কবি সমাজে কয়।

পণ্ডিত জগন্নাথ ৰচিত *গংগালহৰী, অমৃতলহৰী, কৰুণালহৰী, লক্ষ্মীলহৰী* আৰু *সুধালহৰী* এই পাঁচখন *গীতিকাব্যত* ভক্তিৰসৰ আমেজ পোৱা যায়।

এনে বহু ভক্তি গীত দেশৰ প্ৰান্তে প্ৰান্তে ৰচিত, পঠিত আৰু গীত হৈ আহিছে, সেই সকলোবোৰৰ উল্লেখ কৰা অসম্ভৱ।

জানি থোৱা ভাল

চম্পূকাব্য আৰু *গীতিকাব্য*সমূহৰ উপৰি সংস্কৃত সাহিত্যত ঐতিহাসিক কাব্যবো উল্লেখ পোৱা যায়। ইতিহাসৰ বৰ্ণনা যি কাব্যত সন্নিবিষ্ট থাকে, সেইসমূহকে ঐতিহাসিক কাব্য বোলা হয়। অৱশ্যে প্ৰাচীন ভাৰতীয় কবিসকলে ৰাজসভাত উপস্থিত থাকি ৰজাৰ গুণানুকীৰ্তন কৰি কাব্য লিখিছিল। এই কাব্যবোৰক যুক্তিৰ ভিত্তিত লিখা ইতিহাস বুলি স্বীকাৰ কৰাটো অনুচিত। কাৰণ তাত ৰজাসকলৰ গুণানুকীৰ্তনৰ বাহিৰে আনকি চন, তাৰিখ আদিবো উল্লেখ পোৱা নাযায়। *ঋগ্বেদৰ* পাতত থকা উপাখ্যানবোৰ ঐতিহাসিক কাব্যৰ উৎস। *ব্ৰাহ্মণ গ্ৰন্থ, বেদাংগ*সাহিত্যতো ঐতিহাসিক আখ্যানৰ উল্লেখ পোৱা যায়। সংস্কৃত সাহিত্যত বিভিন্ন ঐতিহাসিক কাব্যৰ উল্লেখ পোৱা যায়, যেনে— বাণভট্ট বিৰচিত *হৰ্ষচৰিত গ্ৰন্থ,* প্ৰৱৰসেন বিৰচিত *সেতুবন্ধ,* পদ্মগুপ্তৰ *নবসাহসাংকচৰিত,* বিল্হনৰ *বিক্ৰমাংকদেৱচৰিত,* কল্হনৰ *ৰাজতৰঙ্গিনী,* ইত্যাদি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ গীতিকাব্য কাক বোলে?

.....

.....

প্ৰশ্ন নং ৪ ঃ গীতিকাব্যৰ ভাগ কেইটা আৰু কি কি?

.....

.....

প্ৰশ্ন নং ৫ ঃ পার্শ্বাভ্যুদয় নামৰ গীতিকাব্যখন কেইটা সর্গত বিভক্ত?

.....

.....

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যৰ বিশিষ্ট আলংকাৰিক বিশ্বনাথে *চম্পূকাব্যৰ* এক সহজলভ্য সংজ্ঞা এইদৰে দাঙি ধৰিছে— "গদ্যপদ্যময়ং কাব্যং চম্পূৰিত্যভিধীয়তে"। অর্থাৎ গদ্যপদ্যময়ী ভাষাত যি কাব্য ৰচনা কৰা হয়, সেয়ে *চম্পূকাব্য*।
- বিভিন্ন *চম্পূকাব্যৰ* কথা জানিব পৰা গ'ল, যেনে— *নলচম্পূ* (ত্ৰিবিক্ৰমভট্ট বিৰচিত) *ৰামায়ণচম্পূ* (ভোজৰাজ বিৰচিত) ইত্যাদি, লগতে তাত বর্ণিত বিষয়বস্তুসমূহবো কিছু চমু আভাস পোৱা গ'ল।
- সংস্কৃত সাহিত্যৰ পৰম ৰমনীয় অংগস্বৰূপ হৈছে *গীতিকাব্য*সমূহ। ইংৰাজীত এই শ্ৰেণীৰ কাব্যক *lyric*

poem বুলি জনা যায়। অতিশয় আৱেগিক অনুভূতিপূর্ণ আৰু সংবেদনশীল ভাৱযুক্ত অথচ মাধুর্যময় কবিতাক *গীতিকাব্য* আখ্যা দিয়া হয়।

- *গীতিকাব্যক* প্রধানকৈ দুই ভাগত বিভক্ত কৰা হৈছে। ১। ভক্তি-মূলক গীতিকাব্য বা স্তোত্রকাব্য আৰু ২। শৃংগাৰ প্রধান গীতিকাব্য বা সন্দেশকাব্য।
- ইতিহাসৰ বর্ণনা যি কাব্যত সন্নিবিষ্ট থাকে, সেই সমূহকে ঐতিহাসিক কাব্য বোলা হয়। *ৰামায়ণ-মহাভাৰতক* ভাৰতীয় পৰম্পৰাত *ঐতিহাসিক মহাকাব্য* বুলি কোৱা হয়।

৬.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, হৰমোহন দেৰ (১৯৯২) ; *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী, বুকলেণ্ড।

২) ভাগৱতী, কামাখ্যাচৰণ (২০০৩); *সংস্কৃত সাহিত্যৰ জিলিঙনি;* গুৱাহাটী, গ্রন্থপীঠ।

ইংৰাজী গ্রন্থ ঃ

৩) Kale, M. R. (Ed.) (1969) : *The Abhijnana Sakuntalama of Kalidasa;* Delhi : MBD et al.

৪) Keith, A. B. (1973) : *A History of Sanskrit Literature*, Delhi : Oxford UP.

৫) Krishnamacharior (2004) : *History of Classical Sanskrit Literature*; Delhi : Motilal Banarsidass Publishers Pvt. Ltd.

৬) Radhakrishnan, C. S. (2005) : *Kalidasa New Perspective*; Delhi : New Bharatiya Book Corporation.

৬.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ গদ্যপদ্যময়ংকাব্যং চম্পূৰিত্যভিধীয়তে।

২নং প্রশ্নৰ উত্তৰ ঃ নলচম্পু।

৩নং প্রশ্নৰ উত্তৰ ঃ অতিশয় আৱেগিক, অনুভূতিপূর্ণ আৰু সংবেদনশীল ভাৱযুক্ত অথচ মাধুর্য্যময় কাব্যকে গীতিকাব্য বোলে।

৪নং প্রশ্নৰ উত্তৰ ঃ গীতিকাব্য প্রধানকৈ দুটা ভাগত বিভক্ত। (১) ভক্তিমূলক গীতিকাব্য বা স্তোত্রকাব্য আৰু (২) শৃংগাৰ প্রধান গীতিকাব্য বা সন্দেশকাব্য।

৫নং প্রশ্নৰ উত্তৰ ঃ চাৰিটা সর্গত বিভক্ত।

৬.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গীতিকাব্যৰ ভাগসমূহ উল্লেখ কৰক।

(খ) চুটি প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ চম্পূকাব্য কাক বোলে? ইয়াৰ উৎস কি?

প্ৰশ্ন ২ঃ ত্ৰিবিক্ৰমভট্ট ৰচিত চম্পূকাব্যখনৰ নাম কি?

প্ৰশ্ন ৩ঃ গীতিকাব্য কাক বোলে?

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সংস্কৃত সাহিত্যত থকা কিছুমান গুৰুত্বপূৰ্ণ *চম্পূকাব্যৰ* বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ সংস্কৃত সাহিত্যত থকা বিভিন্ন প্ৰকাৰৰ *গীতিকাব্যৰ* বিষয়ে আভাস দাঙি ধৰক।

*** ***** ***

অধ্যায় ৭ঃ গদ্যকাব্য (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ গদ্যকাব্যৰ পৰিচয়

৭.৩.১ গদ্যকাব্যৰ লক্ষণ

৭.৩.২ গদ্যকাব্যৰ ভাগ

৭.৩.৩ গদ্যকাব্যৰ উৎস বা প্ৰাচীনতা

৭.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গদ্যকাব্যৰ উল্লেখ

৭.৪.১ সুৱন্ধু আৰু তেওঁৰ প্ৰতিভা

৭.৪.২ দণ্ডি আৰু তেওঁৰ প্ৰতিভা

৭.৪.৩ বাণ আৰু তেওঁৰ প্ৰতিভা

৭.৫ শব্দাৰ্থ তালিকা

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্ৰগতিৰ খতিয়ান

৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গদ্যকাব্যৰ পৰিচয় লাভ কৰিব পাৰিব
- গদ্যকাব্যৰ লক্ষণৰ বিষয়ে জানিব পাৰিব
- গদ্যকাব্যৰ ভাগসমূহৰ লগত অৱগত হ'ব পাৰিব
- গদ্যকাব্যৰ উৎস, প্ৰাচীনতা আৰু পৰম্পৰাৰ বিষয়ে জানিব পাৰিব
- গদ্যকাৰ সুৱন্ধুৰ বাসৱদত্তাৰ পৰিচয় পাব
- বাণভট্টৰ ৰচনা শৈলীৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- হৰ্ষচৰিত আৰু কাদম্বৰীৰ বিষয়ে জানিব পাৰিব
- দণ্ডীৰ গদ্যকাব্যৰ বিষয়ে জানিব পাৰিব।

৭.২ গদ্যকাব্যৰ পৰিচয়

আগৰ অধ্যায়ত আপুনি চম্পূকাব্য আৰু গীতিকাব্যৰ বিষয়ে কিছু আভাস পালে। এই অধ্যায় অধ্যয়ন কৰি আপুনি সংস্কৃত শ্ৰব্যকাব্যৰ অন্তৰ্গত গদ্যকাব্যৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব। আপুনি জানে যে সংস্কৃত কাব্যসাহিত্য প্ৰধানকৈ দুটা ভাগত বিভক্ত ১। দৃশ্য কাব্য আৰু ২। শ্ৰব্যকাব্য। দৃশ্যকাব্য অভিনয়ৰ যোগেদি দেখুওৱা

হয়। যেনে ঃ নাটকাদি। উদাহৰণস্বৰূপে ভাস বা কালিদাসৰ নাটক স্বপ্নবাসৱদত্তা বা অভিজ্ঞানশকুন্তলম্ নাটক এখন মঞ্চস্থ কৰি উপভোগ কৰিব পাৰো। দৃশ্যকাব্যসমূহক 'ৰূপক' বুলিও কোৱা হয়। এজনৰ ৰূপ আন এজনৰ ওপৰত আৰোপ কৰা হয় বাবে ৰূপক বোলে।

শ্ৰব্যকাব্য সমূহ শ্ৰৱণৰ যোগ্য বা কাণেৰে শুনি উপভোগ কৰা হয়। এই শ্ৰব্যকাব্য গদ্য আৰু পদ্যৰূপে দুটা ভাগত ভগোৱা হৈছে। গদ্যকাব্য সমাসযুক্ত হয় আৰু পদ্যকাব্য ছন্দত ৰচনা কৰা হয়।

এতিয়া আপুনি এই অধ্যায়ত গদ্যকাব্যৰ স্বৰূপ বা লক্ষণ, ইয়াৰ উৎস, বিভিন্ন ভাগ তথা বিভিন্ন উল্লেখযোগ্য গদ্যকাৰ আৰু তেওঁলোকৰ ৰচনাসমূহৰ বিষয়ে জানিব পাৰিব।

৭.৩ গদ্যকাব্যৰ পৰিচয়

প্ৰথমতে আপুনি এতিয়া গদ্যকাব্যৰ বিষয়ে জানিব পাৰিব। বৈদিক যুগত পৰ্যাপ্ত পৰিমাণে গদ্যাত্মক ৰচনা আমাৰ দৃষ্টিগোচৰ হ'লেও বৈদিকোত্তৰ কালৰ প্ৰথম অৱস্থাত সকলো গ্ৰন্থতে পদ্যাত্মক ৰচনাহে প্ৰকাশ পাবলৈ ধৰে। আনকি ব্যাকৰণ, জ্যোতিষ, বিধি, চিকিৎসা আদি বিষয়তো ছন্দোবদ্ধ গ্ৰন্থৰ সৃষ্টি হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল পদ্য মনত ৰাখিবলৈ সহজ। সেইবোৰ কাৰণতে গদ্যই জনপ্ৰিয়তা হেৰুৱালে আৰু নীৰস তথা সাধাৰণ গদ্যই সমালোচকসকলৰ মন আকৰ্ষণ নকৰা হ'ল। ফলত গদ্যকাৰসকল তেওঁলোকৰ গদ্যৰচনাত এক বৈশিষ্ট্য সৃষ্টিৰ বাবে চেষ্টা কৰিবলৈ ধৰে। ছন্দোৱদ্ধ ৰচনাৰ সৈতে ফেৰ মাৰিব পৰাকৈ গদ্যৰচনাতে এক কাব্যিক চাৰুতাৰ সৃষ্টিৰ বাবে এক চেষ্টা আৰম্ভ হ'ল। আনুপ্ৰাসিক পদ আৰু দীৰ্ঘসমাসৰ ব্যৱহাৰেৰে গদ্য সৃষ্টিৰ প্ৰয়াস হ'ল। ছন্দক বাদদি আলঙ্কাৰিক কাব্যৰ সকলো বৈশিষ্ট্য গদ্যকাব্যৰো বৈশিষ্ট্য হৈ পৰিল। ইয়াৰ পৰিণতি স্বৰূপে গদ্যকাব্য নামেৰে এক অভিনৱ কাব্যধৰ্মী গদ্যাত্মক ৰচনাৰ সৃষ্টি হ'ল। এই ৰচনাৰাজিয়ে লোককথাসমূহৰ পৰা বিষয়বস্তু গ্ৰহণ কৰিলে আৰু অলঙ্কাৰবিশিষ্ট ছন্দোৱদ্ধ কাব্যৰ পৰা নিজাকৈ অলঙ্কাৰবহুল ৰূপ ল'লে। ছন্দবিহীন গদ্যত কাব্যিক কমনীয়তাৰ সৃষ্টি সহজসাধ্য নাছিল আৰু সেয়ে গদ্যকাৰসকলে কাব্যতত্ত্ববিদ সমালোচকসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ মনোৰম গদ্যৰচনাৰ বাবে অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰিবলগা হ'ল। সেয়ে পদ্যাত্মক ৰচনাতকৈ গদ্যাত্মক ৰচনাহে অধিক কষ্টকৰ বুলি সময়ত বিবেচিত হ'ল আৰু পণ্ডিতসকলে **গদ্য**কাব্যৰ বিষয়ে মন্তব্য দিলে— গদ্যং কবীনাং নিকষং বদন্তি।

> ***গদ্যকাব্য*ঃ** গদ্যকাব্য হৈছে সমাস বহুল ৰচনা

> দৃশ্য আৰু শ্ৰব্যভেদে কাব্যৰ দুটা প্ৰধান ভাগ আছে।

৭.৩.১ গদ্যকাব্যৰ লক্ষণ

গদ্যকাব্যৰ পৰিচয়ৰ পাছত আপুনি এতিয়া গদ্যকাব্যৰ লক্ষণৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ বিশিষ্ট আলঙ্কাৰিক বিশ্বনাথ কবিৰাজে গদ্যকাব্যৰ সংজ্ঞা এইদৰে দাঙি ধৰিছে— "বৃত্তগন্ধোজ্ঝিতং গদ্যম্"। অৰ্থাৎ ছন্দবিহীন ৰচনাকে গদ্যকাব্য বোলে। এই লক্ষণটো সৰ্বজনবিদিত আৰু আলঙ্কাৰিক সকলেও মানি লৈছে।

৭.৩.২ গদ্যকাব্যৰ ভাগ

আপুনি গদ্যকাব্যৰ বিষয়ে জনাৰ পিছত গদ্যকাব্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব। আলঙ্কাৰিক

বিশ্বনাথ কবিৰাজে গদ্যকাব্যক চাৰিপ্ৰকাৰত ভাগ কৰিছে— ১) মুক্তক, ২) বৃত্তগন্ধি, ৩) উৎকলিকাপ্ৰায়, ৪) চূৰ্ণক। ১) মুক্তক— সমাসহীন গদ্যক মুক্তক বোলা হয়। ২) বৃত্তগন্ধি— য'ত আংশিকভাৱে ছন্দৰ সম্পৰ্ক থাকে সেয়ে বৃত্তগন্ধি গদ্য। ৩) উৎকলিকাপ্ৰায়— দীঘল সমাসযুক্ত পদৰ দ্বাৰা ৰচিত গদ্যক উৎকলিকাপ্ৰায় বোলে। ৪) চুটি চুটি সমাসযুক্ত পদৰ দ্বাৰা ৰচিত গদ্যৰ নাম চূৰ্ণক।

উক্ত গদ্যকাব্য সমূহক পুনৰ দুটা ভাগত ভাগ কৰিছে। সেয়া হৈছে— ১) কথা আৰু ২) আখ্যায়িকা। 'অগ্নিপুৰাণ'ত আকৌ গদ্যকাব্যক পাঁচ প্ৰকাৰ বুলি কৈছে—

আখ্যায়িকা কথা খণ্ডকথা পৰিকথা তথা।

কথানিকেতি মন্যন্তে গদকাব্যং চ পঞ্চধা।।

অৰ্থাৎ আখ্যায়িকা, কথা, খণ্ডকথা, পৰিকথা, কথানিকা এই পাঁচ প্ৰকাৰৰ গদ্যকাব্য আছে

কিন্তু দণ্ডীয়ে তেওঁৰ 'কাব্যাদৰ্শ' গ্ৰন্থত গদ্য সাহিত্যক দুই প্ৰকাৰৰ বুলি কৈছে— কথা আৰু আখ্যায়িকা। কবিৰ কল্পিত কাহিনীক আশ্ৰয় কৰি কথা ৰচিত হয় আৰু সত্য কাহিনী আখ্যায়িকাত বৰ্ণিত হয়। বাকী যিবিলাক গদ্যকাব্যৰ ভাগ দেখুৱাইছে সেই সকলোবোৰ কথা আৰু আখ্যায়িকাৰেই অন্তৰ্ভুক্ত। সেইবাবে দণ্ডীয়ে কৈছে— কথা আৰু আখ্যায়িকাই গদ্যসাহিত্যৰ দুটা প্ৰধান ভাগ।


অগ্নিপুৰাণ গ্ৰন্থত কথা আৰু আখ্যায়িকাৰ লক্ষণ উল্লেখ আছে যদিও 'সাহিত্যদৰ্পণ' গ্ৰন্থৰ ৰচয়িতা বিশ্বনাথ কবিৰাজেও কথা আৰু আখ্যায়িকাৰ লক্ষণ এনেদৰে দেখুৱাইছে।

১) **কথা** ঃ যি কাব্যত গদ্যৰ যোগেদি ইতিবৃত্ত মনোৰম আৰু মনোগ্ৰাহী কৰি তোলা হয় তাকে কথা বোলে। এই কথাৰ ভিতৰত মাজে মাজে আৰ্যা ছন্দৰ শ্লোক আৰু বক্ত্ৰ বা অপবক্ত্ৰ ছন্দত ৰচিত শ্লোকো থাকিব পাৰে। কথা কাব্যৰ আৰম্ভতে ছন্দোৱদ্ধ পদ্যময়, নমস্কাৰাত্মক মঙ্গলাচৰণ, দুষ্ট লোকৰ নিন্দা বা সজ্জনৰ প্ৰশংসা প্ৰকাশক বৰ্ণনা থাকিব লাগে। কথা কাব্যৰ উদাহৰণ, যেনে— 'কাদম্বৰী' আদি।

২) **আখ্যায়িকা** ঃ আখ্যায়িকা নামৰ গদ্যকাব্যও কথাৰ দৰেই কিন্তু ইয়াত কবিয়ে নিজৰ বংশৰ বৰ্ণনা কৰে আৰু ইয়াৰ কোনো কোনো ঠাইত অন্যান্য কবিৰ বিষয়েও আলোচনা থাকে। আখ্যায়িকাৰ মাজে মাজে পদ্যও থাকে। আখ্যায়িকাৰ কথাংশ বা বিষয় বৰ্ণনাৰ বিভাগ বিলাকক আশ্বাস (উচ্ছ্বাস) বুলি উল্লেখ কৰা হয়। এই আশ্বাস বিলাকৰ আৰম্ভতে আৰ্যা, বক্ত্ৰ বা অপবক্ত্ৰ আদি ছন্দৰ যিকোনো ছন্দত ৰচিত পদ্যৰ দ্বাৰা বিষয়বস্তুৰ বৰ্ণনাৰ ছলেৰে বৰ্ণনীয় বিষয়ৰ সূচনা কৰা হয়। আখ্যায়িকাৰ উদাহৰণ— হৰ্ষচৰিত আদি।

কোনো কোনো পণ্ডিতে নায়কেই আখ্যায়িকা নামৰ গদ্যকাব্যৰ কথক হয় বুলি কয়। সেইকথা যুক্তিযুক্ত নহয়, কাৰণ, এই বিষয়ে আচাৰ্য দণ্ডীয়ে কৈছে- আখ্যায়িকাত যে নায়কেই আখ্যান বৰ্ণনা কৰিব লাগে এনেকুৱা নিয়ম নাই, কাৰণ দেখা যায়— এনেকুৱা আখ্যায়িকাও আছে, য'ত নায়কৰ বাহিৰে আন পাত্ৰয়ো আখ্যানভাগ বৰ্ণনা কৰিছে।

নিম্নোক্ত ধৰণেৰে সংস্কৃত কাব্য সাহিত্যৰ ভাগসমূহ আপোনাৰ সুবিধাৰ বাবে সহজকৈ দেখুৱা হ'ল।



৭.৩.৩ গদ্যকাব্যৰ উৎস বা প্ৰাচীনতা

গদ্যকাব্যৰ ভাগসমূহৰ পিছত আপুনি এতিয়া গদ্যকাব্যৰ উৎস বা প্ৰাচীনতাৰ বিষয়ে জানিব পাৰিব—

সংস্কৃত গদ্য সাহিত্যৰ উৎস অতি প্ৰাচীন। ঋগ্বেদৰ নিগদাধ্যায়, কৃষ্ণযজুৰ্বেদৰ অন্তৰ্গত তৈত্তিৰীয় সংহিতা, কাঠকসংহিতা, মৈত্ৰায়ণী সংহিতা আৰু অথৰ্ববেদৰ ব্ৰাত্যকাণ্ড আদিয়ে প্ৰাচীন গদ্যৰ উৎস। তদুপৰি সমস্ত ব্ৰাহ্মণ সাহিত্য, আৰণ্যক তথা উপনিষদ সমূহতো গদ্যৰ আভাস পোৱা যায়। কল্পসূত্ৰসমূহৰ শৈলীয়েও গদ্যৰ নতুন ধাৰাৰ পৰিচয় দিয়ে। পতঞ্জলিৰ 'মহাভাষ্য'ত সৰল গদ্যৰ চানেকি দেখা যায়। মহাভাৰত মহাকাব্য আৰু বিষ্ণুপুৰাণৰ অংশ বিশেষতো সহজ-সৰল গদ্য দেখা যায়। প্ৰাচীন শিলালিপি, তাম্ৰলিপি, মীমাংসা সূত্ৰ আৰু দৰ্শনৰ বিভিন্ন টীকা ভাষ্য সমূহত সুন্দৰ গদ্য সাহিত্যৰ নিদৰ্শন দেখা যায়।

যজুৰ্বেদ, অথৰ্ববেদ আৰু ব্ৰাহ্মণৰ গদ্যৰীতি সৰল। সামগ্ৰিকভাবে বিচাৰ কৰিলে দেখা যায় বৈদিক গদ্য ৰীতি সৰল, সহজবোধ্য, বাক্যৰীতি সাৱলীল। পৰৱৰ্তী কালত বাণভট্ট ৰচিত 'কাদম্বৰী'ত দীৰ্ঘ সমাসযুত গদ্যৰচনা দেখা যায়।

বাৰ্ত্তিককাৰ কাত্যায়নে (৪০০ খৃঃপূঃ) আখ্যায়িকা ৰচনা কৰিছিল। পতঞ্জলিয়েও ২০০ খৃঃপূঃত আখ্যায়িকা ৰচনা কৰিছিল পতঞ্জলিয়েও ২০০ খৃঃপূঃত 'বাসৱদত্তা', 'সুমনোত্তৰা', 'ভৈমৰথী' প্ৰভৃতি আখ্যায়িকাৰ নাম উল্লেখ কৰিছে।

গদ্যকাৰ বাণভট্টই ভট্টাৰক হৰিশ্চন্দ্ৰক গদ্যলেখক হিচাবে গণ্য কৰিছে। তেনেদৰে জল্হন নামৰ আলঙ্কাৰিকে উল্লেখ কৰিছে যে বৰৰুচিৰ 'চাৰুমতী', ৰোমিল্ল-সৌমিল্লৰ বিৰচিত 'শূদ্ৰক কথা', শ্ৰীপালি নামৰ লেখকৰ 'তৰঙ্গৱতী কথা' আৰু সাতবাহন ৰজাসকলৰ দিনত ৰচিত 'শাতকর্ণিহৰণ' আৰু 'নমোৱন্তী কথা' আদি গদ্যবোৰে প্ৰাচীন সাহিত্যৰ পৰম্পৰাক সমৰ্থন কৰে।

৭.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গদ্যকাব্যৰ উল্লেখ

আপুনি ইতিমধ্যে সংস্কৃত গদ্যকাব্যৰ উৎস আৰু প্ৰাচীনতাৰ বিষয়ে জানিব পাৰিলে। এতিয়া আপুনি বিভিন্ন গদ্যকাব্যৰ বিষয়ে জানিব পাৰিব।

গদ্য সাহিত্য বুলিলে বিশেষকৈ সুবন্ধু, দণ্ডী আৰু বাণভট্টৰ ৰচনাৰাজি উল্লেখ কৰিব পাৰি।

৭.৪.১ সৰন্ধু আৰু তেওঁৰ প্ৰতিভা

সুৰন্ধুৱে 'বাসৱদত্তা' নামৰ গদ্যকাব্যখন ৰচনা কৰিছিল। সুৰন্ধুৰ জন্মস্থান ক'ত আৰু আৰিৰ্ভাৰ কেতিয়া এই বিষয়লৈ পণ্ডিতসকল এতিয়াও নিশ্চিত নহয়। কিছুমান পণ্ডিতৰ মতে তেওঁ বাণভট্টৰ পূৰ্বৱৰ্ত্তী আৰু কিছুমানৰ মতে তেওঁ বাণৰ পৰৱৰ্তী। 'হৰ্ষচৰিত'ত বাণে 'বাসৱদত্তা'ৰ উল্লেখ কৰি কৈছে যে ৰচনাৰ উৎকৰ্ষতাৰে 'বাসৱদত্তা'ই কবিসকলৰ দৰ্পহৰণ কৰিছে। সুৰন্ধুৰ আৰিৰ্ভাৰকাল ষষ্ঠ শতাব্দীৰ শেষকাল বুলি পণ্ডিতসকলে অনুমান কৰিছে।

'সুৰন্ধু' ৰচিত 'বাসৱদত্তা'ৰ আখ্যানভাগ হৈছে— ৰজা চিন্তামণিৰ পুত্ৰ কন্দৰ্পকেতুৱে সপোনত এগৰাকী সুন্দৰী কন্যাক দেখি তেওঁৰ অনুসন্ধানত বন্ধু মকৰন্দক লগত লৈ গৃহ ত্যাগ কৰে। ৰাতি এজোপা গছৰ তলত বহি থাকোঁতে সেই গছত বাসকৰা এহাল ভাটৌ দম্পতীৰ পৰা জানিব পাৰিলে যে কুসুমপুৰৰ ৰজা শৃঙ্গাৰ শেখৰৰ কন্যা বাসৱদত্তাই সপোনত এজন অপৰূপ যুৱকক দেখি তেওঁক সন্ধান কৰিবৰ বাবে সখী তমালিকাক প্ৰেৰণ কৰে। ৰাজকুমাৰীৰ স্বয়ম্বৰত বহুতো ৰাজকুমাৰ সমাগত কিন্তু ৰাজকুমাৰীয়ে স্বপ্নদৃষ্ট যুৱকৰ বাহিৰে আনক পতিবৰণ নকৰে। পিছত মকৰন্দ আৰু তমালিকাৰ লগালগি হয় আৰু তেওঁলোকৰ সহায়তে কন্দৰ্পকেতুৰ লগত বাসৱদত্তাৰ গোপনে মিলন হয়।

তাৰ পিছত তেওঁলোক দুয়ো পলাই গৈ এখন অৰণ্যত জিৰণি লোৱাত ভাগৰত বাসৱদত্তা আৰু কন্দৰ্পকেতু টোপনি যায়। পাছত টোপনি ভঙাত বাসৱদত্তাই ফল আহৰণ কৰিবলৈ যায়। তাৰ পিছত তেওঁৰ ৰূপত মুগ্ধ হৈ দুজন বনেচৰৰ মাজত তেওঁক স্ত্ৰীৰূপে পোৱাৰ কাৰণে দুয়োজনৰ মাজত যুদ্ধ হয় আৰু সেই যুদ্ধত দুয়োজনৰ মৃত্যু হয়। সেই অৰণ্য এজন ঋষিৰ তপোবন আছিল। ঋষিয়ে যেতিয়া জানিব পাৰিলে যে বাসৱদত্তাৰ বাবে তপোবনৰ শান্তিভঙ্গ হৈছে, সেয়ে বাসৱদত্তাক প্ৰস্তৰমূৰ্ত্তিত পৰিণত হ'বলৈ আশীৰ্বাদ দিয়ে। বাসবদত্তাই ঋষিক অনুৰোধ জনোৱাত তেতিয়া ঋষিয়ে কয় যে প্ৰেমিকৰ হাতৰ স্পৰ্শত পুনৰ জীৱন ঘূৰাই পাব।

ইফালে কন্দৰ্পকেতুৱে সাৰ পাই বাসৱদত্তাক বিচাৰি নাপাই আত্মহত্যা কৰিবলৈ উদ্যত হোৱাত দৈৱবাণীয়ে কয় যে তেওঁ প্ৰিয়াৰ সৈতে মিলন হ'ব। তাকে আশা কৰি ঘূৰি ফুৰোঁতে হঠাতে এটি প্ৰস্তৰ মূৰ্ত্তিত বাসৱদত্তাৰ সাদৃশ্য দেখি মূৰ্ত্তিটো সাৱটি ধৰে। লগে লগে মূৰ্ত্তিলৈ ৰূপান্তৰিত হোৱা বাসৱদত্তা জীৱন্ত হৈ পৰে আৰু কন্দৰ্পকেতুৱে বাসৱদত্তাক পুনৰ লাভ কৰে।

কবিত্ব প্ৰতিভা ঃ বাণৰ ৰচনাত যি অপাৰ শব্দ ভাণ্ডাৰ, অলঙ্কাৰ আৰু কল্পনাৰ অপূৰ্বসমাবেশ, বৰ্ণনাৰ তীক্ষ্ণ পৰ্যবেক্ষণ শক্তি, সঙ্গীতাত্মক ভাষা বিৰাজমান তেনেদৰে সুৰন্ধুৰ লেখনিত পোৱা নাযায়। সুৰন্ধুৰ কাব্য গৌড়ী-ৰীতি প্ৰধান। শ্লেষ তেওঁৰ ৰচনাৱলীৰ প্ৰাণস্বৰূপ। তেওঁৰ গ্ৰন্থত বক্ৰোক্তিৰ প্ৰাধান্য বৰ্তমান। কবিৰাজে 'ৰাঘৱপাণ্ডৱীয়' কাব্যত 'বাসৱদত্তা'ৰ প্ৰশংসা কৰি কৈছে—

'সুৰন্ধু বাণভট্টশ্চ কবিৰাজ ইতি ত্ৰয়ঃ'।
বক্ৰোক্তিমাৰ্গনিপুণাঃ চতুৰ্থো বিদ্যতে ন বা।।

(ৰাঘৱ পাণ্ডৱীয় ১/৪১)

সুৰন্ধুৰ ৰচনাত নতুন উন্মেষশালিনী প্ৰতিভাৰ পৰিচয় পোৱা নাযায়। কিন্তু তেওঁ অৰ্থগৌৰৱ প্ৰয়োগত সিদ্ধহস্ত আছিল। শ্লিষ্ট প্ৰয়োগত সুৰন্ধু অতি বিচক্ষণ। দুই এটা বৰ্ণনাৰ মাজত স্বভাৱোক্তি অলঙ্কাৰৰ ৰমণীয়তা দেখা যায়। কাব্যৰ মাজে মাজে কবিয়ে বক্ৰোক্তি প্ৰয়োগ কৰিছিল ফলত তেওঁৰ ৰচনাৱলী স্পষ্টৰূপে বুজা দুঃসাধ্য হৈ পৰে। সেই কাৰণে কবিয়ে অৰ্থ বুজিবলৈ পাঠকমণ্ডলীক পদে পদে অভিধান চাবলৈ সকিয়াই দিছে।

জানি থোৱা ভাল

১। 'সাহিত্যদৰ্পন'ৰ মতে ৰীতি চাৰিবিধ— বৈদৰ্ভী, গৌড়ী, পাঞ্চালী আৰু লাটী।

২। ওজগুণ প্ৰকাশক বৰ্ণৰ সমাবেশত সমাস বহুল, আড়ম্বৰপূৰ্ণ ৰচনাৰ নাম গৌড়ী ৰীতি।

৩। সাহিত্যদৰ্পনৰ মতে গুণ তিনি প্ৰকাৰৰ— (১) মাধুৰ্য্য, (২) ওজঃ আৰু (৩)প্ৰসাদ।

৪। চিত্তৰ বিস্তাৰ ৰূপ দীপ্ত অৱস্থাক ওজঃ গুণ বোলা হয়।

৫। আচাৰ্য বামনৰ মতে গুণ দহবিধ। তাৰে এক প্ৰকাৰৰ গুণ হ'ল শ্ৰেয়। আনহাতে শ্ৰেয় এবিধ শব্দাংকাৰ।

৬। বক্ৰোক্তি হ'ল এবিধ অলংকাৰ।

শ্লেষ এবিধ শব্দালংকাৰ য'ত এটা শ্লিষ্ট পদৰ দ্বাৰা অনেকাৰ্থৰ বোধ হয়।

৭.৪.২ দণ্ডি আৰু তেওঁৰ প্ৰতিভা

দণ্ডীৰ আৱিৰ্ভাৱকালসম্পৰ্কে পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। দণ্ডীৰ পিতা-মাতা কাঞ্চীৰ অধিবাসী আছিল বুলি পণ্ডিতসকলে মত পোষণ কৰে। তেওঁৰ পিতৃৰ নাম আছিল বীৰদত্ত আৰু মাতৃৰ নাম গৌৰী। তেওঁলোক দাক্ষিণাত্যৰ কৌশিক গোত্ৰীয় ব্ৰাহ্মণ। বাল্যকালতেই দণ্ডীৰ পিতৃমাতৃৰ বিয়োগ হয়। সৰস্বতী আৰু শ্ৰুত নামে দুগৰাকী লোকে তেওঁক লালন-পালন কৰে। সেই কথা 'অৱন্তীসুন্দৰী কথাষাৰ' নামে এখন গ্ৰন্থত উল্লেখ আছে।

৬৫৫ খ্ৰীষ্টাব্দত চালুক্যৰাজ দ্বিতীয় বিক্ৰমাদিত্যই কাঞ্চী অধিকাৰ কৰাত দণ্ডীয়ে জন্মস্থান পৰিত্যাগ কৰি ভ্ৰমণৰ বাবে বাহিৰ হয়। পিছত ৰজা নৰসিংহবৰ্মাৰ দ্বাৰা কাঞ্চী প্ৰদেশ পুনৰ হস্তগত হোৱাত দণ্ডী নিজ দেশলৈ ঘূৰি আহে আৰু ৰাজসভাত উচ্চপদত নিযুক্ত হয়।

'কাব্যাদৰ্শ' নামৰ অলঙ্কাৰ গ্ৰন্থৰ ৰচয়িতা দণ্ডী আৰু গদকাব্য 'দশকুমাৰচৰিত'ৰ ৰচয়িতা একেজন ব্যক্তি হয়নে নহয় এই বিষয়ে মতভেদ আছে। বহুতো পণ্ডিতে মতপোষণ কৰে যে 'দশকুমাৰচৰিত' দণ্ডীৰ কম বয়সৰ ৰচনা আৰু 'কাব্যাদৰ্শ' পৰিণত বয়সৰ ৰচনা।

দণ্ডী বাণভট্টৰ পূৰ্বৰ নে পৰৱৰ্ত্তীকালৰ সেই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ আছে। পিটাৰচন (Piterson) আৰু জেকবী (Jekbi)ৰ মতে 'কাব্যাদৰ্শ'ৰ এটা শ্লোকত কাদম্বৰীৰ 'শুকনাসোপদেশ'ৰ কাহিনীৰ ছাঁ পৰিছে। এইফালৰ পৰা দণ্ডী বাণৰ পৰৱৰ্ত্তীকালৰ। আনফালে 'দশকুমাৰচৰিত'ৰ প্ৰাসাদোপম শৈলীৰ তুলনা বানৰ কঠিন শৈলীৰ লগত তুলনা কৰিলে দেখা যায় যে 'দশকুমাৰচৰিত'ত যি ভৌগোলিক তথা ৰাজনৈতিক বৰ্ণনা পোৱা যায় সেয়া হৰ্ষবৰ্দ্ধনতকৈ পূৰ্বৰ ভাৰতবৰ্ষৰ চিত্ৰ। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় দণ্ডী বাণভট্টতকৈ পূৰ্বৱৰ্ত্তী।

মেক্সমূলাৰ, ৱেবৰ, মেকডোনাল আদি পশ্চিমীয়া পণ্ডিতসকলৰ মতে দণ্ডী সপ্তম শতাব্দীৰ আৰম্ভণিৰ। আনহাতে আলঙ্কাৰিক বামনৰ দ্বাৰা ৰচিত 'কাব্যালঙ্কাৰ সূত্ৰবৃত্তি'ৰ ওপৰতো দণ্ডীৰ 'কাব্যাদৰ্শ'ৰ প্ৰচুৰ প্ৰভাৰ পৰা পণ্ডিতসকলে স্বীকাৰ কৰিছে। বামনৰ সময় ৮ম শতিকা। গতিকে, দণ্ডীৰ আৱিৰ্ভাৰ কাল সপ্তম শতিকাৰ আদিভাগ।

'দশকুমাৰ চৰিত' দহজন কুমাৰৰ কাহিনীৰ সংযোজন। গ্ৰন্থখন দুটা অংশত বিভক্ত— (১) পূৰ্ব পীঠিকা, (২) উত্তৰ পীঠিকা। পূৰ্ব পীঠিকাত পাঁচটা আৰু উত্তৰ পীঠিকাত আঠটা উচ্ছ্বাস আছে। উত্তৰপীঠিকাৰ শেষৰ চাৰিটা উচ্ছ্বাসৰ নাম 'শেষ'। চক্ৰপাণি দীক্ষিত নামে দাক্ষিণাত্যবাসী কোনো লিখকৰ দ্বাৰা ই পৰৱৰ্ত্তীকালত

ৰচিত হৈছে। 'দশকুমাৰচৰিত'ৰ 'আৰম্ভ' আৰু 'শেষ' এই দুই অংশ অসংলগ্ন। বোধহয়, দণ্ডীয়ে 'দশকুমাৰচৰিত' সম্পূৰ্ণ কৰিব নোৱাৰিলে।

'দশকুমাৰ চৰিত'ৰ কাহিনীভাগ চমুকৈ এনেধৰণৰ—

মগধৰ ৰজা ৰাজহংসই এবাৰ মালৱৰাজ মানসাৰক যুদ্ধত পৰাভূত কৰে। পিছত মানসাৰে প্ৰতিশোধ ল'বলৈ ইচ্ছা কৰি কঠোৰ তপস্যা কৰে। তপস্যাত সিদ্ধি লাভ কৰি তেওঁ মগধৰ ৰাজধানী পাটলিপুত্ৰ আক্ৰমণ কৰে আৰু যুদ্ধত মহাৰাজ ৰাজহংসক পৰাস্ত কৰে। পৰাভূত ৰাজহংসই অৰণ্যত আশ্ৰয় লয়। সেই অৰণ্যতে তেওঁৰ পত্নীৰ এটি পুত্ৰ জন্ম হয় আৰু তেওঁৰ নাম থোৱা হয় ৰাজবাহন। ৰাজহংসৰ চাৰিজন অমাত্যৰো (মন্ত্ৰীৰো) চাৰিজন পুত্ৰ জন্ম হয়। তেওঁলোকৰ সৈতে আন পাঁচজন কোঁৱৰো তাত লগ হয়। এনেদৰে দহজন কুমাৰ একেলগে ডাঙৰ-দীঘল হয়। বনতে তেওঁলোক সকলো বিদ্যাত শিক্ষিত হয়। বয়সপ্ৰাপ্ত হোৱাত তেওঁলোকে দিগ্বিজয়ৰ বাবে মন মেলিলে। দিগ্বিজয় যাত্ৰা কৰি গৈ বিন্ধ্যাৰণ্যত ৰাজবাহনে মাতঙ্গ নামৰ ব্ৰাহ্মণক লগ পালে আৰু তেওঁ ৰাজবাহনক ক্ষুৎপিপাসা মণি প্ৰদান কৰে। ব্ৰাহ্মণসকলৰ উপকাৰৰ বাবে পাতাললৈ গমন, পাতাললৈ যোৱা ৰাজবাহনৰ সৈতে সোমদত্ত, পুষ্পোদ্ভৱৰ লগত সমাগম, তেওঁলোকৰ আত্মচৰিত কীৰ্তন, তাৰ পাছত ৰাজবাহন আৰু অৱন্তীসুন্দৰীৰ পৰিচয় কথন— এই আটাইবোৰৰ বৰ্ণনা পূৰ্বপীঠিকাত উল্লেখ আছে।

উত্তৰপীঠিকাৰ প্ৰথম উচ্ছ্বাসত ৰাজবাহনৰ চম্পানগৰলৈ গমন, তাত বন্ধন মুক্তি, সুৰতমঞ্জৰীৰ শাপ বৃত্তান্ত আৰু শেষত দহজন কুমাৰৰ মিলন আদি বিষয় বৰ্ণিত হৈছে। দ্বিতীয় উচ্ছ্বাসৰ পৰা অষ্টম উচ্ছ্বাসলৈকে উপহাৰ বৰ্মা, অপহাৰ বৰ্মা, অৰ্থপাল, প্ৰমতি, মিত্ৰগুপ্ত, মন্ত্ৰগুপ্ত আৰু বিশ্ৰুত ৰাজকুমাৰসকলৰ নিজ নিজ বৃত্তান্ত বৰ্ণনা আৰু শেষত ৰাজহংস ৰাজ্যপ্ৰাপ্তি ইত্যাদি বৰ্ণনা পোৱা যায়।

কবিত্ব প্ৰতিভা ঃ প্ৰাচীন সাহিত্যৰ বিদগ্ধ সমালোচক আৰু ৰসজ্ঞসকলে দণ্ডীৰ কবিকৃতিৰ প্ৰশংসা কৰে আৰু তেওঁক মৰ্যাদাৰ আসনত প্ৰতিষ্ঠিত কৰিছে। এটি প্ৰসিদ্ধ শ্লোকত কালিদাস, ভাৰবি আৰু মাঘৰ বৈশিষ্ট্য এনেদৰে উল্লেখ কৰা হৈছে—

উপমা কালিদাসস্য ভাৰবেৰ্থগৌৰৱম।
নৈষধে পদলালিত্যং মাঘে সন্তি ত্ৰয়োগুণাঃ।।

দশকুমাৰচৰিত'ত আধুনিক উপন্যাসসুলভ বহু উপাদান নিহিত আছে। দণ্ডীৰ **ৰচনাৰ প্ৰধান আকৰ্ষণ হৈছে তেওঁৰ ৰচনাধৰ্মীতা**। ৰজা, ৰাজপুত্ৰ, ৰাজকন্যা, মন্ত্ৰী, মন্ত্ৰীপুত্ৰ প্ৰভৃতি ৰাজকীয় চৰিত্ৰবোৰৰ সৈতে ধূতা, ৰাজগণিকা, বৌদ্ধভিক্ষু, সন্যাসী, পাতালপুৰীৰ ৰাজকুমাৰীৰ ৰোমাণ্টিক প্ৰেম, ৰাষ্ট্ৰদ্ৰোহ আদি ঘটনাসমূহ প্ৰতিফলিত হৈছে। শূদ্ৰকৰ দ্বাৰা বিৰচিত মৃচ্ছকটিকৰ দৰে দণ্ডীয়েও তেওঁৰ ৰচনাত নগৰজীৱনৰ অৱক্ষয়, বিলাসব্যসন, প্ৰমোদ, গণিকাসক্তি, ৰাজনীতিৰ কুটিল আৱৰ্ত্ত, নায়ক আৰু অন্যান্য প্ৰধান চৰিত্ৰসমূহৰ শৌৰ্য-বীৰ্য, বুদ্ধিমত্তা সুনিপুন কৌশলৰ মনোহাৰী ৰূপত চিত্তাকৰ্ষকভাৱে অঙ্কিত হৈছে। অৰ্থশাস্ত্ৰ, কামশাস্ত্ৰ, ব্যাকৰণ আৰু অলঙ্কাৰ শাস্ত্ৰত দণ্ডীৰ অসাধাৰণ পাণ্ডিত্য দেখা দিয়া যায়। গতানুগতিকতা বৰ্জিত, সাহিত্য গুণসমৃদ্ধ আৰু সৰল ৰচনা আৰু ৰোমাঞ্চকৰ কাহিনী সম্বলিত গদ্যকাব্য সংস্কৃত সাহিত্যত এয়ে প্ৰথম। কোনো কোনো ক্ষেত্ৰত প্ৰাচীন কথা সাহিত্যৰ কিঞ্চিৎ প্ৰভাৱ পৰিলেও ভাৱ-ভাষা আৰু কাহিনী গঠনত দণ্ডীৰ অনন্যসুলভ কৃতিত্ব সৰ্বজনস্বীকাৰ্য। শৃঙ্গাৰ, বীৰ, বীভৎস, কৰুণ, হাস্য প্ৰভৃতি ৰসৰ সমাবেশ, সৰস বচনভঙ্গী, ওজস্বী ভাষা, বিচিত্ৰ শব্দ ভাণ্ডাৰ প্ৰভৃতি গুণসমূহৰ বাবে দণ্ডীৰ 'দশকুমাৰৰ চৰিত' অতুলনীয় সৃষ্টি।

৭.৪.৩ বাণ আৰু তেওঁৰ প্ৰতিভা

বাণভট্ট ঃ সংস্কৃত সাহিত্যাকাশৰ অন্যতম উজ্জ্বল জ্যোতিষ্ক অসামান্য প্ৰতিভাধৰ লেখক হৈছে বাণভট্ট। বাণভট্টই দুখন গদ্যকাব্য ৰচনা কৰিছে। 'কাদম্বৰী' আৰু 'হৰ্ষিচৰিত'। হৰ্ষচৰিতৰ প্ৰথম আৰু দ্বিতীয় উচ্ছ্বাসত আৰু তৃতীয় উচ্ছ্বাসৰ প্ৰথমাৰ্দ্ধত আত্মপৰিচয় দিছে। কান্যকুব্জৰ অন্তৰ্গত সোণ নদীৰ তীৰবৰ্ত্তী প্ৰীতিকূট নামৰ গ্ৰামত বাৎসায়ন গোত্ৰীয় ব্ৰাহ্মণ বংশত বাণভট্টৰ জন্ম হয়। তেওঁৰ পিতৃ আছিল চিত্ৰভানু আৰু মাতৃ ৰাজ্যদেৱী। তেওঁ পিতৃপিতামহ পৰম্পৰা ক্ৰমে শাস্ত্ৰজ্ঞ বিদ্বান পণ্ডিতৰূপে সমাজত বিশেষ পতিপত্তি অৰ্জন কৰে। শিশুকালতেই তেওঁৰ মাতৃবিয়োগ হয়। পিতৃৰ দ্বাৰা পৰিপালিত হয় আৰু পিতৃৰ পৰা বেদাদি শাস্ত্ৰ অধ্যয়ন কৰি পণ্ডিতবংশৰ যোগ্য মৰ্যাদাত অভিষিক্ত হয়। কিন্তু চৈধ্য বছৰ বয়সতে পিতৃৰো বিয়োগ হয়। ইয়াৰ পাছতে বাণ দেশ ভ্ৰমণৰ বাবে উদ্দেশ্যবিহীনভাবে ঘূৰিবলৈ ধৰে। এনেদৰে ঘূৰি ফুৰোতে কম বয়সতে জগত আৰু জীৱন সম্পৰ্কে বিচিত্ৰ অভিজ্ঞতা হয়, লগতে বহুতো অন্তৰঙ্গ সুহৃদ লগ পালে। তেওঁলোকৰ সৈতে নানা ৰাজসভা বিশ্ববিদ্যালয়, আলোচনা সভাত যোগ দিয়ে। ইয়াৰ কিছুদিনৰ পিছত তেওঁ স্বগৃহলৈ ঘূৰি যায়। কিন্তু হঠাতে থানেশ্বৰৰ ৰজা হৰ্ষবৰ্দ্ধনৰ আমন্ত্ৰণ ক্ৰমে ৰজা হৰ্ষবৰ্দ্ধনৰ সৈতে সাক্ষাৎ হয় আৰু ৰজাই তেওঁক ৰাজকবিৰূপে অভিষিক্ত কৰে। অলপ দিনৰ ভিতৰতে বাণভট্ট হৰ্ষবৰ্দ্ধনৰ প্ৰিয়পাত্ৰ হৈ পৰে। সেইকাৰণে নিঃসন্দেহে ক'ব পাৰি যে বাণভট্ট সপ্তম শতিকাৰ প্ৰথমাৰ্দ্ধত সাহিত্যানুৰাগী সম্ৰাট হৰ্ষবৰ্দ্ধনৰ অন্তৰঙ্গ সুহৃদ আৰু বিদগ্ধ সাহিত্যিকৰূপে প্ৰতিষ্ঠা লাভ কৰে। বাণভট্টই তেওঁৰ ৰচনাত পূৰ্বৱৰ্ত্তী আৰু সমসাময়িক খ্যাত কীৰ্ত্তি সাহিত্যিকসকলৰ প্ৰশংসা দাঙি ধৰিছে।

হৰ্ষচৰিত ঃ বাণভট্টৰ 'হৰ্ষচৰিত' গ্ৰন্থখন আখ্যায়িকা শ্ৰেণীৰ। ই আঠটা উচ্ছ্বাসত ৰচিত। প্ৰথম আঢ়ৈটা উচ্ছ্বাসত বাণে আত্মচৰিত লিপিবদ্ধ কৰিছে। তাৰ পাছতে ৰজা হৰ্ষবৰ্দ্ধনৰ কথা আৰম্ভ কৰিছে। থানেশ্বৰৰ ৰজা পুষ্পভূতি। সেই বংশত মহাপ্ৰতাপী ৰজা প্ৰভাকৰবৰ্দ্ধন। তেওঁৰ ৰাজ্যবৰ্দ্ধন আৰু হৰ্ষবৰ্দ্ধন নামেৰে দুজন পুত্ৰ আৰু ৰাজ্যশ্ৰী নামেৰে এগৰাকী কন্যা আছিল। মৌখৰীৰ ৰজা গ্ৰহবৰ্মাৰ সৈতে ৰাজ্যশ্ৰীৰ বিবাহ হয়। প্ৰভাকৰবৰ্দ্ধনৰ মৃত্যুৰ সিংহাসন গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। কিন্তু হৰ্ষবৰ্দ্ধনক অভিষিক্ত কৰাৰ আগতে মালৱৰাজৰ দ্বাৰা গ্ৰহবৰ্মাৰ মৃত্যু হয় আৰু ৰাজ্যশ্ৰীৰ অপহৰণৰ সংবাদ আহে।

> 'হৰ্ষচৰিত' যিদৰে প্ৰসিদ্ধ গদ্যকাব্য তেনেদৰে প্ৰসিদ্ধ ঐতিহাসিক কাব্যও।

ৰাজ্যবৰ্দ্ধনে মালৱৰাজৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰে। কিন্তু গৌড়ৰাজৰ বিশ্বাসঘাটকতাত নিজেই নিহত হয়। প্ৰতিশোধ লোৱাৰ কাৰণে হৰ্ষবৰ্দ্ধনেও যুদ্ধ যাত্ৰা কৰে। কিন্তু বাটতে শুনিলে যে ৰাজ্যশ্ৰীয়ে মালৱৰাজৰ কাৰাগাৰৰ পৰা পলাই আত্মহত্যা কৰিবলৈ লওঁতেই এজন বৌদ্ধ ভিক্ষুৰে তেওঁক উদ্ধাৰ কৰে। হৰ্ষবৰ্দ্ধন আৰু ৰাজ্যশ্ৰীৰ মিলন দেখুৱাই ইয়াতে হৰ্ষচৰিত আখ্যায়িকাখন সমাপ্ত কৰে।

কাদম্বৰী ঃ বাণভট্টৰ 'কাদম্বৰী' কথা শ্ৰেণীৰ। কথাকাব্যৰ ভিতৰত কাদম্বৰী সংস্কৃত সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ কীৰ্তি।

কাদম্বৰীৰ পূৰ্বাৰ্দ্ধৰ আৰম্ভণিতে বাণে বিদিশাৰ ৰজা শূদ্রকৰ ৰাজসভাৰ যথাৰ্থ বৰ্ণনা দিছে। শূদ্রকৰ ৰাজসভাত এগৰাকী চণ্ডালকন্যা উপস্থিত হৈ পিঞ্জৰাবদ্ধ এটা শুকপক্ষী উপহাৰ দিয়ে। সেই শুকপক্ষীটোৰ নাম বৈশম্পায়ন।

ৰজাই তাৰ বিষয়ে কৌতুহলবশতঃ নানা প্ৰশ্ন কৰাত শুক পক্ষীটোৱে নিজৰ সকলো কথা খৰচি মাৰি ক'লে। সেই শুকপক্ষীৰ জন্ম হৈছিল পম্পাসৰোবৰৰ পাৰৰ এজোপা শিমলুগছত। জন্মৰ পাছতে মাতৃৰ মৃত্যু হয় আৰু পিতৃয়ে বহু যত্নেৰে তাক ডাঙৰ-দীঘল কৰে। কিন্তু কোনো এদিন এটা শবৰৰ দল সেই অৰণ্যত প্ৰৱেশ

কৰি বহুতো বন্যপক্ষী সংহাৰ কৰে। সেই শবৰদলৰ এজন বৃদ্ধ শবৰে সেই পক্ষী থকা খোৱোঙত হাত ভৰালে আৰু শুকপক্ষীৰ পিতৃক মুচৰি মাৰি মাটিত পেলাই দিয়ে। লগতে শুকপক্ষীটোও মাটিত পৰিল। ব্যাধে সকলো মৃত চৰাইক বান্ধি লৈ গ'ল। শুকপক্ষীটো চুচৰি চুচৰি তমাল গছৰ পাতৰ আঁৰত লুকাল। কিছু সময়ৰ পাছত জাবালি মুনিৰ পুত্ৰ হাৰীতে শুকপক্ষীটোক বুটলি আশ্রমলৈ লৈ গ'ল। আশ্রমত জাবালি মুনিয়ে শুকপক্ষীটোক দেখা মাত্রকে ক'লে যে সি নিজে কৰা ভুলৰ বাবে ফল ভোগ কৰিছে। তাকে শুনি ঋষিসকলে জাবালি মুনিক শুকৰ পূৰ্বজন্মৰ কথা বিৰৰি ক'বলৈ অনুৰোধ কৰিলে।

পৰৱৰ্তী দিনত জাবালিয়ে শুকৰ পূৰ্বজন্মৰ কাহিনী ক'বলৈ ধৰিলে। অৱন্তী জনপদৰ উজ্জয়িনী নামে নগৰত তাৰাপীড় নামে এজন ৰজা আছিল। সকলো বিদ্যাত পাৰ্গত শুকনাস নামে তেওঁৰ এগৰাকী মন্ত্রী আছিল। তাৰাপীড়ৰ পত্নী বিলাসৱতীৰ গৰ্ভত সৰ্বগুণসম্পন্ন চন্দ্রাপীড়ৰ জন্ম হয়। যথাসময়ত তেওঁক (চন্দ্রাপীড়ক) যুৱৰাজ পদত অভিষিক্ত কৰে আৰু কিছুদিনৰ পিছত চন্দ্রাপীড়ে দিগ্বিজয় যাত্রা কৰে। বহু ঠাই অতিক্রম কৰি কৈলাশ পৰ্বত পাৰ হৈ তেওঁ অচ্ছোড় (অচ্ছোদ) সৰোবৰৰ পাৰত উপস্থিত হয়। তাতেই তেওঁ মহাশ্বেতাৰ সৈতে পৰিচয় হৈ জানিব পাৰিলে যে শ্বেতকেতু মুনিৰ পুত্র পুণ্ডৰীক হ'ল মহাশ্বেতাৰ প্রণয়প্রার্থী। কিন্তু হঠাতে এদিন পুণ্ডৰীকৰ মৃত্যু হয়। সেই দুখতে মহাশ্বেতাই বীণা বজাই মৃত্যুৰ বাবে অপেক্ষা কৰি আছে।

মহাশ্বেতাৰ অনুৰোধ অনুসৰি চন্দ্রাপীড় গন্ধর্বলোকলৈ গ'ল আৰু তাত তেওঁ কাদম্বৰীক লগ পালে। কাদম্বৰীক দেখি চন্দ্রাপীড় আকৃষ্ট হয় আৰু কাদম্বৰীয়ো চন্দ্রাপীড়ৰৰ প্রতি আকৃষ্ট হয়। তাত কিছুদিন থকাৰ পাছত পিতৃৰ আদেশত চন্দ্রাপীড় ঘৰলৈ উভতি যাবলগীয়া হয়। কাদম্বৰী বিৰহ বেদনাত ভুগিবলৈ ধৰিলে।

এইখিনিতে বাণভট্টৰ ৰচিত কাদম্বৰীৰ পূৰ্বার্দ্ধসমাপ্ত হয়। ইয়াৰ পাছত বাণৰ পুত্র ভূষণভট্টই উত্তৰার্দ্ধ ৰচনা কৰে।

উত্তৰার্দ্ধৰ আৰম্ভণিতে কাদম্বৰীৰ বিৰহাবস্থাৰ কথা বর্ণনা কৰা হৈছে। পত্রলেখাৰ মুখেৰে কাদম্বৰীৰ বিৰহাবস্থাৰ বাতৰি পঠিয়াই চন্দ্রাপীড় ব্যাকুল হৈ পৰে। পত্রলেখাৰ যোগেদি চন্দ্রাপীড়ে কাদম্বৰীলৈ বাতৰি পঠায় যে বৈশম্পায়নক লগ পাবলৈ তেওঁ দশপুৰলৈ যায়। তাত উপস্থিত হৈ মহাশ্বেতাৰ অভিশাপত বৈশম্পায়নৰ মৃত্যু হোৱাৰ কথা জানিব পাৰি চন্দ্রাপীড় দুখত অভিভূত হৈ পৰে। তেওঁ মহাশ্বেতাৰ সৈতে কথা পাতি বৈৰাগ্য জীৱন-যাপন কৰি থাকোতে এজন কপটীয়া ব্রাহ্মণে শিষ্টাচাৰ ভঙ্গ কৰা বাবে শুকৰ যোনিত জন্মলাভ কৰিবলৈ অভিশাপ পোৱা কথা শুনি চন্দ্রাপীড়ৰ হৃদয় বিদীর্ণ হয় আৰু মাটিত ঢলি পৰে। চন্দ্রাপীড় শোকত সন্তপ্ত হৈ থকা সময়ত কাদম্বৰী তালৈ আহে আৰু চন্দ্রাপীড়ৰ লগতে সহমৰণ ল'বলৈ সাজু হয়। হঠাতে আকাশবাণী হয় আৰু কাদম্বৰীৰৰ স্পর্শৰে চন্দ্রাপীড়ৰ দেহ ৰক্ষা কৰিবলৈ কোৱা হয়।

এনেদৰেই জাৱালি মুনিয়ে শুক পক্ষীৰ জন্ম বৃত্তান্ত শুনালে। সকলোৱে পূৰ্বজন্মৰ কথা স্মৰণ কৰিলে। চণ্ডাল কন্যা আছিল শুকৰ মাতা লক্ষ্মী। শূদ্রকেও পূৰ্বজন্মৰ কথা স্মৰণ কৰিলে। তেওঁ পূৰ্বজন্মত চন্দ্রাপীড় আছিল, ইয়াৰ পাছত কাদম্বৰীৰ আলিঙ্গনক্রমে চন্দ্রাপীড় সুস্থ হৈ উঠিল। আকাশমার্গেৰে কপিঞ্জলেৰে সৈতে পুণ্ডৰীক আহি উপস্থিত হ'ল। সকলোৰে পূৰ্বৰ জন্ম ঘূৰাই পোৱাত এক আনন্দমুখৰ পৰিবেশত কাহিনীৰ সমাপ্তি ঘটে।

কাদম্বৰী কথাৰ উৎস ঃ বাণে সম্ভৱতঃ গুণাঢ্যৰ 'বৃহৎকথা'ৰ পৰা কাদম্বৰী ৰচনা কৰিবলৈ অনুপ্রেৰণা লাভ কৰিছিল। 'বৃহৎকথা'ৰ আধাৰত ৰচিত সোমদেৱৰ 'কথাসৰিৎসাগৰ' (দশম লম্বক, তৃতীয় তৰঙ্গ) আৰু ক্ষেমেন্দ্রৰ 'বৃহৎকথামঞ্জুৰী' (১৬/১৮৩-২৪৮) অধ্যায়ৰ সৈতে কাদম্বৰীৰ কাহিনীৰ মিল দেখা যায়।

বাণৰ শ্রেষ্ঠত্ব ঃ কাব্যাংশত 'কাদম্বৰী' শ্রেষ্ঠত্তৰ। 'কাদম্বৰী' শব্দৰ অর্থ 'সুৰা'। সুৰাৰ প্রভাবত মানুহ যেনেকৈ আত্মহাৰা হয় তেনেদৰে কাদম্বৰী পাঠ কৰিলেও পাঠকসকল আত্মবিভোৰ হৈ পৰে। এইফালৰপৰা

নামাকৰণ সার্থক হৈছে বুলি পণ্ডিতসকলে মতপোষণ কৰে—

"কাদম্বৰীৰসজ্ঞানামাহাৰোহপি ন ৰোচতে।"

'কাদম্বীৰ' যে এসময়ত প্রভূত যশ আৰু জনপ্রিয়তাৰ অধিকাৰী হৈছিল প্রচলিত উক্তিসমূহেই তাৰ প্রমাণ।

বাণীপাণিপৰামৃষ্টবীণা নিক্কনহাৰিণীম্।

ভাৰয়ন্তি কথং বাণ্যে ভট্টবাণস্য ভাৰতীয়ম্।। ইত্যাদি।

পশ্চিমীয়া পণ্ডিত ৰেৰৰ (Weber) মহোদয়ে বাণভট্টক দৃঢ়ভাবে সমালোচনা কৰিছে। বাণৰ সমাসবদ্ধ দীর্ঘ সমাস, দ্ব্যর্থক শব্দচয়ন আদিৰ বিশাল বর্ণনাসমূহৰ বাবে ভাৰতীয় হাবি (Indian Wood) বুলি উল্লেখ কৰিছে। বাণে সকলোবোৰতে সীমা অতিক্রম কৰিছে। বাণ পাঞ্চালী ৰীতিৰ অধিকাৰী আছিল। তেওঁৰ নাম মহিলা কবি শীলাভট্টাৰিকাৰ সৈতে জড়িত আছিল। তেওঁৰ ৰচিত 'সূক্তিমুক্তাৱলী'ত এইদৰে পোৱা যায়—

শব্দার্থয়োঃ সমোগুম্ভো পাঞ্চালী ৰীতিৰিষ্যতে।

শীলাভট্টাৰিকাবাচি বণোক্তিযু চ মা যদি।।

বাণৰ শব্দভাণ্ডাৰ অতিশয় বিশাল আছিল। 'হর্ষচৰিত'ত যিবোৰ শব্দৰ ব্যৱহাৰ হৈছে অভিধানত তাৰ ব্যৱহাৰ কম। 'কাদম্বৰী'ত বাণে যি চিত্র অঙ্কণ কৰিছে সংস্কৃত কবিসকলৰ মাজত তেওঁৰ সমতুল্য কোনো নাই। সেইকাৰণে কোৱা হয়— 'বাণোচ্ছিষ্টং জগত্ সর্বম্।'

'কাদম্বৰী' কথা কাব্যখন এখন চিত্রশালা। সাধাৰণতে কবিসকলে ঘটনা বর্ণনা কৰি গল্প কৰে। বাণভট্টই মুহূর্তে মুহূর্তে চিত্র সজ্জিত কৰি গল্প কৈছিল। সেইকাৰণে তেওঁৰ গল্প গতিশীল নহয়। শ্লেষ, বক্রোক্তি আদিৰ সুপ্রয়োগ তেওঁৰ কাব্যৰ বৈশিষ্ট্য। যিহেতু 'ওজঃ সমাসভূয়স্তমেতদ্ গদস্য জীৱিতম্।' বুলি দণ্ডীয়ে 'কাব্যাদর্শ'ত উল্লেখ কৰিছে।

কাদম্বৰীৰ প্রধান ৰস শৃঙ্গাৰ। সম্ভোগ আৰু বিপ্রলম্ভ দুয়োবিধ শৃঙ্গাৰৰ সমাবেশ হৈছে। অৱশ্যে কাব্যৰ ঠায়ে ঠায়ে কৰুণ, হাস্য, শান্ত, অদ্ভুত আদি ৰসৰো সমাবেশ ঘটিছে।

বাণভট্টক অনুসৰণ কৰি শ্বেতাম্বৰ জৈন ধনপালে ধাৰাৰাজ বাক্পতিৰ পৃষ্ঠপোষকতাত 'তিলকমঞ্জুৰী' কাব্য ৰচনা কৰে। 'তিলকমঞ্জুৰী' আৰু সমৰকেতুৰ প্রণয় কাহিনীয়েই এই কাব্যৰ বিষয়বস্তু। 'তিলকমঞ্জুৰী'ত 'কাদম্বৰী'ৰ দৰে চিত্রও দেখিবলৈ পোৱা যায়।

দিগম্বৰ জৈন সম্প্রদায়ৰ বাদীভসিংহই 'গদ্যচূড়ামণি' ৰচনা কৰে। গুণভদ্রকৃত উত্তৰপুৰাণৰ পৰা কথাবস্তু গ্রহণ কৰিছে।

সোড্ঢলৰ 'উদয়সুন্দৰী কথা' নামৰ গদ্য-কাব্যত নাগলোকৰ অধিপতি শিখণ্ডিলৰ কন্যা আৰু প্রতিষ্ঠানৰ ৰজা মলয়বাহনৰ প্রণয় কাহিনীক অৱলম্বন কৰি ৰচিত হৈছে।

বামন ভট্টবাণৰ 'বেমভূপাল চৰিত' পিছৰ যুগৰ এক উল্লেখনীয় গদ্য কাব্য।

৭.৫ শব্দার্থ তালিকা

১) সাহিত্য দর্পণ ঃ বিশ্বনাথ কবিৰাজ বিৰচিত এখন অলঙ্কাৰ শাস্ত্র। ইয়াত দহটা পৰিচ্ছেদ আছে।

২) অগ্নিপুৰাণ ঃ ব্যাসদেৱৰ বিৰচিত ওঠৰখন পুৰাণৰ ভিতৰত অন্যতম।

৩) ব্রাহ্মণ ঃ বেদৰ ভাগসমূহ

৪) আৰণ্যক ঃ বেদৰ ভাগসমূহ

৫) উপনিষদ ঃ বেদৰ ভাগসমূহ

৬) যজুর্বেদ ঃ চাৰিখন বেদৰ দ্বিতীয়খন

৭) অথর্ববেদ ঃ চাৰিখন বেদৰ অন্তিমখন

৮) মহাভাষ্য ঃ পতঞ্জলি বিৰচিত এখন ব্যাকৰণ শাস্ত্ৰ। পাণিনীয় ব্যাকৰণ শাস্ত্ৰৰ উদ্ভৱকালৰ অন্তিমগ্ৰন্থ। 'মহাভাষ্য'ত পতঞ্জলিৰ পৈণত ব্যাকৰণ চিন্তা, গভীৰ পাণ্ডিত্য দেখা যায়। গ্ৰন্থখন আঠটা অধ্যায়ত বিভক্ত।

৯) কাত্যায়ন ঃ কাত্যায়ন পাণিনিৰ পৰৱৰ্ত্তী ব্যাকৰণবিদ। কাত্যায়নে পাণিনিৰ ব্যাকৰণৰ ওপৰত 'বার্ত্তিক' ৰচনা কৰিছে। বৃত্তিক লক্ষ্য কৰি ৰচিত গ্ৰন্থকেই বার্ত্তিক বোলা হয়। কাত্যায়নৰ সময় খ্ৰীঃ পূঃ ৩য় শতাব্দী।

১০) লিপিসাহিত্য ঃ প্ৰাচীন ৰজাসকলে তেওঁলোকৰ ৰাজসভাত সংস্কৃত পণ্ডিত ৰাখিছিল। সেই পণ্ডিতসকলে স্তম্ভত, তামৰ ফলিত, শিলত ৰজাসকলৰ কৰ্মৰাজি বর্ণনা কৰাৰ লগতে তেওঁলোকৰ যশস্যাসমূহ লিপিবদ্ধ কৰিছিল। সেইবোৰত কাব্যৰ উপাদান দেখা যায়। সেই ৰচনাসমূহক লিপিসাহিত্য বা প্ৰশস্তি কাব্য বোলে।

জানি থোৱা ভাল

- প্ৰাচীন ভাৰতীয় আলঙ্কাৰিকসকলৰ মতে গদ্য হৈছে কবি সাহিত্যিকৰ প্ৰতিভাৰ কষটি শিলা। কোৱা হয়— গদ্যং কবীনাং নিকষং বদন্তি।'
- সুৱন্ধুৰ 'বাসৱদত্তা' বর্ণনা প্ৰধান আৰু গৌড়ীৰীতি প্ৰধান। বাণভট্টই 'হর্ষচৰিত'ত সুৱন্ধুৰ ৰচনাক প্ৰশংসা কৰি কৈছে— 'কবীনামগলদ্দর্পো নুনং বাসৱদত্তয়া'

বাণভট্টৰ 'হর্ষচৰিত' গদ্যকাব্য আৰু প্ৰথম ঐতিহাসিক গ্ৰন্থৰূপেও প্ৰসিদ্ধ। 'কাদম্ৱৰী' শব্দৰ অর্থ 'সুৰা'। সুৰাৰ প্ৰভাৱত মানুহ যিদৰে আত্মহাৰা হয় তেনেদৰে 'কাদম্ৱৰী' পাঠ কৰিলেও পাঠকসকল আত্মবিভোৰ হৈ পৰে। কাদম্ৱৰীৰ বক্তা এটি শুকপক্ষী।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ কাব্য প্ৰধানকৈ কেইটা ভাগত বিভক্ত?

প্ৰশ্ন নং ২ঃ 'সাহিত্য দর্পণ' গ্ৰন্থৰ ৰচক কোন?

প্ৰশ্ন নং ৩ঃ গদ্যকাব্যৰ প্ৰধান ভাগ কেইটা আৰু কি কি?

প্ৰশ্ন নং ৪ঃ বিশ্বনাথ কবিৰাজৰ মতে গদ্যকাব্যৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ৫ঃ অগ্নিপুৰাণৰ মতে গদ্যকাব্য কেইপ্ৰকাৰৰ? কি কি?

প্ৰশ্ন নং ৬ঃ সুবন্ধু ৰচিত গদ্যকাব্যখনৰ নাম কি?

প্ৰশ্ন নং ৭ঃ বাসৱদত্তা গ্ৰন্থৰ লিখকৰ নাম কি?

প্ৰশ্ন নং ৮ঃ 'দশকুমাৰ চৰিত'ৰ ৰচক কোন?

প্ৰশ্ন নং ৯ঃ হর্ষবর্দ্ধন ক'ৰ ৰজা আছিল?

প্ৰশ্ন নং ১০ঃ কাদম্ৱৰী কোন শ্ৰেণীৰ কাব্য?

প্ৰশ্ন নং ১১ঃ তাৰাপীড় ক'ৰ ৰজা আছিল?

প্ৰশ্ন নং ১২ঃ 'কাদম্ৱৰী' কথাকাব্যৰ নায়ক কোন?

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত গদ্যৰ প্ৰাচীনতা সম্পৰ্কে জানিব পাৰিলে। তৈত্তিৰীয় সংহিতা, কাঠক সংহিতা, আৰণ্যক, উপনিষদ, সূত্ৰ সাহিত্য, পতঞ্জলিৰ 'মহাভাষ্য'ত প্ৰাচীনতম গদ্যৰ নিদৰ্শন পোৱা যায় বুলি গম পালো।
- গদ্যকাব্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিলে। যেনেঃ কথা আৰু আখ্যায়িকা। ইয়াৰ লগতে 'কথা' কাব্যৰ লক্ষণ আৰু আখ্যায়িকাৰ লক্ষণসমূহ জানিব পাৰিলো।
- সংস্কৃত সাহিত্যত ৰচিত হোৱা প্ৰধান গদ্যকাব্য যেনে সুবন্ধুৰ 'বাসৱদত্তা' বাণভট্টৰ 'হৰ্ষিচৰিত' আৰু 'কাদম্ববী', দণ্ডীৰ 'দশকুমাৰ চৰিত'ৰ বিষয়ে জানিব পাৰিলে। তাৰোপৰি পৰৱৰ্ত্তীকালত ৰচিত হোৱা গদ্যকাব্যসমূহৰ বিষয়ে চমু আভাস পালো।
- 'কাদম্ববী'ত দুটা প্ৰণয়কাহিনী সমান্তৰালভাৱে বৰ্ণনা কৰা হৈছে। এটা হৈছে কাদম্ববী আৰু চন্দ্ৰাপীড় আৰু আনটো মহাশ্বেতা আৰু পুণ্ডৰীক। ইয়াৰ প্ৰধান ৰস শৃঙ্গাৰ। 'কাদম্ববী' শব্দৰ অৰ্থ 'সুৰা'। সংস্কৃত সাহিত্যত কাদম্ববী যে এখন প্ৰসিদ্ধ উপন্যাস এই অধ্যায়ত এই সকলোবোৰ জানিব পাৰিলো।

৭.৭ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

২) গোস্বামী, হৰমোহন দেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Krishnamachariar, M. *History of Chassical Sanskrit Literature*, New Delhi : MLBD

৭.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ দুটা। (১) দৃশ্যকাব্য, (২) শ্ৰব্যকাব্য

২নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বনাথ কবিৰাজ

৩নং প্ৰশ্নৰ উত্তৰ ঃ দুটা। (১) কথা, (২) আখ্যায়িকা

৪নং প্ৰশ্নৰ উত্তৰ ঃ 'বৃত্তগন্ধোজ্ঝিতং গদ্যম্'

৫নং প্ৰশ্নৰ উত্তৰ ঃ অগ্নিপুৰাণৰ মতে গদ্যকাব্য পাঁচ প্ৰকাৰৰ

১। আখ্যায়িকা ২। কথা
৩। খণ্ডকথা ৪। পৰিকথা
৫। কথানিকা

৬নং প্ৰশ্নৰ উত্তৰ ঃ বাসৱদত্তা

৭নং প্ৰশ্নৰ উত্তৰ ঃ সুবন্ধু

৮নং প্ৰশ্নৰ উত্তৰ ঃ দণ্ডী

৯নং প্ৰশ্নৰ উত্তৰ ঃ থানেশ্বৰৰ

১০নং প্ৰশ্নৰ উত্তৰ ঃ কথা শ্ৰেণীৰ

১১নং প্ৰশ্নৰ উত্তৰ ঃ উজ্জয়িনীৰ

১২নং প্ৰশ্নৰ উত্তৰ ঃ চন্দ্ৰাপীড়

? ৭.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ সংস্কৃত সাহিত্যৰ গদ্যকাব্যৰ বিষয়ে লিখক।

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ গদ্যকাব্যৰ উৎসৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ বাণভট্টৰ ৰচনাৱলীৰ বিষয়ে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ গদ্যকাব্য কাক বোলে? ইয়াৰ লক্ষণসমূহ কি কি? সংস্কৃত সাহিত্যৰ গদ্যকাব্যৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৮ঃ গল্পসাহিত্য (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ গল্পসাহিত্যৰ পৰিচয়

৮.৩.১ গল্পসাহিত্যৰ লক্ষণ

৮.৩.২ গল্পসাহিত্যৰ উৎস

৮.৩.৩ গল্পসাহিত্যৰ ৰচনাৰ উদ্দেশ্য

৮.৩.৪ গল্পসাহিত্যৰ ভাগ

৮.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গল্পসাহিত্যৰ উল্লেখ

৮.৫ শব্দাৰ্থ তালিকা

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খাতিয়ান

৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- গল্পসাহিত্যৰ পৰিচয় লাভ কৰিব পাৰিব
- গল্পসাহিত্যৰ উৎস আৰু লক্ষণ আদি বুজিবলৈ সমর্থ হ'ব
- গল্পসাহিত্যৰ ৰচনাৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব
- গল্পসাহিত্যৰ অন্তর্গত বিভিন্ন গ্রন্থৰ বিষয়ে জানিব পাৰিব
- গল্পসাহিত্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

গদ্যকাব্যৰ পিছত এতিয়া আপুনি গল্পসাহিত্যৰ বিষয়ে জানিব পাৰিব।

গল্পসাহিত্য হৈছে কোনো দেশ বা জাতিৰ সংস্কৃতিৰ বাহক। গল্পসাহিত্যক লোককথা বুলিও কোৱা হয়। ই সর্বসাধাৰণৰ মাজত প্রচলিত এক ৰমণীয় হৃদয়গ্রাহী ৰচনা। কোনো সংস্কৃতিৰ ভৌতিক, আধ্যাত্মিক তথা কলাত্মক মান্যতাৰ প্রভাৱ গল্পসাহিত্যত পোৱা যায়।

যি ৰচনাই মানুহৰ চিত্তক (মনক) আকর্ষণ কৰে, য'ৰ পৰা নীতিজ্ঞানৰ উদয় হয় তাকে গল্পসাহিত্য বোলে। ইংৰাজীত এই শ্রেণীৰ কাব্যক ফেবল্ (Fable) বোলা হয়। গল্প সাহিত্যক 'কথাকাব্য' বুলিও কোৱা হয়।

এই অধ্যায়ত আপুনি গল্প সাহিত্যৰ চমু পৰিচয় লাভ কৰিব। ইয়াৰোপৰি গল্পসাহিত্যৰ লক্ষণ, ইয়াৰ উৎস, ভাগসমূহ, বিভিন্ন গল্পসাহিত্যৰ বিষয়েও জানিব পাৰিব।

৮.৩ গল্পসাহিত্যৰ পৰিচয়

আপুনি এতিয়া গল্প সাহিত্যৰ বিষয়ে জানিব পাৰিব—

কোনো সংস্কৃতিৰ ভৌতিক, আধ্যাত্মিক তথা কলাত্মক মান্যতাৰ প্ৰভাৱ আমি গল্পসাহিত্যত দেখিবলৈ পাওঁ। গল্প সাহিত্য এনে একপ্ৰকাৰ সাহিত্য য'ত মানৱজীৱনৰ কটূতা আৰু মধু�ৰতাৰ এক অপূৰ্ব মিলন দেখা পোৱা যায়। গল্প সাহিত্যত সাধাৰণতে দুটা শৈলী দেখা যায়—

১। গদ্যৰ নৈসৰ্গিক সৰল শৈলী

২। কৃত্ৰিম অলঙ্কৃত শৈলী

নৈসৰ্গিক সৰল শৈলীৰ ৰূপ সৰ্বপ্ৰথম আমি পঞ্চতন্ত্ৰত দেখা পাওঁ আৰু পাছত এনে নীতিবাদী কথাই সাহিত্যৰ মাৰ্গ তৈয়াৰ কৰে।

অলঙ্কৃত শৈলী শুকসপ্ততি, সিংহাসন, দ্বাত্ৰিংশৎপুত্তলিকা, বেতাল পঞ্চবিংশতিকা, ভোজপ্ৰৱন্ধ, পুৰুষ পৰীক্ষা আদিত দেখিবলৈ পোৱা যায়।

৮.৩.১ গল্পসাহিত্যৰ লক্ষণ

আপুনি এতিয়া গল্প সাহিত্যৰ লক্ষণৰ বিষয়ে জানিব পাৰিব—

সংস্কৃত গল্প সাহিত্যবোৰৰ কিছু অংশ তৎকালীন জীৱন প্ৰবাহৰ ওপৰত আধাৰিত। কিছু অংশ সামুদ্ৰিক যাত্ৰাৰ সৈতে সম্বন্ধ, কিছু অংশ আশ্চৰ্যপূৰ্ণ ঘটনাৰে পূৰ্ণ। কিছু স্বৰ্গলোক আৰু গন্ধৰ্বলোকৰ চিত্ৰণ, ধৰ্মৰ দ্বাৰা অনুপ্ৰাণিত, নীতিপৰক, অধিকাংশ শিক্ষাত্মক আৰু উপদেশাত্মক। এই উপদেশাত্মক কথা দুটা ৰূপত পোৱা যায়— কেতিয়াবা বাচ্যৰূপত আৰু কেতিয়াবা ব্যঙ্গৰূপত। নীতিবাদী কাহিনীৰ ভিতৰত কেতিয়াবা এইবোৰ স্পষ্টৰূপত প্ৰকাশ পায়। আৱহমান কালৰপৰাই মানুহৰ মুখে-মুখে এই লোককথা প্ৰচলিত হৈ আহিছে। ই এক অখণ্ড পৰম্পৰা, যি মৌখিক লোকসাহিত্যৰ পৰা লোকভাষাৰ সাহিত্যত স্থান লাভ কৰিছে। বৌদ্ধৰ 'জাতক কথা', গুণাঢ্যৰ 'বৃহৎ কথা' আৰু 'পঞ্চতন্ত্ৰ' এই প্ৰকাৰৰ ৰচনাৱলীৰ অন্তৰ্ভুক্ত।

৮.৩.২ গল্পসাহিত্যৰ উৎস

আপুনি এতিয়া গল্প সাহিত্যৰ উৎস সম্পৰ্কে জানিব পাৰিব—

জগতৰ প্ৰাচীনতম সাহিত্যৰ নিদৰ্শন বুলি প্ৰসিদ্ধ ঋগ্বেদৰ সংবাদ সূক্তসমূহৰ মাজতো প্ৰাচীন গল্পৰ চানেকি বিচাৰি পোৱা যায়। ঋগ্বেদৰ যম-যমী সংবাদ, উৰ্বশী-পুৰুৰৱা সংবাদ আদি আখ্যানৰ ইয়াৰ উদাহৰণ। তেনেদৰে ব্ৰাহ্মণ সাহিত্যতো কথা-কাহিনী, গল্প বা সাধুৰ ৰম্য ৰচনা সঞ্চিত আছে। শতপথ ব্ৰাহ্মণোক্ত মনুমৎসৰ সংবাদ এক প্ৰসিদ্ধ লোককথাৰ প্ৰতিভূ। কিন্তু এই আখ্যানবোৰৰ যুগান্তৰৰ লগে লগে কিছুমান পৰিবৰ্তন হৈছে। পৰৱৰ্ত্তী যুগত ৰচিত যাস্কৰ **'নিৰুক্ত'**, শৌনকৰ 'বৃহদ্দেৱতা' আৰু পতঞ্জলিৰ 'মহাভাষ্য'ত সেই আখ্যানবোৰৰ প্ৰভাৱ পৰিছে।

> নিৰুক্ত গ্ৰন্থৰ ৰচক হ'ল যাস্ক। ইয়াত তিনিটা বিভাগ আছে— (১) নৈঘণ্টুক কাণ্ড, (২) নৈ গম কাণ্ড আৰু (৩) দৈৱতকাণ্ড। নৈঘণ্টুক কাণ্ডত পাঁচোটা অধ্যায়, নৈগমকাণ্ডত ছটা আৰু দৈৱত কাণ্ডত দুটা, সৰ্বমুঠ সোতৰটা অধ্যায় আছে।

ৰামায়ণ, মহাভাৰত আৰু অষ্টাদশ পু�ৰাণতো গল্পৰ প্ৰাচুৰ্য দেখা যায়। প্ৰাচীন মহাকাব্য ৰামায়ণ আৰু

মহাভাৰতত ব্যাসে ৰাম-ৰাৱণ আৰু কৌৰৱ-পাণ্ডৱৰ কাহিনী লিপিবদ্ধ কৰে। এই কথাবোৰ তৎকালীন নট-নর্তক, সূত আৰু কুশীলৱৰ দ্বাৰা সমাজত প্ৰচলিত হৈ আহিছে। বাল্মীকি আৰু ব্যাসে সমাজত প্ৰচলিত এই আখ্যানবোৰ সংকলন কৰি ৰামকথা আৰু পঞ্চ-পাণ্ডৱ কথাৰ সাহিত্যিক ৰূপ দাঙি ধৰিছে। নীতি ধর্মৰ বাহনৰূপে এই গ্ৰন্থবোৰত অনেক লোকসাধু নিহিত আছে। মহাভাৰতত ইয়াৰ বাহুল্য বেছি।

৮.৩.৩ গল্পসাহিত্যৰ ৰচনাৰ উদ্দেশ্য

এতিয়া আপুনি গল্পসাহিত্য ৰচনাৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব—

গল্পসাহিত্য ৰচনাৰ মূল উদ্দেশ্য তিনিটা—

(১) অৱসৰ কালযাপন

(২) চিত্তবিনোদন বা মনোৰঞ্জন

(৩) শিশুসকলক লোকশিক্ষা দান

গোষ্ঠী বা সভাস্থ অৱসৰকাল নিয়াবলৈ কথকে এনেবোৰ জনপ্ৰিয় কথা বা গল্প শুনাইছিল। বৃহৎ কথা, কাদম্বৰী আদিত ইয়াৰ সঙ্কেত পোৱা যায়। ৰাজকুমাৰ, ৰাজকুমাৰী, ৰাণী প্ৰভৃতিৰ মনোৰঞ্জন বা চিত্তবিনোদনৰ কথাসমূহ বিৰৰি কোৱা হৈছিল। আনকি ব্ৰাহ্মণ্য যুগতো অশ্বমেধৰ ঘোঁৰা দিগ্বিজয়ার্থে এৰি দিয়া সময়চোৱাত যজ্ঞভূমিত সমবেত হোৱা লোকসকলৰ কাল যাপন আৰু চিত্তবিনোদন আৰু ধর্মচর্চাৰ লগতে চিত্তবিনোদনৰ বাবে কথাসমূহ কোৱা হৈছিল বুলি শতপথ ব্ৰাহ্মণত তাৰ সঙ্কেত পোৱা যায়।

একাগ্ৰতা চিত্তেৰে শিশুসকলক আৰু ৰাজকুমাৰসকলক বিভিন্ন শিক্ষা দিয়া হৈছিল। যাৰ ফলত তেওঁলোকে ৰাজনীতি আৰু অর্থনীতি আদিৰ জ্ঞান লাভ কৰিব পাৰিছিল। প্ৰাচীন ৰজাসকলে তেওঁলোকৰ ৰাজসভাত সর্ববিশাৰদ সুযোগ্য ব্ৰাহ্মণ পণ্ডিতৰ নিয়োগ কৰিছিল। পণ্ডিতসকলে মনোৰঞ্জক সৰস সুললিত গল্প ৰচনা কৰি তাৰ জৰিয়তে ৰাজকুমাৰসকলক যি শিক্ষা দিছিল সেই গল্পবোৰত ৰাজনীতি, অর্থনীতি, স্বাস্থ্যনীতি জ্ঞান বিষয়ক বহুতো কথা থকা দেখা যায়। পশু-পক্ষীক গল্পৰ চৰিত্ৰ হিচাবে লৈ তাৰ জৰিয়তে ৰাজকুমাৰ আৰু শিশুসকলক নীতিশিক্ষা দিবৰ উদ্দেশ্যে অতি সহজ আৰু সুললিত ভাষাত গল্পবোৰ ৰচনা কৰে।

৮.৩.৪ গল্পসাহিত্যৰ ভাগ

আপুনি এতিয়া গল্পসাহিত্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব—

গল্পসাহিত্যৰ চৰিত্ৰ বা লক্ষণসমূহ বিচাৰ কৰি পণ্ডিতসকলে গল্পবিলাকক দুটা সুনির্দ্দিষ্ট ভাগত ভাগ কৰিছে। এটা ভাগৰ চৰিত্ৰবিলাক মানুহ আৰু আন ভাগৰ চৰিত্ৰসমূহ পশু-পক্ষী। ব্যাপকভাবে উভয় শ্ৰেণীয়েই গল্প সাহিত্যৰ অন্তর্গত। যাক Popular Tales বোলা হয়।

দ্বিতীয়ভাগৰ গল্পবিলাকৰ এটা স্বাতন্ত্র্য থাকে। যিটো সকলো কালতে জনপ্ৰিয়। ইংৰাজীত ইয়াক Fables নামেৰে জনা যায়।

গল্পৰ আখ্যানভাগক শিশুসকলৰ বোধগম্য কৰাৰ কাৰণে সহজ আৰু অনাড়ম্বৰ ভাষাৰ ব্যৱহাৰ কৰা হয় আৰু গোটেই গল্পটো পঢ়ি শিশুৱে যাতে তাৰ নীতিটো সহজে মনত ৰাখিব পাৰে সেই উদ্দেশ্যে গল্পত শ্লোকবো সন্নিবেশ কৰা হয়। উদাহৰণ স্বৰূপে বাণভট্ট ৰচিত 'কাদম্বৰী'ৰ দৰে কথাকাব্য বিদ্বানসকলৰ বাবে মনোৰঞ্জনৰ কাহিনী হ'লেও তুলনামূলকভাবে কম বিদ্বান বা বিদ্যাহীনৰ বাবে সেয়া বোধগম্য নহয়। সেই

কাৰণে কম বিদ্বান বা অনাক্ষৰীসকলে বৃহৎ কথাৰ কাহিনীসমূহ, বেতাল পঞ্চবিংশতি, শুকসপ্ততি আদি সহজে বুজিব পাৰে। এই কাহিনীসমূহ ৰামায়ণ-মহাভাৰতৰ কাহিনীৰ দৰেই জনপ্ৰিয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ গল্প সাহিত্যৰ আন নাম কি?

.....

প্ৰশ্ন নং ২ঃ গল্প সাহিত্যত সাধাৰণতে কেইটা শৈলী ব্যৱহাৰ কৰা হয়?

.....

প্ৰশ্ন নং ৩ঃ গল্প সাহিত্য ৰচনা কৰাৰ উদ্দেশ্য কি?

.....

প্ৰশ্ন নং ৪ঃ গল্প সাহিত্যৰ কেইটা সুনিৰ্দ্দিষ্ট ভাগ আছে?

.....

৮.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন গল্পসাহিত্যৰ উল্লেখ

গল্পসাহিত্যৰ ভাগসমূহ জনাৰ পিছত এতিয়া আপুনি সংস্কৃত সাহিত্যত ৰচিত হোৱা বিভিন্ন গল্পসাহিত্যৰ বিষয়ে জানিব পাৰিব—

১) **পঞ্চতন্ত্ৰ ঃ** গল্পসাহিত্যসমূহৰ ভিতৰত 'পঞ্চতন্ত্ৰ' এখন প্ৰাচীন গল্প সাহিত্য। বৰ্তমান ইয়াৰ চাৰিটা ভিন্ ভিন্ সংস্কৰণ পোৱা গৈছে। প্ৰথম সংস্কৰণ পহ্লবী অনুবাদ। বৰ্তমান এই সংস্কৰণ লুপ্ত হৈছে। কিন্তু চিৰিয়াণ আৰু আৰৱী অনুবাদৰ সহায়ত ইয়াৰ সম্ভেদ পোৱা গৈছে।

দ্বিতীয় সংস্কৰণ গুণাঢ্যৰ 'বৃহৎকথা'ত সন্নিৰিষ্ট। এই বৃহৎকথা পৈশাচী ভাষাত লিখা। এই সংস্কৰণো অধুনা লুপ্ত। কিন্তু ১১শ শতাব্দীত ক্ষেমেন্দ্ৰৰ ৰচিত 'বৃহৎ কথামঞ্জৰী' আৰু সোমদেৱৰ ৰচিত 'কথাসৰিতসাগৰ' পঞ্চতন্ত্ৰৰ অনুবাদ বুলি জানিব পৰা গৈছে।

তৃতীয় সংস্কৰণ হৈছে 'তন্ত্ৰাখ্যায়িকা'। বৰ্তমান প্ৰচলিত পঞ্চতন্ত্ৰ ইয়াৰেই আধুনিক সংস্কৰণ। ইংৰাজ পণ্ডিত হাৰ্টেল (Hertel)ৰ মতে পঞ্চতন্ত্ৰৰ ৰচনাকাল খৃঃ পূঃ দ্বিতীয় শতাব্দী।

'পঞ্চতন্ত্ৰ' পাঁচটা তন্ত্ৰ বা ভাগত বিভক্ত— (১) মিত্ৰভেদ, (২) মিত্ৰলাভ, (৩) কাকোলূকীয়, (৪) লব্ধপ্ৰণাশ, (৫) অপৰীক্ষিত কাৰক।

প্ৰতিটো ভাগৰে মূলকথা একেটাই, কিন্তু তাৰ অঙ্গ পুষ্টিসাধনৰ বাবে অনেক গৌণ কথা সন্নিৰিষ্ট কৰা হৈছে। সদাচাৰ তথা নীতি শিক্ষাই পঞ্চতন্ত্ৰৰ মূলকথা।

কথিত আছে দাক্ষিণাত্যৰ মহিলাৰোপ্য নামৰ নগৰৰ ৰজা অমৰকীৰ্ত্তিয়ে, তেওঁৰ মূৰ্খ ৰাজকুমাৰসকলক বিদ্বান তথা নীতিজ্ঞ কৰি তুলিবৰ অৰ্থে বিষ্ণুশৰ্মা নামৰ এজন যোগ্যবান ব্যক্তিক গুৰু নিয়োগ কৰিলে। লোকশাস্ত্ৰবিশাৰদ বিষ্ণুশৰ্মাই পঞ্চতন্ত্ৰৰ গল্পসমূহ ৰচনা কৰি অতি কম দিনৰ ভিতৰতে ৰাজকুমাৰসকলক ব্যৱহাৰ কুশল, সদাচাৰসম্পন্ন তথা নীতিজ্ঞ কৰি তোলে। 'পঞ্চতন্ত্ৰ'ৰ ভাষা ৰসময়ী আৰু সুললিত ইয়াৰ কথা অংশ গদ্যত ৰচিত আৰু ইয়াৰ মাজত থকা শ্লোকসমূহ ৰামায়ণ, মহাভাৰত আৰু আন আন প্ৰাচীন নীতিগ্ৰন্থৰ পৰা উদ্ধৃত। পঞ্চতন্ত্ৰই কেৱল ভাৰতীয় সাহিত্যতেই নহয়, বিশ্ব সাহিত্যতেই এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে।

২) **হিতোপদেশ ঃ** পঞ্চতন্ত্ৰৰ পিছত বঙ্গৰ ৰজা ধৱলচন্দ্ৰৰ ৰাজসভাৰ পণ্ডিত নাৰায়ণে ১৪ শতাব্দীৰ ভিতৰত 'হিতোপদেশ' ৰচনা কৰে। হিতোপদেশৰ মূল আধাৰ 'পঞ্চতন্ত্ৰ' বুলি গ্ৰন্থকাৰে পাতনিত উল্লেখ কৰিছে। ইয়াৰ চাৰিটা খণ্ড বা ভাগ আছে— ১) মিত্ৰলাভ, ২) সুহৃদভেদ, ৩) বিগ্ৰহ, ৪) সন্ধি। ইয়াত সন্নিবেশিত হোৱা শ্লোকসমূহ উপদেশাত্মক আৰু কথা অংশ শিক্ষাপ্ৰদ।

৩) **গুণাঢ্যৰ বৃহৎকথা ঃ** 'বৃহৎকথা'ৰ ৰচক গুণাঢ্যৰ আৰিৰ্ভাৰকাল সম্বন্ধে পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। নৱম শতিকাৰ কম্বোদিয়া লিপি এখনত উল্লেখ থকা গুণাঢ্যৰ নামৰপৰা জনা যায় যে তেওঁৰ আৰিৰ্ভাৰকাল ৬ষ্ঠ শতাব্দীৰ আগত।

কথাসৰিৎসাগৰৰ প্ৰথমখণ্ডত গুণাঢ্যৰ বিষয়ে লিখা কথাৰপৰা জনা যায় যে তেওঁৰ পূৰ্বজন্ম নাম আছিল মাল্যৱান। লোকজীৱনৰ মনোৰঞ্জনকাৰী সৰ্বসুলভ তত্ত্বসমূহ সংগ্ৰহ কৰি লিখা বাবে বৃহৎকথাখন লোকসমাজৰ উপজীব্য হৈ উঠিছে। সুৱন্ধু, বাণ, দণ্ডী, হৰ্ষ, ত্ৰিবিক্ৰমভট্ট, ধনঞ্জয়, সোমদেৱ, গোৱৰ্দ্ধনাচাৰ্য, প্ৰভৃতি কবি-নাট্যকাৰসকলে বৃহৎকথাৰ কথানক অংশৰপৰা নিজ নিজ গ্ৰন্থৰ মূল কাহিনী গ্ৰহণ কৰে।

বৃহৎকথাৰ কথা-বস্তু ঃ এদিন পাৰ্বতীৰ অনুৰোধক্ৰমে মহাদেৱে সাতজন বিদ্যাধৰৰ কাহিনী শুনাই থাকোতে মহাদেৱৰ অনুচৰ পুষ্পদন্ত আৰু মাল্যৱানে মনে মনে শুনি থকা বাবে পাৰ্বতী তেওঁলোকৰ ওপৰত কুপিত হৈ অভিশাপ দিয়ে। ফলত এওঁলোকে কৌশম্বী নগৰত ক্ৰমে বৰৰুচি আৰু কাত্যয়ন নামেৰে জন্ম গ্ৰহণ কৰে।

গুণাঢ্য আছিল সাতবাহনসকলৰ ৰাজকবি। এদিন গুণাঢ্য বিন্ধ্যপৰ্বতলৈ যায় কাণভূতি নামৰ পিশাচ এজনৰ ওচৰত গৈ পৈশাচী ভাষাত পুষ্পদন্তৰ কথা শুনাবলৈ অনুৰোধ কৰে। কাণভূতিয়ে প্ৰথমে গুণাঢ্যৰ পূৰ্বজন্মৰ আত্মবৃত্তান্ত শুনাবলৈ ক'লে। কাণভূতিৰ বৃত্তান্তৰ পৰা গুণাঢ্যই যি শুনিলে তাৰ পৰা জানিব পাৰিলে যে তেওঁ সুপ্ৰতিষ্ঠিত নামৰ নগৰত জন্ম হৈছিল। গুণাঢ্যৰ জন্মৰ পিছত মাতৃৰ মৃত্যু হয়। গুণাঢ্যই দাক্ষিণাত্যত শিক্ষা-দীক্ষা লাভ কৰে। গুণাঢ্যৰ দুজন মোমায়েক আছিল। তেওঁলোকৰো মৃত্যু হয়। গুণাঢ্যই সাতবাহনৰ ৰাজসভাত থাকি তেওঁ বিদ্যাৰ্থীসকলক পঢ়াইছিল আৰু মন্ত্ৰীপদৰ কাৰ্যভাৰো সুকলমে চলাইছিল।

এদিন ৰজা সাতবাহন ৰাণীসকলৰ লগত জলক্ৰীড়া কৰি থাকোতে এগৰাকীয়ে ৰজাক পানী নামাৰিবলৈ ক'লে। কিন্তু সন্ধিৰ জ্ঞান নথকা ৰজাই বুজি নাপাই মিঠাই মাৰিবলৈ কোৱা বুলি বুজিলে। কিন্তু ৰাণীয়ে ৰজাক হাঁহি মাৰি ক'লে— 'মা উদকৈঃ পৰিতাজ্য'। অৰ্থাৎ নিজৰ মূৰ্খতাৰ বাবে ৰজাই বৰ লাজ পালে আৰু প্ৰতিজ্ঞা কৰিলে যে পঢ়ি-শুনি সংস্কৃতৰ জ্ঞান লাভ কৰিব নহ'লে প্ৰাণত্যাগ কৰিব।

এই প্ৰতিজ্ঞা কৰি ৰজা গুণাঢ্যৰ ওচৰলৈ গৈ ব্যাকৰণৰ জ্ঞান লাভ কৰিবলৈ বিচাৰিলে। গুণাঢ্যই ৰজাক ছয় বছৰৰ ভিতৰত ব্যাকৰণৰ পূৰ্ণজ্ঞান দিবলৈ আশ্বাস দিলে। কিন্তু গুণাঢ্যৰ বন্ধু ৰাজমন্ত্ৰী সৰ্ববৰ্মাই ৰজাক ছয়মাহৰ ভিতৰত সংস্কৃত ব্যাকৰণৰ পূৰ্ণজ্ঞান দিব পাৰিব বুলি ক'লে। তেতিয়া গুণাঢ্যই প্ৰতিজ্ঞা কৰিলে যে— যদি সৰ্ববৰ্মাই ছয়মাহৰ ভিতৰত ৰজাক ব্যাকৰণত পাৰদৰ্শী কৰি তুলিব পাৰে তেতিয়া তেওঁ সংস্কৃত, প্ৰাকৃত নাইবা কোনো দেশীয় ভাষা ক'বলৈ এৰি দিব।' সৰ্ববৰ্মাই কাৰ্ত্তিকক তপস্যা কৰি সিদ্ধি লাভ কৰিলে যাৰফলত তেওঁ নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ৰজাক সৰ্ববিশাৰদ কৰি তুলিলে। গুণাঢ্যই নিজ প্ৰতিজ্ঞা ৰক্ষা কৰি মৌনব্ৰত অৱলম্বন কৰি বিন্ধ্যাপৰ্বতলৈ গৈ পৈশাচী ভাষা অধ্যয়ন কৰে।

ইফালে কাত্যায়নৰূপী পুষ্পদন্ত আজীৱন নন্দৰাজবংশৰ সেৱা কৰি বৃদ্ধ বয়সত তীৰ্থভ্ৰমণ কৰিবলৈ ওলাল আৰু বিন্ধ্যপৰ্বতৰ ফালে অগ্ৰসৰ হয়। বিন্ধ্যপৰ্বতত পাৰ্বতীমন্দিৰত কাণভূতি নামৰ পিশাচক লগ পাই পূৰ্বজন্মৰ কাহিনী স্মৃতিপটত ভাঁহি উঠিল আৰু শিৱৰ মুখৰ পৰা শুনা সাতবিদ্যাধৰৰ কাহিনী স্মৃতিলৈ আহে। শিৱক সকলো কথা ব্যক্ত কৰিলে আৰু শাপমুক্ত হৈ নশ্বৰদেহ ত্যাগ কৰি স্বৰ্গগামী হয়।

বিন্ধ্যপর্বতত ঘূৰি ফুৰোঁতে কাণভূতী পিশাচৰ লগত গুণাঢ্যৰ দেখা-সাক্ষাৎ হয়। কাণভূতিৰ মুখৰপৰা শুনা কাহিনীবোৰ গুণাঢ্যই নিজৰ তেজেৰে একেৰাহে সাতবছৰ পৈশাচী ভাষাত সাতলক্ষ শ্লোক লিপিবদ্ধ কৰে। গুণাঢ্যৰ প্ৰিয়শিষ্য গুণদেৱ আৰু নন্দীদেৱৰ অনুৰোধমতে সেই লিখনিসমূহ ৰজা সাতবাহনৰ ওচৰলৈ পঠালে। তেজেৰে লিখা কাৰণে ৰজাই সেয়া গ্ৰহণ নকৰি ওভোটাই পঠালে। সেইকথাত গুণাঢ্যই অতিশয় বেজাৰ পালে আৰু হাবিলৈ গৈ সেই মহান কৃতিবোৰ বনৰ পশু-পক্ষীক শুনাই জুইত পুৰিবলৈ ধৰিলে।

ইপিনে ৰজা সাতবাহন ৰোগশয্যাত পৰিল। শুকান মঙহ খোৱাৰ বাবে ৰজাৰ বেমাৰ হোৱা বুলি বৈদ্যসকলে ক'লে। পক্ষীবোৰৰ শুকান মঙহৰ কাৰণ সোধাত চিকাৰীয়ে কয় যে— এজন ব্ৰাহ্মণে পশু-পক্ষীবোৰক গল্প শুনাই থাকে। সেই গল্পবোৰ ইমান ৰুচিকৰ যে সেয়া শুনি পশু-পক্ষীবোৰে খোৱাৰ কথা পাহৰি গৈছে। এই কথা শুনি ৰজাই অতি সোনকালে বনলৈ গৈ বাকী গল্পবোৰ আনিবলৈ ক'লে। গুণাঢ্যই ৰজাৰ অনুৰোধক্ৰমে লক্ষ শ্লোকাত্মক অৱশিষ্ট কাহিনী সাতবাহনক দিয়ে। এই অৱশিষ্ট কাহিনীবোৰৰ নামেই বৃহৎকথা।

গুণাঢ্যৰ 'বৃহৎকথা'ক অৱলম্বন কৰি পৰৱৰ্তীকালত তিনিখন গ্ৰন্থ ৰচিত হৈছে। তাৰে ভিতৰত বুদ্ধস্বামী ৰচিত **'বৃহৎকথা শ্লোকসংগ্ৰহ'** সকলোতকৈ প্ৰধান। এই গ্ৰন্থখন নেপালত ৰচিত হৈছিল। অসমাপ্ত অৱস্থাত ২৮টা সৰ্গত ৪৫৩৯টা শ্লোক পোৱা যায়।

তাৰ পিছত ক্ষেমেন্দ্ৰ ৰচিত **'বৃহৎকথা মঞ্জৰী'**। ক্ষেমেন্দ্ৰৰ পাচত ১০৬৩-১০৮১ খ্ৰীষ্টাব্দৰ ভিতৰত কাশ্মীৰী ব্ৰাহ্মণ সোমদেৱে **'কথাসৰিৎসাগৰ'** ৰচনা কৰে। ১৮টা লম্বক, ১২৪টা তৰঙ্গ আৰু ২৪,০০০ শ্লোকত 'কথাসৰিতসাগৰ' ৰচিত হয়। পৃথিৱীৰ প্ৰাচীনতম আৰু বৃহত্তম গল্পসঞ্চয়ন এই 'কথাসৰিৎসাগৰ'। সোমদেৱে নিজেই উল্লেখ কৰি কৈছে যে পৈশাচী ভাষাত ৰচিত গুণাঢ্যৰ বৃহৎকথাৰ সাৰ সংক্ষেপ কৰি তেওঁ সংস্কৃতত 'কথাসৰিৎসাগৰ' ৰচনা কৰে। মূলকথা যথাসাধ্য অনুসৰণ কৰি সহজে বোধগম্য কৰিবৰ কাৰণে সোমদেৱৰ এই প্ৰচেষ্টা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ পঞ্চতন্ত্ৰৰ ৰচয়িতাজনৰ নাম কি?

.....

প্ৰশ্ন নং ৬ঃ পঞ্চতন্ত্ৰত কেইটা ভাগ আছে আৰু কি কি?

.....

প্ৰশ্ন নং ৭ঃ হিতোপদেশৰ ৰচয়িতা কোন?

.....

প্ৰশ্ন নং ৮ঃ হিতোপদেশৰ ভাগসমূহৰ নাম লিখক।

.....

প্ৰশ্ন নং ৯ঃ বৃহৎ কথাৰ ৰচক কোন আৰু তেওঁ কোন শতিকাৰ?

.....

প্ৰশ্ন নং ১০ঃ বৃহৎ কথা কোন ভাষাত ৰচনা কৰা হৈছিল?

.....

প্ৰশ্ন নং ১১ঃ বৃহৎ কথাক অৱলম্বন কৰি পৰৱৰ্ত্তীকালত ৰচিত হোৱা গ্ৰন্থকেইখনৰ নাম লিখা।

.....

৪) **বেতালপঞ্চবিংশতি ঃ** বেতালপঞ্চবিংশতি পঁচিশটা মনোমোহা কাহিনীৰ সমষ্টি। প্ৰশ্ন কৰোঁতাজন বেতাল আৰু উত্তৰ দিওঁতাজন বিক্ৰমসেন বা বিক্ৰমাদিত্য।

ইয়াৰ কাহিনী ভাগ হৈছে— ৰজা বিক্ৰমাদিত্যই এজন সন্যাসীৰ কথামতে শ্মশানৰ এটা কোণত এজোপা গছৰ ডালত ওলমি থকা মানুহৰ মৰাশ এটা আনিবলৈ যায়। ৰজাই মৰাশটো নমাই লৈ সন্যাসীৰ ওচৰলৈ যাবলৈ ওলাওতেই সেই গছতে থকা এটা বেতালে এটা সাঁথৰৰ দৰে কাহিনী শুনায় আৰু শেষত কাহিনীত থকা সমস্যাৰ সমাধান দিবলৈ ৰজাক কয়। ৰজাই যথাৰ্থ উত্তৰ দিলে মৰাশটো আকৌ গছৰ ডালত ওলমি থাকেগৈ। ৰজাই আকৌ শটো নমাই ল'লে আকৌ বেতালে কাহিনী কৈ প্ৰশ্ন কৰে। এনেদৰে পঁচিশবাৰ পঁচিশটা সাঁথৰৰ উত্তৰ ৰজাই দিয়াত বেতাল সন্তুষ্ট হৈ সন্যাসীৰ অভিপ্ৰায় ৰজাক জানিবলৈ দি বেতালসিদ্ধিৰ বাবে ৰজাক যথাৰ্থ দিহা দিয়ে।

কাহিনীসমূহ অতিশয় কৌতুহলোদ্দীপক আৰু সৰস। ভাষা সৰল।

৫) **শুকসপ্ততি ঃ** চিন্তামণি ভট্ট নামৰ এজন ব্ৰাহ্মণে 'শুকসপ্ততি' নামেৰে ৭০টা কাহিনীৰ সংকলন এখন ৰচনা কৰে। শুকসপ্ততিৰ কথাবস্তু হৈছে— দেৱদাস নামৰ এজন সাউদৰ প্ৰভাৱতী নামেৰে এজনী অপৰূপা পত্নী আছিল। ৰজাই প্ৰভাৱতীৰ অতুলনীয় ৰূপ দেখি তেওঁক পাবলৈ ইচ্ছা কৰি ষড়যন্ত্ৰ কৰি দেৱদাসক বিদেশলৈ পঠায় দিয়ে। দেৱদাসৰ এটি পোহনীয়া ভাটৌ চৰাই আছিল। দেৱদাসে ঘৰৰ সকলো দায়িত্ব ভাটৌ চৰাইটোৰ ওপৰত ন্যস্ত কৰি বিদেশলৈ যাত্ৰা কৰিলে। দেৱদাসৰ অনুপস্থিতিত যেতিয়াই প্ৰভাৱতীয়ে ৰাতি বাহিৰলৈ ওলাই যাবলৈ ইচ্ছা কৰে তেতিয়াই ভাটৌটোৱেতেওঁৰ সতীত্ব নাশ হোৱাৰ আশঙ্কা কৰি প্ৰত্যেক ৰাতি একোটাকৈ গল্প কৈ তাৰ মাজেৰে সেই কুকৰ্মৰ ভয়াবহ ফলৰ কথা সোঁৱৰাই দিয়ে। প্ৰভাৱতীয়ে ভাটৌটোৰ গল্পত মুগ্ধ হৈ বাহিৰলৈ নোলাল। সেইদৰে ভাটৌটোৱে ৭০টা ৰাতি ৭০টা গল্পৰ দ্বাৰা প্ৰভাৱতীৰ চৰিত্ৰ ৰক্ষা কৰে।

৬) **সিংহাসনদ্বাত্ৰিংশিকা ঃ** সিংহাসন দ্বাত্ৰিংশিকাৰ ৰচক কোনোবা জৈন কবি। এইখন গ্ৰন্থ মহাৰাজ বিক্ৰমাদিত্যৰ গুণানুকীৰ্ত্তন কৰা ৩২টা কাহিনীৰ সংকলন। মহাৰাজ-বিক্ৰমাদিত্যৰ ইন্দ্ৰৰ পৰা লাভ কৰা ৩২টা পুতলা থকা এখন ৰাজসিংহাসন আছিল। বিক্ৰমাদিত্যৰ মৃত্যুৰ পিছত এই সিংহাসনখন মাটিৰ তলত পোত খাই থাকে। কালক্ৰমত ভোজৰজাই এই সিংহাসনখন মাটিৰ তলৰপৰা খান্দি উলিয়াই আৰু যেতিয়া তাত বহিবলৈ ইচ্ছা কৰে তেতিয়া সিংহাসনৰ গাত থকা ৩২টা পুতলা জীৱন্ত হৈ উঠে আৰু প্ৰত্যেকেই মহাৰাজ বিক্ৰমাদিত্যৰ গুণৰ বিষয়ে একোটাকৈ গল্প কয়। এই গল্পবোৰৰ সমষ্টিয়েই সিংহাসনদ্বাত্ৰিংশিকা।

৭) **ভোজপ্ৰবন্ধ ঃ** 'ভোজপ্ৰবন্ধ' ৰচনা কৰে বল্লালসেনে। ধাৰাৰাজ্যৰ ৰজা ভোজৰ বিষয়ে কথিত এলানি সৰস সাধুৰ সংগ্ৰহেই 'ভোজপ্ৰবন্ধ'। ৰজা ভোজ এজন অতিশয় বিদ্বান আৰু বিদ্যোৎসাহী ৰজা আছিল। গ্ৰন্থখনত ভোজৰ ৰাজসভাৰ পণ্ডিত কবি কালিদাস, ভৰভূতি, দণ্ডী, বাণভট্ট, ময়ূৰ, মাঘ আদি কবিসকলৰ গুণবৰ্ণনা কৰা হৈছে।

৮) **পুৰুষ পৰীক্ষা ঃ** মৈথিলী কবি বিদ্যাপতিৰ ৰচিত পুৰুষপৰীক্ষা ৪২টা গল্পৰ সংকলন। গ্ৰন্থখন চাৰিটা পৰিচ্ছেদত বিভক্ত। গ্ৰন্থখনৰ ভাষা সৰল। বৰ্ণনাসমূহ ৰসপূৰ্ণ।

বৌদ্ধকথাসাহিত্যত বহুতো গল্পসাহিত্যৰ উল্লেখ আছে। তাৰে কিছুসংখ্যক তলত উল্লেখ কৰা হ'ল—

১) **অৱদানশতক ঃ** এশটা গল্পৰ সমষ্টিয়েই হ'ল অৱদানশতক। অৱদান বা বীৰগাথাসমূহকে বৌদ্ধ সাহিত্যৰ ভিতৰতে প্ৰাচীনতম কথা সাহিত্যৰ নিদৰ্শন বুলি কোৱা হয়। খ্ৰীষ্টীয় ৩য় শতিকাৰ প্ৰথমভাগত ই চীনা ভাষাত অনুদিত হয়। সৰ্বাস্তিবাদসকলৰ বিনয়পিটকৰ আধাৰতে

> ⓘ বৌদ্ধ ধৰ্মৰ এটা ভাগ হ'ল হীনযান। হীনযানীসকলে সৰ্বস্তিবাদ স্বীকাৰ কৰে।

অৱদানশতক ৰচিত হৈছে। গ্ৰন্থখন দহটা ভাগত বিভক্ত। গদ্য আৰু পদ্যত ৰচিত গল্পসমূহৰ ভাষা সৰল।

২) **দিব্যাৱদান ঃ** দিব্যাৱদানৰ কথাসমূহ বৌদ্ধসাহিত্যৰ পৰা সংগৃহীত। গ্ৰন্থৰ এভাগত মহাযান পন্থীসকলৰ মতবাদসমূহ আৰু আনভাগত হীনযান পন্থীসকলৰ মূলতত্ত্বসমূহ উদাহৰণসহ বৰ্ণিত হৈছে।

৩) **জাতকমালা ঃ** আৰ্যশূৰৰ জাতকমালা জাতকসমূহৰ এটা সমষ্টি। এই জাতকমালাত বোধিসত্ত্বৰ পূৰ্বজন্মৰ জীৱনী বৰ্ণনা কৰা হৈছে। পালি জাতকসমূহ আৰু চৰ্যাপিঠকৰপৰা সংগৃহীত চৌত্ৰিশটি কাহিনী সংস্কৃত গদ্য আৰু পদ্যত অনুবাদ কৰা হৈছে। ধৰ্মালোচনাৰ মাজে মাজে দৃষ্টান্ত দিবৰ কাৰণেই এই কাহিনীবিলাক এসময়ত একেলগে সন্নিবেশিত হয়। অশ্বঘোষৰ ৰচনাশৈলীৰ ছাপ ইয়াত সুস্পষ্ট। বহুতে অনুমান কৰে আৰ্যশূৰ অশ্বঘোষৰে নামান্তৰ মাত্ৰ। জাতকমালাৰ গল্পসমূহে অজন্তাৰ প্ৰাচীন চিত্ৰত স্থান লাভ কৰিছে।

> ℹ বিনয় পিটকত বৌদ্ধভিক্ষুসকলৰ কাৰণে নৈতিকতাৰ আচৰণবিধি বৰ্ণনা কৰা আছে।

জৈন কথাসাহিত্যত বৌদ্ধসাহিত্যৰ নিচিনা গল্পসাহিত্যৰ উল্লেখ পোৱা যায়।

বৌদ্ধ কথা সাহিত্যৰ দৰে জৈন কথা সাহিত্যও নীতিগৰ্ভ, জৈন কথাসাহিত্য ৰচনাৰ উদ্দেশ্য হৈছে জৈনধৰ্মৰ মতবাদ প্ৰচাৰ কৰা। তাৰে কেইখনমানৰ চমুকৈ উল্লেখ কৰা হ'ল—

১) **উপমিতি ভাৱ প্ৰপঞ্চ কথা ঃ** সিদ্ধৰ্ষিৰ দ্বাৰা কথাৰ আকাৰত ৰচিত মানুহৰ আত্মাবিষয়ক এইখন ৰূপক গ্ৰন্থ। খ্ৰীষ্টীয় দশম শতিকাত এই গ্ৰন্থখন ৰচনা কৰে। গদ্য পদ্য মিশ্ৰিত গ্ৰন্থখনৰ ভাষা সৰল।

২) **পৰিশিষ্ট পৰ্ব ঃ** পৰিশিষ্ট পৰ্ব গ্ৰন্থখন হেমচন্দ্ৰৰ দ্বাৰা ৰচিত। গ্ৰন্থখন প্ৰাচীন জৈন তীৰ্থঙ্কৰসকলৰ জীৱন গাথাৰ আধাৰত ৰচিত। কথাবোৰ সহজ-সৰল আৰু লোকপ্ৰিয়। লেখক ধৰ্মীয় মতবাদ আৰু ৰীতি-নীতিক লৈ অধিক ব্যস্ত।

জানি থোৱা ভাল

সাধুকথা বা গল্প, কথা, উপকথা, কাহিনী আদি কোৱা আৰু শুনা প্ৰথা সকলো দেশৰ সকলো জাতিৰ মাজতে আছে। গল্প সাহিত্য কোনো দেশ বা জাতিৰ সংস্কৃতিৰ বাহন। গল্প সাহিত্যৰ তিনিটা উদ্দেশ্য আছে— ১) অৱসৰকাল যাপন, ২) চিত্ত বিনোদন বা মনোৰঞ্জন, ৩) লোকশিক্ষা আৰু ৰাজকুমাৰসকলক নীতিশিক্ষা প্ৰদান।

গল্প ৰচয়িতাসকলে মনুষ্যজগতৰ অনুকৰণত সৃষ্ট কাল্পনিক জগতৰ দেৱদেৱী, গন্ধৰ্ব অপ্সৰা প্ৰভৃতিক লৈ গল্প ৰচনা কৰাৰ অনুপ্ৰেৰণা পায়। গল্প সাহিত্যৰ অন্তৰ্গত গল্পবিলাকৰ দুটা সুনিৰ্দ্দিষ্ট ভাগ আছে। এটা ভাগৰ চৰিত্ৰবিলাক মানুহ আৰু আনটো ভাগৰ চৰিত্ৰবিলাক পশু-পক্ষী। গল্পৰ আখ্যান ভাগক শিশুসকলৰ বোধগম্য কৰাৰ কাৰণে সহজ আৰু অনাড়ম্বৰ ভাষাৰ ব্যৱহাৰ কৰা হৈছে। গোটেই গল্পটো পঢ়ি শিশুৱে যাতে তাৰ নীতিটো সহজে মনত ৰাখিব পাৰে সেই উদ্দেশ্যে গল্পত শ্লোক সন্নিবিষ্ট কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১২ঃ কথাসৰিৎসাগৰৰ ৰচক কোন?

.....

প্ৰশ্ন নং ১৩ঃ বেতালপঞ্চবিংশতিত উল্লেখ কৰা ৰজাজনৰ নাম কি?

.....

প্ৰশ্ন নং ১৪ঃ শুকসপ্ততিৰ ৰচক কোন?

.....

প্ৰশ্ন নং ১৫ঃ ভোজপ্ৰৰন্ধ কোনে ৰচনা কৰে?

.....

প্ৰশ্ন নং ১৬ঃ বৌদ্ধ আৰু জৈন কথাসাহিত্য দুখনৰ নাম লিখা।

.....

৮.৫ শব্দাৰ্থ তালিকা

১) ঋগ্বেদ ঃ বেদ চাৰিখন— ঋগ্বেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ। ঋগ্বেদ প্ৰথম বেদ।

২) পতঞ্জলি ঃ এগৰাকী দাৰ্শনিক আৰু ব্যাকৰণবিদ। তেওঁ ৰচনা কৰা গ্ৰন্থখনৰ নাম মহাভাষ্য।

৩) ব্ৰাহ্মণ ঃ বেদৰ এটা ভাগ।

৪) উপনিষদ ঃ বেদৰ অন্তিমভাগ। ইয়াক 'বেদান্ত' বুলিও কোৱা হয়।

৫) শতপথব্ৰাহ্মণ ঃ শুক্লযজুৰ্বেদৰ অন্তৰ্গত ব্ৰাহ্মণ।

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত ৰচিত হোৱা গল্প সাহিত্য বা কথা সাহিত্যৰ উৎস আৰু বিকাশৰ বিষয়ে জানিব পাৰিলে।
- গল্প সাহিত্য ৰচনা কৰাৰ উদ্দেশ্য আৰু ভাগসমূহৰ বিষয়ে জানিব পাৰিলে।
- বিভিন্ন গল্প সাহিত্যৰ— যেনে পঞ্চতন্ত্ৰ, হিতোপদেশ, বৃহৎকথা, বেতালপঞ্চবিংশতি, সিংহাসনদ্বাত্ৰিংশিকা, শুকসপ্ততি, বৌদ্ধ আৰু জৈন কথা সাহিত্যৰ পৰিচয়ৰ লগতে বিষয়বস্তুসমূহৰো চমু আভাস পোৱা গ'ল।
- গল্প সাহিত্য হৈছে সংস্কৃত সাহিত্যৰ পৰম ৰমণীয় হৃদয়গ্ৰাহী ৰচনা। ইংৰাজীত ইয়াক Fables বুলি কোৱা হয়।
- সংস্কৃত গল্প সাহিত্যবোৰৰ কিছু অংশ তৎকালীন জীৱন প্ৰবাহৰ ওপৰত আধাৰিত। কিছু অংশ সামুদ্ৰিক যাত্ৰাৰ সৈতে সম্বন্ধ; কিছু অংশ আশ্চৰ্যপূৰ্ণ ঘটনাৰে পৰিপূৰ্ণ, কিছু অংশ স্বৰ্গলোক আৰু গন্ধৰ্বলোকৰ চিত্ৰণ, ধৰ্মৰ প্ৰেৰণাৰ দ্বাৰা পূৰিত, নীতিপৰক আৰু অধিকাংশ শিক্ষাত্মক আৰু উপদেশাত্মক।

৮.৭ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

২) গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ পাণবজাৰ, বুকলেণ্ড।

৩) ভাগৱতী, কামাখ্যাচৰণ, *'সংস্কৃত সাহিত্যৰ জিলিঙনি'*, গুৱাহাটী ঃ গ্ৰন্থপীঠ, পাণবজাৰ।

৪) Krishnamachariar, M, *'History of Classical Sanskrit Literature*', New Delhi : MLBD.

✓ ৮.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ কথা সাহিত্য

২নং প্রশ্নৰ উত্তৰ ঃ গল্প সাহিত্যত দুটা শৈলী দেখা যায়—
১। গদ্যৰ নৈসর্গিক সৰল শৈলী
২। কৃত্রিম অলঙ্কৃত শৈলী

৩নং প্রশ্নৰ উত্তৰ ঃ গল্প সাহিত্য ৰচনা কৰাৰ মূল উদ্দেশ্য তিনিটা— ১) অৱসৰ যাপন, ২) চিত্তবিনোদন, ৩) লোকশিক্ষা আৰু ৰাজকুমাৰসকলক নীতি শিক্ষা প্রদান।

৪নং প্রশ্নৰ উত্তৰ ঃ গল্প সাহিত্যৰ চৰিত্র বা লক্ষণসমূহ বিচাৰ কৰি সেইবোৰক ব্যাপক অর্থত ঘাইকৈ দুটা ভাগত ভাগ কৰা হৈছে— ১) মানৱীয় চৰিত্র আৰু অনুভূতিময় গল্প, ২) মানৱেতৰ চৰিত্রসন্মত নীতিপৰক গল্প।

৫নং প্রশ্নৰ উত্তৰ ঃ বিষ্ণুশর্মা

৬নং প্রশ্নৰ উত্তৰ ঃ পঞ্চতন্ত্র পাঁচটা তন্ত্র বা ভাগত বিভক্ত— ১) মিত্রভেদ, ২) মিত্রলাভ, ৩) কাকোলূকীয়, ৪) লব্ধপ্রণাশ, ৫) অপৰীক্ষিত কাৰক।

৭নং প্রশ্নৰ উত্তৰ ঃ 'হিতোপদেশ'ৰ ৰচয়িতা বঙ্গৰ ৰজা ধৱলসেনৰ ৰাজসভাৰ পণ্ডিত নাৰায়ণ শর্মা।

৮নং প্রশ্নৰ উত্তৰ ঃ হিতোপদেশৰ ভাগসমূহ— ১) মিত্রলাভ, ২) সুহৃদভেদ, ৩) বিগ্রহ, ৪) সন্ধি

৯নং প্রশ্নৰ উত্তৰ ঃ 'বৃহৎকথা'ৰ ৰচক গুণাঢ্য তেওঁ ষষ্ঠ শতিকাৰ আগৰ।

১০নং প্রশ্নৰ উত্তৰ ঃ 'বৃহৎকথা' পৈশাচী ভাষাত ৰচিত।

১১নং প্রশ্নৰ উত্তৰ ঃ 'বৃহৎকথা'ক অৱলম্বন কৰি পৰৱর্তীকালত ৰচিত হোৱা গ্রন্থসমূহ হৈছে—
১) বুদ্ধস্বামীৰ— 'বৃহৎকথা শ্লোকসংগ্রহ'
২) ক্ষেমেন্দ্রৰ— 'বৃহৎকথামঞ্জৰী'
৩) সোমদেৱৰ— 'কথাসৰিতসাগৰ'

১২নং প্রশ্নৰ উত্তৰ ঃ সোমদেৱ

১৩নং প্রশ্নৰ উত্তৰ ঃ বেতালপঞ্চবিংশতিত উল্লেখ কৰা ৰজাজনৰ নাম বিক্রমাদিত্য

১৪নং প্রশ্নৰ উত্তৰ ঃ চিন্তামণি নামৰ এজন ব্রাহ্মণ

১৫নং প্রশ্নৰ উত্তৰ ঃ বল্লালসেন

১৬নং প্রশ্নৰ উত্তৰ ঃ ১) অৱদানশতক
২) উপমিতিভাব প্রপঞ্চ কথা

⑦ ৮.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গল্পসাহিত্যত উল্লেখ কৰা গ্রন্থসমূহৰ পৰা যিকোনো এখন গল্পসাহিত্যৰ বিষয়ে লিখক।

খ) চুটিপ্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গল্পসাহিত্যৰ উৎসৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ 'বৃহৎকথা'ৰ বিষয়ে বহলাই লিখক।

গ) **ৰচনাধর্মী প্রশ্ন** (৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ গল্পসাহিত্য বা কথাকাব্য কাক বোলে? ইয়াৰ ৰচনাৰ উদ্দেশ্য কি?

প্রশ্ন ২ঃ গল্প সাহিত্যত উল্লেখ কৰা গ্রন্থসমূহৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ৯ঃ শতককাব্য (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ শতককাব্যৰ পৰিচয়

৯.৩.১ শতককাব্যৰ লক্ষণ

৯.৩.২ শতককাব্য ৰচনাৰ উদ্দেশ্য

৯.৩.৩ শতককাব্যৰ উৎস

৯.৩.৪ শতককাব্যৰ ভাগ

৯.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন শতককাব্যৰ উল্লেখ

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খাতিয়ান

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- শতককাব্যৰ পৰিচয় লাভ কৰিব পাৰিব
- শতককাব্যৰ উৎস আৰু লক্ষণ বুজিবলৈ সমর্থ হ'ব
- শতককাব্য ৰচনাৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব
- সংস্কৃত সাহিত্যত ৰচিত হোৱা বিভিন্ন শতককাব্যৰ বিষয়ে জানিব পাৰিব
- শতককাব্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

৯.২ পৰিচয়

এই অধ্যায়ত আপোনালোকে শতককাব্যৰ বিষয়ে জানিব পাৰিব।

অতি কম পৰিসৰতে অধিক সাৰগর্ভ আৰু নীতিব্যঞ্জক বিষয়বস্তু সম্বলিত কাব্যকে শতককাব্য বোলা হয়। 'শতক' শব্দৰ অর্থ 'এশ'। শতক বা এশটা শ্লোকত ব্যৱহাৰিক জীৱনত সততে কামত অহা, গভীৰ অর্থপ্রকাশক শ্লোকৰ সমষ্টিয়েই হৈছে শতককাব্য।

শতককাব্য হৈছে একপ্রকাৰৰ গীতিকাব্য। ই স্বয়ং সম্পূর্ণ মুক্তক শ্রেণীৰ চতুষ্পদী কবিতা। সংস্কৃত গীতি কবিতাত ভালেমান শতককাব্য পোৱা যায়। শতককাব্যসমূহত ত্রিবর্গৰ (ধর্ম, অর্থ, কাম) বিষয়েই আলোচনা আগবঢ়াইছে। মানৱ জীৱনে এই ত্রিবর্গ সাধনতেই পৰিপূর্ণতা লাভ কৰে। ধর্ম, নীতি, শৃঙ্গাৰ আৰু বৈৰাগ্য এই সকলো বিষয়ৰ ওপৰত শতককাব্য ৰচিত হৈছে। অতীৰ উৎকণ্ঠাপূর্ণ আৱেগপ্রৱণ কাব্যই শতককাব্য।

এতিয়া আপুনি এই অধ্যায়ত শতককাব্যৰ পৰিচয়, ইয়াৰ লক্ষণ, ৰচনাৰ উদ্দেশ্য, উৎস, বিভিন্ন ভাগ তথা বিভিন্ন শতককাব্যৰ বিষয়ে জানিব পাৰিব।

৯.৩ শতককাব্যৰ পৰিচয়

আপুনি এতিয়া শতককাব্যৰ পৰিচয় জানিব পাৰিব। অতিশয় আৱেগ-অনুভূতিপূর্ণ আৰু সংবেদনশীল ভাৱযুক্ত অথচ মাধুর্যময় কবিতাকে শতককাব্য বোলা হয়। শতককাব্য একপ্রকাৰ গীতিকবিতা। শতককাব্য সংস্কৃত সাহিত্যৰ এক পৰম ৰমণীয় অঙ্গস্বৰূপ। এই কাব্যসমূহ মুক্তক শ্রেণীৰ। অর্থাৎ বাহ্য উপকৰণৰ পৰা মুক্ত হৈ স্বয়ং ৰসযুক্ত হোৱাটোৱেই মুক্তকৰ লক্ষ্য। ইয়াৰ ৰসপানত পাঠকৰ হৃদয় আনন্দত আপ্লুত হয়। আলঙ্কাৰিক **আনন্দবর্দ্ধনে** মুক্তক সম্বন্ধে এইদৰে কৈছে—

> আনন্দবর্দ্ধনে ৰচনা কৰা গ্রন্থখনৰ নাম ধ্বন্যালোক।

'মুক্তকেষু হি প্রবন্ধেষু ইৱ ৰসৱন্ধাভিনিবেশিনঃ কবয়ো দৃশ্যন্তে।' ভর্ত্তৃহৰিৰ 'শতকত্রয়' আৰু অমৰুক'ৰ 'অমৰুশতক' মুক্তকৰ উত্তম উদাহৰণ। এনে কাব্য শৃঙ্গাৰ-ৰসাত্মক, নীতি বা উপদেশাত্মক আৰু বৈৰাগ্য ভাৱমিশ্রিত।

৯.৩.১ শতককাব্যৰ লক্ষণ

শতককাব্যৰ পৰিচয়ৰ পাছত আপুনি এতিয়া 'শতককাব্য'ৰ লক্ষণৰ বিষয়ে জানিব পাৰিব। শতককাব্যক লঘুকাব্য বোলে। মুক্তক শ্লোক, শতককাব্য, খণ্ডকাব্য, স্তোত্রকাব্য প্রভৃতি লঘুকাব্যৰ অন্তর্ভুক্ত। গীতি কবিতাৰ দৰেই স্বয়ংসম্পূর্ণ ক্ষুদ্রাকাৰৰ একক কবিতা। এই শতককাব্য সমূহ শৃঙ্গাৰাত্মক আৰু ভক্তিভাবনাপূর্ণ হয়। সুখ-দুঃখ, আশা-নিৰাশা আদিৰ পৰা যি বৈৰাগ্য ওপজে সেই বিষয়সমূহক অৱলম্বন কৰিও শতককাব্য ৰচিত হয়। জীৱনৰ ক্ষণিকতা, বিষয়ভোগৰ প্রতি আসক্তিশূন্য আদিয়েই বৈৰাগ্য শতকৰ প্রধান বিষয়বস্তু। 'উৎকণ্ঠাবিৰচিতং পদং গেয়ং' বুলি ইয়াৰ লক্ষণ নিৰূপিত হৈছে।

৯.৩.২ শতককাব্য ৰচনাৰ উদ্দেশ্য

আপুনি শতককাব্যৰ বিষয়ে জানিব পাৰিলে। এতিয়া শতককাব্য ৰচনাৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যত দৃশ্য আৰু শ্রব্য এই দুয়োবিধ ৰচনাৰ মাজত শ্রব্যকাব্যক তিনিটাভাগত ভাগ কৰা হৈছে। গদ্য, পদ্য আৰু মিশ্র। শতককাব্য পদ্যকাব্যৰ অন্তর্গত। শতককাব্যসমূহ গীতিধর্মী। কম কথাতে বেছি ভাব প্রকাশ কৰি পাঠকক ৰসাভিভূত কৰাই হৈছে শতককাব্যৰ উদ্দেশ্য। ইয়াৰ দ্বাৰা মানুহে বাহ্য বিষয়মুখী হ'লেও অন্তর্মুখী চেতনাত একাত্ম হৈ পৰে। শতককাব্যত মধুৰ পদাৱলীৰ লগত সঙ্গীতময় ছন্দৰ প্রয়োগ কৰা হয়। শৃঙ্গাৰ, নীতি, বৈৰাগ্য তথা প্রাকৃতিক দৃশ্যৰাজিৰ বহুল বর্ণনা শতক কাব্যত সন্নিবেশ কৰা থাকে। শতককাব্যত ৰমণীৰ সৌন্দর্য যিমান সুন্দৰ স্বাভাৱিক ৰূপত পোৱা যায়, আন সাহিত্যত দুর্লভ। শৃঙ্গাৰৰ ভিন্ ভিন্ অৱস্থাৰ মার্মিক চিত্রণ প্রকাশ কৰা শতককাব্যৰ প্রধান উদ্দেশ্য। মূলতঃ হৃদয়ৰ ৰাগাত্মক ৰচনাক ছন্দোবদ্ধ ৰূপত প্রকাশ কৰোৱাটোৱেই শতককাব্যৰ মূল উদ্দেশ্য।

৯.৩.৩ শতককাব্যৰ উৎস

আপুনি এতিয়া শতককাব্যৰ উৎসৰ বিষয়ে জানিব পাৰিব। **ঋগ্বেদৰ** পাতত থকা ঊষা সূক্ত বা সূর্য

সূক্তসমূহতে প্ৰথম শতককাব্যৰ চানেকি দেখা যায়। বেদৰ একক মন্ত্ৰ অথবা কিছুমান মন্ত্ৰ সম্বলিত সূক্তক লঘুকাব্যৰ লগত মিলাব পাৰি। ঋগ্বেদৰ অক্ষসূক্ত (১০,৩৪) ভিক্ষুসূক্ত (১০/১১৭), সংজ্ঞানসূক্ত (১০-৭১-৭২) আদিত শতককাব্যৰ ধ্বনি শুনিবলৈ পোৱা যায়। তেনেদৰে উপনিষদ সাহিত্যও নীতিসমৃদ্ধ। কল্পসূত্ৰৰ অন্তৰ্গত ধৰ্মসূত্ৰ, পাছৰ যুগৰ স্মৃতিসমূহ, পুৰুষাৰ্থ চতুষ্টয় সাধনৰ বাবে বিহিত ধৰ্মনীতি, সমাজনীতি, ৰাজনীতি আদিত নীতি, বৈৰাগ্য আদিৰ প্ৰবচনসমূহ দেখা যায়। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিতো নীতিগৰ্ভ শতককাব্যসম্ভাৰ সোমাই আছে। মহাভাৰতৰ শান্তিপৰ্ব আৰু অনুশাসনপৰ্ব দুটাক শতককাব্যৰ আধাৰ বুলিব পাৰি।

ঋগ্বেদ ঃ চাৰিখন বেদৰ ভিতৰত ঋগ্বেদ প্ৰথম।

৯.৩.৪ শতককাব্যৰ ভাগ

এতিয়া আপুনি শতককাব্যৰ ভাগসমূহৰ বিষয়ে জানিব পাৰিব—

শতককাব্যসমূহ সাধাৰণতে তিনিটা ভাগত বিভক্ত— (১) শৃঙ্গাৰমূলক, (২) নীতিমূলক, (৩) বৈৰাগ্যমূলক। এই শতককাব্যসমূহত বৈচিত্ৰপূৰ্ণ সমাহাৰ দেখা যায়। যেনেঃ সাংসাৰিক লোভ-মোহ, অভিমান, অহংকাৰ, মোহ আদিৰ পৰা হ'ব পৰা দুৰ্গতি, জীৱনৰ ক্ষণস্থায়িত্ব, নাৰীৰ মোহনীয় চৰিত্ৰ আৰু ৰূপৰ প্ৰলোভনৰ প্ৰতি সতৰ্কতা, আসক্তিহীনতা, বৈৰাগ্যৰ পৰা সুবিধা, শম-দমাদিৰ পৰা হোৱা লাভ, সৎসঙ্গৰ পৰা হোৱা লাভ, অসৎসঙ্গৰ পৰা হোৱা ক্ষতি, বিদ্যাৰ মহত্ব, বিদ্বানৰ মহত্ব আদি শতককাব্যৰ বিষয়বস্তু।

শতককাব্যত প্ৰেম বা শৃঙ্গাৰ নীতি আৰু বৈৰাগ্যক প্ৰাধ্যান দিয়া হয়।

অলংকাৰ আৰু ছন্দৰ বৈচিত্ৰও এই কাব্যসমূহত বিৰাজমান। শতককাব্যৰ ভাষা সংস্কৃত।

৯.৪ সংস্কৃত সাহিত্যত ৰচিত বিভিন্ন শতককাব্যৰ উল্লেখ

এতিয়া আপুনি বিভিন্ন শতককাব্যৰ বিষয়ে জানিব পাৰিব—

১) **অমৰুশতক ঃ** অমৰুশতক নামৰ শতককাব্যখন অমৰু বা অমৰুক নামৰ কবিৰ দ্বাৰা ৰচনা বুলি প্ৰসিদ্ধি আছে। অমৰু অষ্টম শতাব্দীৰ পূৰ্বৰ কবি। কিম্বদন্তী অনুসাৰে জনা যায় যে— মণ্ডনমিশ্ৰৰ পত্নী ভাৰতীৰ সৈতে বিচাৰত প্ৰবৃত্ত শঙ্কৰাচাৰ্য ৰতিশাস্ত্ৰবিষয়ক প্ৰশ্নৰ উত্তৰ দানত অসমৰ্থ হোৱাত শাস্ত্ৰজ্ঞান লাভ কৰিবলৈ নৰ্মদাৰ তীৰলৈ যায়। তাতে তেওঁ যোগৰ বলত দেহটো শিষ্যসকলক সংৰক্ষণ কৰিবলৈ দি ইতিমধ্যে মৃত কাশ্মীৰৰ ৰজা অমৰুকৰ পত্নীসকলেৰে সৈতে শৃঙ্গাৰ কেলি কৰি পুনঃ নিজ দেহত প্ৰৱেশ কৰে। এনেদৰে লব্ধজ্ঞানেৰে শতশ্লোকত অমৰুক কাব্য ৰচনা কৰিছিল। পৰৱৰ্তীকালত এইখন 'অমৰুশতক' নামেৰে প্ৰসিদ্ধি লাভ কৰে।

'অমৰুশতক'ৰ শ্লোকবোৰ মনোহৰ। ইয়াৰ ভাৱ-ভাষা ছন্দ অলংকাৰ সকলো দিশতে মনোহাৰিত্ব বিদ্যমান। দীৰ্ঘসমাসবদ্ধ পদ ব্যৱহাৰ কৰিছে। শার্দুলবিক্রীড়িত ছন্দত ৰচিত কাব্যখনৰ প্ৰধানৰস শৃঙ্গাৰ।

'অমৰুশতক'ৰ চাৰিটা আঞ্চলিক সংস্কৰণত শ্লোকসংখ্যা ৯৬ৰপৰা ১১৫টা পৰ্যন্ত দেখা যায়। অষ্টম শতিকাত বামনে অমৰুশতকৰ তিনিটা শ্লোক উদ্ধৃত কৰিছিল। খ্ৰীষ্টাব্দ ৮৫০ত আনন্দবৰ্দ্ধনে অমৰুক প্ৰথিতযশা কবিৰূপে উল্লেখ কৰিছিল। 'অমৰুশতক' খ্ৰীষ্টাব্দ ৭ম শতিকাৰ শেষভাগত ৰচিত হয় বুলি আনন্দবৰ্দ্ধনে উল্লেখ কৰিছে।

২) **শতকত্ৰয় ঃ** 'শতকত্ৰয়' ভৰ্ত্তৃহৰিয়ে ৰচনা কৰে। তেওঁ শৃঙ্গাৰ, নীতি আৰু বৈৰাগ্যশতক ৰচনা কৰে।

ভৰ্ত্তৃহৰিৰ জীৱনবৃত্তসম্বন্ধে সঠিককৈ একো জনা নাযায়। শতকত্ৰয়ৰ উপৰিও ৰাৱণবধ বা ভট্টিকাব্য

আৰু 'বাক্যপদীয়' ৰচনা কৰে। ভর্ত্তৃহৰিয়ে শৃঙ্গাৰ, নীতি আৰু বৈৰাগ্য শতকত্ৰয়ৰ আদিতে ক্ৰমে কামদেৱ, ব্ৰহ্মা আৰু শিৱৰ স্তুতি কৰিছে। নীতিশতকৰ আদি শ্লোকে তেওঁক এজন অদ্বৈতবাদী ৰূপেহে চিনাকি দিয়ে। এতিয়া শতকত্ৰয়ৰ বিষয়ে আলোচনা কৰা হ'ল—

(ক) **নীতিশতক ঃ** নীতিশতকত কবিয়ে উদাত্ত গুণ গ্ৰহণ কৰিবলৈ আগ্ৰহ দেখুৱাইছে। যিবোৰৰ অনুশীলন সমগ্ৰ মানৱ সমাজৰেই মঙ্গলকাৰক। এই শতকখনৰ এশটা শ্লোক দহটা পদ্ধতিত ভাগ কৰি তাৰ অনুশীলন লোকসমাজত দাঙি ধৰিছে। মঙ্গলাচৰণৰ পাছত ক্ৰমে— (১) মূৰ্খপদ্ধতি (২-১০), (২) বিদ্বৎপদ্ধতি (১১-২০), (৩) মান শৌৰ্য্য পদ্ধতি (২১-৩০), (৪) অৰ্থপদ্ধতি (৩১-৪০), (৫) দুৰ্জন পদ্ধতি (৪১-৫০), (৬) সজ্জন পদ্ধতি (৫১-৬০), (৭) পৰোপকাৰ পদ্ধতি (৬১-৭০), (৮) ধৈৰ্য্যপদ্ধতি (৭১-৮০), (৯) দৈৱপদ্ধতি (৮১-৯০), (১০) কৰ্মপদ্ধতি (৯১-১০০)।

ভর্ত্তৃহৰিয়ে কালিদাস, শূদ্ৰক আদিৰ গ্ৰন্থৰ পৰাও শ্লোকসমূহ সংগ্ৰহ কৰিছে। নীতিশতকৰ শ্লোকসমূহ অতিশয় জনপ্ৰিয়। শ্লোকসমূহৰ মাজত কবিৰ সুষ্ঠনীতি তথা মানৱচৰিত্ৰ সমীক্ষণৰ ছাপ দেখা যায়।

(খ) **শৃঙ্গাৰশতক ঃ** এই শতকখন বিষয়ানুসৰি পাঁচটা ভাগত বিভক্ত। (১) স্ত্ৰীপ্ৰশংসা (১-২০), (২) সম্ভোগবৰ্ণন (২১-৪০), (৩) কামিনীনিন্দা (৪১-৬০), (৪) সুবিৱক্ত দুৰ্বিৱক্ত পদ্ধতি (৬১-৮০), (৫) ঋতুবৰ্ণন (৮১-১০০)।

ইয়াত এশটা শ্লোকৰ মাজেৰে কবিজনে নাৰী প্ৰকৃতিৰ উপলব্ধি, কামুক ব্যক্তিৰ স্বৰূপোদ্‌ঘাটন, পৰিণতি আদি আঙুলিয়াই দেখুৱাইছে।

(গ) **বৈৰাগ্যশতক ঃ** 'বৈৰাগ্যশতক' হৈছে ভর্ত্তৃহৰিৰ তৃতীয় শতক। বিষয়ানুসৰি ইয়াৰ শতশ্লোক দহটা ভাগত বিভক্ত— (১) তৃষ্ণাদূষণম্ (১-১০), (২) বিষয় পৰিত্যাগ বিড়ম্বনা (১১-২০), (৩) খাঞ্চাদৈন্যদূষণম্ (২১-৩০), (৪) ভোগাস্থৈৰ্য্য বৰ্ণনম্ (৩১-৪০), (৫) কালমহিমানুবৰ্ণনম্ (৪১-৫০), (৬) যতিনৃপতি সংবাদবৰ্ণনম্ (৫১-৬০), (৭) মনঃ সম্বোধন নিয়মনম্ (৬১-৭০), (৮) নিত্যানিত্য বস্তুবিচাৰঃ (৭১-৮০), (৯) শিৱাৰ্চনম্ (৮১-৯০) আৰু (১০) অবধূতচৰ্যা (৯১-১০০।)

ইয়াৰ প্ৰতিটো শ্লোক অনুভূতিপ্ৰবণ। ইয়াৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে ভর্ত্তৃহৰি এজন অদ্বৈতবাদী কবি আছিল আৰু অদ্বৈতধাৰণাক ফলৱতী কৰিবলৈ তেওঁ বৈৰাগ্যপথৰ প্ৰশংসাপৰক শতক ৰচনা কৰিছে।

(ঘ) **শান্তিশতক ঃ** ভর্ত্তৃহৰিৰ শতকত্ৰয়ৰ দ্বাৰা অনুপ্ৰাণিত হৈ পৰৱৰ্ত্তীকালত অনেক কবিয়ে শতককাব্য ৰচনা কৰিছে। ইয়াৰ ভিতৰত সিন্ধুনৰ 'শান্তিশতক' অন্যতম। তেওঁ ভর্ত্তৃহৰিৰ বৈৰাগ্যশতককে ধৰি অন্য বহুতৰ ওচৰত ঋণবদ্ধ হ'লেও কাব্যখনিৰ অনেকখিনি মৌলিক। কাব্যখনত ঐহিক সুখৰ প্ৰতি আকৰ্ষিত হৈ পৰমার্থিক আনন্দৰ প্ৰতি দেখুওৱা অৱজ্ঞা, শেষত ভগৱদ্‌ভাৱনাৰ দ্বাৰা পৰম শান্তি সেই কথা প্ৰকাশ পাইছে। সিন্ধুন দ্বাদশ শতিকাৰ কবি। ১২০৫ খ্ৰীষ্টাব্দত ৰচিত **সদুক্তিকর্ণামৃতত** তেওঁৰ শ্লোকৰ উদ্ধৃতি পোৱা যায়।

> **সদুক্তিকর্ণামৃতৰ** ৰচক শ্ৰীধৰদাস। ইয়াত ২৩৮০ টা শ্লোক আছে।

(ঙ) **দৃষ্টান্তশতক ঃ** কুসুমদেৱৰ ৰচিত 'দৃষ্টান্তশতক' এখন অনুপম শতককাব্য। ভর্ত্তৃহৰিৰ নীতিশতকৰ দৰে ইয়াৰ প্ৰতিটো শ্লোকৰ প্ৰথমার্দ্ধত একোটি নীতিৰ কথা কৈ দ্বিতীয়ার্দ্ধত তাৰ দৃষ্টান্ত কবিয়ে তুলি ধৰিছে। বল্লভদেৱৰ সুভাষিতাৱলীত তেওঁৰ শ্লোকৰ উদ্ধৃতি পোৱালৈ চাই তেওঁ পঞ্চদশ শতিকাতকৈ বেছি পিছৰ হ'ব নালাগে।

(চ) **ভল্লটশতক ঃ** কাশ্মীৰি কবি ভল্লটে 'ভল্লটশতক' ৰচনা কৰে। এই শতকত শ্লোকসংখ্যা এশৰো কম।

আনন্দবৰ্দ্ধনে 'ধ্বন্যালোক'ত 'ভল্লটশতক'ৰ শ্লোক উদ্ধৃত কৰিছে। ভল্লটৰ মুক্তক শ্লোকসমূহত ন্যায়-নীতি, আদর্শ আৰু নানান বিদগ্ধ ভাৱনা প্ৰকাশিত হৈছে। ভাৱ আৰু ভাষাৰ প্ৰাচুর্য, অলঙ্কাৰৰ মাধুর্য, প্ৰসাদগুণ প্ৰভৃতি বৈচিত্র্য তথা ভল্লটৰ স্বকীয় বৈশিষ্ট্য বিদ্যমান যাৰ যাবে তেওঁ প্ৰাচীন বিদগ্ধ সমালোচকৰ দৃষ্টি আকর্ষণ কৰিছিল।

শতককাব্যৰ ভিতৰত শৃঙ্গাৰাশ্রিত ৰচনাই অধিক।

(৬) **শৃঙ্গাৰশতক** ঃ জনার্দ্দনভট্টৰ 'শৃঙ্গাৰশতক'ত মুঠ ১০১টা শ্লোক পোৱা যায়। ৰচনাকাল আনুমানিক ১৩০০ শতাব্দী। ৰচনাশৈলী আড়ম্বৰপূর্ণ আৰু অলঙ্কাৰমণ্ডিত। শ্লোকসমূহত কবিৰ পাণ্ডিত্যৰ পৰিচয় পোৱা যায়।

(৭) **শৃঙ্গাৰশতক** ঃ নৰহৰিৰ ৰচিত 'শৃঙ্গাৰশতক'ত ১১৫টা শ্লোক পোৱা যায়। কবিৰ ৰচনাপদ্ধতি কৃত্রিম আৰু ভাৱ গতানুগতিক। শৃঙ্গাৰৰ মাধুর্য আৰু ৰতিৰ বৈচিত্র্য পৰিবেশন কৰাই তেওঁৰ মুখ্য উদ্দেশ্য।

(৮) **ৰোমাৱলীশতক** ঃ ৰসিকৰঞ্জনৰ 'ৰোমাৱলীশতক' এখন শৃঙ্গাৰকাব্য। ১৩০টা শ্লোকত শৃঙ্গাৰ আৰু বৈৰাগ্য উভয় ভাৱধাৰা প্ৰকাশ কৰিছে। গ্ৰন্থৰ সমাপ্তিত কবিয়ে দ্ব্যর্থক শ্লোক ৰচনাৰ কথা নিজেই উল্লেখ কৰিছে। ৰচনাৰীতি অনাড়ম্বৰ হ'লেও সর্বত্রতে মাধুর্য আৰু সাৱলীল বাগ্‌ভঙ্গী প্ৰকাশিত হৈছে।

(৯) **ৰোমাৱলীশতক** ঃ বিশ্বেশ্বৰ পণ্ডিত নামৰ এজন কবিয়ে ১০০টা শ্লোকত সুন্দৰীনাৰীৰ ৰোমাৱলীৰ বর্ণনা কৰিছে। উপমা আৰু উৎপ্রেক্ষা অলঙ্কাৰৰ সহায়ত সহজ-সৰল ভাষাত নাৰী সৌন্দর্যৰ মনোৰম বর্ণনাত এইজন কবি অতিশয় নিপুন।

(১০) **সুন্দৰীশতক** ঃ উৎপ্রেক্ষাবল্লভৰ ৰচিত 'সুন্দৰীশতক' নামৰ শতককাব্যত ১১১টা শ্লোকত সুন্দৰীৰমণীৰ অঙ্গ-প্রত্যঙ্গ, ৰূপ-লাৱণ্যৰ বর্ণনা কৰিছে। কবিৰ প্ৰকৃত নাম গোকুল। ৰচনা নৈপুণ্যৰ বাবে তেওঁ উৎপ্রেক্ষাবল্লভ আখ্যা লাভ কৰিছে। কবিয়ে গ্ৰন্থত উল্লেখ কৰিছে যে তেওঁৰ পৃষ্ঠপোষক ৰজা মদন-মহীপালৰ অনুৰোধত এই কাব্য ৰচনা কৰিছে।

(১১) জগন্নাথৰ অন্যাপদেশ শতক, নীলকণ্ঠৰ অন্যাপদেশ-শতক আৰু মধুসুদনে 'অন্যাপদেশ-শতক' একে নামৰ তিনিখন শতক কাব্য ৰচনা কৰে।

(১২) **সূর্যশতক** ঃ 'সূর্যশতক' ৰচনা কৰে ময়ূৰভট্ট নামৰ কবিয়ে। ময়ূৰভট্ট আৰু বাণ শ্রীহর্ষৰ ৰাজসভাৰ কবি। কোনো কাৰণবশতঃ ময়ূৰভট্টৰ কুষ্ঠৰোগ হোৱাত, ৰোগ নিবাৰণৰ কাৰণে স্রগ্ধৰা ছন্দত সূর্যদেৱতাৰ স্তুৰ ৰচনা কৰে। স্রগ্ধৰা ছন্দত লিখা কাব্যৰ ভিতৰত এইখনেই প্ৰথম। কবিয়ে সূর্যদেৱতাৰ ভিন্ ভিন্ অঙ্গ, ৰথ, ঘোঁৰা আদি সাধনৰ বর্ণনাত পূর্ণৰূপে সফল হৈছে।

(১৩) **চণ্ডীশতক** ঃ বাণভট্ট ময়ূৰভট্টৰ সমকালীন কবি। এওঁ 'চণ্ডীশতক' নামৰ স্রগ্ধৰা ছন্দত ভগৱতী দুর্গাক স্তুতি কৰি লিখা এখন প্রশস্তি কাব্য। চণ্ডীশতকত কবিয়ে দীঘল দীঘল সমাস, অনুপ্রাস, উৎপ্রেক্ষা আদি অলঙ্কাৰৰ ব্যৱহাৰ কৰি ৰচনাশৈলী চমৎকাৰ কৰি তুলিছে।

জানি থোৱা ভাল

সংস্কৃত সাহিত্যত পূর্ণাঙ্গ কাব্যৰ উপৰিও মুক্তক শ্লোক নিৱদ্ধ বহুতো শতককাব্য পোৱা যায়। 'মুক্তক' শ্লোক হ'ল স্বয়ংসম্পূর্ণ একক চতুষ্পদী কবিতা। নৰ-নাৰীৰ জীৱনৰ বিভিন্ন ভাৱসমৃদ্ধ কবিতাসমূহৰ সার্থক ৰূপ পোৱা যায় শতককাব্যসমূহত। কালিদাসৰ পৰৱর্তীকালত শতককাব্য ভালেমান ৰচিত হৈছে। সেইবোৰৰ ভিতৰত অমৰুকৰ 'অমৰুশতক' কাব্যই প্ৰধান। পৰৱর্তী শতককাব্যসমূহত শৃঙ্গাৰৰ

নানান অৱস্থা আৰু ভাবৰ বৰ্ণনা, মিলন-বিৰহ, ৰাগ-অনুৰাগ, সুখ-দুখ, আশা-নিৰাশা আদিৰ বৰ্ণনাই প্ৰাধান্য পোৱা দেখা যায়। ইয়াৰোপৰি বৈৰাগ্যৰ পৰা হ'ব পৰা সুবিধা, শম-দমাদিৰ পৰা হোৱা লাভ, সৎসঙ্গ আৰু অসৎসঙ্গৰ পৰা হোৱা লাভ-ক্ষতি আদি ভাবৰ বৰ্ণনা থকা বিভিন্ন শতককাব্য দেখা যায়। শতককাব্যসমূহত বাহ্য তথা অন্তঃপ্ৰকৃতিৰ চিত্ৰণ সুন্দৰভাৱে প্ৰকাশ কৰে। মুঠতে শতককাব্যত শৃঙ্গাৰ, নীতি আৰু বৈৰাগ্য তিনিটা ভাবধাৰা পৰিলক্ষিত হয়। ইয়াৰ ভিতৰত শৃঙ্গাৰ ৰসপ্ৰধান শতক কাব্যই অধিক। ধৰ্মীয় ভাৱনাৰে ৰচনা কৰা শতককাব্যৰ ভিতৰত ময়ূৰ কবিৰ সূৰ্যশতক আৰু বাণভট্টৰ চণ্ডীশতকেই প্ৰধান।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'শতক' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ২ঃ 'শতককাব্য' কাক বোলে?

.....

প্ৰশ্ন নং ৩ঃ শতককাব্য কি কি বিষয়ত ৰচিত হৈছে?

.....

প্ৰশ্ন নং ৪ঃ শতককাব্যৰ লক্ষণ কি?

.....

প্ৰশ্ন নং ৫ঃ আলঙ্কাৰিক আনন্দবৰ্দ্ধনে মুক্তক কাব্যসম্বন্ধে কি অভিমত আগবঢ়াইছে?

.....

প্ৰশ্ন নং ৬ঃ ভৰ্ত্তৃহৰিয়ে ৰচনা কৰা শতককাব্য কেইখন কি কি?

.....

প্ৰশ্ন নং ৭ঃ শতককাব্য ৰচনাৰ উদ্দেশ্য কি?

.....

প্ৰশ্ন নং ৮ঃ শতককাব্যৰ উৎস ঋগ্বেদৰ কোন কোন সূক্তত পোৱা যায়?

.....

প্ৰশ্ন নং ৯ঃ শতককাব্যৰ ভাগ কেইটা?

.....

প্ৰশ্ন নং ১০ঃ শান্তিশতকৰ ৰচয়িতা কোন?

.....

প্ৰশ্ন নং ১১ঃ শৃঙ্গাৰ ৰসাশ্ৰিত কেইখনমান শতককাব্যৰ নাম উল্লেখ কৰা।

.....

প্ৰশ্ন নং ১২ঃ সূৰ্যশতক কোনে ৰচনা কৰিছিল?

.....

প্ৰশ্ন নং ১৩ঃ চণ্ডীশতকৰ ৰচয়িতা কোন?

.....

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত সাহিত্যত ৰচিত হোৱা শতককাব্য কোন শ্ৰেণীৰ, ইয়াৰ উৎস আৰু লক্ষণৰ বিষয়ে জানিব পাৰিলোঁ।
- বিভিন্ন শতককাব্যৰ বিষয়ে জানিব পৰা গ'ল। যেনেঃ অমৰুশতক, ভর্ত্তৃহৰিৰ শতকত্রয়, বিভিন্ন শৃঙ্গাৰৰস প্ৰধান শতককাব্য, চণ্ডীশতক, সূৰ্যশতক আৰু পৰৱৰ্তীকালত ৰচিত হোৱা ভালেমান শতককাব্যৰ পৰিচয়ৰ লগতে বিষয়বস্তু সমূহৰো চমু আভাস পোৱা হ'ল।
- শতক কাব্যক লঘু কাব্য বোলা হয়। ই 'মুক্তক' শ্ৰেণীৰ ভাৱসমৃদ্ধ স্বয়ং সম্পূৰ্ণ একক চতুষ্পদী শ্লোকত ৰচিত।
- শতককাব্য অধিকাংশ শৃঙ্গাৰধৰ্মী হ'লেও বৈৰাগ্য তথা নীতিমূলক শতককাব্যও ৰচিত হৈছে।

৯.৬ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

২) গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Winternitz. M, *History of Indian Literature-Vol. III*. : MLBD, Delhi.

৯.৭ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ এশ।

২নং প্ৰশ্নৰ উত্তৰ ঃ শতককাব্য হৈছে স্বয়ংসম্পূৰ্ণ ক্ষুদ্ৰাকাৰৰ 'মুক্তক' শ্ৰেণীৰ চতুষ্পদী কবিতা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ শতককাব্য শৃঙ্গাৰ, নীতি আৰু বৈৰাগ্য বিষয়ত ৰচিত হৈছে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উৎকণ্ঠা বিৰচিতং পদং গেয়ং বুলি ইয়াৰ লক্ষণ নিৰূপিত হৈছে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ "মুক্তকেষু হি প্ৰবন্ধেষু ইৱ ৰসবন্ধাভিনিবেশিনঃ কবয়ো দৃশ্যন্তে"— বুলি আলঙ্কাৰিক আনন্দবৰ্দ্ধনে মুক্তক কাব্যসম্বন্ধে অভিমত আগবঢ়াইছে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ১। শৃঙ্গাৰ শতক, ২। নীতিশতক, ৩। বৈৰাগ্য শতক।

৭নং প্ৰশ্নৰ উত্তৰ ঃ কম কথাতে বেছি ভাব প্ৰকাশ কৰি পাঠকক ৰসাভিভূত কৰাই হৈছে শতক কাব্যৰ উদ্দেশ্য। ইয়াৰ দ্বাৰা মানুহ বাহ্য বিষয়মুখী হ'লেও অন্তর্মুখী চেতনাত একাত্ম হৈ পৰে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ ঋগ্বেদৰ পাতত থকা 'ঊষাসূক্ত', অক্ষসূক্ত (১০/৩৪), সংজ্ঞানসূক্ত (১০/১৯১) আদিত শতককাব্যৰ ধ্বনি শুনিবলৈ পোৱা যায়।

৯নং প্ৰশ্নৰ উত্তৰ ঃ শতককাব্য তিনিটা ভাগত ভগোৱা হৈছে।

১। শৃঙ্গাৰমূলক

২। নীতিমূলক

৩। বৈৰাগ্যমূলক

১০নং প্ৰশ্নৰ উত্তৰ ঃ 'সিন্ধুন'ৰ দ্বাৰা ৰচিত। এই শান্তিশতক পৰৱৰ্তীকালত ৰচিত শতকসমূহৰ ভিতৰত অন্যতম।

১১নং প্ৰশ্নৰ উত্তৰ ঃ শৃঙ্গাৰশতক—ভর্ত্তৃহৰি ৰচিত

শৃঙ্গাৰশতক—জনার্দ্দন ভট্ট ৰচিত

শৃঙ্গাৰশতক—নৰহৰি ৰচিত

ৰোমাৱলীশতক—ৰসিকৰঞ্জন ৰচিত ইত্যাদি

১২নং প্রশ্নৰ উত্তৰ ঃ ময়ূৰভট্ট নামৰ কবিয়ে।

১৩নং প্রশ্নৰ উত্তৰ ঃ বাণভট্টই ৰচনা কৰিছিল।

৯.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সংস্কৃত সাহিত্যৰ এখন শতককাব্যৰ বিষয়ে আলোচনা কৰক।

খ) চুটি প্রশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ শতককাব্যৰ উৎস আৰু লক্ষণৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ ভর্ত্তৃহৰিৰ শতকত্রয়ৰ বিষয়ে লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ 'শতক' শব্দৰ অর্থ কি? শতককাব্য কাক বোলে? শতককাব্য কোনশ্রেণীৰ কাব্য। শতককাব্যৰ ভাগসমূহ কি কি? সংস্কৃত সাহিত্যত থকা শতককাব্যৰ বিষয়ে বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ঃ ঐতিহাসিক কাব্য, লিপিকাব্য, কোষকাব্য আৰু পালিকাব্য (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ঐতিহাসিক কাব্য আৰু ইয়াৰ উৎস

১০.৩.১ বিভিন্ন ঐতিহাসিক কাব্যৰ উল্লেখ

১০.৪ লিপি কাব্য আৰু বিভিন্ন লিপি কাব্যৰ উল্লেখ

১০.৫ কোষকাব্য আৰু বিভিন্ন কোষকাব্যৰ উল্লেখ

১০.৬ পালিকাব্য

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঐতিহাসিক কাব্যৰ লক্ষণ, ইয়াৰ উৎস তথা বিভিন্ন ঐতিহাসিক কাব্যৰ বিষয়ে জানিব
- লিপি কাব্য তথা বিভিন্ন লিপি কাব্যৰ বিষয়ে অবগত হ'ব
- কোষকাব্য তথা বিভিন্ন কোষকাব্যৰ বিষয়ে জানিব পাৰিব
- পালিকাব্যৰ বিষয়ে চমু আভাস পাব।

১০.২ পৰিচয়

এতিয়া আপুনি ঐতিহাসিক কাব্য, লিপি কাব্য, কোষকাব্য আৰু পালিকাব্যৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ ঐতিহাসিক কাব্যসমূহে এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰিছে। ঠিক তেনেদৰে লিপি কাব্য, কোষকাব্য আৰু পালিকাব্যৰো সমানেই গুৰুত্ব দেখা যায়। ঐতিহাসিক কাব্য অধ্যয়নৰ জৰিয়তে আমি সেই নির্দিষ্ট সময়ৰ ইতিহাসৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰো। ঐতিহাসিক কাব্য অধ্যয়নে আমাক কেতিয়াবা বহুখিনি অনুপ্রেৰণাও যোগায়।

এতিয়া এই অধ্যায়ত আপুনি ঐতিহাসিক কাব্যৰ লক্ষণৰ লগতে ইয়াৰ উৎসৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ কিছুসংখ্যক উল্লেখযোগ্য ঐতিহাসিক কাব্যৰ লগতো পৰিচিত হ'ব। ঐতিহাসিক কাব্যৰ পিছত লিপিকাব্যৰ লক্ষণ তথা বিভিন্ন উল্লেখযোগ্য লিপিকাব্যৰ বিষয়ে অৱগত হয়। ইয়াৰ পিছত কোষকাব্য আৰু পালিকাব্যৰ বিষয়েও জানিব পাৰিব। সংস্কৃত সাহিত্যত থকা উল্লেখযোগ্য কোষকাব্য আৰু পালিকাব্যৰ বিষয়ে এই অধ্যায়ৰ পৰা অৱগত হ'ব পাৰিব।

১০.৩ ঐতিহাসিক কাব্য আৰু ইয়াৰ উৎস

ইতিহাসৰ বৰ্ণনা যি কাব্যত সন্নিবিষ্ট থাকে, সেই সমূহকে ঐতিহাসিক কাব্য বোলা হয়। ভাৰতীয় ঐতিহাসিক কাব্যসমূহত যুদ্ধ-বিগ্রহাদি ঘটনাৰ বৰ্ণনা দেখা পোৱা যায়। আকৌ আমাৰ জীৱন-যাত্রাৰ ভূল শুধৰণিৰ বাবে যিবোৰৰ আৱশ্যক সেই ৰোৱহে ভাৰতীয় ইতিহাসত সন্নিবেশ কৰা হৈছে। জনসাধাৰণৰ মাজত এটা মহৎ আদর্শ দাঙি ধৰাটোৱেই হৈছে ভাৰতীয় ইতিহাসৰ ঘাই উদ্দেশ্য। ভাৰতীয় সাহিত্যৰ প্রাচীন অংশত বুৰঞ্জীমূলক কাব্যৰ পৰিমাণ অতি নগণ্য। ঐতিহাসিক তথ্যৰ প্রতি প্রাচীন কবিসকলৰ সজাগতাৰ অভাৱ আৰু দায়িত্বহীনতাই ইয়াৰ মূল কাৰণ। অৱশ্যে ব্রাহ্মণসকলে সমকালীন ৰজাসকলৰ মহানতাৰ প্রশংসাসূচক কথা লিপিবদ্ধ কৰি থৈ গৈছে।

আপুনি এতিয়া ঐতিহাসিক কাব্যৰ উৎস সম্পর্কে জানিব পাৰিব। ঋগ্বেদৰ পাতত থকা উপাখ্যানবোৰ ঐতিহাসিক কাব্যৰ উৎস। ব্রাহ্মণগ্রন্থসমূহতো ঐতিহাসিক তথ্য নিহিত আছে। বেদাংগ সাহিত্যতো ঐতিহাসিক আখ্যানৰ উল্লেখ পোৱা যায়। ৰামায়ণ-মহাভাৰতক ভাৰতীয় পৰম্পৰাত "ঐতিহাসিক মহাকাব্য" বুলি কোৱা হয়। পুৰাণসমূহত প্রাপ্ত বিভিন্ন বংশাৱলীবোৰ ইতিহাসৰ দ্যোতক। শিলালিপিবোৰ ঐতিহাসিক সাহিত্যৰ মাজতেই পৰে। ৰঘুবংশ, সেতুবন্ধ আদি কাব্যৰ মাজেৰেও ইতিহাসৰ উমান পোৱা যায়। কাৰণ ৰঘুবংশৰ পাতত আমি ঈক্ষ্বাকুবংশীয় ৰজাসকলৰ বৰ্ণনা পাওঁ। অৱশ্যে হর্ষচৰিত, নৱসাহসাংকচৰিত, বিক্রমাংকদেৱচৰিত, ৰাজতৰঙ্গিনী আদিহে ঐতিহাসিক কাব্যৰ প্রকৃত প্রতিনিধি বুলি কব পৰা যায়।

১০.৩.১ বিভিন্ন ঐতিহাসিক কাব্যৰ উল্লেখ

ঐতিহাসিক কাব্যৰ উৎসৰ পিছত আপুনি বিভিন্ন ঐতিহাসিক কাব্যৰ বিষয়ে এতিয়া জানিব পাৰিব। ঐতিহাসিক কাব্যৰ কথা মনলৈ আহিলে প্রথমেই হর্ষচৰিতৰ কথা আহে। বাণভট্ট বিৰচিত **হর্ষচৰিত** আখ্যায়িকাখনক এখন ঐতিহাসিক কাব্য বুলি ধৰা হয়। আগতেই উল্লেখ কৰা হৈছে যে আখ্যায়িকা হ'ল গদ্যকাব্যৰ এক ভাগ। এইখন আখ্যায়িকা আঠটা অধ্যায়ত বিভক্ত আৰু অধ্যায়সমূহক উচ্ছ্বাস বুলি কোৱা হয়। কাব্যখনৰ প্রথম তিনিটা অধ্যায়ত বাণৰ বংশোৎপত্তি আৰু তেওঁৰ পূর্বজসকলৰ তথা নিজৰ আগবয়সৰ "আত্মকথা" বর্ণিত হৈছে। বাকী পাঁচটা উচ্ছ্বাসত থানেশ্বৰৰ ৰজা হর্ষবর্ধনৰ আগজীৱনৰ কথা তথা পূর্বজসকলৰ কথা কথিত হৈছে। যদিও বাণে ৰচনাৰ কোনো চন-তাৰিখ ক'তো উল্লেখ কৰা নাই তথাপি হর্ষচৰিত গ্রন্থখনে ৰচক বাণৰ বিষয়ে ভালেখিনি তথ্য আমাক নিশ্চিতভাৱে জানিবলৈ দিছে। আকৌ বাণৰ পৃষ্ঠপোষক হর্ষবর্ধনৰ পূর্বপুৰুষ আৰু তেওঁৰ নিজৰ বিষয়ে অনেক ঐতিহাসিক তথ্য জনাত সহায় হৈছে।

সেতুবন্ধঃ সপ্তম শতাব্দীত কাশ্মীৰৰ ৰজা প্রৱৰসেনে "সেতুবন্ধ" নামৰ ঐতিহাসিক কাব্য এখন ৰচনা কৰে। এই কাব্যখন ৰাৱণবধ নামেৰেও জনাজাত। সেতুবন্ধ ১৫ টা আশ্বাসৰ সমষ্টি। ইয়াত বানৰ সেনাই সীতা উদ্ধাৰৰ বাবে তৈয়াৰ কৰা সেতুবন্ধনপৰা আৰম্ভ কৰি ৰাৱণবধলৈকে সকলো বর্ণনা কৰা আছে।

নৱসাহসাংক চৰিতঃ কবি পদ্মগুপ্ত বা পৰিমল গুপ্তই ১০ ম শতাব্দীত "নৱসাহসাংক- চৰিত" নামেৰে এখন ঐতিহাসিক কাব্য ৰচনা কৰে। ১৮ টা সর্গত এই কাব্যখন বিভক্ত। ইয়াত মালৱৰাজ সিন্ধুৰাজৰ ইতিহাস বর্ণিত হৈছে। কাব্যখনত নাগ-ৰাজকুমাৰী শশীপ্রভাৰ লগত ধাৰাৰ প্রসিদ্ধ ৰজা ভোজৰ পিতৃ সিন্ধুৰাজৰ বিবাহ বর্ণনা কৰা আছে। ইয়াৰ সর্গত সিন্ধুৰাজৰ পূর্বৱর্তী আটাইবোৰ পৰমাৰবংশীয় ৰজাসকলৰ কালক্রম অনুসৰি বর্ণনা কৰা আছে। গতিকে এই কাব্যখন পৰমাৰবংশৰ ইতিহাস জনাৰ বাবে উপযোগী।

বিক্রমাংকদেৱচৰিতঃ কাশ্মীৰৰ মহাকবি বিল্হনে "বিক্রমাংকদেৱ চৰিত" ৰচনা কৰে। এই ঐতিহাসিক কাব্যখন ওঠৰটা সর্গত ৰচিত। দক্ষিণ ভাৰতৰ কল্যাণদেশৰ চালুক্য বংশীয় প্রসিদ্ধ ৰজা ষষ্ঠ বিক্রমাদিত্যৰ

পৃষ্ঠপোষকতাত ১৮ টা সৰ্গত বিক্ৰমাদিত্যৰ গুণানুকীৰ্তন তথা তেওঁৰ বংশৰ বিস্তৃত বৰ্ণনা কৰি "বিক্ৰমাংকদেৱ-চৰিত" ৰচনা কৰে। গ্ৰন্থ দুখনত চালুক্য বংশীয় বিক্ৰমাদিত্যৰ পূৰ্বজ ৰজাসকলৰ বিক্ষিপ্ত বৰ্ণনা কৰাৰ পিছত বিক্ৰমৰ পিতৃৰ ৰাজ্যজয়ৰ বিৱৰণ পোৱা যায়। ইয়াৰ পাছত জ্যেষ্ঠ ভ্ৰাতা সোমেশ্বৰক সিংহাসনচ্যুত কৰি বিক্ৰমৰ সিংহাসন আৰোহণ আৰু কণিষ্ঠ ভ্ৰাতাৰে তেওঁৰ যুদ্ধৰ বৰ্ণনা কৰা হৈছে। কবিয়ে চোল সকলৰ বিপক্ষে বিক্ৰমে কৰা সমৰাভিযানৰ বৰ্ণনাও দিছে। কাব্যৰ অন্তত কবিয়ে নিজৰ বংশ পৰিচয় দাঙি ধৰিছে।

ৰাজতৰঙ্গিনীঃ ঐতিহাসিক কাব্য-পৰম্পৰাত লিখা আটাইবোৰৰ ভিতৰত বিজ্ঞানসন্মত গ্ৰন্থ হৈছে কল্হনৰ "ৰাজতৰঙ্গিনী"। ইয়াত কবিয়ে কাশ্মীৰৰ নৃপতিসকলৰ ইতিহাস বহুত প্ৰাচীন কালৰপৰা আৰম্ভ কৰি ১২ শতাব্দীলৈ বৰ্ণনা কৰিছে। কাব্যখন আঠটা অধ্যায়ত ৰচিত আৰু অধ্যায়সমূহক তৰংগ বুলি কোৱা হয়।

জানি থোৱা ভাল

প্ৰাচীন ভাৰতীয় কবিসকলে ৰাজসভাত উপস্থিত থাকি ৰজাৰ গুণানুকীৰ্তন কৰি কাব্য লিখিছিল। এই কাব্যবোৰক বৈজ্ঞানিক ভিত্তিত লিখা ইতিহাস বুলি স্বীকাৰ কৰাটো অনুচিত। কাৰণ তাত ৰজাসকলৰ গুণানুকীৰ্তনৰ বাহিৰে আনকি চন, তাৰিখ আদিৰো উল্লেখ নাথাকে।

হৰ্ষচৰিত কাব্যখন অধ্যয়ন কৰিলে আমি গম পাওঁ যে সেই সময়ত হিন্দুধৰ্ম অনেক সম্প্ৰদায়ত বিভক্ত আছিল। কাব্যখনৰ চতুৰ্থ উচ্ছ্বাসত সেই সময়ৰ নানান বেশ-ভুষা, পোছাক-পৰিচ্ছেদ, কাপোৰ আদিৰ বিষয়ে কিছু তথ্য লাভ কৰিব পাৰো।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ৰাজতৰঙ্গিনী কাব্যখন কোনে ৰচনা কৰিছে?

.....

প্ৰশ্ন নং ২ঃ অমৰুশতক কাব্যখন কি শ্ৰেণীৰ কাব্য?

(ক) গীতিকাব্য (খ) চম্পূকাব্য (গ) ঐতিহাসিক কাব্য।

.....

১০.৪ লিপিকাব্য আৰু বিভিন্ন লিপি কাব্যৰ উল্লেখ

সংস্কৃত সাহিত্যত লিপিকাব্যৰ এক সুকীয়া স্থান আছে। এই লিপিসমূহৰ সাহিত্যিক, সাংস্কৃতিক তথা ঐতিহাসিক মূল্য নুই কৰিব নোৱাৰি। পণ্ডিত বুহুলেৰৰ মতে পঞ্চম শতিকাত কাব্যিক ৰীতিত বহুতে গদ্য-পদ্য মিশ্ৰিত কাব্য ৰচনা কৰে। সেই কাব্যসমূহৰ নিৰ্দশন শিলালিপিত পোৱা যায়। এতিয়া আপুনি কেইখনমান উল্লেখযোগ্য লিপিকাব্যৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

(১) এলাহাবাদ লিপি ঃ সংস্কৃত সাহিত্যত নিপুন কবিসকলৰ ভিতৰত হৰিসেনৰ স্থান আগত। এলাহাবাদৰ শিলালিপিয়েই তাৰ প্ৰমাণ। কবি হৰিসেন সমুদ্ৰগুপ্তৰ ৰাজকবি আছিল তেওঁ ৰজাক প্ৰশংসা কৰি ৩৪৫ খ্ৰীঃত লিখা ৰচনাৱলী প্ৰয়াগৰ অশোকস্তম্ভত খোদিত হৈ আছে। এইখন শিলালিপিৰ পৰা সম্ৰাট সমুদ্ৰগুপ্তৰ অসামান্য ব্যক্তিত্ব, দূৰদৰ্শিতা তথা তেওঁৰ বিভিন্ন মহান কাৰ্যাৱলীৰ বৰ্ণনা পোৱা যায়। লিখিত তথ্য মতে ৰাজকবি হৰিসেনৰ পিতৃ ধ্ৰুৱভূতি সেই সময়ৰ গুপ্তবংশৰ ৰজা মহাদণ্ডনায়ক, এজন বিদ্বান, উচ্চ শ্ৰেণীৰ ৰাজনীতিজ্ঞ তথা নিপুন ব্যৱস্থাপক

আছিল। কবি হৰিসেনেও পিতৃৰ দৰে সমুদ্র গুপ্তৰ ৰাজসভাৰ অগ্রণী কবি হ'ব পাৰিছিল আৰু শেষত ৰজাৰ অনুগ্রহত 'কুমাৰাদিত্য'ৰ পদৰ পৰা পর্যায়ক্রমে উন্নতি লাভ কৰি মুখ্য দণ্ডনায়ক পদত অধিষ্ঠিত হৈছিল। হৰিসেন ৰচিত এলাহাবাদ লিপি এক উচ্চ শ্রেণীৰ কাব্য। হৰিসেনে নিজেই লিপিৰ বিষয়ে এইদৰে মন্তব্য কৰিছে— 'এতচ্চ কাম্যমেষামেব ভট্টাৰকপাদানাং দাসস্য সমীপ পৰিসর্প সর্বানুগহোন্মীলিতমতেঃ খাদ্যটপাকিৰাস্য মহাদণ্ডনায়ক ধ্রুৱভূতি পুত্রস্য সন্ধিবিগ্রহিক কুমাৰামাত্য মহাদণ্ডনায়ক হৰিসেনস্য সর্বভূতি সুখায়ন্ত।'

এই এলাহাবাদ লিপিৰ পৰা সংস্কৃত কাব্য সাহিত্যৰ অতীত ইতিহাসৰ উৎস জানিব পাৰি। সেইবাবে এই লিপিৰ সাহিত্যিক তথা ঐতিহাসিক দুয়োটা দিশ গুৰুত্বপূর্ণ।

এলাহাবাদ লিপিত গদ্য-পদ্যৰ সংমিশ্রণ দেখা যায়। লিপিৰ শ্লোকসমূহত স্রগ্ধৰা, শার্দূলবিক্রিড়ীত, মন্দাক্রান্তা আদি বিভিন্ন ছন্দৰ প্রয়োগ দেখা যায়। (ছন্দৰ বিষয়ে আপুনি পিছৰ পাঠ্য বিষয়ত অধ্যয়ন কৰিব পাৰিব।) কাব্যখনৰ গদ্যাংশত দীঘল সমাসযুক্ত বাক্যৰ ব্যৱহাৰ দেখা যায়। তথাপি কিন্তু ইয়াৰ ভাষা সহজ-সৰল তথা কাব্যিক গুণেৰে ভৰপূৰ।

গিৰণাৰ লিপি ঃ গিৰণাৰৰ ৰুদ্রদামন লিপি ১৫০ খ্রীঃত লিখিত। এইখন লিপিত কাব্যৰ ৰীতি আৰু ব্যাকৰণৰ নীতি-নিয়মবোৰ অতি যত্ন কৰি গদ্যাকাৰত লিখা হৈছে। অনুপ্রাস আদি বিভিন্ন অলংকাৰৰ সুন্দৰ প্রয়োগ দেখা যায়। এইখন লিপি কঠিন সমাসযুক্ত ভাষাত লিখিত হ'লেও ইয়াৰ কাব্যিক গৰিমা অটুট আছে।

নাসিক লিপি ঃ নাসিকৰ শিৰিপুলুমায়ী লিপি প্রাকৃত গদ্যত লিখিত। ইয়াৰ সময় গিৰণাৰ লিপিৰ সমসাময়িক। এইখন লিপিত দীঘল সমাসৰ প্রয়োগ দেখা যায়। অনুপ্রাস অলংকাৰৰো সুন্দৰ প্রয়োগ দেখা যায়। সর্বোপৰি এইখন লিপিকাব্য সেইসময়ৰ উচ্চস্তৰৰ লিপিকাব্যৰ নির্দশন।

মান্দাসৰ লিপি ঃ জার্মান দেশৰ বিখ্যাত সংস্কৃত পণ্ডিত বুহুলেৰৰ মতে মান্দাসৰৰ সূর্যমন্দিৰত খোদিত লিপিসমূহ বিশিষ্ট পণ্ডিত বৎসভট্টিয়ে ৪৭৩-৪ খ্রীষ্টাব্দত লিখিছিল। এই লিপিত বসন্তকাল আৰু বর্ষাকালৰ সুন্দৰ কাব্যময় বর্ণনা দাঙি ধৰা হৈছে। লিপিখনত ৪৪টা শ্লোক আছে। আৰম্ভণিতে সূর্যদেৱতাৰ স্তুতি, তাৰ পিছত মান্দাসৰৰ হৃদয়গ্রাহী বর্ণনাৰ উল্লেখ আছে। শেষত গদ্যত ৰচিত মংগলাচৰণৰ উল্লেখ পোৱা যায়। লিপিকাব্যখনত কুমাৰগুপ্ত, বিশ্ববর্মা, ৰঘুবর্মা, বন্ধুবর্মা আদি বিভিন্নজন সম্রাটৰ সুন্দৰ বর্ণনা বিভিন্ন ছন্দত উল্লেখিত হৈছে। মহাকবি কালিদাসৰ ভাষা আৰু শৈলীৰ প্রভাৱ এই লিপিকাব্যখনত দেখা যায়।

নিধানপুৰ তাম্রলিপি ঃ নিধানপুৰ তাম্রলিপি ভগৱান শিৱৰ স্তুতিৰে আৰম্ভ হৈছে। নিধানপুৰ লিপি সপ্তম শতাব্দীত ৰচিত বুলি জনা যায়। এইখন তাম্রলিপিৰ গদ্যাংশত বাণভট্টৰ ৰচনাশৈলীৰ প্রভাৱ দেখা যায়। গদ্যাংশ দীঘল সমাসযুক্ত আৰু গৌড় ৰীতিত ৰচিত। লিপিৰ প্রথম শ্লোকটো 'ওঁ প্রণম্য দেৱং শশিশেখৰং' এই বুলি আৰম্ভ হৈছে। কাব্যখনত বিভিন্ন অলংকাৰৰ সুন্দৰ সমাহাৰ দেখা যায়। যেনে— উপমা, ৰূপক, উৎপ্রেক্ষা, অপহ্নুতি, শ্লেষ ইত্যাদি।

পদ্মনাথ ভট্টাচার্য সম্পাদিত কামৰূপ শাসনাৱলীত উল্লেখ থকা নিধানপুৰ তাম্রলিপিত প্রাচীন অসমৰ ৰজা ভাস্কৰবর্মাৰ গুণানুকীর্তন কৰাৰ উপৰিও আন নখন তাম্রলিপিত কামৰূপৰ সনাতন ৰজাৰ শাসন সম্বন্ধে সুন্দৰ বর্ণনা আছে। এইখন তাম্রলিপিত উল্লেখ পোৱা যায় যে মহামান্য ৰজা ভাস্কৰবর্মাই বহু ব্রাহ্মণ পুৰুষক ভূমি দান কৰিছিল। নিধানপুৰ তাম্রলিপিখনৰ আৰম্ভণিতে ৰজা নৰক, ভগদত্ত, বজ্রদত্ত আদি ভাস্কৰবর্মাৰ পূর্বপুৰুষসকলৰ তথা পিছত পুষ্যবর্মনৰ পৰা আদি কবি ভাস্কৰবর্মাৰ জ্যেষ্ঠ ভ্রাতৃ সুস্থিৰবর্মনলৈকে প্রায় বাৰজনমান ৰজাই ৰাজত্ব কৰাৰ কথা কাব্যিক ভাষাত অতি মনোমোহা ৰূপত বর্ণনা কৰা হৈছে। নিধানপুৰ তাম্রলিপিৰ সম্পাদকৰ মতে এই লিপিকাব্যখন থানেশ্বৰ আৰু কনৌজৰ ৰজা হর্ষবর্দ্ধনৰ ৰাজত্বকালত প্রায় ৬০৫ খ্রীষ্টাব্দৰ আগভাগত ৰচিত হৈছিল।

জনা যায় যে হর্ষবর্দ্ধনৰ সৈতে ভাস্কৰবর্মাৰ অতি মধুৰ সম্পর্ক আছিল। দুয়োজনে একেলগে গৌড়দেশ জয় কৰাৰ পিছত ভাস্কৰবর্মাই কর্ণসুৱর্ণত কিছুসময় জিৰণি লৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ গিৰণাৰ লিপি কেতিয়া ৰচিত হৈছিল?

.....

প্রশ্ন নং ৪ঃ নাসিক লিপি কি ভাষাত ৰচিত?

.....

প্রশ্ন নং ৫ঃ মান্দাসৰ লিপিত কি খাতুৰ বর্ণনা আছে?

.....

প্রশ্ন নং ৬ঃ এলাহাবাদ লিপি কাক প্রশংসা কৰি ৰচিত হৈছে?

.....

প্রশ্ন নং ৭ঃ নিধানপুৰ লিপি কোন দেৱতাৰ প্রার্থনাৰে আৰম্ভ কৰা হৈছে?

.....

১০.৫ কোষকাব্য আৰু বিভিন্ন কোষকাব্যৰ উল্লেখ

সংস্কৃত কাব্য সংকলনক কোষকাব্য বুলি জনা যায়। একোখন কোষকাব্যত বিভিন্ন কবিৰ কবিতা সংলগ্ন কৰা হয়। কবি হালৰদ্বাৰা সংকলিত 'গাথাসপ্তশতী' বা 'গাহা-সত্তসউ' প্রাচীনতম কোষকাব্য হিচাবে জনাজাত। সংস্কৃত সাহিত্যত কোষকাব্যৰ পাতনি একাদশ শতাব্দী বুলি জনা যা। এতিয়া আপুনি কেইখনমান কোষকাব্যৰ বিষয়ে জানিব পাৰিব।

কবীন্দ্র-বচন-সমুচ্চয় ঃ 'কবীন্দ্র বচন-সমুচ্চয়' এই কোষকাব্যখন সংস্কৃত সাহিত্যৰ অতি প্রাচীন কোষকাব্য। এই কাব্যখনত সুন্দৰ ৫২৫টা কবিতাৰ উল্লেখ আছে। প্রাকৃতিক পৰিৱেশ, সাধাৰণ জন-জীৱনৰ চিত্রণ, বিভিন্ন ঋতু তথা ৰাধা-কৃষ্ণৰ প্রেম কাহিনীয়েই হৈছে এই কোষকাব্যখনৰ মূল বিষয়বস্তু। কাব্যখনত কবি কালিদাস, ভবভূতি, শ্রীধৰ নন্দী, বীর্যমিত্র, শ্রীধর্মকৰ আদি কবিৰ কবিতা সন্নিৱিষ্ট হৈছে।

সদুক্তিকর্ণামৃত ঃ সদুক্তিকর্ণামৃত কোষকাব্যখন শ্রীধৰ দাসৰ দ্বাৰা ১২০৫-০৬ খ্রীষ্টাব্দত সংকলিত হয়। কবি শ্রীধৰ লক্ষ্মণ সেনৰ সমসাময়িক কবি। এইখন কোষকাব্যত বিভিন্নজন কবিয়ে নিজৰ কবিত্ব প্রতিভাৰ পৰিচয় দিছে। ইয়াত কবি কালিদাস, ভাস, ভর্তৃহৰি আদিৰ উপৰিও লক্ষ্মণসেন, কেশৱসেন, বাসুদেৱসেন, জয়দেৱ, গোবর্ধন, ধোয়ী, দিবাকৰ দত্ত, নাৰায়ণ দত্ত, ভগীৰথ দত্ত, সুব্রত দত্ত, বিনয় দেৱ, গংগাধৰ নাথ, ত্রিপুৰীপাল ইত্যাদি বিভিন্নজন কবিৰ কবিতা সংকলিত হৈছে। কাব্যখন পাঁচটা প্রৱাহত বিভক্ত। সেইকেইটা হ'ল অমৰ, শৃংগাৰ, চাটু, উপদেশ আৰু উচ্চাবচ ইতি। গাঁৱলীয়া জন জীৱনৰ চিত্র তথা অপূর্ব সমাজ চেতনাৰ পৰিচয় এই কবিতাবোৰত দেখা যায়।

শার্ঙ্গধৰ পদ্ধতি ঃ 'শার্ঙ্গধৰ পদ্ধতি' নামৰ কোষকাব্যখন চতুর্দশ শতাব্দীৰ কবি শার্ঙ্গধৰে সংকলন কৰে। এই কাব্যখন ১৬৩টা ভাগত বিভক্ত। কাব্যখনত ২৬৩জন কবিৰ প্রায় চাৰে চাৰি হাজাৰ শ্লোক সংকলিত হৈ আছে।

পদ্যাৱলী ঃ 'পদ্যাৱলী' নামৰ কোষকাব্যখন ১৫শ শতিকাত ৰূপগোস্বামীয়ে সংকলিত কৰে। এইখন কাব্যতো প্রায় ১২৫জন কবিৰ ৩৮৬টা কবিতা পোৱা যায়। কেৱল কৃষ্ণৰ সৈতে জড়িত কবিতাহে ইয়াত স্থান

পাইছে। এই সমূহ কোষকাব্যৰ উপৰিও সূর্যকলিংগ ৰায়ৰ ১৫শ শতাব্দীৰ 'সূক্তি ৰত্নাকৰ' ১৫শ শতাব্দীৰ বল্লভদেৱৰ 'সুভাসিতাৱলী', বেনীদত্তৰ 'পদ্যবেণী' আৰু হৰি কবিৰ 'সুভাসিত হাৰাৱলী' আদি উল্লেখযোগ্য কোষকাব্য বুলি বিবেচিত হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ কোষকাব্য কাক বোলে?

.....

প্রশ্ন নং ৯ঃ সংস্কৃত সাহিত্যৰ প্রাচীন কোষকাব্য কোনখন?

.....

প্রশ্ন নং ১০ঃ শ্রীধৰৰ দ্বাৰা সংকলিত কোষকাব্যখনৰ নাম কি?

.....

প্রশ্ন নং ১১ঃ 'পদ্যাৱলী' নামৰ কোষকাব্যখন কোনে ৰচনা কৰিছিল?

.....

প্রশ্ন নং ১২ঃ বল্লভদেৱ সংকলিত কোষকাব্যখনৰ নাম কি?

.....

১০.৬ পালিকাব্য

এতিয়া আপুনি পালি সাহিত্যৰ বিষয়ে কিছু জানিব পাৰিব। পালি সাহিত্যৰ ৰচনা অবিৰতভাৱে চলি আছে। শ্রীভৰত সিংহই পালি-সাহিত্যৰ ইতিহাসক দুটা ভাগত ভাগ কৰিছে। প্রথম ভাগটোৰ সীমা বুদ্ধ-পৰিনির্বানৰ পৰা আৰম্ভ কৰি খ্রীঃ পূঃ প্রথম শতাব্দীলৈ ধৰা হয় আৰু দ্বিতীয় ভাগটো খ্রীঃ পূঃ প্রথম শতাব্দীৰ পৰা আৰম্ভ কৰি বর্তমানলৈকে অবিচ্ছিন্নভাৱে চলি আছে বুলি ধাৰণা কৰা হয়।

পালি ভাৰতবর্ষৰ অতি প্রাচীন ভাষা বুলি জনা যায়। ভাৰতীয় ভাষাবোৰৰ বিকাশত এই ভাষাই যিদৰে বিস্তাৰ লাভ কৰিছে, ঠিক তেনেদৰে সিংহল, শ্যাম আৰু বর্মা দেশৰ ভাষাৰ বিকাশতো এই পালি সাহিত্যৰ অৱদান উল্লেখযোগ্য। 'ভলিন্নপহ্ন' নামৰ পালি সাহিত্যৰ গ্রন্থখন মহাস্থবিৰ নাগসেনৰ দ্বাৰা সংকলিত। এই গ্রন্থখন কোনে কেতিয়া ৰচনা কৰিছিল সেই বিষয়ে সঠিকভাৱে জনা নাযায়। গ্রন্থখনত সাতটা অধ্যায় আছে। ইয়াৰ প্রথম তিনিটা অধ্যায় চীনাভাষালৈ অনুদিত হৈছে। গ্রন্থখনত সাহিত্য, ভূগোল, ইতিহাস তথা বিভিন্ন তত্ত্বজ্ঞানৰ অপূর্ব মিলন হৈছে।

পালি-সাহিত্যৰ কাব্য অতি বিৰল। পালি-কাব্যক দুই ভাগত বিভক্ত কৰা হৈছে— (১) বর্ণনাত্মক আৰু (২) আখ্যানাত্মক। মানৱ জীৱনৰ বিভিন্ন গভীৰ অনুভূতিৰ প্রথম দর্শন 'ত্রিপিটকত' দেখা যায়। ত্রিপিটকত ভগৱান বিষয়ক গভীৰ বিষয়ৰ কথা সমাবিষ্ট হৈছে। পালি-সাহিত্যত কাব্যক যেনেদৰে বিশ্লেষণ কৰা হয়, সেই কালৰ পৰা 'ত্রিপিটক' গ্রন্থক কাব্য বুলি নকৈ কাব্যৰ উপজীৱী পালি-সাহিত্যৰ জননী বুলি ধৰিব পাৰি। এই ত্রিপিটকৰ সুন্দৰ কথা-শিল্পৰ আধাৰত ১০ শতাব্দীৰ পৰা ১৫ শতাব্দীলৈকে লংকা আৰু ব্রহ্মদেশত পালি কাব্য সাহিত্যৰ সৃষ্টি হৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ঃ পালি সাহিত্যৰ ইতিহাসক কোনে দুভাগত বিভক্ত কৰিছে?

.....

প্রশ্ন নং ১৪ঃ নাগসেনৰ দ্বাৰা সংকলিত গ্রন্থখন কি?

.....

প্রশ্ন নং ১৫ঃ চীনা ভাষালৈ অনুদিত হোৱা এখন পালিকাব্যৰ নাম লিখক।

.....

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ইতিহাসৰ বর্ণনা থকা ঐতিহাসিক কাব্যৰ বিষয়ে জানিলে।
- লিপিকাব্যৰ লক্ষণ আৰু বিভিন্ন কাব্যৰ বিষয়ে গম পালে।
- কোষকাব্যৰ লক্ষণ তথা বিভিন্ন কোষকাব্যৰ বিষয়ে আভাস পালে।
- পালি সাহিত্য তথা বিভিন্ন পালিকাব্যৰ বিষয়ে জানিলে।

১০.৮ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত;* গুৱাহাটী ঃ চন্দ্র প্রকাশ ।

২) গোস্বামী, হৰমোহন দেৰ *(১৯৯২); সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* পাণবজাৰ ঃ বুকলেণ্ড ।

৩) Krishna machariar, M. (2004),*History of Classical Sanskrit Literature,* New Delhi: MLBD.

১০.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ কল্হন।

২নং প্রশ্নৰ উত্তৰঃ গীতিকাব্য।

৩নং প্রশ্নৰ উত্তৰঃ গিৰণাৰ লিপি ১৫০ খ্রীঃত লিখিত হৈছিল।

৪নং প্রশ্নৰ উত্তৰঃ নাসিক লিপি প্রাকৃত গদ্যত লিখিত।

৫নং প্রশ্নৰ উত্তৰঃ মান্দাসৰ লিপিত বর্ষা আৰু বসন্তকালৰ বর্ণনা আছে।

৬নং প্রশ্নৰ উত্তৰঃ এলাহাবাদ লিপি সমুদ্রগুপ্তক প্রশংসা কৰি লিখিত হৈছে।

৭নং প্রশ্নৰ উত্তৰঃ নিধানপুৰ লিপি ভগৱান শিৱৰ প্রার্থনাৰে আৰম্ভ হৈছে।

৮নং প্রশ্নৰ উত্তৰঃ সংস্কৃত কাব্য সংকলনক কোষকাব্য বোলা হয়।

৯নং প্রশ্নৰ উত্তৰঃ 'কবীন্দ্র বচন-সমুচ্চয়'।

১০নং প্রশ্নৰ উত্তৰঃ সদুক্তিকর্ণামৃত।

১১নং প্রশ্নৰ উত্তৰঃ ৰূপগোস্বামী।

১২নং প্রশ্নৰ উত্তৰঃ সুভাষিতাৱলী।

১৩নং প্রশ্নৰ উত্তৰঃ শ্রী ভৰতসংহই।

১৪নং প্রশ্নৰ উত্তৰঃ ভলিন্নপহ্ন।

১৫নং প্রশ্নৰ উত্তৰঃ ভলিন্নপহ্ন।

? ১০.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ ঐতিহাসিক কাব্যৰ লক্ষণ আৰু উৎস লিখক।

প্রশ্ন ২ঃ নাসিক লিপিৰ বিষয়ে চমুকৈ লিখক।

(খ) চুটি প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ কোষকাব্যৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ২ঃ পালি কাব্যৰ বিষয়ে বর্ণনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ সংস্কৃত সাহিত্যত ঐতিহাসিক কাব্যৰ ভূমিকা সম্পর্কে লিখক।

প্রশ্ন ২ঃ লিপি কাব্যৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ১১ঃ নীতিশতকম্ (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱন

১২.৩.১ কবিৰ ৰচনাৱলী

১১.৪ 'নীতিশতকম্'ৰ বিষয়বস্তু আৰু শিৰোনামৰ তাৎপর্য

১১.৪.১ 'নীতিশতকম্'ৰ পাঠ

১১.৪.২ 'নীতিশতকম্'ৰ উৎকর্ষতা

১১.৫ নীতিশতকম্ৰ কেইটামান উল্লেখযোগ্য শ্লোকৰ সংস্কৃত পাঠ

১১.৬ নীতিশতকম্ৰ উল্লেখযোগ্য শ্লোকসমূহৰ সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৮ অধিক জানিবলৈ

১১.৯ অগ্রগতিৰ খতিয়ান

১১.১০ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱনৰ বিষয়ে অৱগত হ'ব
- কবিৰ ৰচনাৱলীৰ বিষয়ে ধাৰণা লাভ কৰিব
- 'নীতিশতকম্'ৰ বিষয়বস্তু আৰু শিৰোনামৰ তাৎপর্য সম্বন্ধে জ্ঞান লাভ কৰিব।

১১.২ পৰিচয়

এই অধ্যায়টিত শতক কাব্যৰ অন্তর্গত 'নীতিশতকম্'ৰ বিষয়ে এটি সাধাৰণ আলোচনা আগবঢ়োৱা হৈছে, লগতে উক্ত কাব্যৰ শিৰোনামৰ তাৎপর্য, বিষয়বস্তু ইত্যাদিৰ বিষয়ে আপুনি জানিব পাৰিব। কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱন আৰু তেওঁৰ ৰচনাৱলীৰ বিষয়েও এটি ধাৰণা লাভ কৰিব পাৰিব।

১১.৩ কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱন

'নীতিশতকম্'ৰ ৰচক কবি ভর্তৃহৰি। তেওঁৰ ব্যক্তিগত জীৱন সম্বন্ধে সঠিক তথ্য পোৱা নাযায়। কিন্তু জনশ্রুতিৰ আধাৰত কিছুমান সমল পোৱা যায়। সেই মতে জনা যায় ভর্তৃহৰি মালবৰাজ্যৰ এক ক্ষত্রিয় বংশত জন্মগ্রহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল গন্ধসেন। তেওঁৰ দুগৰাকী পত্নী আছিল। তাৰে প্রথমা পত্নীৰ সন্তান ভর্তৃহৰি। দ্বিতীয়া পত্নী আছিল ধাৰাৰাজ্যৰ ৰজাৰ ছোৱালী। তেওঁৰ দাক্ষিণ্যত ভর্তৃহৰিয়ে এই ৰাজ্যৰ ৰাজপদ লাভ

কৰে। প্ৰসঙ্গতঃ বেলেগ এটি প্ৰচলিত জনশ্ৰুতিৰ কথাও উল্লেখ কৰিব পাৰি। সেই সূত্ৰমতে কথিত হয় যে চন্দ্ৰগুপ্ত নামে এজন ব্ৰাহ্মণ আছিল। তেওঁৰ চাৰি বৰ্ণৰ চাৰিগৰাকী পত্নী আছিল। তাৰে শূদ্ৰা পত্নীৰ গৰ্ভজাত সন্তানজনেই ভৰ্তৃহৰি। এই পুত্ৰজনেই কালক্ৰমে বিক্ৰমাদিত্যৰ ৰাজসভাত প্ৰধান মন্ত্ৰীৰ আসন অলংকৃত কৰে।

কথিত হয় যে যুবা বয়সত ভৰ্তৃহৰিৰ নৈতিক অধঃপতন হয়। শাস্ত্ৰজ্ঞ হৈয়ো তেওঁ ব্যাভিচাৰত লিপ্ত হৈছিল। তেওঁৰ ব্যৱহাৰত প্ৰজাবিলাক কালক্ৰমে বিক্ষুব্ধ হৈ পৰে। মালবত দেখা দিছিল অৰাজকতা। এনে সময়ত ভৰ্তৃহৰিৰ কাৰ্যাৱলীত অসন্তুষ্ট হৈ তেওঁৰ এগৰাকী পত্নীয়ে আত্মহত্যা কৰে। ইয়াৰ পিছত কবি অন্য এগৰাকী পত্নীৰ ঘনিষ্ঠ সংস্পৰ্শত আহে। তেওঁৰ নাম পিঙ্গলা। কিন্তু ভৰ্তৃহৰিৰ কপট আচৰণত এই অনুৰাগিনী পত্নীয়েও মৃত্যুক আকোৱালি লয়। এনে ঘটনাবোৰে ভৰ্তৃহৰিৰ মন আচ্ছন্ন কৰি পেলাইছিল। কালক্ৰমে তেওঁৰ মনত বৈৰাগ্য দেখা দিয়ে। তেওঁ গৃহত্যাগ কৰি অৰণ্যত আশ্ৰয় লয় আৰু সন্ন্যাসীৰ দৰে জীৱন-যাপন কৰে। তেওঁ মহাযোগী গোৰক্ষনাথৰ সাক্ষাৎ লাভ কৰি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল।

ভৰ্তৃহৰিৰ আৱিৰ্ভাবকাল সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন মত প্ৰদান কৰিছে। কিন্তু সকলো মত চালিজাৰি চাই বিশিষ্ট সমালোচকসকলে তেওঁক খৃষ্টীয় ষষ্ঠ শতিকাৰ কবি বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে।

১১.৩.১ কবিৰ ৰচনাৱলী

আপুনি ইতিমধ্যে ভৰ্তৃহৰি ব্যক্তিগত জীৱনৰ বিষয়ে কিছু জ্ঞান লাভ কৰিলে। এতিয়া আপুনি তেখেতৰ ৰচনাৱলীৰ বিষয়ে জানিব পাৰিব। ভৰ্তৃহৰি ৰচিত তিনিখন শতককাব্যৰ নাম ইতিমধ্যে উল্লিখিত হৈছে। ভৰ্তৃহৰিৰ কীৰ্তি হ'ল বাক্যপদীয়। ব্যাকৰণদৰ্শনৰ এই গ্ৰন্থখন তিনিটা কাণ্ডত বিভক্ত— ব্ৰহ্মকাণ্ড, বাক্যকাণ্ড আৰু পদকাণ্ড। এই পণ্ডিতপ্ৰবৰৰ অৰ্থাৎ ভৰ্তৃহৰিৰ আৰু কেইখনমান গ্ৰন্থ আছে। তাৰে লেখত ল'বলগীয়া গ্ৰন্থবোৰ হ'ল মহাভাষ্যদীপিকা, মীমাংসাভাষ্য, বেদান্ত সূত্ৰবৃত্তি আৰু শব্দ ধাতু সমীক্ষা। ভট্টিকাব্যম্ নামৰ কাব্যখন কিছুমানে ভৰ্তৃহৰিৰ লিখা বুলি দাবী কৰে। কিন্তু এইখন কাব্যৰ কবি ভট্টি আৰু শতকত্ৰয়ৰ কবি ভৰ্তৃহৰি— এই দুয়োগৰাকী কবি ভিন্ন বুলি পণ্ডিত আৰু গৱেষকসকলে সিদ্ধান্ত গ্ৰহণ কৰিছে। কোৱা হৈছে বৈয়াকৰণসকলে ভট্টিকাব্যম্ৰ কবি হিচাপে সদায় ভট্টিৰ আৰু বাক্যপদীয় আৰু শতকত্ৰয়ৰ কবি বুলি ভৰ্তৃহৰিৰ নাম উল্লেখ কৰে। সেয়েহে ভট্টি আৰু ভৰ্তৃহৰি যে দুজন পৃথক কবি সেই বিষয়ে সন্দেহৰ থল নাই।

১১.৪ 'নীতিশতকম্'ৰ বিষয়বস্তু আৰু শিৰোনামৰ তাৎপর্য

ভৰ্তৃহৰি ৰচনাৱলীৰ বিষয়ে জনাৰ পিছত আপুনি এতিয়া 'নীতিশতকম্'ৰ বি,য়বস্তু আৰু ইয়াৰ শিৰোনামৰ তাৎপর্যৰ বিষয়ে জানিব পাৰিব। আপুনি জানে যে নীতিশতকম্ এখন নীতিমূলক গ্ৰন্থ। লোক শিক্ষাৰ মহান আদর্শ প্ৰচাৰ কৰাই এই গ্ৰন্থৰ উদ্দেশ্য। 'নীতিশতকম্'ত একাধাৰে ধর্ম, দর্শন, ৰাজনীতি, সদাচাৰ, লোকাচাৰ, সমাজবিদ্যা ইত্যাদি বিবিধ বিষয়ৰ ওপৰত আলোচনা আগবঢ়োৱা হৈছে। বাস্তৱ জীৱনত মানুহে নানাবিধ বাধা-বিধিনিৰ সন্মুখীন হ'ব লগা হয়। কিন্তু সেই সকলো নেওচি ন্যায় ধর্মক আশ্ৰয় কৰি জীৱনক কেনেকৈ সুন্দৰ আৰু সুস্থ কৰি তুলিব পৰা যায় তাৰেই দিগ্ দর্শক এই অনুপম গ্ৰন্থ। ইয়াৰ প্ৰতিটো শ্লোকত মানুহৰ কল্যাণ বিধানৰ ভাৱনা ফুটি উঠিছে। সেয়েহে এই শতক কাব্যৰ মূল্য অসীম। বিশেষভাৱে নীতিমূলক বিষয়ৰ ওপৰত আধাৰিত বুলি কাব্যটিৰ নাম সম্ভবত নীতিশতকম্ দিয়া হৈছে। ফলত এই শিৰোনাম সম্পূর্ণভাৱে সার্থক হৈছে।

১১.৪.১ 'নীতিশতকম্'ৰ পাঠ

ইতিমধ্যে কোৱা হৈছে যে ভর্তৃহৰিয়ে তিনিখন শতককাব্য ৰচনা কৰিছে। কিন্তু তাৰে 'নীতিশতকম্'ৰ জনপ্রিয়তা খুব বেছি। সেয়েহে এই গ্রন্থখন প্রায় সকলো ভাৰতীয় ভাষাত অনুবাদ কৰা হৈছে। বহু বিদেশী ভাষাতো ইয়াৰ অনুবাদ পোৱা যায়। কিন্তু গ্রন্থখনৰ ভিন্ ভিন্ সংস্কৰণত মুঠ শ্লোকৰ সংখ্যা বেলেগ বেলেগ পৰিলক্ষিত হয়। গভীৰ দুখৰ বিষয় এয়ে যে শ্লোকৰ শব্দ বিন্যাসতো বহু ক্ষেত্রত ইমানেই বৈসাদৃশ্য দেখা যায় যে কোনো কোনো ঠাইত ভাৱৰো পৰিবর্তন অনুভূত হয়। শ্লোকবিলাকৰ ক্রমবিন্যাসৰ ক্ষেত্রতো একে অৱস্থা হোৱা হেতুকে এই শতককাব্যৰ কিছু পৰিমাণে উৎকর্ষতাৰ হানি ঘটিছে। উল্লেখযোগ্য যে আমি ইয়াত টীকাকাৰ ৰামচন্দ্র বুধেন্দ্র গৃহীত দাক্ষিণাত্যৰ সংস্কৰণৰ পাঠ গ্রহণ কৰিছোঁ। কাৰণ অন্যান্য সংস্কৰণৰ তুলনাত এইখন পাঠ বিজ্ঞানসম্মত বুলি বোধ হয়। এইগৰাকী টীকাকাৰৰ টীকাৰ নাম সহৃদয়ানন্দিনী। ৰামচন্দ্রই তেওঁৰ এই অনবদ্য ব্যাখ্যাত নীতিশতকৰ বিষয়বস্তুক দহটি ভাগত ভাগ কৰিছে। এইবিলাক হ'ল ঃ (১) মূর্খ পদ্ধতি (২ সংখ্যক শ্লোকৰ পৰা ১১ সংখ্যক শ্লোকলৈ), (২) বিদ্বৎপদ্ধতি (১২-২১), (৩) মান-শৌর্য পদ্ধতি (২২-৩১), (৪) অর্থ পদ্ধতি (৩২-৪১), (৫) দুর্জন পদ্ধতি (৪২-৫১), (৬) সুজন পদ্ধতি (৫২-৬১), (৭) পৰোপকাৰ পদ্ধতি (৬২-৭১), (৮) ধৈর্যপদ্ধতি (৭২-৮১), (৯) দৈবপদ্ধতি (৮২-৯২) আৰু (১০) কর্মপদ্ধতি (৯৩-১০২)। এতেকে মঙ্গলাচৰণ শ্লোকৰ বাহিৰে নীতিশতকম্ গ্রন্থত সর্বমুঠ শ্লোকসংখ্যা ১০২।

১১.৪.২ 'নীতিশতকম্'ৰ উৎকর্ষতা

'নীতিশতকম্'ৰ ভাষা সহজ আৰু সৰল। সেয়েহে ইয়াৰ ভাৱ আৰু চিন্তন তত্ত্বগধুৰ হ'লেও সকলো স্তৰৰ মানুহৰ বাবে ই গ্রহণযোগ্য হৈ উঠিছে। কাব্য হিচাপে অতি সুন্দৰ এই গ্রন্থত বহু সুভাষিত আছে। ফলত ই আৰু আকর্ষণীয় হৈ উঠিছে। সংসাৰৰ সকলো ভাল-বেয়া বিবেচনা কৰি মহৎ আদর্শৰ অন্বেষণত প্রয়াসী হ'বলৈ পথপ্রদর্শন কৰে বুলিয়েই গ্রন্থখন যুগজয়ী হৈ উঠিছে। সেয়েহে ইয়াৰ স্রষ্টাগৰাকীও সর্বকালৰ সর্বজনৰ বহুমান্য কবি বুলি স্মৰণীয় হৈ থাকিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভর্তৃহৰিয়ে কাৰ শিষ্যত্ব গ্রহণ কৰিছিল?

.....

.....

প্রশ্ন নং ২ ঃ ভর্তৃহৰিক কোন শতিকাৰ কবি বুলি কোৱা হয়?

.....

.....

প্রশ্ন নং ৩ ঃ শতকত্রয়ৰ বাহিৰে ভর্তৃহৰিৰ উল্লেখযোগ্য এখন ৰচনাৰ নাম লিখক?

.....

.....

প্ৰশ্ন নং ৪ ঃ ভট্টি আৰু ভর্তৃহৰি একেজন ব্যক্তি হয় নে?

.....

.....

প্ৰশ্ন নং ৫ ঃ 'নীতিশতকম্' গ্ৰন্থৰ মূল উদ্দেশ্য কি?

.....

.....

প্ৰশ্ন নং ৬ ঃ 'নীতিশতকম্'ৰ ৰচক কোন?

.....

.....

প্ৰশ্ন নং ৭ ঃ ৰামচন্দ্ৰ বুধেন্দ্ৰৰ টীকাৰ নাম কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ ৰামচন্দ্ৰ বুধেন্দ্ৰই 'নীতিশতকম্' গ্ৰন্থক কিমান ভাগত ভাগ কৰিছে?

.....

.....

প্ৰশ্ন নং ৯ ঃ 'নীতিশতকম্'ত মুঠ কিমান শ্লোক আছে?

.....

.....

১১.৫ নীতিশতকম্ৰ কেইটামান উল্লেখযোগ্য শ্লোকৰ সংস্কৃত পাঠ

নীতিশতকম্ব কেইটামান উল্লেখযোগ্য শ্লোকৰ সংস্কৃত পাঠ ক্ৰমে —

দিক্কালাদ্যনৱচ্ছিন্নানন্ত চিন্মাত্ৰমূৰ্তয়ে।
স্বানুভূত্যেকমানায় নমঃ শান্তায় তেজসে।। ১।।

ৰোদ্ধাৰো মৎসৰগ্ৰস্তাঃ প্ৰভবঃ স্ময়দূষিতাঃ।
অৰোধোপহতাশ্চান্যে জীৰ্ণমঙ্গে সুভাষিতম্।। ২।।

অজ্ঞঃ সুখমাৰাধ্যঃ সুখতৰমাৰাধ্যতে বিশেষজ্ঞঃ।
জ্ঞানলবদুৰ্বিদগ্ধং ব্ৰহ্মাহপি তং নৰং ন ৰঞ্জয়তি।। ৩।।

প্ৰসহ্য মণিমুদ্ধৰেন্মকৰৱক্ত্ৰদং ষ্ট্ৰান্তৰাৎ
সমুদ্ৰমপি সন্তৰেৎ প্ৰচলদূৰ্মিমালাহহকুলম্।
ভুজঙ্গমপি কোপিতং শিৰসি পুষ্পবদ্ ধাৰয়েৎ
ন তু প্ৰতিনিবিষ্ট মূৰ্খজন চিত্তমাৰাধয়েৎ।। ৪।।

লভেৎ সিকতাসু তৈলমপি যত্নতঃ পীড়য়ন্
পিৱেচ্চ ***মৃগতৃষ্ণিকাসু*** সলিলং পিপাসার্দিতঃ।
কদাচিদপি পর্যটঞ্ছশবিষাণমাসাদয়েৎ

ন তু প্রতিনিবিষ্ট মুর্খজনচিত্রমাৰাধয়েৎ।। ৫।।

ব্যালং ৰালমৃণালতন্তুভিৰসৌ ৰোদ্ধুং সমজ্জম্ভতে
ছেত্তুং ***বজ্রমণিং*** শিৰীষকুসুমপ্রান্তেন সন্নহ্যতি।
মাধুর্যং মধুৰিন্দুনা ৰচয়িতুং ক্ষাৰাম্বুধেৰীহতে
নেতুং বাঞ্ছতি যঃ খলান্ পথি সতাং
সূক্তৈঃ সুধাস্যন্দিভিঃ ।। ৬।।

স্বায়ত্তমেকান্তগুণং বিধাত্রা বিনির্মিতং ছাদনমজ্ঞতায়াঃ।
বিশেষতঃ সর্ববিদাং সমাজে বিভূষণং মৌনমপণ্ডিতানাম্।। ৭।।

যদা কিঞ্চিজ্জ্ঞোহহং দ্বিপ ইব মদান্ধঃ সমভবং
তদা সর্বজ্ঞোহস্মীতিভবদবলিপ্তং মম মনঃ।
যদা কিঞ্চিৎকিঞ্চিদ্ বুধজনসকাশাদবগতং
তদা মূর্খোহস্মীতি জ্বৰ ইব মদো মে ব্যপগতঃ ।। ৮।।

কৃমিকুলচিতং লালাক্লিন্নং বিগন্ধি জুগুপ্সিতং
নিৰ্দয়পসৰসং প্রীত্যা খাদন্নৰাস্থিং নিৰামিষম্।
সুৰপতিমপি শ্বা পার্শ্বস্থং বিলোক্য ন শঙ্কতে
ন হি গণয়তি ক্ষুদ্রো জন্তুঃ পৰিগ্রহফল্গুতাম্ ।। ৯।।

শিৰঃ শার্বং স্বর্গাৎ ***পশুপতি***শিৰস্তঃ ক্ষিতিধৰং
শক্যো বাৰয়িতুং জলেন হুতভুক্ ছত্রেণ সূর্যাতপো।
নাগেন্দ্রো নিশিতাঙ্কুশেন সমদো দন্তেন গোগর্দভৌ।।
ব্যাধির্ভেষজসংগ্রহৈশ্চ বিবির্ধে ***মন্ত্র***প্রয়োগৈ বিষম্।
সর্বস্যৌষধমস্তি শাস্ত্রবিহিতং মূর্খস্য নাস্ত্যৌষধম্।। ১১।।

শাস্ত্রোপস্কৃতশব্দসুন্দৰগিৰঃ শিষ্যপ্রদেয়াগমা
বিখ্যাতাঃ কবয়ো বসন্তি বিষয়ে যস্য প্রভোর্নির্ধনাঃ।
তজ্জাড্যং বসুধাধিপস্য কবয়স্ত্বর্থং বিনাপীশ্বৰাঃ
কুৎস্যাঃ স্যুঃ কুপৰীক্ষকা হি মণয়ো যৈৰর্ঘতঃ পাতিতাঃ।। ১২।।

র্হতুর্যাতি ন গোচৰং কিমপি শং পুষ্ণাতি যৎ সর্বদাপ্যর্থিভিঃ
প্রতিপাদ্যমানমনিশং প্রাপ্নোতি বৃদ্ধিং পৰাম।
কল্পান্তেষ্ব ন প্রযাতি নিধনং বিদ্যাখ্যমন্তর্ধনং
যেষাং তান্ প্রতি মানুমুজ্বত নৃপাঃহ্ল কস্তৈঃ সহ স্পর্ধতে ।। ১৩।।

অধিগত ***পৰমার্থান্*** পণ্ডিতান্ মাবমংস্থা—
স্তৃণমিব লঘু লক্ষ্মীনৈব তান্ সংৰুণদ্ধি।
অভিনবমদলেখা শ্যামগণ্ডস্থলানাং
ন ভবতি বিসতন্তুর্বাৰণং বাৰণানাম্ ।। ১৪।।

অম্ভোজিনীবনবিহাৰবিলাসমেব হংসস্য হন্তি নিতৰাং কুপিতো বিধাতা।
ন স্ত্বস্য দুগ্ধজলভেদবিধৌ প্রসিদ্ধাং বৈদগ্ধ্যকীর্ত্তিমপহর্তুমসৌ সমর্থঃ ।।১৫।।

কেয়ূৰানি ন ভূষয়ন্তি পুৰুষং হাৰা ন চন্দ্রোজ্জ্বলা
ন স্নানং ন বিলেপনং ন কুসুমং নালংকৃতা মূর্ধজাঃ।
বাণ্যেকা সমলংকৰোতি পুৰুষং যা সংস্কৃতা ধার্যতে
ক্ষীয়ন্তে খলু ভূষণানি সততং বাগ্ভূষণং ভূষণম্ ।। ১৬।।
বিদ্যা নাম নৰস্য ৰূপমধিকং প্রচ্ছন্নগুপ্তং ধনং
বিদ্যা ভোগকৰী যশঃসুখকৰী বিদ্যা গুৰূণাং গুৰুঃ।
বিদ্যা বন্ধুজনো বিদেশগমনে বিদ্যা পৰা দেবতা
বিদ্যা ৰাজসু পূজ্যতে ন তু ধনং বিদ্যাবিহীনঃ পশুঃ।। ১৭।।

ক্ষান্তিশেৎ কবচেন কিং কিমৰিভিঃ ক্রোধোহস্তি চেদ্ দেহিনাং
জ্ঞানিশ্চেদনলেন কিং যদি সুহৃদ্ দিব্যৌষধৈঃ কিং ফলম্ ।।
কিং সর্পৈর্যদি দুর্জনাঃ কিমু ধনৈর্বিদ্যানবদ্যা যদি
ব্রীড়া চেৎ কিমু ভূষণৈঃ সুকবিতা যদ্যস্তি ৰাজ্যেন কিম্।।১৮।।

দাক্ষিণ্যং স্বজনে দয়া পৰিজনে শাঠ্যং সদা দুর্জনে
প্রীতিঃ সাধুজনে নয়ো নৃপজনে বিদ্বজ্জনে চার্জবম্।
শৌর্যং শত্রুজনে ক্ষমা গুৰুজনে কান্তাজনে ধৃষ্টতা
যে চৈবং পুৰুষাঃ কলাসু কুশলাস্তেষ্বেব লোকস্থিতিঃ ।।১৯।।

জাড্যং ধিয়ো হৰতি সিঞ্চতি বাচি সত্যং
মানোন্নতিং দিশতি পাপমপাকৰোতি।
চেতঃ প্রসাদয়তি দিক্ষু তনোতি কীর্ত্তিং
সৎসঙ্গতিঃ কথয় কিং ন কৰোতি পুংসাম্ ।।২০।।

জয়ন্তি তে সুকৃতিনো ৰসসিদ্ধাঃ কবীশ্বৰাঃ।
নাস্তি যেষাং যশঃকায়ে জৰামৰণজং ভয়ম্।। ২১।।

ক্ষুৎক্ষমোহপি জৰাকৃশোহপি শিথিলপ্রাণোহপি কষ্টাং দশা।
মাপন্নোহপি বিপন্নদীধিতিৰপি প্রাণেষু নশ্যৎ স্বপি।
মত্তেভেন্দ্রবিভিন্নকুম্ভপিশিতাগ্রাসৈকবদ্ধস্পৃহঃ
কিং জীর্ণং তৃণমত্তি মানমহতামগ্রেসৰঃ কেসৰী।। ২২।।

স্বল্পস্নায়ুবসাবশেষমলিনং নির্মাংসমপ্যস্থি গোঃ।
শ্বা লব্ধা পৰিতোষমেতি ন তু তত্তস্য ক্ষুধাশান্তয়ে।
সিংহো জম্বুকমঙ্কমাগতমপি ত্যক্ত্বা নিহন্তি দ্বিপং
সর্বঃ কৃচ্ছ্রগতোহপি বাঞ্ছতি জনঃ সত্ত্বানুৰূপ ফলম্।। ২৩।।

লাঙ্গূলচালনমধশ্চৰণাবপাতং ভূমৌ নিপত্য বদনোদৰদর্শনং চ।

শ্বা পিণ্ডদস্য কুৰুতে গজপুঙ্গৱস্তু ধীৰং বিলোকয়তি চাটুশতৈশ্চ ভুঙ্‌ক্তে।। ২৪।।

পৰিবর্ত্তিনি সংসাৰে মৃতঃ কো বা ন জায়তে।
স জাতো যেন জাতেন যাতি বংশঃ সমুন্নতিম্।। ২৫।।

কুসুমস্তবকস্যেব দ্বয়ী বৃত্তির্মনস্বিনঃ।
মূৰ্দ্ধ্নি বা সর্বলোকস্য শীর্যতে বন এব বা ।২৬।।

সন্ত্যন্যেহপি বৃহস্পতিপ্রভৃতয়ঃ সম্ভাবিতাঃ পঞ্চষা-
স্তান্ প্রত্যেষ বিশেষবিক্রমৰুচী ৰাহুর্ন বৈৰায়তে।
দ্বাবেব গ্রসতে দিবাকৰনিশাপ্রাণেশ্বৰৌ ভাস্বৰৌ
ভ্রাতঃ! পর্বণি পশ্য দানবপতিঃ শীর্যাবশেষাকৃতিঃ।। ২৭।।

বহতি ভুবনশ্রেণিং শেষঃ ফণাফলকস্থিতাং
কমঠপতিনা মধ্যেপৃষ্ঠং সদা স চ ধার্যতে।
তমপি কুৰুতে ক্রোড়াধীনং পয়োধিৰনাদৰা-
দহহ! মহতাং নিঃসীমানশ্চৰিত্রবিভূতয়ঃ।। ২৮।।

ৰৰং পক্ষচ্ছেদঃ সমদমঘবন্মুক্তকুলিশ-
প্রহাৰৈৰুদ্‌গচ্ছদ্বহুলদহনোদ্‌গাৰগুৰুভিঃ।
তুষাৰাদ্রেঃ সুনোৰহহ ! পিতৰি ক্লেশবিৰশে
ন চাসৌ সম্পাতঃ পয়সি পয়সাং পত্যুৰুচিতঃ ।। ২৯।।

যদচেতনোহপি পাদৈঃ স্পৃষ্টঃ প্রজ্জ্বলতি সবিতুৰিনকান্তঃ।
তৎ তেজস্বী পুৰুষঃ পৰকৃতনিকৃতিং কথং সহতে ।। ৩০।।

১১.৬ নীতিশতকম্ৰ উল্লেখযোগ্য শ্লোকসমূহৰ সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

ওপৰত উল্লেখ কৰা শ্লোকসমূহৰ অসমীয়া অনুবাদ যথাক্রমে তলত দিয়া হ'ল।

দিক্, কাল আদিতকৈয়ো অপৰিমিত, অবিনাশী, জ্ঞানময়, মূৰ্তিমান, আত্মানুভূতি যিজনক জনাৰ একমাত্র উপায় সেই শান্ত জ্যোতির্ময় ব্রহ্মক নমস্কাৰ ।। ১।।

বুদ্ধিমানসকল হিংসাৰে আচ্ছন্ন, প্রভুসকল অহংকাৰৰ কৰলত কলুষিত আৰু অন্যান্য সকলো মানুহ জ্ঞানহীনতাৰে অভিভূত। সেয়েহে সুন্দৰ বাণী বক্তাৰ দেহতেই সীমাবদ্ধ হৈ থাকে ।। ২।।

মূৰ্খক সহজে সন্তুষ্ট কৰিব পাৰি, বিশেষভাৰে জ্ঞানীক আৰু বেছি সহজে সন্তুষ্ট কৰিব পাৰি, অলপ জ্ঞান অর্জন কৰি নিজকে পণ্ডিত বুলি বিবেচক ব্যক্তিক স্বয়ং ব্রহ্মাইয়ো সন্তুষ্ট কৰিব নো�ৰাৰে ।। ৩।।

মকৰৰ মুখৰ দাঁতৰ অন্তর্বর্তী অংশৰ পৰা বল প্রয়োগ কৰি হ'লেও মণি উদ্ধাৰ কৰিব পাৰি, উদ্দাম তৰঙ্গ মালাৰে ভয়ঙ্কৰ সাগৰ সাঁতুৰি পাৰ হ'ব পাৰি, খঙাল সাপক ফুলৰ দৰে মূৰত ধাৰণ কৰিব পাৰি, কিন্তু দু�ৰাগ্রহকবলিত অজ্ঞ লোকৰ মন প্রসন্ন কৰা সম্ভৰ নহয়। ।। ৪।।

পৰিশ্রম কৰি নিষ্পেষণেৰে বালিৰ মাজতো তেল পাব পাৰি, তৃষ্ণার্তই মৰীচিকাৰ পৰা পানী পান কৰিব

পাৰে, পৰিভ্ৰমণকালত পথিকে কেতিয়াবা শশৰ শিঙ পাব পাৰে কিন্তু দু�ৰাগ্ৰহকবলিত অজ্ঞ লোকৰ মন প্ৰসন্ন কৰা সম্ভৱ নহয় ।। ৫।।

যিজনে অমৃতপ্ৰবাহী সুভাষিতৱচনে অসৎ লোকক সৎ পথলৈ আনিবৰ ইচ্ছা কৰে তেওঁ উন্মত্ত হাতীক কোমল মৃণালসূত্ৰেৰে অবৰুদ্ধ কৰিবলৈ উদ্যত হয়, শিৰীষফুলৰ অগ্ৰভাগেৰে বজ্ৰমণিক ছেদ কৰিবলৈ প্ৰয়াস কৰে আৰু মৌৰ বিন্দুৰে লবণাক্ত সমুদ্ৰৰ মাধুৰ্য সম্পাদন কৰিবলৈ ইচ্ছা কৰে ।। ৬।।

বিধাতাই মূৰ্খসকলৰ নিজৰ আয়ত্তাধীন, প্ৰভূত হিতকৰ আৰু অজ্ঞতাৰ আচ্ছাদক মৌনভাৰ নিৰ্মাণ কৰিছিল। ই বিশেষভাৱে পণ্ডিতসকলৰ সম্মেলনত তেওঁলোকৰ অলংকাৰস্বৰূপ হৈছিল ।। ৭।।

যেতিয়া মোৰ জ্ঞান অতিকৈ কম আছিল তেতিয়া মদমত্ত হাতীৰ দৰে মই অন্ধ আছিলোঁ আৰু 'মই সকলো জানোঁ' এই বুলি মোৰ অন্তৰ গৰ্বিত হৈছিল। (পিছত) যেতিয়া পণ্ডিতজনৰ পৰা অলপ অলপকৈ জ্ঞান আহৰণ কৰিলোঁ তেতিয়া 'মই মূৰ্খ' এই বুলি গম পাই মোৰ গৰ্ব জ্বৰৰ দৰে বিদূৰিত হ'ল ।। ৮।।

কৃমিবিলাকেৰে পৰিপূৰ্ণ, লালাক্লিষ্ট, দুৰ্গন্ধময়, ঘৃণনীয়, অতুলনীয় স্বাদযুক্ত, মঙহহীন মানুহৰ শৰীৰৰ হাড়ডাল পৰম আনন্দেৰে কুকুৰে খাওঁতে কাষত দেবাধিদেব ইন্দ্ৰক দেখি ও ভীত নহয়। কাৰণ তলৰ খাপৰ প্ৰাণীয়ে গৃহীত বস্তুৰ নিঃসাৰতা গণ্য নকৰে ।। ৯।।

এই গঙ্গা স্বৰ্গৰ পৰা মহাদেৱৰ শিৰত, মহাদেৱৰ শিৰৰ পৰা হিমালয় পৰ্বতত, উত্তুঙ্গ হিমালয় পৰ্বতৰ পৰা ধৰাতলত, ধৰাতলৰ পৰা সাগৰত — লাহে লাহে ক্ৰমাৎ নিম্নৰ পৰা নিম্নতৰ স্থানলৈ গতি কৰে। সদ্‌বিচাৰৰ পৰা বিচ্যুত লোকসকলৰ বহু প্ৰকাৰে অবনতি হয় ।। ১০।।

পানীৰে জুই, ছাতিৰে সূৰ্যৰ তাপ, চোকা অঙ্কুশেৰে মদমত্ত গজৰাজ, লাঠিডালেৰে গৰু-গৰ্দভ, বেমাৰ-আজাৰ ভেষজৰাজিৰে, নানাবিধ মন্ত্ৰ প্ৰয়োগেৰে বিষ উপশমিত হয়। সকলোৰে বাবে যথাশাস্ত্ৰ দৰৱ আছে (কিন্তু) মূৰ্খৰ বাবে ঔষধ নাই ।। ১১।।

শাস্ত্ৰত ব্যৱহৃত অলংকৃত শব্দবোৰৰ প্ৰয়োগ কৰি মনোহৰ বাণীৰ ৰূপকাৰসকল আৰু শিষ্যলৈ প্ৰদান কৰাৰ উপযোগী শাস্ত্ৰজ্ঞানসম্পন্ন কবিসকল যিগৰাকী ৰজাৰ ৰাজ্যত ধনহীন থাকে সেই পৃথিৱী পালকজনৰ সেয়া বুদ্ধিহীনতাৰ পৰিচায়ক। ধন নোহোৱাকৈ কবিসকল পৃথিৱীৰ প্ৰভু। যিসকলে মণিৰ মূল্যৰ ন্যূনতা প্ৰতিপাদন কৰে সেই অযোগ্য পৰীক্ষকসকল নিন্দাৰ পাত্ৰ।। ১২।।

হে ৰজাসকলহু যিটো অপহৰণকাৰীৰ হস্তগত নহয়, সদায় কল্যাণ সঞ্চয় কৰে, প্ৰাৰ্থীসকলে নিৰন্তৰ বিতৰণ কৰি থাকিলেও বৃদ্ধিহে পায়, প্ৰলয়কালতো বিনষ্ট নহয় সেই বিদ্যা বুলি অভিহিত গুপ্তধন যিসকলৰ আছে তেওঁলোকৰ আগত গৰ্ব ত্যাগ কৰক। তেওঁলোকৰ সমুখত কোনে প্ৰত্যাহ্বান জনায়? ।। ১৩।।

যিসকলে আত্মতত্ত্বৰ জ্ঞান লাভ কৰিছে সেই সুধীবৃন্দক অপমান নকৰিবা। তেওঁলোকৰ বাবে সম্পদ ঘাঁহৰ দৰে তুচ্ছ। ই তেওঁলোকক কেতিয়াও অৱৰুদ্ধ কৰি ৰাখিব নোৱাৰে। নতুন মদবাৰি ৰেখাৰে কৃষ্ণবৰ্ণ গণ্ডবিশিষ্ট হাতীবিলাকক মৃণালৰ সূত্ৰেৰে অবৰুদ্ধ কৰা সম্ভৱ নহয়।। ১৪।।

বিশ্বস্ৰষ্টাই খং কৰি হাঁহৰ পদুমৰ বনত ঘূৰি ফুৰাৰ আনন্দ নষ্ট কৰিব পাৰে মাথোন। কিন্তু গাখীৰ আৰু পানীৰ ভেদ নিৰ্ণয়তা নিপুণতাৰ বাবে ইয়াৰ মহিমা বিখ্যাত হৈছে সেয়া তেওঁ বিনষ্ট কৰিবলৈ সক্ষম নহয় ।। ১৫।।

কেয়ূৰ, জোনৰ দৰে উজ্জ্বল হাৰ, স্নান, চন্দন আদিৰ লেপন, ফুল, চুলিৰ সাজপাৰ—একোৱেই মানুহক

অলংকৃত নকৰে। পৰিশোধিতভাৱে ধাৰণ কৰা একমাত্ৰ বাণীয়ে পুৰুষক যথাযথভাৱে সজ্জিত কৰে। অলংকৰণৰ উপকৰণবিলাক বিনষ্ট হয়, বাক্যৰূপ অলংকাৰ সদাই ভূষিত কৰি ৰাখে।। ১৬।।

বিদ্যা মানুহৰ শ্ৰেষ্ঠ সৌন্দৰ্য, গুপ্ত ধনৰ দৰে সুৰক্ষিত ধন। বিদ্যা আনন্দৰ কাৰণ, কীৰ্ত্তি আৰু সুখৰ সাধক। বিদ্যা গুৰুজনসকলৰো গুৰু। যাত্ৰাৰ সময়কালত বিদ্যা বন্ধুৰ দৰে, বিদ্যা পৰম দেবতা। ৰজাসকলৰ মাজত বিদ্যা পূজিত হয় কিন্তু ধন নহয়, বিদ্যা নথকা মানুহ পশুতুল্য ।। ১৭।।

মানুহৰ যদি ক্ষমাগুণ আছে তেনে হ'লে কবচৰ কি প্ৰয়োজন, যদি খং আছে তেনে হ'লে শত্ৰুবৰ্গৰ কি প্ৰয়োজন, যদি জ্ঞাতি আছে তেনে হ'লে জুইৰ কি প্ৰয়োজন, যদি বন্ধু আছে তেনেহ'লে অতিকৈ গুণবিশিষ্ট ঔষধৰ কি প্ৰয়োজন, যদি দুষ্টলোকবোৰ আছে তেনেহ'লে সাপবিলাকৰ কি প্ৰয়োজন যদি প্ৰশংসনীয় বিদ্যা আছে তেনেহ'লে ধনৰাশিৰ কি প্ৰয়োজন, যদি লাজ আছে তেনেহ'লে সাজ-পাৰৰ কি প্ৰয়োজন, যদি কাব্য প্ৰতিভা আছে তেনেহ'লে ৰাজ্যৰ কি প্ৰয়োজন? ।। ১৮।।

সদায় আত্মীয়ৰ প্ৰতি আনুকূল্য, অনুগতজনৰ প্ৰতি অনুকম্পা, দুষ্টৰ প্ৰতি শঠতা, সজ্জনৰ প্ৰতি প্ৰেম, ৰজাৰ প্ৰতি ন্যায়পৰায়ণতা, বিদ্বানৰ প্ৰতি সৰলতা, শত্ৰুৰ প্ৰতি পৰাক্ৰম, পূজনীয়জনৰ প্ৰতি সহনশীলতা আৰু নাৰীৰ প্ৰতি প্ৰগল্‌ভতা —এনে ধৰণৰ বিবিধ চাতুৰীগুণত অভিজ্ঞ যিসকল পুৰুষ তেওঁলোকৰ ওপৰত সংসাৰৰ স্থায়িত্ব নিৰ্ভৰ কৰে ।। ১৯।।

কোৱা হয় সজ্জনৰ লগত সংসৰ্গই পুৰুষৰ কি নকৰে? ই বুদ্ধিৰ জড়তা অপহৰণ কৰে, বাক্যত সত্যতা সিঞ্চন কৰে, সন্মান বৃদ্ধি কৰে, পাপ দূৰ কৰে, মন প্ৰসন্ন কৰে, দিশে দিশে যশ বিস্তাৰ কৰে ।। ২০।।

পুণ্যবান, ***ৰস*** প্ৰয়োগত অভিজ্ঞ সেই কবিশ্ৰেষ্ঠসকলৰ জয় হয়। তেওঁলোকৰ বাৰ্দ্ধক্য আৰু মৃত্যুৰ পৰা ওপজা ভয় নাই ।। ২১।।

আত্মাভিমানক গুৰুত্ব প্ৰদানকাৰীসকলৰ অগ্ৰগণ্য সিংহই ভোকত কাতৰ হ'লেও, বাৰ্দ্ধক্যহেতু ক্ষীণকায় হ'লেও, অবসন্নপ্ৰায় হ'লেও, দুখজনক পৰ্যায় গৈ পালেও, তেজৰ বিনষ্টি ঘটিলেও, প্ৰাণসংশয় হ'লেও মদোন্মত্ত গজপতিৰ বিদীৰ্ণ মূৰৰ মাংসৰ গ্ৰাসৰ বাবে একান্তমনেৰে আকাংক্ষা কৰা স্বাভিমানী সিংহই কি প্ৰাণ নাশ হ'লেও শুকাই যোৱা ঘাহ খায়? ।। ২২।।

অলপমান স্নায়ু আৰু মেদ মাত্ৰ অবশিষ্ট, মলিন, মাংসহীন গৰুৰ হাড়ডাল লাভ কৰি কুকুৰে সন্তুষ্টি লাভ কৰে। কিন্তু ইয়াৰ জৰিয়তে তাৰ ভোক নমৰে। সিংহই কোলাত উপগত শিয়ালক এৰি দি হাতীক হে নিধন কৰে। বিপদত পৰিলেও সকলো মানুহে নিজৰ সামাৰ্থ্যৰ অনুৰূপ ফল লাভ কৰিবলৈ ইচ্ছা কৰে ।। ২৩।।

যি জনে খাদ্যৰ যোগান ধৰে কুকুৰে তেওঁৰ সমুখত নেজডাল সঞ্চালিত কৰি, ভৰিৰ তলৰ মাটিত বাগৰি মুখ আৰু পেট দেখুৱায়। কিন্তু গজশ্ৰেষ্ঠই স্থিৰ হৈ দৃষ্টি নিক্ষেপ কৰে আৰু বহুপ্ৰকাৰে তোষামোদ কৰিলে হে ভোজ কৰে ।। ২৪।।

পৰিবৰ্তনশীল জগতত যিজনেই জন্ম লৈছে তাৰে কোন জনে মৃত্যুমুখত নপৰে? যিগৰাকীৰ জন্মৰ জৰিয়তে কুলৰ সম্যকপ্ৰকাৰে উন্নতি হয় তেওঁৰে জন্ম সাৰ্থক ।। ২৫।।

পুষ্প গুচ্ছৰ দৰে মনস্বীসকলৰ দুই প্ৰকাৰৰ অৱস্থা হয়। সকলো মানুহৰ মূৰত থাকে নাইবা বনপ্ৰদেশত শুকাই যায় (অতি কষ্টেৰে অৱস্থান কৰে) ।। ২৬।।

চোৱা ভাইহু বৃহস্পতি আদি পাঁচ-ছটামান বিখ্যাত গ্ৰহ আছে। বিশেষভাৱে পৰাক্ৰম প্ৰকাশত আগ্ৰহী এই ৰাহুয়ে সেইবিলাকৰ প্ৰতি শত্ৰুতা নকৰে। মূৰ মাথোন অবশিষ্ট দৈত্যৰাজে অমাৱস্যা আৰু পূৰ্ণিমাৰ কালছোৱাত সূৰ্য আৰু চন্দ্ৰ— এই উজ্জ্বল গ্ৰহ দুটাক গ্ৰাস কৰে ।। ২৭।।

শেষনাগে ফণৰ ফলকত অৱস্থিত ভুবনচক্ৰ বহন কৰে, সেই শেষনাগেই কচ্ছপৰাজক পিঠিৰ মধ্যভাগত ধাৰণ কৰে। সেই কচ্ছপৰাজকেই সাগৰে অতি সহজে কোলাত গ্ৰহণ কৰে। কি আচৰিতহু মহাপুৰুষসকলৰ চৰিত্ৰৰ ঐশ্বৰ্য সীমাহীন ।। ২৮।।

মদোদ্ধত ইন্দ্ৰৰ প্ৰক্ষিপ্ত বজ্ৰৰ প্ৰহাৰজনিত অসংখ্য অগ্নিশিখাৰ ভয়ঙ্কৰ উদ্‌গাৰেৰে বৰফময় পৰ্বতৰ (হিমালয়ৰ) পুত্ৰৰ (মৈনাকৰ) পক্ষচ্ছেদ হোৱাও ভাল আছিল। হায় হায়হু দেউতাক (হিমালয়) যেতিয়া দুখত অবসন্ন তেতিয়া তেওঁৰ সলিলাধিপৰ পানীত পতিত হোৱা অনুচিত হৈছিল ।। ২৯।।

অচেতন হৈয়ো সূৰ্যকান্ত মনি যদি সূৰ্যৰ কিৰণৰ সংস্পৰ্শত জ্বলি উঠে তেনে হ'লে তেজস্বী পুৰুষে অন্য মানুহৰ দ্বাৰা অপমানিত হ'লে কেনেকৈ সহ্য কৰে ।। ৩০।।

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'নীতিশতকম্'ৰ বিষয়বস্তু জানিলে।
- গ্ৰন্থৰ শিৰোনামৰ তাৎপর্য জানিব পাৰিলে।
- 'নীতিশতকম্'ৰ পাঠ সম্বন্ধে অৱগত হ'ল।
- কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱনৰ বিষয়ে জানিলে।
- কবিৰ ৰচনাৱলীৰ বিষয়েও জানিব পাৰিলে।

১১.৮ অধিক জানিবলৈ

১) গোস্বামী, হৰমোহন দেৱ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী,* গুৱাহাটী ঃ বুকলেণ্ড।

২) শর্মা, থানেশ্বৰ, (১৯৯৫); *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*,গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) কৃষ্ণমাচাৰিয়াৰ, এম (১৯৮৯); *হিষ্টৰি অব্ ক্লাচিকেল সংস্কৃত লিটাৰেচাৰ,* বাৰানসী ঃ মতিলাল বনাৰসী দাস।

১১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ গোৰক্ষনাথ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ষষ্ঠ শতিকাৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বাক্যপদীয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ লোক শিক্ষাৰ মহান আদর্শ প্ৰচাৰ কৰা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভর্তৃহৰি।

৭ নং প্রশ্নৰ উত্তৰ ঃ সহৃদয়ানন্দিনী।

৮ নং প্রশ্নৰ উত্তৰ ঃ দহটা।

৯ নং প্রশ্নৰ উত্তৰ ঃ এশ দুইটা।

? ১১.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ যি কোনো এটি মহত্বপূর্ণ শতককাব্যৰ বিষয়ে টোকা লিখক।

(খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'নীতিশতকম্'ৰ বিষয়বস্তু সম্বন্ধে লিখক।

প্রশ্ন ২ ঃ ভর্তৃহৰিৰ ব্যক্তিগত জীৱনৰ বিষয়ে এটি চমু আভাস দিয়ক।

প্রশ্ন ৩ ঃ ভর্তৃহৰিৰ ৰচনাৱলীৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ১২ঃ অলংকাৰশাস্ত্ৰৰ সম্প্ৰদায়সমূহ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ কাব্যশাস্ত্ৰৰ আৰম্ভণি আৰু বিকাশ
১২.৪ অলংকাৰশাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্ৰগতিৰ খতিয়ান
১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সংস্কৃত অলংকাৰশাস্ত্ৰৰ আৰম্ভণি কিদৰে হৈছিল, সেই বিষয়ে জানিব পাৰিব
- বিৱৰ্তনৰ মাজেৰে অলংকাৰশাস্ত্ৰৰ বিকাশ কিদৰে হ'ল সেইবিষয়েও জানিব পাৰিব
- অলংকাৰশাস্ত্ৰত সৃষ্টি হোৱা বিভিন্ন ধাৰণাসমূহৰ বিষয়েও অৱগত হ'ব
- ধাৰণাসমূহ কিদৰে ধাৰাত পৰিণত হৈ বিভিন্ন সম্প্ৰদায়ৰ সৃষ্টি কৰিলে এই বিষয়েও জ্ঞান আহৰণ কৰিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টিত আপুনি সংস্কৃত অলংকাৰশাস্ত্ৰৰ আৰম্ভণি আৰু ক্ৰমবিকাশৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব। ভাৰতীয় সাহিত্যৰ ইতিহাসত অলংকাৰশাস্ত্ৰই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। সুদীৰ্ঘকালৰ কাব্যিক ঐতিহ্য বহন কৰা ভাৰতবৰ্ষতেই পোনপ্ৰথম অলংকাৰশাস্ত্ৰৰ আৰম্ভণি হৈছিল। অলংকাৰশাস্ত্ৰৰ ধাৰণাসমূহ দুহেজাৰ বছৰৰ চিন্তা চৰ্চাৰ মূৰকত স্থিৰ সিদ্ধান্তৰূপে পৰিগণিত হৈছিল। 'অলংকাৰশাস্ত্ৰ'ৰ নামকৰণ অনুসৰি কেৱল অলংকাৰেই এই অধ্যয়নৰ বিষয়বস্তু নহয়। ৰস, ৰীতি, ধ্বনি ইত্যাদিও এই শাস্ত্ৰৰ অন্তৰ্ভুক্ত। প্ৰাচীন আলংকাৰিকসকলে কাব্যিক প্ৰকাশভংগীত অলংকাৰেই প্ৰধান উপাদান আছিল বুলি গণ্য কৰিছিল। সেয়েহে অলংকাৰশাস্ত্ৰৰ নামকৰণো সেইদৰেই থাকি গ'ল। অলংকাৰশাস্ত্ৰক 'সাহিত্যশাস্ত্ৰ' বা 'ক্ৰিয়াকল্প' আদি নামেৰেও জনা যায়। পুৰাণ আৰু মহাকাব্য দুখনত 'ক্ৰিয়াকল্প' নামটিৰ উল্লেখ আছে।

জানি থোৱা ভাল

অলংকাৰশাস্ত্ৰ আচলতে সংস্কৃত সাহিত্যৰ সমালোচনা শাস্ত্ৰ। ইয়াৰ সেইবাবে পৰিধি অসীম। অলংকাৰ নাম থাকিলেও কাব্যৰ সকলোবোৰ উপাদানৰ বিষয়ে ইয়াত চৰ্চা হয়। ৰীতি, গুণ, ধ্বনি, ৰস, বক্ৰোক্তি, দোষ আনকি নাটকৰ বিষয়েও অলংকাৰশাস্ত্ৰত সমালোচনা থাকে। নাটকো যিহেতু কাব্যই, সেইবাবে

নাট্যশাস্ত্ৰৰ বিষয়বস্তুও বহু আলংকাৰিকে অলংকাৰশাস্ত্ৰতেই অন্তৰ্ভুক্ত কৰিছে। ব্যাক�ৰণশাস্ত্ৰৰ লগতো অলংকাৰশাস্ত্ৰৰ যোগসূত্ৰ আছে। অলংকাৰশাস্ত্ৰই কাব্যিক প্ৰকাশভংগীক আৰু ব্যাকৰণশাস্ত্ৰই শব্দশুদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অলংকাৰশাস্ত্ৰৰ অন্য এটা নাম লিখক ?

.....

প্ৰশ্ন নং ২ ঃ অলংকাৰশাস্ত্ৰৰ লগত যোগসূত্ৰ থকা আন এখন শাস্ত্ৰৰ নাম লিখক।

.....

১২.৩ কাব্যশাস্ত্ৰৰ আৰম্ভণি আৰু বিকাশ

এতিয়া আপুনি ভাৰতীয় কাব্যশাস্ত্ৰৰ আৰম্ভণি আৰু ক্ৰমবিকাশ কেনেদৰে হ'ল সেই বিষয়ে জানিবলৈ পাৰিব।

ভাৰতীয় কাব্যৰ এটি সুদীৰ্ঘ ইতিহাস আছে। ঋগ্বেদৰ মন্ত্ৰসমূহ যদিও পদ্যৰ উৎকৃষ্ট নিদৰ্শন, কাব্যশাস্ত্ৰৰ উপাদান বৈদিক সাহিত্যত স্পষ্ট নহয়। কিন্তু আধুনিক সমালোচকসকলৰ মতে ৰসবিষয়ক চিন্তা চৰ্চা বেদৰ যুগতেই হৈছিল। এনে বহুতো মন্ত্ৰ বেদত আছে যিবিলাক কাব্যসমালোচনাৰ আদি স্তৰ বুলিব পাৰি।

মহাকাব্যৰ যুগৰ পৰা 'ৰামায়ণ'ক আদিকাব্য হিচাপে আৰু বাল্মীকিক আদিকবি সমালোচক হিচাবে গণ্য কৰা হয়। ব্যাধৰ হাতত ক্ৰৌঞ্চ পক্ষীৰ মৃত্যুত ক্ৰৌঞ্চীৰ বিলাপত কবিৰ অন্তৰ দ্ৰৱীভূত হৈ অন্তৰৰ শোক শ্লোক হিচাবে নিৰ্গত হৈছিল। ৰামায়ণত উল্লেখ কৰা মতে শ্লোকটি এনে ধৰণৰ—

পাদবদ্ধো *ৰ*ক্ষৰসমঃ তন্ত্ৰীলয়সমন্বিতঃ।
শোকার্তস্য প্ৰবৃত্তো মে শ্লোকো ভবতু নান্যথা।।

পৰৱৰ্তী সময়ত ধ্বনিবাদৰ প্ৰবৰ্তক আনন্দবৰ্দ্ধনে এই ধাৰণাক ভিত্তি কৰিয়েই ধ্বনিতত্ত্বৰ সৃষ্টি কৰিছিল।

বৈদিক বা মহাকাব্যৰ যুগত কাব্যসমালোচনা শাস্ত্ৰৰ বীজ দেখিবলৈ পোৱা গ'লেও, অলংকাৰশাস্ত্ৰৰ সুনিৰ্দিষ্ট ধাৰা কিন্তু তেতিয়াই নিশ্চিত হোৱা নাছিল। সেয়েহে কবিসকলে জ্ঞাতসাৰে কোনো অলংকাৰ শাস্ত্ৰৰ আদৰ্শ অনুসৰণ কৰি কাব্যৰচনা কৰা নাছিল।

'কাব্যমীমাংসা'ৰ ৰচয়িতা ৰাজশেখৰে অলংকাৰশাস্ত্ৰৰ উৎপত্তিৰ বিষয়ে এটি কাহিনী ব্যক্ত কৰিছে। অন্য কোনো অলংকাৰশাস্ত্ৰৰ গ্ৰন্থত এনেকুৱা কাহিনীৰ উল্লেখ পোৱা নাযায়। ৰাজশেখৰৰ মতে ব্ৰহ্মাই কাব্য মীমাংসাৰ জ্ঞান লাভ কৰি কাব্যপুৰুষক প্ৰদান কৰে। কাব্যপুৰুষে ওঠৰজন শিষ্যৰ জৰিয়তে অলংকাৰ শাস্ত্ৰৰ জ্ঞানৰ প্ৰসাৰ সাধন কৰে। এই ধাৰণাটিৰ ঐতিহাসিকতা সন্দেহাতীত নহ'লেও ইয়ে কিন্তু সংস্কৃত সমালোচনা সাহিত্যৰ এটি অতীত পৰম্পৰাৰ কথা উনুকিয়াই।

অলংকাৰশাস্ত্ৰৰ নিশ্চিত জ্ঞান ভৰত মুনিৰ নাট্যশাস্ত্ৰত পোৱা যায়। নাট্য বিষয়ক সমালোচনাশাস্ত্ৰ হ'লেও অলংকাৰশাস্ত্ৰৰ বিষয়েও এই গ্ৰন্থখনে অভিন্নভাৱে আলোচনা কৰিছে। সেয়েহে বহু সমালোচকে নাট্যশাস্ত্ৰৰ পৰা অলংকাৰশাস্ত্ৰৰ উৎপত্তি হোৱা বুলি মত পোষণ কৰে। ড° এ বি কীথৰ মতে কিন্তু নাট্যশাস্ত্ৰ আৰু অলংকাৰশাস্ত্ৰ দুয়োপ্ৰকাৰৰ শাস্ত্ৰই পৃথক আৰু দুয়োবিধ শাস্ত্ৰৰ ক্ৰমবিকাশ পৃথকভাৱে হৈছে।

অলংকাৰশাস্ত্ৰৰ উৎপত্তি আৰু ক্ৰমবিকাশ ভাৰতীয় সাহিত্যৰ ইতিহাসত এটা সুদীৰ্ঘকাল ব্যাপি থকা এটি

অধ্যায়। ভৰতৰ পিছত আলংকাৰিক ভামহৰ জৰিয়তে প্ৰকৃত অলংকাৰশাস্ত্ৰৰ চৰ্চা আৰম্ভ হয়। ভামহৰ পৰা পণ্ডিতৰাজ জগন্নাথলৈকে অলংকাৰশাস্ত্ৰৰ এটি অবিচ্ছিন্ন ধাৰা প্ৰৱাহমান। বহুকেইজন প্ৰাচীন আলংকাৰিকে তেওঁলোকৰ পূৰ্বসূৰীৰ নামো উল্লেখ কৰিছে। কিন্তু তেওঁলোকৰ ৰচনা উপলব্ধ নহয়।

ব্যাকৰণশাস্ত্ৰৰ লগতো অলংকাৰশাস্ত্ৰৰ এটি অঙ্গাঙ্গী সম্পৰ্ক আছে। 'শব্দতত্ত্ব' হৈছে দুয়োখন শাস্ত্ৰৰেই আলোচনাৰ সাধাৰণ বিবেচনাৰ বিষয়। কিন্তু অলংকাৰশাস্ত্ৰই কাব্যিক প্ৰকাশ আৰু ব্যাকৰণে শুদ্ধতাৰ ওপৰত গুৰুত্ব দিয়ে। ব্যাকৰণৰ বহু সূত্ৰৰ প্ৰয়োগ অলংকাৰশাস্ত্ৰত দেখিবলৈ পোৱা যায়। বিখ্যাত আলংকাৰিক আনন্দবৰ্দ্ধনে বৈয়াকৰণ সকলক প্ৰথম বিদ্বান বুলি আখ্যা দিছে।

এনেদৰে বিভিন্ন শাস্ত্ৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈ গতি কৰা অলংকাৰশাস্ত্ৰই এটি নতুন দিশ লাভ কৰিলে। আলংকাৰিকসকলে কাব্যত মূল তত্ত্বৰ বিবেচনা কৰিবলৈ আৰম্ভ কৰিলে। কাব্যৰ মূলতত্ত্ব বা আত্মাৰ অনুসন্ধানত বহু ধাৰণাৰ সৃষ্টি হৈছিল। নিজৰ তত্ত্বক প্ৰতিষ্ঠা কৰিবলৈ গৈ প্ৰবক্তাসকলৰ মাজত বাদানুবাদৰো সৃষ্টি হৈছিল।

জানি থোৱা ভাল

ধ্বনিবাদত ৰামায়ণৰ ক্ৰৌঞ্চবিলাপত বাল্মীকিৰ স্বতঃস্ফূৰ্ত কাব্যিক প্ৰকাশে প্ৰভাৱ বিস্তাৰ কৰিছিল। অভিনৱগুপ্তই 'লোচন' টীকাত এই কথা স্পষ্ট কৰিছে—

কাব্যস্যাত্মা স এবার্থস্তথা চাদিকবেঃ পুৰা।
ক্ৰৌঞ্চদ্বন্দ্ববিয়োগথৎ শোকঃ শ্লোকত্বমাগতঃ।।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ধ্বনিবাদৰ প্ৰবৰ্তক কোন?

.....

প্ৰশ্ন নং ৪ ঃ কাব্যমীমাংসা কোনে লিখিছিল?

.....

প্ৰশ্ন নং ৫ ঃ নাট্যশাস্ত্ৰৰ প্ৰণেতা কোন?

.....

১২.৪ অলংকাৰশাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়

এতিয়া আপুনি অলংকাৰশাস্ত্ৰৰ বিভিন্ন সম্প্ৰদায়সমূহৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাৰিব।

ভৰতমুনিৰ পৰা পণ্ডিতৰাজ জগন্নাথলৈকে বহুকেইগৰাকী সৰু বৰ আলংকাৰিকে স্বকীয় ধাৰণাৰ উন্মেষ ঘটাইছিল। আলংকাৰিকসকলে শব্দাৰ্থ শৰীৰযুক্ত কাব্যৰ আত্মাৰ অন্বেষণ কৰিবলৈ আৰম্ভ কৰিলে। কাব্যৰ আত্মাৰ বিচাৰ কৰিবলৈ যাওতে বিভিন্ন মতবাদৰ সৃষ্টি হ'ল। মতবাদসমূহেই অলংকাৰশাস্ত্ৰৰ ইতিহাসত বিভিন্ন ধাৰাৰ প্ৰবৰ্তন কৰিলে। কিছুসংখ্যক সমালোচক এই সম্প্ৰদায় বিভাজনৰ বিৰোধী। কিয়নো এটা বিশেষ নীতিৰ ওপৰত গুৰুত্ব দিলেই এটি ধাৰাৰ সৃষ্টি নহয়। তাৰোপৰি দণ্ডীৰ নিচিনা আলংকাৰিকে অলংকাৰ আৰু গুণ দুয়োটাতে সমানেই গুৰুত্ব আৰোপ কৰিছে বাবে তেওঁ কোনো সম্প্ৰদায়ৰ অন্তৰ্ভুক্তি নহয়। গতিকে দণ্ডী ৰীতিবাদ আৰু অলংকাৰবাদৰ অন্তৰ্ভুক্ত নহয়। ড° পি ভি কানেই ভাৰতীয় অলংকাৰ শাস্ত্ৰক পাঁচটা সম্প্ৰদায়ত ভাগ কৰিছে— ১)

অলংকাৰবাদ ২) ৰসবাদ ৩) ধ্বনিবাদ ৪) ৰীতিবাদ আৰু ৫) বক্ৰোক্তিবাদ। অন্য লিখকে ঔচিত্যকো এটি সম্প্ৰদায়ত বিভক্ত কৰিছে। তলত এই সম্প্ৰদায়সমূহৰ চমু বিৱৰণ দাঙি ধৰা হ'ল।

- **অলংকাৰবাদ**

অলংকাৰবাদীসকলৰ মতে দোষহীন আৰু অলংকৃত শব্দাৰ্থই কাব্য। অলংকাৰক প্ৰাধান্য দিলেও কিন্তু ইয়াক কেতিয়াও আত্মা বুলি কোৱা নাই। অলংকাৰেই প্ৰাচীন কালত অলংকাৰশাস্ত্ৰৰ মূল আলোচ্য বিষয় আছিল আৰু সেইবাবে সংস্কৃত সমালোচনা সাহিত্যক অলংকাৰশাস্ত্ৰ নামেৰেই জনা যায়।

ভামহেই অলংকাৰবাদৰ প্ৰাচীনতম প্ৰবৰ্তক। উদ্ভট আৰু দণ্ডীও তেওঁৰ মতবাদৰ সমৰ্থক আছিল। ৰুদ্ৰট, প্ৰতিহাৰেন্দুৰাজ, জয়দেৱ, অপ্পয়দীক্ষিত আদিও এই মতবাদৰে অনুসৰণকাৰী। ৰুদ্ৰটে ৰস আৰু অলংকাৰক একেই মৰ্যাদা দিছিল। প্ৰাচীনতম আলংকাৰিক ভৰতেও চাৰিটা অলংকাৰৰ উল্লেখ কৰিছিল। ইয়াৰ উপৰিও ভৰতে 'ভূষণ' নামেৰেও জ্ঞাত কিছুমান লক্ষণৰ উল্লেখ কৰিছে। এই লক্ষণসমূহ পিছৰ আলংকাৰিকসকলৰ অলংকাৰসমূহৰ লগত বৈশিষ্ট্যত একেই। ভামহে অলংকাৰৰ সংজ্ঞা নিদিলেও, অলংকাৰহীন কাব্য বিভূষনহীনা নাৰীৰ দৰেই সুন্দৰ নহয় বুলি উল্লেখ কৰিছে। দণ্ডীয়ে কিন্তু অলংকাৰক কাব্যৰ শোভাকাৰক ধৰ্ম বুলি উল্লেখ কৰিছে।

> ভামহে 'কাব্যালংকাৰ' নামেৰে এখন অলংকাৰশাস্ত্ৰৰ ওপৰত গ্ৰন্থ ৰচনা কৰে। ইয়াত ছয়টা পৰিচ্ছেদ আছে

অলংকাৰৰ ধাৰণা ক্ৰমান্বয়ে অলংকাৰশাস্ত্ৰত বাঢ়ি গ'ল। ভৰতৰ চাৰিটা অলংকাৰ সংখ্যাত এশতকৈও বেছি হ'লগৈ। অলংকাৰক গুৰুত্ব দিলেও কিন্তু এইসকল আলংকাৰিক ৰসৰ বিষয়ে অৱগত আছিল। ৰসে প্ৰাধান্য নাপালেও ৰসবৎ, প্ৰেয়স্, উৰ্জস্বী আদি অলংকাৰক স্বীকৃতি দিছিল।

অলংকাৰবাদীসকল **বাচ্যাৰ্থবাদী** আৰু তেওঁলোকৰ মতবাদসমূহ সেয়েহে কাব্যসমালোচনাৰ অন্তৰতম প্ৰদেশত প্ৰৱেশ ঘটিব পৰা নাছিল। তথাপিও শব্দ আৰু অৰ্থক কাব্যৰ শৰীৰ ৰূপে স্বীকৃতি দি বাচ্যাৰ্থবাদীসকলে কাব্য সমালোচনাৰ নতুন মাৰ্গ প্ৰদৰ্শন কৰিলে।

> *বাচ্যাৰ্থ* ঃ শব্দৰ তিনিটা শক্তি আছে - অভিধা, লক্ষণা আৰু ব্যঞ্জনা। শব্দ উচ্চাৰণ কৰাৰ লগে লগে যি বোধ হয় সেয়াই অভিধা। অভিধাই যি অৰ্থ দিয়ে সেয়াই বাচাৰ্থ বা অভিধেয়াৰ্থ বাচ্যাৰ্থক কাব্যত প্ৰধান বুলি গণ্য কৰা সকল বাচ্যাৰ্থবাদী।

- **ৰীতিবাদ**

'কাব্যালংকাৰ সূত্ৰবৃত্তি'ৰ লিখক বামনেই ৰীতিবাদৰ প্ৰবৰ্তক। বামনেই পোনপ্ৰথমবাৰৰ বাবে শৰীৰক বাদ দি কাব্যৰ আত্মা বিচাৰ কৰিবলৈ প্ৰচেষ্টা চলাইছিল। তেওঁৰ মতে শব্দাৰ্থ গুণ আৰু অলংকাৰযুক্ত হ'লেহে কাব্যৰ স্বীকৃতি পাব। তেওঁৰ মতে ৰীতিয়েই কাব্যৰ আত্মা, 'বিশিষ্ট' পদৰচনাই ৰীতি' আৰু এই বিশিষ্টতাই হৈছে গুণ। এই গুণবিলাকে কাব্যৰ শোভাবৰ্দ্ধন কৰে আৰু বামনৰ মতে সৌন্দৰ্যই অলংকাৰ। বামনৰ মতে ৰীতি তিনিপ্ৰকাৰৰ— বৈদৰ্ভী, গৌড়ী আৰু পাঞ্চালী। বামনৰ ৰীতিবাদত গুণসমূহেই এটা বিশেষ ৰীতি নিৰ্ধাৰণ কৰে। গুণসমূহ কাব্যত নিত্য কিন্তু অলংকাৰসমূহ অনিত্য।

ৰীতিৰ উৎস নিৰ্ধাৰণো সহজ নহয়। ভৰতে পোনপটীয়াভাৱে ৰীতিৰ উল্লেখ কৰা নাই যদিও চাৰিটা প্ৰবৃত্তিৰ উল্লেখ কৰিছে। সেইকেইটা হ'ল— দাক্ষিণাত্যা, অৱন্তী, পাঞ্চালী, ঔদ্ৰমাগধী, ভৰতৰ 'প্ৰবৃত্তি'ৰ পৰিসৰ কিন্তু যথেষ্ট বহল।

দণ্ডীয়ে বহুকেইটি 'মাৰ্গ'ৰ উল্লেখ কৰিছিল। লগতে বৈদৰ্ভী আৰু গৌড়ী ৰীতিৰো উল্লেখ কৰিছিল। অলংকাৰ সম্প্ৰদায়ৰ প্ৰবক্তা ভামহেও বৈদৰ্ভী আৰু গৌড়ী ৰীতিৰ উল্লেখ কৰিছে। আনন্দবৰ্দ্ধনে ৰীতিক 'সংঘটনা' আখ্যা দিছে।

কাব্যৰ স্বৰূপ নিৰ্ণয়ত ৰীতিবাদ অলংকাৰবাদতকৈ আগবঢ়া। ৰীতিক কাব্যৰ সাৰবস্তু বুলি গ্ৰহণ কৰিব

নোৱাৰিলেও ৰীতিবাদীসকলে কাব্যৰ প্ৰকৃত সৌন্দৰ্য বিচাৰ কৰিবলৈ সক্ষম হৈছিল। কুন্তকে এই ৰীতিবাদৰ ধাৰণাক এটি দৃষ্টিৰে বিচাৰ কৰিলে। ৰীতি কোনো দেশধৰ্ম নহয়। ই কবিৰ শক্তি, ব্যুৎপত্তি আৰু অভ্যাসৰ ওপৰত নিৰ্ভৰ কৰে। কুন্তকৰ মতে মাৰ্গ তিনিটা— সুকুমাৰ, বিচিত্ৰ আৰু মধ্যম মাৰ্গ। এইকেইটাৰ যথাক্ৰমে বৈদৰ্ভী, গৌড়ী আৰু পাঞ্চালীৰ সৈতে সমিলমিল দেখিবলৈ পোৱা যায়।

- **ৰসবাদ**

ৰসবাদৰ আৱিষ্কাৰ কাব্যসমালোচনাৰ ইতিহাসত এক উল্লেখযোগ্য অৱদান। ৰসৰ ধাৰণাৰ উৎস আমি ভৰতমুনিৰ নাট্যশাস্ত্ৰতেই পাওঁ। ভৰতে নাটকৰ প্ৰসংগত ৰসৰ আলোচনা কৰিছিল। পৰৱৰ্তী আলংকাৰিকসকলে ৰসৰ ধাৰণাৰ গ্ৰহণযোগ্যতা অনুধাৱন কৰি গুৰুত্ব প্ৰদান কৰা হেতুকে ৰসবাদৰ সৃষ্টি হ'ল। ৰসবিষয়ক ভৰতমুনিৰ সূত্ৰটি হ'ল— 'বিভাৱানুভাৱব্যাভিচাৰী সংযোগাত্ ৰসনিষ্পত্তিঃ' অৰ্থাৎ বিভাৱ অনুভাব আৰু ব্যাভিচাৰীভাবৰ সংযোগত ৰসৰ নিষ্পত্তি হয়।' ভৰতৰ পৰৱৰ্তী আলংকাৰিকসকলে এই ৰসসূত্ৰটিক বিভিন্ন দাৰ্শনিক দৃষ্টিভংগীৰ পৰা ব্যাখ্যা কৰি ৰসবাদক পূৰ্ণৰূপ প্ৰদান কৰিছিল। ৰসবাদৰ ব্যাখ্যাকৰ্তা কেইবাজনো আছে। এইসকল টীকাকাৰৰ ভিতৰত ভট্টলোল্লট, শ্ৰীশঙ্কুক, ভট্টনায়ক, অভিনৱগুপ্ত আদি প্ৰধান। ভৰতৰ আঠটা ৰসৰ উপৰিও মম্মটে নৱমৰস 'শান্ত' ৰসক স্বীকৃতি দিছিল। বিশ্বনাথ কবিৰাজেই কাব্যত ৰসকেই আত্মা বুলি স্বীকৃতি দিছে। ৰসক বহল অৰ্থত গ্ৰহণ কৰি ভাব, ৰসাভাস আদি সকলোবিলাকক ৰসৰ ভিতৰত অন্তৰ্ভুক্ত কৰিছিল।

> *বিভাৱ* ঃ মানুহৰ অন্তৰত ৰতি আদি নটা স্থায়ী ভাৱ নিহিত হৈ থাকে। এই ভাবসমূহৰ উদ্বোধক কাৰণক বিভাৱ বোলে। ই দুই প্ৰকাৰৰ— আলম্বন আৰু উদ্দীপন। **অনুভাৱ** ঃ স্থায়ীভাবৰ অনুগত আৰু বহিঃ প্ৰকাশৰ মাধ্যমসমূহ অনুভাৱ। **ব্যভিচাৰী ভাৱ** ঃ স্থায়ীভাবৰ পুষ্টিৰ আৰু প্ৰকাশৰ বাবে থকা অন্য ভাৱসমূহ সঞ্চাৰী বা ব্যাভিচাৰী ভাৱ।

ভাৰতীয় ৰসতত্ত্ব বহু পৰিমাণে মনস্তাত্ত্বিক। মানুহৰ অন্তৰৰ ৰতি, শোক, হৰ্ষ আদি সুপ্ত হৈ থকা স্থায়ীভাববিলাকে উপযুক্ত পৰিৱেশ আৰু আলম্বনৰ উপস্থিতিত পাঠক বা দৰ্শকৰ হৃদয়ত এক অনাবিল আনন্দৰ সৃষ্টি কৰে। সেয়াই ৰসোপলব্ধি। ৯টা স্থায়ীভাৱৰ লগত ৰস উদ্ৰেক কৰা উদ্বোধকক বিভাৱ বোলা হয়। ই দুই প্ৰকাৰৰ— আলম্বন আৰু উদ্দীপন। ইয়াৰ উপৰিও আন কিছুমান ভাৱ স্থায়ীভাৱৰ অনুগত হিচাবে থাকি স্থায়ীভাবসমূহক পোষণ কৰে। সেইবোৰক অনুভাৱ বোলে। স্থায়ীভাৱৰ প্ৰকাশ কৰা ভাৱসমূহক ব্যাভিচাৰী বা সঞ্চাৰী ভাব বোলা হয়। এই ধাৰণাকেই পিছৰ আলংকাৰিকসকলে সমালোচনা কৰি যুগান্তৰকাৰী ধাৰাৰ সৃষ্টি কৰে।

- **ধ্বনিবাদ**

ধ্বনিতত্ত্বৰ উদ্ভাৰক আচাৰ্য আনন্দবৰ্দ্ধন। কিন্তু আনন্দবৰ্দ্ধনে নিজেই এই তত্ত্বক নবীন সিদ্ধান্ত বুলি গণ্য নকৰিছিল। ধ্বনিক কাব্যৰ আত্মা বুলি স্বীকৃতি দি ধ্বনিৰ এক পূৰ্ব পৰম্পৰাৰ সংকেত দিছিল। কিছুসংখ্যক সমালোচকৰ মতে ধ্বনিতত্ত্ব ৰসতত্ত্বৰ প্ৰসাৰণমাত্ৰ।

আনন্দবৰ্দ্ধনৰ 'ধ্বন্যালোক' এখন যুগান্তকাৰী গ্ৰন্থ। **বাচ্যাতিৰেকী** ৰসৰ সন্ধানৰ কথা পোনপ্ৰথমবাৰৰ বাবে আনন্দবৰ্দ্ধনেই সম্ভেদ দিছিল। কিছু পণ্ডিতে ধ্বনিকাৰ আৰু কাৰিকাকাৰক পৃথক বুলি ভাবে আৰু কোনো সহৃদয়ক ধ্বনিৰ প্ৰবৰ্তক বুলি কয়। কুন্তক, মহিমভট্ট, ভট্টনায়ক আদি আলংকাৰিকসকলে ধ্বনিতত্ত্বক তুমুল সমালোচনা কৰি নিজেই অলংকাৰশাস্ত্ৰৰ গ্ৰন্থও ৰচনা কৰিছিল। যি কাব্যত শব্দ আৰু অৰ্থই নিজক অপ্ৰধান কৰি ব্যঙ্গ অৰ্থৰ প্ৰকাশ কৰে, সেই কাব্যবিশেষক পণ্ডিতসকলে ধ্বনিকাব্য বুলি কয়। নানা বেশভূষাৰে শোভিতা কোনো নাৰীৰ দেহব্যতিৰিক্ত শাৰীৰিক যি লাৱণ্য তাৰ

> শব্দৰ তিনিটা শক্তি— বাচ্যাৰ্থ, লক্ষাৰ্থ আৰু ব্যংগাৰ্থৰ ভিতৰত বাচ্যাৰ্থক বাদ দি লক্ষাৰ্থ আৰু ব্যংগাৰ্থৰ লগত সম্বন্ধিত ৰস।

দৰেই কাব্যত অলংকাৰ, ৰীতি আদিৰ বাহিৰেও যি অভিনৱ অর্থই মনত আনন্দ জন্মাই সেয়াই হ'ল ধ্বনি। কাব্য তিনি প্ৰকাৰৰ— ১) ধ্বনিকাব্য, ২) গুণীভূতব্যংগ কাব্য, ৩) চিত্ৰ কাব্য।

ব্যঞ্জনাৰ দ্বাৰা প্ৰকাশিত অর্থই ব্যংগ্য অর্থ।

আনন্দবৰ্দ্ধনৰ এই সিদ্ধান্তটিক জনপ্ৰিয় কৰাত লোচনকাৰ অভিনবগুপ্তৰো অৱদান আছে। ধ্বনিতত্ত্বক পূৰ্ণৰূপত পূৰ্ণদৃষ্টিভংগীৰে মূল্যায়ণ কৰিবলৈ অভিনৱগুপ্তৰ 'ধ্বন্যালোকলোচন' ভাষ্য অপৰিহাৰ্য।

ধ্বনিতত্ত্বই শব্দতকৈ অর্থক বেছি গুৰুত্ব প্ৰদান কৰিছে। ব্যংগার্থক কাব্যত মূল বুলি উপস্থাপন কৰিবলৈ গৈ ধ্বনিকাৰ বিৰোধীসকলৰ সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছিল। তথাপিও ধ্বনিতত্ত্বৰ গভীৰতাক চেৰ পেলাব নোৱাৰিলে।

- **বক্ৰোক্তিবাদ**

সাধাৰণ অর্থত 'বক্ৰোক্তি' মানে 'বক্ৰ উক্তি'। বক্ৰোক্তিক কাব্যৰ মূল তত্ত্ব বুলি পোনপ্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠা কৰিছিল আচার্য কুন্তকে 'বক্ৰোক্তিজীৱিত' নামৰ গ্ৰন্থত। অলংকাৰশাস্ত্ৰত বক্ৰোক্তিৰ ধাৰণা অৱশ্যে ভামহৰ 'কাব্যালংকাৰ' গ্ৰন্থতেই পোৱা যায়। ভামহে বক্ৰোক্তিক অতিশয়োক্তিৰেই নামান্তৰ বুলি কৈছে। ইয়েই বক্ৰোক্তিৰ ধাৰণাৰ প্ৰথম সোপান। ইয়াৰ পৰৱৰ্তী বিকাশ কুন্তকেই কৰিছে। ভামহে বক্ৰোক্তিহীনবাবেই হেতু, সুক্ষ্ম আৰু লেশ নামৰ অলংকাৰ অস্বীকাৰ কৰিছিল। দণ্ডীয়ে সমস্ত বাঙ্ময়ক দুই ভাগত ভাগ কৰিছিল— স্বভাবোক্তি আৰু বক্ৰোক্তি। যথার্থবর্ণন স্বভাবোক্তি আৰু সকলো অলংকৃত কথনভংগী বক্ৰোক্তিৰ ভিতৰত পৰে। বামনে বক্ৰোক্তিক এবিধ সাদৃশ্যআশ্ৰিত অলংকাৰ বুলি কৈছে।

কুন্তকৰ মতে বক্ৰোক্তি কোনো বস্তুৰ অলৌকিক কথনভংগী। বক্ৰোক্তিৰ ধাৰণা বিশাল। ধ্বনি, অলংকাৰ আদিৰ ধাৰণাও বক্ৰোক্তিৰেই অন্তর্গত। ৰুয্যকৰ মতে ধ্বনি উপচাৰ বক্ৰতাৰ ভিতৰত অন্তর্ভুক্ত। স্থান অনুসাৰে বক্ৰোক্তি ছয় প্ৰকাৰৰ— বর্ণবক্ৰতা, পদপূর্বার্দ্ধবক্ৰতা, পদোত্তৰার্ধ বক্ৰতা, বাক্যবক্ৰতা, প্ৰকৰণবক্ৰতা আৰু প্ৰবন্ধবক্ৰতা।

বক্ৰোক্তিক প্ৰধান হিচাবে বর্ণনা কৰিলেও কুন্তক ৰস, গুণ, ৰীতি, অলংকাৰৰৰ বিষয়ে সম্পূর্ণ জ্ঞাত আছিল। সকলোবোৰ ধাৰণাক বক্ৰোক্তিৰ পটভূমিতেই ব্যাখ্যা কৰিছিল। ধ্বনিতত্ত্বৰ বিৰোধ কৰিলেও আনন্দবৰ্দ্ধনক কুন্তকে ক'তো সমালোচনা কৰা নাছিল। বক্ৰোক্তিবাদে কাব্যসমালোচনাৰ ক্ষেত্ৰত বহুদূৰ আগবাঢ়ি গ'লেও কাব্যতত্ত্বৰ স্বৰূপ নির্ণয়ত বিশেষ সহায়ক হোৱা নাছিল। সেয়েহে এই তত্ত্বৰ ব্যাখ্যাকর্তাৰ উল্লেখ অলংকাৰশাস্ত্ৰৰ ইতিহাসত পোৱা নগ'ল। সেইবাবেই এই তত্ত্বৰ উচিত মূল্যায়নো নহ'ল। এই তত্ত্বকো অলংকাৰবাদৰে নামান্তৰ মাথোন বুলিব পাৰি।

ঔচিত্যবাদ

কাশ্মীৰি আলংকাৰিক ক্ষেমেন্দ্ৰক ঔচিত্যবাদৰ প্ৰবর্তক হিচাবে জনা যায়। তেওঁ 'ঔচিত্যবিচাৰচর্চা' গ্ৰন্থখনত ঔচিত্যক কাব্যৰ আত্মা হিচাবে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। ক্ষেমেন্দ্ৰৰ মতে ঔচিত্য ৰসজীৱিতভূত, যিয়ে কাব্যত চমৎকাৰিত্ব আনে।

ঔচিত্যৰ ধাৰণা কাব্যশাস্ত্ৰৰ ইতিহাসত নতুন নহয়। ভৰতে ঔচিত্যক প্ৰকৃতি, প্ৰবৃত্তি, অলংকৰণ প্ৰভৃতি নাটকীয় উপাদানৰ অন্তর্গত বুলি ধাৰণা কৰিছিল। দণ্ডী, ভামহ আৰু ৰুদ্রটেও ঔচিত্যৰ উল্লেখ কৰিছিল। আনন্দবৰ্দ্ধনৰ হাতত ঔচিত্যৰ ধাৰণাই আৰু উৎকর্ষ লাভ কৰিলে। তেওঁৰ মতে ঔচিত্যৰ অনুপস্থিতিয়ে ৰসাস্বাদত ব্যাঘাত জন্মায়। ক্ষেমেন্দ্ৰই ঠিক বিপৰীত দৃষ্টিভংগীৰে ৰসৰ উপস্থিতিয়ে ঔচিত্যৰ উৎকর্ষ সাধন কৰে বুলি মত পোষণ কৰিছিল।

ক্ষেমেন্দ্ৰৰ মতে, যাৰ যিটোৰ লগত সাদৃশ্য আচাৰ্যসকলে তাকেই উচিত বুলি কয়। উচিতৰ যি ভাব, তাকেই ঔচিত্য বোলা হয়। মানবশৰীৰত প্ৰাণৰ দৰে ঔচিত্যও কাব্যৰ প্ৰাণ। আঠাইশ প্ৰকাৰ ঔচিত্য ক্ষেমেন্দ্ৰই উল্লেখ কৰিছে। ৰসৰ ক্ষেত্ৰত ঔচিত্যৰ স্থান আৰু মহত্বৰ বিষয়ে ক্ষেমেন্দ্ৰই বিস্তৃত বিৱৰণ দাঙি ধৰিছে। প্ৰত্যেক ৰসৰ বাবে পৃথক ঔচিত্যৰ ভাব আৰু তাৰ উদাহৰণ দাঙি ধৰিছে। ৰসৰ প্ৰাণেই ঔচিত্য বুলি ক্ষেমেন্দ্ৰই স্বীকাৰ কৰিছে। ক্ষেমেন্দ্ৰৰ পৰৱৰ্তী আচাৰ্য মম্মট, ভোজ আদিয়ে এই সিদ্ধান্তক স্বীকাৰ কৰিছে যদিও গুৰুত্বসহকাৰে এই ধাৰণাৰ বিচাৰ কৰা নাই। আধুনিক সমালোচকসকলৰ মতে ঔচিত্য কোনো নতুন ধাৰণা নহয়। ভৰতৰ ধাৰণাটিকেই ক্ষেমেন্দ্ৰই মতবাদৰূপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল। প্ৰকৃততে ঔচিত্যৰ ধাৰণা সৰ্বব্যাপী কাব্যশাস্ত্ৰৰ সকলো ধাৰণাতে প্ৰযোজ্য হয়, কিন্তু কাব্যৰ প্ৰাণৰূপে ই চমৎকাৰিত্ব প্ৰদান কৰিব নোৱাৰে।

জানি থোৱা ভাল

আলংকাৰিকসকলৰ মতসমূহ পৰস্পৰ নিৰপেক্ষ নহয়। উৎপত্তিৰ পৰা বিৱৰ্তনৰ মাজেৰে গতি কৰা কাব্যশাস্ত্ৰৰ তত্ত্বসমূহে কাব্যপ্ৰাণৰ অনুসন্ধানৰ গতিপথহে নিৰূপণ কৰে। এই গতিপথক গঠনমূলক স্তৰ, সৃষ্টিমূলক স্তৰ, ব্যাখানমূলক স্তৰত ভাগ কৰিব পাৰি। আৰম্ভণিৰ পৰা ভামহলৈ সৃষ্টিমূলক, ভামহৰ পৰা আনন্দবৰ্দ্ধনলৈ গঠনমূলক আৰু আনন্দবৰ্দ্ধনৰ পিছৰ যুগক ব্যাখানমূলক আখ্যা দিব পাৰি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ 'ৰীতিবাদৰ' প্ৰবৰ্তক কোন?

.....

প্ৰশ্ন নং ৭ ঃ 'ৰসসূত্ৰ' কোনে প্ৰদান কৰিছিল?

.....

প্ৰশ্ন নং ৮ ঃ অভিনৱগুপ্তৰ ধ্বন্যালোকৰ ওপৰত লিখা ভাষ্যৰ নাম লিখক।

.....

প্ৰশ্ন নং ৯ ঃ বামনে বক্ৰোক্তিক কি আখ্যা দিছিল।

.....

প্ৰশ্ন নং ১০ ঃ ক্ষেমেন্দ্ৰই কি মতবাদ প্ৰতিষ্ঠা কৰিছিল?

.....

১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- অলংকাৰশাস্ত্ৰ কি জানিব পাৰিলো।
- অলংকাৰশাস্ত্ৰৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে জ্ঞান লাভ কৰিলো।
- অলংকাৰশাস্ত্ৰৰ বিভিন্ন মতবাদসমূহ কিদৰে সৃষ্টি হ'ল জানিব পাৰিলো।
- এই ধাৰাসমূহ কোনে প্ৰবৰ্তন কৰিছিল সেই আলংকাৰিকসকলৰ বিষয়েও জানিব পাৰিলো।

১২.৬ অধিক জানিবলৈ

১) জোশী অনিৰুদ্ধ, (১৯৮৪), *সংস্কৃত অলংকাৰ শাস্ত্ৰকা সমন্বিত ইতিহাস*, দিল্লী ঃ অজন্তা পাবলিকেশন্।

২) কানে পি ভি, (১৯৯৪), *হিষ্টৰি অফ্ ইণ্ডিয়ান পোয়েটিক্স*, দিল্লী ঃ মতিলাল বানাৰসিদাস।

৩) দে এচ্ কে, (১৯৬০), *হিষ্টৰি অফ সংস্কৃত পোয়েটিক্স*, কলিকতা।

৪) চৈতন্য কৃষ্ণ, (১৯৬৫), *সংস্কৃত পোয়েটিক্স*, এছিয়া পাবলিশিং হাউচ।

১২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অলংকাৰশাস্ত্ৰৰ অন্য এটি নাম সাহিত্যশাস্ত্ৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ অলংকাৰশাস্ত্ৰৰ লগত যোগসূত্ৰ থকা আন এটি শাস্ত্ৰৰ নাম ব্যাকৰণ শাস্ত্ৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ধ্বনিবাদৰ প্ৰবৰ্তক আনন্দবৰ্দ্ধন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ কাব্যমীমাংসা ৰাজশেখৰে লিখিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ নাট্যশাস্ত্ৰৰ প্ৰণেতা ভৰত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰীতিবাদৰ প্ৰবৰ্তক বামন।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ 'ৰসসূত্ৰ' ভৰতমুনিয়ে প্ৰচলন কৰিছিল।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ অভিনৱগুপ্তৰ 'ধ্বন্যালোক'ৰ ওপৰত লিখা ভাষ্যৰ নাম 'ধ্বন্যালোকলোচন'।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ বামনে বক্ৰোক্তিক অলংকাৰ আখ্যা দিছিল।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ক্ষেমেন্দ্ৰই ঔচিত্যবাদৰ প্ৰতিষ্ঠা কৰিছিল।

১২.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ নাট্যশাস্ত্ৰৰ প্ৰণেতাৰ বিষয়ে চমুকৈ লিখক।

(খ) চুটি প্ৰশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ৰীতিবাদৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ৰসবাদৰ তাৎপৰ্যৰ বিষয়ে লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ অলংকাৰ শাস্ত্ৰৰ আৰম্ভণি আৰু ক্ৰমবিকাশৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ১৩ঃ আধুনিক সংস্কৃত সাহিত্যকৃতি (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ভৰদেৱ ভাগৱতী

১৩.৪ আনন্দৰাম বৰুৱা

১৩.৫ কৃষ্ণকান্ত সন্দিকৈ

১৩.৬ বিশ্বনাৰায়ণ শাস্ত্রী

১৩.৭ মুকুন্দ মাধৱ শর্মা

১৩.৮ মনোৰঞ্জন শাস্ত্রী

১৩.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১৩.১০ অধিক জানিবলৈ

১৩.১১ অগ্রগতিৰ খতিয়ান

১৩.১২ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমত সংস্কৃত চর্চাৰ বিষয়ে পঢ়িব পাৰিব।
- আধুনিক যুগৰ সংস্কৃত সাহিত্যৰ সাধাৰণ ধাৰণা লাভ কৰিব।
- ভৰদেৱ ভাগৱতী, আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, বিশ্বনাৰায়ণ শাস্ত্রী আৰু মুকুন্দ মাধৱ শর্মাৰ বিষয়ে এক চমু আভাস পাব।
- ভৰদেৱ ভাগৱতী, আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, বিশ্বনাৰায়ণ শাস্ত্রী আৰু মুকুন্দ মাধৱ শর্মাৰ সাহিত্যিক অৱদান সম্পর্কে জ্ঞাত হ'ব।

১৩.২ পৰিচয়

আধুনিক সংস্কৃত সাহিত্য হ'ল পৰম্পৰাগত সংস্কৃত সাহিত্যৰ এক নব ৰূপান্তৰ। এই যুগত সংস্কৃত ভাষাই কেৱল ধর্মীয় বা শাস্ত্রীয় সীমাত আবদ্ধ নাথাকি আধুনিক সমাজ, ইতিহাস, সংস্কৃতি আৰু চিন্তাধাৰাৰ বহুমুখী প্রকাশৰ মাধ্যম হিচাপে আত্মপ্রকাশ কৰে। অসমীয়া পণ্ডিতসকলে আধুনিক যুগত সংস্কৃত সাহিত্যক সমৃদ্ধ কৰি তোলাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। ভৰদেৱ ভাগৱতী, আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, বিশ্বনাৰায়ণ শাস্ত্রী আৰু মুকুন্দ মাধৱ শর্মাই আধুনিক সংস্কৃত সাহিত্যত গৱেষণা, সমালোচনা, কাব্য, উপন্যাস আৰু অভিধান ৰচনাৰ জৰিয়তে বিশেষ অৱদান আগবঢ়াইছে।

১৩.৩ ভৱদেৱ ভাগৱতী

ভৱদেৱ ভাগৱতীৰ জন্ম হৈছিল ১৯০২ চনত উত্তৰ গুৱাহাটীত আৰু মৃত্যু হৈছিল ১৯৮৮ চনত নলবাৰী জিলাৰ কৈঠালকুচি গাঁৱত। ভৱদেৱ ভাগৱতী সতীজয়মতী নামৰ তিনিটা সৰ্গবিশিষ্ট সংস্কৃত কাব্যৰ ৰচয়িতা আছিল। এই কাব্যখন প্ৰথমবাৰ ১৯৩৩ চনত প্ৰকাশিত হৈছিল। তদুপৰি তেওঁৰ কৃতিত্বৰ তালিকাত শ্লোকমালা নামৰ এখন সংস্কৃত কাব্যসংগ্ৰহো আছে, য'ত মুঠ ২২৯টা শ্লোক অন্তৰ্ভুক্ত আছে আৰু এই গ্ৰন্থখন ১৯৫২ চনত প্ৰকাশিত হয়।

সতী জয়মতী ঃ

নলবাৰী জিলাৰ কৈঠালকুছিত ১৯০২ চনত জন্ম গ্ৰহণ কৰা ভৱদেৱ ভাগৱতীৰ কাব্য-মনীষাক সমৃদ্ধ কৰা কাব্যখন হ'ল সতী জয়মতী। সতী জয়মতী' কাব্যখনৰ মুখ্য নাৰী চৰিত্ৰ হ'ল জয়মতী আৰু প্ৰধান পুৰুষ চৰিত্ৰ হ'ল গদাপানী। কাব্যখনৰ কাহিনীটো মধ্যযুগৰ অসম বুৰঞ্জীৰ এটা ঘটনাৰ আধাৰত ৰচিত হৈছে। আহোম ৰাজকোঁৱৰ গদাপানীৰ পত্নী জয়মতীৰ নিজ স্বামীৰ ৰক্ষণাবেক্ষণৰ বাবে কৰা আত্ম-ত্যাগৰ ঘটনাই এই কাব্যখনৰ বিষয়বস্তু।

সতী জয়মতী কাব্যখন তিনিটা প্ৰবাহত বিভক্ত। প্ৰবাহ মানে অধ্যায়। প্ৰথম প্ৰবাহত সাতাইশটা (২৭) শ্লোক আছে। প্ৰথম প্ৰবাহটোৱে কাহিনীভাগৰ পাতনি দাঙি ধৰিছে আৰু লগতে অসম বুৰঞ্জীৰ বিষয়েও পৰিচয় কৰাই দিছে। কাহিনী অনুসৰি বশিষ্ঠ মুনিয়ে এই অসমতে এটা সময়ত কঠোৰ সাধনাত ব্ৰতী হৈছিল। এইটোও উল্লেখ আছে যে কামাখ্যাৰ অৱস্থান প্ৰাগজ্যোতিষপুৰৰ নীলাচল পাহাৰত আছে। প্ৰাচীন অসমৰ বীৰ পুৰুষ লাচিত বৰফুকন আৰু চিলাৰায়ৰ প্ৰতি থকা অসমৰ মানুহৰ প্ৰেম আৰু ভক্তিৰ কথাও এই প্ৰৱাহত কোৱা হৈছে। কাব্যখনৰ জৰিয়তে কবিয়ে এইটোও কল্পনা কৰিছে যে দেৱতাসকলৰ ৰজা ইন্দ্ৰই তেওঁৰ আত্মীয় কুটুম্বক এই অসমলৈ প্ৰতিনিধি কৰি পঠাইছিল প্ৰশাসক হিচাপে। এই ৰাজবংশটোৱেই 'আহোম' নামেৰে জনাজাত হৈছে। কাব্যখনৰ দ্বিতীয় প্ৰৱাহত একত্ৰিশটা (৩১) শ্লোক আছে। এই প্ৰবাহত আহোম ৰাজকোঁৱৰ গদাপাণিৰ জয়মতীৰ সৈতে হোৱা বিবাহ, তেওঁলোকৰ সুখী বৈবাহিক জীবন তথা দুই পুত্ৰৰ জন্মৰ কথা বৰ্ণিত হৈছে। তৃতীয় প্ৰবাহত বিয়াল্লিশটা (৪২) শ্লোক আছে। তিনিওটা প্ৰবাহৰ ভিতৰত শেষৰ প্ৰবাহটো ডাঙৰ। ইয়াত গদাপাণিৰ আত্মগোপন, জয়মতীৰ বন্দিত্ব, ডেকাৰজা চুকাফাৰ দ্বাৰা জয়মতীৰ ওপৰত চলোৱা অত্যাচাৰ আৰু শেষত জয়মতীৰ অকাল মৃত্যু বৰ্ণিত হৈছে। সমগ্ৰ কাব্যখনৰ ভাষা অতি সহজ আৰু সৰল।

শ্লোকমালা ঃ

ভৱদেৱ ভাগৱতীৰ অনবদ্য কৃতি শ্লোকমালা হ'ল পদ্যাত্মক ৰচনা। ভিন্নধৰ্মী বিষয়েৰে পৰিপুষ্ট কাব্যখনত আৰম্ভণিতে কবিয়ে মহামানৱ মহাত্মা গান্ধীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। কবিয়ে মত পোষণ কৰিছে যে যিসকলে গান্ধীৰ নীতি-আদৰ্শক অনুসৰণ কৰে তেওঁলোকেহে পৃথিৱীত সুখ ভোগ কৰিব পাৰে। কবিয়ে ভাৰতীয় সংস্কৃতিৰ ধাৰক আৰু বাহক সংস্কৃত ভাষাৰ জয়গান গাইছে। কাব্যখনত কবিয়ে তেওঁৰ জন্মভূমিৰ প্ৰতি গভীৰ প্ৰেম চাৰিটা স্তোত্ৰৰ জৰিয়তে ব্যক্ত কৰিছে। ভাৰতমাতাৰ সু-সন্তান ডঁ ৰাজেন্দ্ৰ প্ৰসাদ, জৱাহৰলাল নেহেৰু, বিজয়লক্ষ্মী পণ্ডিত আদিৰ নেতৃত্বক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। বিদ্যাৰ অপাৰ মহিমা কবিয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে। কাব্যখনৰ সৰ্বমুঠ ২২০টা শ্লোকৰ সৰহ সংখ্যক শ্লোকেই অনুষ্টুপ্ ছন্দত বিৰচিত। সৰল ভাষা, দীৰ্ঘ সমাসৰ অনুপস্থিতি, সপ্তমী বিভক্তিযুক্ত শব্দৰ সঘন প্ৰয়োগ হৈছে কাব্যখনৰ মূল বৈশিষ্ট্য।

১৩.৪ আনন্দৰাম বৰুৱা

আনন্দৰাম বৰুৱাৰ জন্ম হৈছিল ১৮৫০ চনত উত্তৰ গুৱাহাটীত আৰু মৃত্যু হৈছিল ১৮৮৯ চনত। তেওঁ এজন অসাধাৰণ খ্যাতিসম্পন্ন প্ৰখ্যাত সংস্কৃত পণ্ডিত আছিল। আনন্দৰাম বৰুৱা কলকাতা আৰু ব্ৰিটেইনত শিক্ষালাভ

কৰা প্ৰথম অসমীয়া আই.চি.এছ. বিষয়া আছিল। যদিও তেওঁ ব্ৰিটিছ শাসনকালত এজন প্ৰশাসনিক বিষয়া হিচাপে কৰ্মৰত আছিল, তথাপি অকাল মৃত্যুৰ সত্ত্বেও তেওঁ সংস্কৃত অধ্যয়ন আৰু গবেষণাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁ বহুতো সংস্কৃত গ্ৰন্থ ৰচনা কৰিছিল। তেখেতৰ ৰচিত কেইখমান গ্ৰন্থ হ'ল - A Practical English—Sanskrit Dictionary, Higher Sanskrit Grammar: Gender and Syntax, ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ স্থান, Ancient Geography, জানকীৰামভাষ্য, নানাৰ্থসংগ্ৰহ, অমৰসিংহৰ নামলিঙ্গানুশাসন ইত্যাদি ।

A Practical English—Sanskrit Dictionary:

আনন্দৰাম বৰুৱাৰ A Practical English-Sanskrit Dictionary আধুনিক সংস্কৃত অভিধানবিদ্যাৰ ইতিহাসত এক অতি গুৰুত্বপূৰ্ণ আৰু পথপ্ৰদৰ্শক গ্ৰন্থ। এই অভিধানখন উনবিংশ শতাব্দীৰ শেষভাগত (১৮৭৭—১৮৮০ খ্ৰীষ্টাব্দত) তিনিটা খণ্ডত প্ৰকাশ পাইছিল। গ্ৰন্থখনত ইংৰাজী শব্দসমূহৰ উপযুক্ত সংস্কৃত প্ৰতিশব্দসমূহ সুসংবদ্ধভাৱে উপস্থাপন কৰা হৈছে আৰু বহু ক্ষেত্ৰত বৈদিক আৰু শাস্ত্ৰীয় সাহিত্যৰ উদ্ধৃতিৰ জৰিয়তে শব্দাৰ্থ স্পষ্ট কৰা হৈছে। আনন্দৰাম বৰুৱাই পাশ্চাত্য অভিধান ৰচনাৰ পদ্ধতিসমূহক সংস্কৃত ব্যাকৰণ আৰু শব্দতত্ত্বৰ প্ৰাচীন পৰম্পৰাৰ সৈতে সুসমন্বিতভাৱে প্ৰয়োগ কৰিছে। বিশেষভাৱে উল্লেখযোগ্য যে আধুনিক ইংৰাজী ধাৰণা আৰু পৰিভাষাসমূহক সংস্কৃত ভাষাত প্ৰকাশ কৰাৰ ক্ষেত্ৰত তেওঁ শাস্ত্ৰসন্মততা আৰু ভাষাগত সংযম অটুট ৰাখিছে। এই অভিধানখন সংস্কৃত ভাষাৰ শিক্ষাৰ্থী, গৱেষক আৰু ভাষাতাত্ত্বিকসকলৰ বাবে আজিও এক অপৰিহাৰ্য সহায়ক গ্ৰন্থ হিচাপে সমাদৃত।

Higher Sanskrit Grammar: Gender and Syntax:

আনন্দৰাম বৰুৱাদেৱৰ Higher Sanskrit Grammar: Gender and Syntax গ্ৰন্থখন ১৮৭৯ চনত প্ৰকাশিত হয়। এই গ্ৰন্থখনে মূলতঃ সংস্কৃত ব্যাকৰণৰ দুটা গুৰুত্বপূৰ্ণ দিশ যেনে বাক্যবিন্যাস (Syntax) আৰু লিঙ্গ (Gender) সম্পৰ্কীয় সমস্যাসমূহৰ আলোচনা কৰে। ইয়াত মাজে মাজে গ্ৰীক আৰু লেটিন ভাষাৰ ব্যাকৰণীয় নিয়মসমূহৰ সৈতে তুলনামূলক সমীকৰণো দিয়া হৈছে। ইয়াৰ দ্বাৰা আনন্দৰাম বৰুৱাৰ তুলনামূলক ভাষাবিজ্ঞান (Comparative Philology)ৰ প্ৰতি গভীৰ আগ্ৰহ স্পষ্ট হৈ উঠে।

Bhavabhūti and His Place in Sanskrit Literature:

আনন্দৰাম বৰুৱাৰ Bhavabhūti and His Place in Sanskrit Literature গ্ৰন্থখন ১৯৭১ চনত অসম প্ৰকাশন পৰিষদৰ দ্বাৰা প্ৰকাশিত হয়। এই গ্ৰন্থখনত ভৱভূতিৰ তিনিখন নাটকৰ মাজত সাধাৰণ শ্লোক, সাধাৰণ শব্দপ্ৰয়োগ, সাধাৰণ অংশ, ভাষাশৈলী আৰু চিন্তাধাৰাৰ দৃষ্টিকোণৰ পৰা এক তুলনামূলক অধ্যয়ন কৰা হৈছে। ইয়াত ভৱভূতিক ৰামৰ জীৱনক প্ৰথমবাৰৰ বাবে নাট্যৰূপ দিয়া নাট্যকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে। এই গ্ৰন্থখনত বৰুৱাই ৰামনাট্যসমূহৰ কালানুক্ৰম নিৰ্ধাৰণ, নৈষধচৰিত, কাব্যপ্ৰকাশ, সাহিত্যদৰ্পণ, ৰঘুবংশ আৰু ভট্টিকাব্যৰ মূল্যায়ন, সৰস্বতীকণ্ঠাভৰণৰ কালনিৰ্ধাৰণ, ভৱভূতিৰ জন্মস্থান আৰু কাল নিৰূপণ, কালিদাস আৰু ভৱভূতিৰ তুলনামূলক অধ্যয়ন আৰু তেওঁলোকৰ আপেক্ষিক কাল নিৰ্ধাৰণ আদি বহু গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰে। ইয়াৰ উপৰিও বৰুৱাই ভৱভূতি, ৰামায়ণ আৰু ভট্টিকাব্যৰ মাজত তুলনামূলক আলোচনা আগবঢ়ায় আৰু তেওঁৰ সময়লৈ উপলব্ধ সকলো ৰামনাট্য—যেনে মহাবীৰচৰিত, উত্তৰৰামচৰিত, মহানাটক (হনুমাননাটক), প্ৰসন্নৰাঘৱ, উদাত্তৰাঘৱ, অনৰ্ঘৰাঘৱ, বালৰামায়ণ, চলিতাৰাম, কুণ্ডমালা, জনকীৰাঘৱ, ৰাঘৱাভ্যুদয় আৰু ৰাঘৱবিলাসৰ ওপৰত এক সামগ্ৰিক সমীক্ষা আগবঢ়ায়। লগতে মহাবীৰচৰিতৰ সাংস্কৃতিক পটভূমি, শব্দভাণ্ডাৰ, নাৰীচৰিত্ৰৰ মূল্যায়ন-পদ্ধতিৰ ত্ৰুটি আৰু নাটকৰ ভৌগলীক দিশ সম্পৰ্কতো বিশ্লেষণ কৰে।

Ancient Geography:

আনন্দৰাম বৰুৱাই On the Ancient Geography of India: Geographical Names Rendered in Sanskrit শীৰ্ষক গ্ৰন্থখনৰ বাবে সৰ্বোচ্চ সাফল্য লাভ কৰে। এই লেখাটি প্ৰথমে ইংৰাজী—সংস্কৃত অভিধানৰ তৃতীয় খণ্ডৰ ভূমিকা (Preface) ৰূপে সংলগ্ন আছিল। পৰৱৰ্তী সময়ত, অসম প্ৰকাশন ব'ৰ্ডে এই লেখাটি স্বতন্ত্ৰ গ্ৰন্থ হিচাপে Ancient Geography of India শীৰ্ষকত প্ৰকাশ কৰে। এই গ্ৰন্থখনত মুঠ ৯৪ পৃষ্ঠা আছে। আনন্দৰাম বৰুৱা গণিতত অত্যন্ত মেধাৱী ছাত্ৰ আছিল। এই গ্ৰন্থখনত তেওঁ লীলাৱতী গ্ৰন্থৰ কিছুমান প্ৰযুক্তিগত শব্দ ব্যাখ্যা কৰিবলৈ গণিতীয় পদ্ধতি ব্যৱহাৰ কৰিছে।

ইংৰাজী—সংস্কৃত অভিধানৰ এটা অংশ হিচাপে বৰুৱাই "ভৌগোলিক নামসমূহৰ এখন তালিকা আৰু তৎসংশ্লিষ্ট সংস্কৃত নাম" প্ৰদান কৰাটো প্ৰয়োজনীয় বুলি অনুভৱ কৰিছিল। এই কাম তেওঁ মূলত আধুনিক স্থানৰ নামসমূহৰ প্ৰাচীন নাম বিচাৰি উলিওৱাৰ মাধ্যমেদি সম্পন্ন কৰে। উদাহৰণস্বৰূপে—

Bagmati $\rightarrow$ Bhogavatī,

Colapore $\rightarrow$ Karavīram, Kolāpuram,

Kanauj $\rightarrow$ Kanyakubjam, Mahodayam, Gādhīnagaram আদি।

জানকীৰামভাষ্য ঃ

সংস্কৃত পণ্ডিত ভৱভূতিৰ দ্বাৰা ৰচিত মহাবীৰচৰিত নাটকখনৰ ওপৰত আনন্দৰাম বৰুৱাই জানকীৰামভাষ্য ৰচনা কৰিছিল। মহাবীৰ চৰিতৰ ওপৰত লিখা ভাষ্যসমূহৰ ভিতৰত আনন্দৰামে ৰচনা কৰা জানকীৰামভাষ্যটিয়ে হৈছে প্ৰথম ভাষ্য। এই ভাষ্যটি সম্পূৰ্ণৰূপে পৰম্পৰাগত শৈলীত ৰচিত। পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱত নিৰন্তৰ সংস্পৰ্শত থকা ইংৰাজ শাসনাধীন উচ্চপদস্থ বিষয়া হৈয়ো আনন্দৰামে যি ধৰণে পৰম্পৰাগত সংস্কৃত ভাষাশৈলীত এই ভাষ্য ৰচনা কৰিছে, সেয়া নিঃসন্দেহে অত্যন্ত মনোগ্ৰাহী।

ভৱভূতিয়ে মহাবীৰচৰিত নাটকৰ প্ৰতিটো অংকক দিয়া নামৰ সৈতে সঙ্গতি ৰাখি আনন্দৰামে প্ৰথম অংক কৌমাৰ শীৰ্ষক অংশৰ ব্যাখ্যা প্ৰদান কৰিছে। তাত তেওঁ কৈছে যে, নিজৰ শৈশৱ অতিক্ৰম কৰা দুল্লভ—গৰ্গাৰ পুত্ৰ শ্ৰী আনন্দৰামে আনন্দসহকাৰে এই কৌমাৰ অংক ব্যাখ্যা কৰিছে।

দ্বিতীয় অংক পৰশুৰামসংবাদৰ অধীনত তেওঁ উল্লেখ কৰিছে যে, লৌহিত্য নদীৰ তীৰত জন্মগ্ৰহণ কৰা পৰশুৰামৰ ভ্ৰাতৃৰ দ্বাৰা এই অংকটো স্পষ্টভাৱে ব্যাখ্যা কৰা হৈছে।

এই ভাষ্যটিত ব্যাকৰণগত সূক্ষ্ম বিষয়সমূহৰ গভীৰ আৰু সমালোচনামূলক বিশ্লেষণ পোৱা যায়। একে সময়তে ই সহজবোধ্য আৰু প্ৰাসংগিক ঠাইত আধুনিক পৰিস্থিতিৰো উল্লেখ কৰিছে। উদাহৰণস্বৰূপে, 'কালপ্ৰিয়নাথ' শব্দৰ দ্বাৰা মহাকালক সূচোৱা হৈছে বুলি আনন্দৰামে ব্যাখ্যা কৰিছে আৰু ইয়াৰ সমান্তৰালকৈ উদাহৰণ হিচাপে হস্তিনাপুৰক 'গজসাহ্বয়' নামেৰে আৰু সূৰ্যক 'অশিতদিধিতি' নামেৰে অভিহিত কৰাৰ দৃষ্টান্ত আগবঢ়াইছে। জানকীৰামাভাষ্য তেওঁৰ প্ৰাৰম্ভিক সাহিত্যকৰ্মৰ অন্তৰ্গত, যিটো ১৮৭৭-১৮৮৮ চনৰ ভিতৰত প্ৰকাশিত হৈছে।

নানার্থসংগ্ৰহ ঃ

ই এক বিশেষধৰণৰ অভিধান, য'ত একে শব্দৰ বিভিন্ন অৰ্থ (homonyms) বৰ্ণানুক্ৰমিকভাৱে সন্নিবিষ্ট কৰা হৈছে। এই গ্ৰন্থখনৰ প্ৰতিটো শব্দ-প্ৰবিষ্টি আধুনিক অভিধানসমূহ, পৰম্পৰাগত অভিধানকাৰসকলৰ ৰচনা, সিহঁতৰ ওপৰত ৰচিত বিভিন্ন ভাষ্য আৰু প্ৰাচীন অভিধান তথা ভাষ্যসমূহৰ বহুতো পাণ্ডুলিপি গভীৰভাৱে পৰীক্ষা কৰি প্ৰমাণিত কৰা হৈছে। এই সংকলনত প্ৰায় পাঁচ হাজাৰ পাঁচ শতাধিক মুখ্য শব্দ অন্তৰ্ভুক্ত কৰা হৈছে।

ইয়াৰ উপৰিও, গ্ৰন্থখনত গুৰুত্বপূৰ্ণ সমালোচনামূলক টোকা আৰু প্ৰায় চল্লিশ পৃষ্ঠাৰ এক বিস্তৃত প্ৰবন্ধ সন্নিবিষ্ট আছে। সামগ্ৰিকভাৱে, সাধাৰণ জ্ঞানগভীৰ অধ্যয়ন, বিশেষকৈ অৰ্থবিজ্ঞান আৰু প্ৰাচীন অভিধানকাৰসকলৰ

বিষয়ে গভীৰ চিন্তাধাৰাৰে সমৃদ্ধ ৮৯ পৃষ্ঠাৰ বিশ্লেষণাত্মক আলোচনাই এই গ্ৰন্থখনক অমূল্য কৰি তুলিছে।

অমৰসিংহৰ নামলিঙ্গানুশাসন ঃ

অমৰসিংহৰ নামলিঙ্গানুশাসন হৈছে আনন্দৰাম বৰুৱাৰ এক অন্যতম কৃতি। ১৩৮ পৃষ্ঠাযোৰা এই গ্ৰন্থখনৰ আৰম্ভণিতে এটা প্ৰস্তাৱনা সংযোজিত আছে য'ত অমৰ, ক্ষীৰস্বামী, কাত্যায়ন, শালিহোত্ৰ, সুদাশাস্ত্ৰ, চন্দ্ৰগোমিন, কুমাৰিলভট্ট, জিনেন্দ্ৰবুদ্ধি, ধন্বন্তৰি, পালকাপ্য, বৎস্যায়ন, কৌটিল্য, দন্তিল, ৰঘুনাথ আৰু নন্দৰ্গিকাৰৰ দৰে বহুতো গ্ৰন্থকাৰ আৰু শাস্ত্ৰৰ গুৰুত্ব, তাৰিখ আৰু আন আন তথ্যসমূহৰ সমালোচনামূলক আলোচনা কৰা হৈছে।

১৩.৫ কৃষ্ণকান্ত সন্দিকৈ

কৃষ্ণকান্ত সন্দিকৈদেৱৰ জন্ম হৈছিল ১৮৯৮ চনত যোৱহাট জিলাত আৰু মৃত্যু হৈছিল ১৯৮২ চনত। তেখেত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য আছিল। সন্দিকৈয়ে গুৱাহাটীস্থিত কটন কলেজ, কলিকাতা বিশ্ববিদ্যালয় আৰু অ'ফ'ৰ্ড বিশ্ববিদ্যালয়ত শিক্ষালাভ কৰিছিল। অধ্যাপক সন্দিকৈয়ে সংস্কৃত অধ্যয়ন আৰু গৱেষণাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল— Śrīharṣa's Naiṣadhacarita (শ্ৰীহৰ্ষৰ নৈষধচৰিত), Yaśastilaka and Indian Culture(যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি), Pravarasena's Setubandha (প্ৰৱৰসেনৰ সেতুবন্ধ) ।

Śrīharṣa's Naiṣadhacarita (শ্ৰীহৰ্ষৰ নৈষধচৰিত) ঃ

Śrīharṣa's Naiṣadhacarita (শ্ৰীহৰ্ষৰ নৈষধচৰিত) কৃষ্ণকান্ত সন্দিকৈৰ প্ৰথম সাহিত্যিক গ্ৰন্থ। এই গ্ৰন্থখন ১৯৩৪ চনত পুণেৰ ডেকান কলেজ, স্নাতকোত্তৰ আৰু গৱেষণা প্ৰতিষ্ঠানৰ পৰা প্ৰকাশিত হৈছিল। কৃষ্ণকান্ত সন্দিকৈৰ এই গ্ৰন্থখন সংস্কৃত ভাষাৰ মহাকাব্য নৈষধচৰিতৰ ইংৰাজী অনুবাদ। কৃষ্ণকান্ত সন্দিকৈয়ে নৈষধচৰিতৰ সম্পূৰ্ণ বাইশটা সৰ্গ অতি সুনিপুণভাৱে ইংৰাজীলৈ অনুবাদ কৰিছে। ইয়াৰ উপৰিও তেওঁ বিস্তৃত ভূমিকা, বিভিন্ন ভাষ্যৰ উদ্ধৃতি সংলগ্ন টীকা, আৰু মহাকাব্যখনত উল্লিখিত বিভিন্ন দাৰ্শনিক বিষয়ৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়াইছে। এই দাৰ্শনিক টীকাসমূহে ভাৰতীয় দৰ্শনৰ বহু গুৰুত্বপূৰ্ণ দিশ উন্মোচন কৰি নৈষধচৰিতৰ সাহিত্যিক মূল্যক শৈক্ষিক ক্ষেত্ৰত অধিক সমৃদ্ধ কৰিছে। ই কেৱল এই মহাকাব্যখনৰ অধ্যয়নৰ পৰিসৰ বিস্তৃত নকৰি অনুবাদক হিচাপে সন্দিকৈৰ বহুমাত্ৰিক পাণ্ডিত্যও প্ৰতিষ্ঠা কৰিছে।

Yaśastilaka and Indian Culture (যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি) ঃ

Yaśastilaka and Indian Culture (যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি) হৈছে কৃষ্ণকান্ত সন্দিকৈৰ দ্বিতীয় গুৰুত্বপূৰ্ণ তথা স্মৰণীয় গ্ৰন্থ। এই গ্ৰন্থখন ১৯৪৯ চনত শোলাপুৰৰ জৈন সংস্কৃতি সংৰক্ষক সংঘৰ দ্বাৰা প্ৰকাশিত হৈছিল। এই গ্ৰন্থখন সংস্কৃত সাহিত্যৰ প্ৰসিদ্ধ চম্পুকাব্য যশস্তিলকচম্পূৰ ওপৰত আধাৰিত।

সন্দিকৈৰ এই গ্ৰন্থখন মুঠ ৫৪০ পৃষ্ঠাৰ এক বিস্তৃত গৱেষণামূলক ৰচনা আৰু ইয়াত মুঠ ওঠৰটা অধ্যায় আছে। প্ৰথম অধ্যায়ত Somadeva and His Age শীৰ্ষকত সোমদেৱৰ পৰিচয় আৰু সময়কালৰ বিস্তৃত আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায় Synopsis of Yaśastilakaত যশস্তিলকচম্পূৰ আঠটা আশ্বাসৰ সাৰাংশ পৃথকভাৱে উপস্থাপন কৰা হৈছে। তৃতীয় অধ্যায় The Story of Yaśodhara and Its Sourcesত যশোধৰ মহাৰাজৰ কাহিনী আৰু ইয়াৰ উৎসসমূহ আলোচনা কৰা হৈছে। চতুৰ্থ অধ্যায় Yaśastilaka as a Prose Romanceত চম্পু সাহিত্যিক গদ্য প্ৰণয় কাহিনী হিচাপে বিশে-ষণ কৰা হৈছে। পঞ্চম অধ্যায় Yaśastilaka as a Socio-Political Record ত দশম শতিকাৰ ভাৰতীয় সমাজ, সংস্কৃতি আৰু ৰাজনৈতিক পৰিস্থিতি আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায় Yaśastilaka as a Religious Romanceত ধৰ্মীয় দৃষ্টিকোণৰ পৰা কাব্যখন বিশে-ষণ কৰা

হৈছে। সপ্তম অধ্যায় Yaśastilaka as an Anthology of Sanskrit Verse ত কিছুমান নির্বাচিত শ্লোকৰ আলোচনা আছে। অষ্টম অধ্যায় Philosophical Doctrines ত মূল চম্পুত উপলব্ধ দার্শনিক তত্ত্বসমূহ বিশ্লেষণ কৰা হৈছে। নৱম অধ্যায় Schools of Thought ত বিভিন্ন দর্শনধাৰাৰ আলোচনা কৰা হৈছে। দশম অধ্যায় Jaina Dogmatics and Moral and Spiritual Disciplineত জৈন নৈতিক আৰু আধ্যাত্মিক শাসনৰ আলোচনা আছে। একাদশ অধ্যায় The Anuprekās and Jaina Religious Poetry ত জৈন ধর্মীয় কবিতাৰ আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায় A Controversial Dialogueত যশোধৰ আৰু তেওঁৰ মাতৃৰ মাজৰ বিতর্ক বর্ণিত হৈছে। ত্রয়োদশ অধ্যায় Jainism and Other Faithsত তুলনামূলক ধর্মীয় আলোচনা আছে। চতুর্দশ অধ্যায় Jaina Criticism of Vedic Sacrificesত বৈদিক যজ্ঞৰ সমালোচনা দিয়া হৈছে। পঞ্চদশ অধ্যায় Non-Jaina Cults, Customs and Beliefsত অজৈন ধর্মীয় বিশ্বাসৰ আলোচনা আছে। ষোড়শ অধ্যায় Jaina Religious and Moral Storiesত জৈন নৈতিক কাহিনীসমূহ দিয়া হৈছে। সপ্তদশ অধ্যায় Myths and Legends ত জৈন আৰু অজৈন পৌৰাণিক কাহিনীসমূহ সংক্ষেপে আলোচনা কৰা হৈছে। অষ্টাদশ অধ্যায় Quotations and Referencesত ব্যাকৰণ, স্মৃতি, দর্শন, চিকিৎসা আদি ক্ষেত্রৰ উদ্ধৃতি সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ উপৰিও গ্রন্থখনত চাৰিটা উপপৰিশিষ্ট আৰু দুটা সূচী সংযোজন কৰা হৈছে, যিবোৰৰ সামাজিক আৰু ভৌগলীক দৃষ্টিকোণৰ পৰা গভীৰ ভাৰততাত্ত্বিক মূল্য আছে।

Pravarasena's Setubandha (প্রৱৰসেনৰ সেতুবন্ধ) ঃ

কৃষ্ণকান্ত সন্দিকৈৰ তৃতীয় গ্রন্থখন হৈছে Pravarasena's Setubandha (প্রৱৰসেনৰ সেতুবন্ধ) । এই গ্রন্থখনো এখন অনুবাদমূলক কৃতি। সেতুবন্ধ মূলতঃ প্রাকৃত ভাষাত ৰচিত এক মহাকাব্য, যাৰ ৰচয়িতা প্রৱৰসেন।।

Pravarasena's Setubandha (প্রৱৰসেনৰ সেতুবন্ধ) গ্রন্থখনত মুঠ ৮১১ টা মুদ্রিত পৃষ্ঠা আছে। কৃষ্ণকান্ত সন্দিকৈয়ে এই গ্রন্থখন তিনিটা ভাগত বিভক্ত কৰিছে যেনে ভূমিকা, অনুবাদ আৰু পৰিশিষ্ট। ভূমিকা অংশটোত ১২৪ পৃষ্ঠাত বিস্তৃত দহটা উপভাগ আছে। প্রথম উপভাগত তেওঁ নিজৰ অনুবাদকার্য আৰু সেতুবন্ধৰ পাঠ সম্পর্কে আলোচনা কৰিছে। দ্বিতীয় উপভাগত মহাকাব্যখনৰ পোন্ধৰটা সর্গৰ সাৰাংশ দিয়া হৈছে। তৃতীয় উপভাগত প্রৱৰসেনক মহাকাব্যখনৰ ৰচয়িতা হিচাপে পৰিচয় কৰাইছে। চতুর্থ উপভাগত ৰামায়ণ আৰু সেতুবন্ধৰ মাজৰ উৎস আৰু উপফলৰ সম্পর্ক ব্যাখ্যা কৰা হৈছে। পঞ্চম উপভাগত সেতুবন্ধক মহাকাব্য হিচাপে ইয়াৰ সৌন্দর্য আলোচনা কৰা হৈছে। ষষ্ঠ উপভাগত প্রৱৰসেনক কবি হিচাপে মূল্যায়ন কৰা হৈছে। সপ্তম উপভাগত মহাকাব্যখনত ব্যৱহৃত ছন্দসমূহ পৰিচয় কৰাইছে। অষ্টম উপভাগত সকলো প্রকাশিত আৰু অপ্রকাশিত ভাষ্যৰ পৰিচয় আৰু ভাষ্যকাৰসকলৰ তথ্য দিয়া হৈছে। নবম উপভাগত সেতুবন্ধৰ ভাষ্য আৰু পাঠসংস্কৰণসমূহ আলোচনা কৰা হৈছে। শেষ উপভাগত মহাকাব্যখনৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ বিশদভাৱে বিশ্লেষণ কৰা হৈছে, যি প্রাকৃত ভাষাৰ অধ্যয়নৰ ক্ষেত্রত বিশেষ গুৰুত্বপূর্ণ।

ইয়াৰ পিছত কৃষ্ণকান্ত সন্দিকৈয়ে ৬৮০ পৃষ্ঠাত সেতুবন্ধৰ মুঠ পোন্ধৰটা সর্গ সম্পূর্ণৰূপে ইংৰাজীলৈ অনুবাদ কৰিছে।

গ্রন্থখনৰ তৃতীয় অংশ অর্থাৎ পৰিশিষ্ট অংশটো মাত্র চাৰিটা পৃষ্ঠাত বিস্তৃত। যদিও ই পৰিশিষ্ট, তথাপিও ই সম্পূর্ণ প্রকল্পটোত সহায়কৰ ভূমিকা পালন কৰিছে।

১৩.৬ বিশ্বনাৰায়ণ শাস্ত্রী

বিশ্বনাৰায়ণ শাস্ত্রীৰ জন্ম হৈছিল ১৯১৮ চনত লখিমপুৰ জিলাৰ নাৰয়ণপুৰ গাঁৱত আৰু মৃত্যু হৈছিল

২০০২ চনত । তেখেত লোকসভাৰ প্ৰাক্তন সদস্য হোৱাৰ লগতে অসমৰ এজন প্ৰসিদ্ধ সংস্কৃত পণ্ডিত আছিল। শাস্ত্ৰীয়ে ভাৰতবিদ্যা (ইণ্ড'লজি)ৰ বিভিন্ন বিষয়ত সূক্ষ্ম, সমালোচনামূলক আৰু বিশ্লেষণাত্মক দৃষ্টিভংগীৰে বিস্তৃতভাৱে ৰচনা কৰিছিল। তদুপৰি, ১৯৮৬ চনত প্ৰকাশিত অবিনাশী নামৰ সংস্কৃত উপন্যাসখন তেওঁৰ অন্যতম উল্লেখযোগ্য কৃতিত্ব। এই উপন্যাসখনৰ বাবে তেওঁ প্ৰখ্যাত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল।

অবিনাশি ঃ

প্ৰাচ্যতত্ত্ববিদ, বিচক্ষণ পণ্ডিত ডং বিশ্বনাৰায়ণ শাস্ত্ৰীৰ ১৯১৮ চনত জন্ম হৈছিল লখিমপুৰ জিলাৰ পাণবাৰীত। তেওঁ 'অবিনাশি' নামে এখন সংস্কৃত ঐতিহাসিক উপন্যাস ৰচনা কৰে। খ্ৰীষ্টীয় সপ্তম শতিকাৰ প্ৰাগজ্যোতিষৰ ৰজা ভাস্কৰবৰ্মাই থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধনৰ সৈতে মিত্ৰতা কৰি গৌড়ৰ নৰাৰ শশাংকৰ বিৰুদ্ধে কৰা যৌথ অভিযানেই কাব্যখনৰ ঐতিহাসিক পটভূমি। ভাস্কৰবৰ্মা আৰু মহাকাল মন্দিৰত দেৱদাসীৰূপে সমৰ্পিতা দেৱস্বামীৰ পালিতা কন্যা অপূৰ্ব সুন্দৰী মাধৰীৰ প্ৰণয় কাহিনী কাব্যখনৰ মুখ্য বিষয়বস্তু। কাব্যখনৰ মুখ্য ৰস শৃংগাৰ যদিও হাস্য, কৰুণ আদি অপ্ৰধান ৰসো প্ৰয়োগ হোৱা দেখা যায়। ভাস, কালিদাস, ভাৰবি আদি প্ৰাচীন সংস্কৃত কবিসকলৰ আংশিক প্ৰভাৱ কাব্যখনত পৰিলক্ষিত হয়। এই উপন্যাসখনে ১৯৮৭ চনত সংস্কৃত গ্ৰন্থ শিতানত সাহিত্য অকাডেমি বঁটা লাভ কৰে।

হৃদয়সংবাদচয়ন ঃ

বিশ্বনাৰায়ণ শাস্ত্ৰী আধুনিক সংস্কৃত সাহিত্যৰ এগৰাকী গুৰুত্বপূৰ্ণ সাহিত্যিক, যাৰ ৰচনাত দাৰ্শনিক গভীৰতা, নৈতিক চেতনা আৰু কাব্যিক সৌন্দৰ্যৰ সমন্বয় লক্ষ্য কৰা যায়। শাস্ত্ৰীৰ সংস্কৃত ভাষাত ৰচিত আন এখন উল্লেখযোগ্য ৰচনাসংগ্ৰহ হ'ল হৃদয়সংবাদচয়ন, য'ত প্ৰবন্ধ আৰু ক্ষুদ্ৰ কাহিনী অন্তৰ্ভুক্ত আছে। এই গ্ৰন্থখন ১৯৮৯ চনত প্ৰকাশিত হয়।

১৩.৭ মুকুন্দ মাধৱ শৰ্মা

মুকুন্দ মাধৱ শৰ্মাদেৱৰ জন্ম হৈছিল ১৯৩৪ চনত ডিব্ৰুগড় চহৰত আৰু মৃত্যু হৈছিল ২০০৯ চনত । তেখেত এজন আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ভাৰতবিদ্যা বিশেষজ্ঞ (ইণ্ড'লজিষ্ট) আছিল। সংস্কৃত, ইংৰাজী, অসমীয়া আৰু আন কেইটামান ভাষাত ৰচিত বহুতো গৱেষণামূলক আৰু পাণ্ডিত্যপূৰ্ণ ৰচনাৰ উপৰিও, তেওঁৰ স্তুতিপ্ৰশস্তিমঞ্জৰী নামৰ সংস্কৃত কবিতাসংগ্ৰহ বিশেষভাৱে উল্লেখযোগ্য। শীৰ্ষকটোৰ পৰা বুজা যায় যে, ৫৩৮টা শ্লোকেৰে গঠিত এই সংকলনখন বিভিন্ন দেৱ-দেৱীৰ স্তুতি আৰু কিছুমান মহান ব্যক্তিত্বৰ গুণানুকীৰ্তনত নিবেদিত। গ্ৰন্থখন ২০০২ চনত প্ৰকাশিত হয়।

শৰ্মাৰ কৃতিত্বৰ তালিকাত ব্যঞ্জনপ্ৰপঞ্চসমীক্ষা নামৰ আন এখন অতি মূল্যৱান গ্ৰন্থও অন্তৰ্ভুক্ত আছে, যিখন ছটা অধ্যায়ত বিভক্ত। এই গ্ৰন্থখনত সংস্কৃত অলংকাৰশাস্ত্ৰৰ ক্ষেত্ৰত তেওঁৰ গভীৰ পাণ্ডিত্যৰ লগতে সাহিত্যত তুলনামূলক প্ৰতীকতত্ত্বৰ গৱেষক হিচাপে তেওঁৰ নিখুঁত দৃষ্টিভংগীৰ পৰিচয় প্ৰকাশ পাইছে। এই গ্ৰন্থখন ১৯৭৯ চনত প্ৰকাশিত হৈছিল আৰু ভাৰত তথা বিদেশৰ সংস্কৃত পণ্ডিতসকলৰ দ্বাৰা বিশেষভাবে প্ৰশংসিত হৈছিল।

স্তুতি প্ৰশস্তিমঞ্জৰী ঃ

মুকুন্দ মাধৱ শৰ্মা আধুনিক অসমীয়া সংস্কৃত সাহিত্যৰ এক সুপ্ৰসিদ্ধ পণ্ডিত আৰু সাহিত্যিক। তেখেতৰ ৰচিত স্তুতি প্ৰশস্তিমঞ্জৰী গ্ৰন্থখন এখন প্ৰশক্তিমূলককাব্য যি আধুনিক সংস্কৃত কাব্যসাহিত্যৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ অৱদান হিচাপে পৰিগণিত। অসমত স্বতন্ত্ৰ প্ৰশক্তিমূলক কাব্যৰ প্ৰণয়নৰ ক্ষেত্ৰত অধ্যাপক মুকুন্দ মাধৱ শৰ্মাৰ 'স্তুতিপ্ৰশস্তিমঞ্জৰী' উল্লেখযোগ্য। সৰল সংস্কৃত ভাষাত প্ৰণয়ন কৰা কাব্যখনত সন্নিবিষ্ট প্ৰশস্তিবোৰক চাৰিটা ভাগত

ভগাব পাৰি দেৱ-দেৱী বিষয়ক, মহাপুৰুষ তথা বিশিষ্ট ব্যক্তি বিষয়ক, অনুষ্ঠান বিষয়ক আৰু অন্যান্য সানমিহলি প্রশস্তি। কাব্যখনত স্বকীয় কর্মক্ষেত্রত প্রতিভাৰ পৰিচয় দিয়া অসমকে ধৰি ভাৰতবর্ষৰ বিভিন্ন প্রান্তৰ ব্যক্তিবিশেষৰ প্রশস্তি আছে। কাব্যখনৰ গদ্য আৰু পদ্য উভয়বিধ প্রশস্তিতে অর্থগৌৰৱ তথা প্রকাশৰ সাবলীলতা প্রত্যক্ষ কৰিব পাৰি।

ব্যঞ্জনা প্রপঞ্চসমীক্ষা ঃ

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ প্রাক্তন উপাচার্য অধ্যাপক মুকুন্দ মাধৱ শর্মাই তুলনাত্মক প্রতীকবাদৰ ওপৰত 'ব্যঞ্জনাপ্রপঞ্চসমীক্ষা' প্রণয়ন কৰে। ছটা অধ্যায়যুক্ত গ্রন্থখনৰ প্রথম তিনিটা অধ্যায়ৰ নামকৰণ পূর্বমীমাংসা, পিছৰ তিনিটা অধ্যায়ৰ নামকৰণ উত্তৰমীমাংসা কৰা হৈছে। গ্রন্থকাৰে অলংকাৰ শাস্ত্র, ব্যাকৰণশাস্ত্র তথা ন্যায়দর্শন আদিত ব্যঞ্জনা নামৰ শব্দ শক্তিৰ উৎস বিচাৰ কৰাৰ লগতে কেতবোৰ অর্থালংকাৰৰ লগত ব্যঞ্জনাৰ নিকট সম্পর্ক উদাহৰণ সহ উপস্থাপন কৰিছে।

১৩.৮ মনোৰঞ্জন শাস্ত্রী

আচার্য মনোৰঞ্জন শাস্ত্রী জন্ম হৈছিল ১৯১১ চনত উত্তৰ গুৱাহাটীত আৰু মৃত্যু হৈছিল ১৯৮৮ চনত মঙলদৈ জিলাৰ ভেৰুৱা গাঁৱত । তেখেত ন্যায়, মীমাংসা, বেদান্ত আৰু ব্যাকৰণ শাস্ত্রত প্রশংসনীয় পাণ্ডিত্যৰ অধিকাৰী আছিল। তেওঁ নিজৰ কবিতা আৰু নাটকৰ জৰিয়তে এজন কবি হিচাপেও নিজৰ বহুমুখী প্রতিভা প্রমাণ কৰিছিল। তেখেতৰ ৰচিত কেইখমান গ্রন্থ হ'ল — পতাকান্নায়, প্রকামকামৰূপম, উতঙ্কভৈক্ষম্, কেতেকীকাব্যম্ ইত্যাদি ।

পতাকান্নায় ঃ

অসমৰ সংস্কৃত ক্ষেত্রখনক সমৃদ্ধ কৰি থৈ যোৱা সংস্কৃত পণ্ডিতৰ ভিতৰত অন্যতম আচার্য্য মনোৰঞ্জন শাস্ত্রী দৰং জিলাৰ ভেৰুৱাত ১৯১১ চনত জন্ম গ্রহণ কৰে।তেওঁৰ দ্বাৰা বিৰচিত পতাকান্নায় নামৰ কাব্যখনত ভাৰতবর্ষৰ ৰাষ্ট্রীয় প্রতীক আৰু জাতীয় পতাকাৰ দার্শনিক তাৎপর্য ছন্দৰদ্ধ ৰূপত বর্ণনা কৰিছে। কাব্যখন পূর্বার্দ্ধ আৰু উত্তৰার্দ্ধ নামে দুটা ভাগত বিভক্ত হৈছে।'জনমনোৰঞ্জনী' নামৰ কবিৰ স্বৰচিত টীকা সন্নিবিষ্ট কাব্যখনত ৰাষ্ট্রীয় প্রতীক অশোক চক্রত খোদিত 'সত্যমেব জয়তে' কথাষাৰৰ দার্শনিক ব্যাখ্যা আগবঢ়াইছে। কবিৰ মতে 'মুণ্ডকোপনিষদ'ত উপলব্ধ এই কথাষাৰে বেদ-উপনিষদ আশ্রিত ভাৰতীয় সমাজত থকা সত্য নিষ্ঠতাৰ ধাৰণাক প্রতিফলিত কৰে। কাব্যখনৰ জৰিয়তে ভাৰতীয় দর্শনৰ ওপৰত কবিৰ গভীৰ জ্ঞানৰ পৰিচয় পোৱা যায়। কাব্যখনত মহাভাৰত, মুণ্ডকোপনিষদ, মৎস্যপুৰাণ, শ্রীমদ্ভাগবদ্গীতা প্রভৃতি শাস্ত্রৰ প্রত্যক্ষ তথা পৰোক্ষ প্রভাব পৰা দেখিবলৈ পোৱা যায়। মুঠ ১৭১টা শে-াকযুক্ত কাব্যখনত অনুষ্টুপ্, ইন্দ্রবজ্রা, মালিনী, স্রগ্ধৰা আদি ছন্দ প্রয়োগ হোৱা দেখিবলৈ পোৱা যায়।

প্রকামকামৰূপম্ ঃ

বিদগ্ধ সংস্কৃত পণ্ডিত আচার্য্য মনোৰঞ্জন শাস্ত্রীয়ে নটা উচ্ছ্বাসযুক্ত প্রকামকামৰূপম্ নামে সংস্কৃত কাব্য প্রণয়ন কৰে। সর্বমুঠ ৩৭৬টা শে-াক সন্নিবিষ্ট কাব্যখনত কবিয়ে প্রাচীন কামৰূপৰ নাম-মাহাত্ম্য বর্ণনা কৰিছে। সেই সময়ৰ সামাজিক পৰিবেশৰ চিত্র দাঙি ধৰি কবিয়ে কৈছে যে কামৰূপৰ নাৰীসকল আছিল মধুৰভাষী, সহনশীল, সজ আচাৰ-ব্যৱহাৰযুক্ত তথা পুৰুষসকল সুন্দৰ, ধার্মিক তথা পৰিশ্রমী। কাব্যখনত কামৰূপৰ বৌদ্ধ দার্শনিক আচার্য ধর্মকীর্তি, কুমাৰিলভট্ট, নীলাম্বৰাচার্য, পুৰুষোত্তম বিদ্যাবাগীশ প্রভৃতি প্রসিদ্ধ পণ্ডিতৰ গৰিমা কীর্ত্তন কৰিছে। কাব্যখনত কামৰূপৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ পৰিচয় পোৱা যায়। কামাখ্যা, হয়গ্রীৱ মাধৱ,পোৱা-মক্কা আদি

তীৰ্থস্থানে ধৰ্মীয় ঐক্য-সংহতি সাধনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। নৰনাৰায়ণ, চিলাৰায়, ভাস্কৰবৰ্মা প্ৰভৃতি অসমৰ নৃপতিসকলৰ গৌৰৱ গাথা বৰ্ণনাৰ দ্বাৰা তদানীন্তন কালৰ ৰাজনৈতিক পৰিবেশৰ পৰিচয় পোৱা যায়। ৩৭৬টা শ্লোকত ৰচিত কাব্যখন অনুপ্ৰাস, উপমা, অৰ্থান্তৰন্যাস আদি অলংকাৰেৰে সমৃদ্ধ হৈছে।

উতঙ্কভৈক্ষম্ ঃ

উতঙ্কভৈক্ষম্ আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ ৰচিত এখন একাংকীয়া সংস্কৃত নাটক। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী অসমত উদ্ভৱ হোৱা সংস্কৃত সাহিত্যৰ এক উল্লেখযোগ্য সাহিত্যিক, যিয়ে সংস্কৃতৰ লগতে অসমীয়া সাহিত্যলৈও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। অসমত সংস্কৃত ভাষাত ৰচিত একমাত্ৰ নাটক হিচাপে এই নাটকখন বিশেষ গুৰুত্বপূৰ্ণ। উতঙ্কভৈক্ষম্ নাটকখন ১৯৭৩ চনত প্ৰাগ্যজ্যোতি নামৰ পত্ৰিকাত প্ৰকাশ পাইছিল, যি সেই সময়ত অসম চৰকাৰী সংস্কৃত মহাবিদ্যালয়ৰ জাৰ্নেল আছিল; বৰ্তমান এই প্ৰতিষ্ঠানখন কৃষ্ণকান্ত সন্দিকৈ চৰকাৰী সংস্কৃত মহাবিদ্যালয়, জালুকবাৰী, গুৱাহাটী, অসম নামে পৰিচিত।

নাটকখনৰ কাহিনী মহাভাৰতৰ আদিপৰ্বৰ পৌষ্য নামৰ অধ্যায়ত বৰ্ণিত এক ঘটনাৰ ওপৰত আধাৰিত। এই নাটকত মুঠ ছটা দৃশ্য (দৃশ্যাম্) আছে, য'ত ওঠৰজন পুৰুষ আৰু চাৰিগৰাকী নাৰী চৰিত্ৰ উপস্থিত। সংস্কৃত নাট্যশাস্ত্ৰৰ বিধি অনুসৰি মনোৰঞ্জন শাস্ত্ৰীয়ে নাটকখন নান্দীশ্লোকেৰে আৰম্ভ কৰিছে। নান্দীত নাট্যকাৰজনে নিজৰ বিনয় আৰু নম্ৰতা প্ৰকাশ কৰি এই সন্দেহ ব্যক্ত কৰিছে যে তেওঁৰ ৰচনা পণ্ডিত পাঠকসকলক সন্তুষ্ট কৰিব পাৰিব নে নোৱাৰিব।

প্ৰথম দৃশ্য আৰম্ভ হয় দেৱৰাজ ইন্দ্ৰৰ ৰাজসভাত। ঋষি বেদৰ শিষ্য উতঙ্কে এক সময়ত ৰাজা পৌষ্যৰ ওচৰলৈ আহি ৰাণীৰ কাণফুলি ভিক্ষা বিচাৰে। এই কাণফুলি তেওঁ নিজৰ গুৰুপত্নীক দক্ষিণা স্বৰূপে অৰ্পণ কৰি গুৰুৰ ঋণমুক্ত হ'ব বিচাৰে। ৰাজা পৌষ্যৰ পৰামৰ্শ মতে উতঙ্কে ৰাণীৰ ৰাজপ্ৰাসাদলৈ যাত্ৰা কৰে।

দ্বিতীয় দৃশ্যত উতঙ্কৰ পথচলা বৰ্ণিত। উতঙ্ক ৰাজপ্ৰাসাদলৈ যোৱাৰ আগতেই ইন্দ্ৰৰ পৰামৰ্শ অনুসৰি অগ্নিদেৱে উতঙ্কৰ পৰীক্ষা ল'বলৈ এটা কৌশল অৱলম্বন কৰে। অগ্নিয়ে ষাঁড়ৰ (বৃষ) ৰূপ ধাৰণ কৰে আৰু ইন্দ্ৰই মানুহৰ (পুৰুষ) ৰূপ লৈ উতঙ্কক কয় যে তেওঁৰ গুৰুৱেও যিদৰে গোবৰ ভক্ষণ কৰিছিল, তেনেদৰে উতঙ্কেও গোবৰ খোৱা উচিত। এই কথাক উতঙ্কে অপমান হিচাপে গণ্য কৰি অস্বীকাৰ কৰে। সেই সময়তে এক দৈৱবাণী শুনা যায়, যিয়ে উতঙ্কক গোবৰ ভক্ষণ কৰিবলৈ আদেশ দিয়ে। শেষত উতঙ্কে অলপ গোবৰ ভক্ষণ কৰে আৰু তৎক্ষণাত উপলব্ধি কৰে যে সেইটো প্ৰকৃততে গোবৰ নহয়, অমৃতহে। ইয়াৰ পাছতেই পুৰুষ আৰু বৃষ উভয়ে অদৃশ্য হৈ যায়।

তৃতীয় দৃশ্য আৰম্ভ হয় ৰাজা পৌষ্যৰ নগৰত। উতঙ্কে ৰাজদ্বাৰত উপস্থিত হৈ দ্বাৰপালৰ পৰা অনুমতি লৈ ৰাজসভালৈ প্ৰৱেশ কৰে। চতুৰ্থ দৃশ্যত উতঙ্ক ৰাজা পৌষ্যৰ ৰাজসভাত উপস্থিত হৈ ৰাণীৰ পৰা কাণফুলি গ্ৰহণ কৰিবলৈ আহে। ৰাজাই তেওঁক যথোচিত সন্মান জনায়। পঞ্চম দৃশ্যত ৰাণীয়ে উতঙ্কৰ সম্পূৰ্ণ কাহিনী শুনি অত্যন্ত আনন্দিত হয় আৰু নিজকে সৌভাগ্যৱতী বুলি গণ্য কৰি উতঙ্কক কাণফুলি দান কৰে। লগতে ৰাণীয়ে নিজৰ ৰাজপ্ৰাসাদত উতঙ্কক ভোজনো কৰায়।

ষষ্ঠ দৃশ্য আৰম্ভ হয় ৰাজা পৌষ্যৰ অগ্নিগৃহত (ভোজনালয়ত), য'ত উতঙ্কে ৰাজাক অভিশাপ দিয়ে। শেষত ভৰতবাক্য উচ্চাৰণৰ সৈতে নাটকখনৰ সমাপ্তি ঘটে।

কেতেকীকাব্যম্ ঃ

কেতকীকাব্যম্ আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ অন্যতম উৎকৃষ্ট সাহিত্যিক সৃষ্টি। এই কাব্যখন মূলত অসমীয়া ভাষাত ৰচিত ৰঘুনাথ চৌধুৰীৰ কাব্যৰ সংস্কৃত অনুবাদ। ৰঘুনাথ চৌধুৰী অসমৰ এজন প্ৰখ্যাত কবি আছিল আৰু তেওঁ 'বিহাগী কবি' নামেৰে বিশেষভাৱে পৰিচিত। অসমীয়া কাব্যজগতৰ অগ্ৰগণ্য কবিসকলৰ ভিতৰত তেওঁৰ

নাম উল্লেখযোগ্য। তেওঁৰ অধিকাংশ ৰচনাত পক্ষী আৰু প্ৰকৃতি মুখ্য বিষয় হিচাপে প্ৰতিফলিত হৈছে। তেখেতে তেজপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ সভাপতিৰ দায়িত্বও পালন কৰিছিল।

আচার্য মনোৰঞ্জন শাস্ত্রীয়ে এই কাব্যখন অসমীয়াৰ পৰা সংস্কৃতলৈ অনুবাদ কৰি ১৯৬৪ চনত প্ৰকাশ কৰে। কাব্যখন পাঁচটা সর্গত বিভক্ত, যাক 'তৰংগ' বুলি নামকৰণ কৰা হৈছে। সমগ্ৰ কাব্যখনত মুঠ ১৮৭টা শ্লোক আছে আৰু প্ৰতিটো শ্লোক চাৰি পাদবিশিষ্ট। শাস্ত্রীৰ অনুবাদ কৰা এই গ্ৰন্থখনত অসমৰ বিশিষ্ট পণ্ডিত-সমালোচক ডঃ বাণীকান্ত কাকতীয়ে লিখা এখন ভূমিকা সংযোজিত হৈছে।

কাব্যৰ আৰম্ভণিত কবিয়ে কেতেকী নামৰ পক্ষীক সম্বোধন কৰি এই সংসাৰত তাই কেনেকৈ জীৱন যাপন কৰিছে বুলি প্ৰশ্ন কৰে। কবিয়ে কল্পনা কৰে যে কেতেকীয়ে ডিঙি দীঘল কৰি ইফাল-সিফাল চাই নিজৰ প্ৰিয়জনক সন্ধান কৰি ফুৰিছে। কবিয়ে ইঙ্গিত কৰে যে কেতেকীৰ মধুৰ কণ্ঠধ্বনি পাহাৰ, পর্বত, সাগৰ আৰু অৰণ্যত প্ৰতিধ্বনিত হৈ সমগ্ৰ সৃষ্টিজগতক আনন্দত ভৰাই তোলে।

কিন্তু কেতেকীৰ এই মধুৰ কণ্ঠধ্বনিয়ে কেতিয়াবা বিৰহবিধুৰ নাৰীসকলক দুখত নিমজ্জিত কৰে। এই সুমধুৰ স্বৰে তেওঁলোকৰ স্বামীৰ সৈতে বিচ্ছেদৰ বেদনা অধিক তীব্ৰ কৰি তোলে। অতীতৰ স্মৃতি এই স্বৰে পুনৰ জাগ্ৰত কৰে। কবিয়ে লক্ষ্য কৰে যে সংযোগৰ সময়ত যি বস্তুৱে সুখ দিয়ে, সেইটোৱেই বিচ্ছেদৰ সময়ত বেদনাৰ কাৰণ হয়। সেইদৰে কেতেকীৰ মধুৰ কণ্ঠধ্বনি বিচ্ছিন্ন নাৰীৰ বাবে অসহনীয় হৈ উঠে। কবিয়ে এনে নাৰীসকলক ম্লান পুষ্পৰ সৈতে তুলনা কৰিছে।

কবিৰ মতে কেতেকীৰ কণ্ঠধ্বনি কেতিয়াবা বিৰহৰ প্ৰকাশ, কেতিয়াবা মিলনৰ সূচক। একেটা কণ্ঠধ্বনিয়েই সংযোগত আনন্দ দিয়ে আৰু বিচ্ছেদত বেদনাৰ সৃষ্টি কৰে। কবিয়ে কেতেকীক দূত, প্ৰেমিক আৰু প্ৰেমৰ প্ৰতীক হিচাপে ৰূপায়িত কৰিছে। কেতেকীৰ মায়াময় সুৰৰ প্ৰভাৱ সর্বত্র বিস্তৃত। গোপিনীসকলে কেতেকীৰ গান শুনি নিজৰ কর্ম এৰি নৃত্যত মগ্ন হয়; প্ৰেমিকসকল উন্মত্ত হয় আৰু যমুনা নদীও যেন উল্লাসিত হয়।

কবিয়ে কল্পনা কৰে যে কেতেকীৰ কণ্ঠধ্বনি শুনি আকাশৰ মেঘসমূহে পৰস্পৰে সংঘর্ষ কৰে আৰু তাৰ ফলত বিদ্যুৎৰ জ্যোতিৰ সৃষ্টি হয়। এই সংঘর্ষ কবিৰ মতে চুম্বনৰ দৰে, যাৰ পৰা বিদ্যুৎৰ হাঁহি ফুটি উঠে। কেতেকীৰ কণ্ঠধ্বনিয়ে ময়ূৰক নৃত্য কৰায় আৰু নক্ষত্রসমূহক দীপ্তিমান কৰি তোলে। আনকি নির্দয় ব্যক্তিৰ হৃদয়ো কেতেকীৰ সুৰে পৰিবর্তিত কৰে।

কবিৰ মতে কেতেকীৰ প্ৰভাৱ সর্বজনীন। তাই সকলোকে আনন্দ দিয়ে আৰু সমগ্ৰ বিশ্বত ৰোমাঞ্চৰ সঞ্চাৰ কৰে। কেতেকীৰ কণ্ঠধ্বনিয়ে সাগৰত জোৱাৰ তোলে আৰু জগতত অনুভূতি জাগ্ৰত কৰে। কবিয়ে কল্পনা কৰে যে কেতেকীৰ অনুপস্থিতিত সর্বত্র শূন্যতা বিৰাজ কৰে। কেতেকীয়ে প্ৰেমৰ অমৃত বিস্তাৰ কৰে; তাই নাথাকিলে প্ৰকৃতিয়ে অন্ধকাৰ আৰু শূন্যতাৰ অনুভৱ কৰে।

কেতেকীৰ সুমধুৰ কণ্ঠধ্বনিয়ে কবিক ইমানেই মোহিত কৰে যে তেওঁ মানুহৰ সংগকো অপ্ৰিয় বুলি অনুভৱ কৰে। কবিয়ে কেতেকীৰ জন্মক সৌভাগ্য বুলি গণ্য কৰে আৰু জীৱনৰ অন্তিম মুহূর্তলৈকে এই পক্ষীৰ গুণগান কৰাৰ সংকল্প প্ৰকাশ কৰে।

এইদৰে কবিৰ ৰচনাসমূহ ইতিহাস, দর্শন, জ্যোতির্বিজ্ঞান, ধর্ম, কাব্যশাস্ত্র আদি বহু বিষয়ক আৱৰি ধৰে। তেওঁৰ সকলো ৰচনাত বেদ, উপনিষদ, পুৰাণ আৰু তন্ত্র আদি শাস্ত্রত থকা গভীৰ পাণ্ডিত্য প্ৰকাশ পায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ আনন্দৰাম বৰুৱাৰ জন্ম ক'ত আৰু কেতিয়া হৈছিল?

.....

প্রশ্ন নং ২ঃ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ দ্বাৰা ৰচিত দুখন উল্লেখযোগ্য গ্রন্থৰ নাম লিখক।

.....

প্রশ্ন নং ৩ঃ ভৱদেৱ ভাগৱতীৰচিতসতী জয়মতী কাব্যখন কেইটা প্রবাহত বিভক্ত?

.....

প্রশ্ন নং ৪ঃ ব্যঞ্জনা প্রপঞ্চসমীক্ষা গ্রন্থখন কাৰ ৰচনা?

.....

প্রশ্ন নং ৫ঃ কোনখন উপন্যাসখনৰ বাবে বিশ্বনাৰায়ণ শাস্ত্রীয়ে প্রখ্যাত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

.....

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ৰ পৰা আপোনালোকে—

- অসমত সংস্কৃত চর্চাৰ বিষয়ে জ্ঞান লাভ কৰিলে।
- ভৱদেৱ ভাগৱতী, আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, বিশ্বনাৰায়ণ শাস্ত্রী আৰু মুকুন্দ মাধৱ শর্মাৰ বিষয়ে বিষদভাবে অৱগত হ'ল।
- ভৱদেৱ ভাগৱতী, আনন্দৰাম বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, বিশ্বনাৰায়ণ শাস্ত্রী আৰু মুকুন্দ মাধৱ শর্মাৰ সাহিত্যিক অৱদান সম্পর্কে জ্ঞাত হ'ল।
- অসমীয়া আধুনিক সংস্কৃত পণ্ডিতসকলৰ সাহিত্যিক কৃতিত্বৰ বিষয়ে জ্ঞাত হ'ল।

১৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আনন্দৰাম বৰুৱাৰ জন্ম ১৮৫০ চনত উত্তৰ গুৱাহাটীত হৈছিল ।

২ নং প্রশ্নৰ উত্তৰ ঃ Śrīharṣa's Naiṣadhacarita (শ্রীহর্ষৰ নৈষধচৰিত), ২)Yaśastilaka and Indian Culture (যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি)।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভৱদেৱ ভাগৱতী ৰচিত সতী জয়মতী কাব্যখন তিনিটা প্রবাহত বিভক্ত ।

৪ নং প্রশ্নৰ উত্তৰ ঃ মুকুন্দ মাধৱ শর্মাৰ ।

৫ নং প্রশ্নৰ উত্তৰ ঃ অবিনাশী নামৰ উপন্যাসখনৰ বাবে বিশ্বনাৰায়ণ শাস্ত্রীয়ে প্রখ্যাত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ।

১৩.১০ অধিক জানিবলৈ

1. Sarma, M. M. (1992). *Anundoram Borooah*. Anundoram Borooah Institute of Language, Art & Culture.

2. International Association of Sanskrit Studies. Fifth World Sanskrit Conference, Varanasi, India: October 21—26, 1981. *Sanskrit studies in India, 1979—1981*. Rashtriya Sanskrit Sansthan. Delhi, India.
3. Sharma, N. C. (n.d.) *Ācāryya Manoranjan Śāstrī: Jīvan-sādhanāāru kṛtitva.* ***Śāstrī: Jīvan-sādhanāāru kṛtitva*** . Bnai Prakas Private Limited.
4. Goswami, M. (2018). *Krishna Kanta Handiqui: Life and works*. Publication Division, Dibrugarh University.
5. Bhagavati, B. (1932). *Sati Jayamati*. Anundoram Borooah Institute of Language, Art & Culture.

? ১৩.১২ আৰ্হি প্ৰশ্ন

১ নং প্ৰশ্ন ঃ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ বিষয়ে চমুকৈ লিখক।

২ নং প্ৰশ্ন ঃ সংস্কৃত সাহিত্যত আনন্দৰাম বৰুৱাৰ অৱদান বিশদভাৱে বৰ্ণনা কৰক।

৩ নং প্ৰশ্ন ঃ মুকুন্দ মাধৱ শৰ্মাৰ কৃতিত্বৰ বিষয়ে আলোচনা কৰক।

৪ নং প্ৰশ্ন ঃ ভৱদেৱ ভাগৱতীৰ সতী জয়মতী কাব্যখনৰ বিষয়বস্তু বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ সংস্কৃত ভাষাৰ পৰিচয়
১৪.৪ ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত
১৪.৫ বৈদিক সংস্কৃত ভাষা
১৪.৬ লৌকিক সংস্কৃত ভাষা
১৪.৭ সংস্কৃত ভাষাৰ বৰ্তমান অৱস্থা
১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৯ অধিক জানিবলৈ
১৪.১০ অগ্রগতিৰ খতিয়ান
১৪.১১ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ জানিব পাৰিব
- সংস্কৃত ভাষা আৰু ইন্দো-ইউৰোপীয় ভাষাৰ সম্বন্ধৰ বিষয়ে অৱগত হ'ব
- বৈদিক সংস্কৃত ভাষাৰ বিষয়ে জানিব পাৰিব
- লৌকিক সংস্কৃত ভাষাৰ বিষয়েও জানিব পাৰিব
- আধুনিক যুগত সংস্কৃত ভাষাৰ অৱস্থাৰ বিষয়ে অৱগত হ'ব।

১৪.২ পৰিচয়

শব্দগঠনৰ ভিত্তিত 'সংস্কৃত' পদটোৱে 'পৰিস্কৃত' বা 'পৰিশীলিত' অর্থ বুজালেও আর্যাবর্তত প্রচলিত প্রাচীনতম ভাষাটোকেই পণ্ডিতসকলে সংস্কৃত বুলি অভিহিত কৰিছে। পৃথিৱীত মানুহৰ মাজত প্রচলিত প্রাচীনভাষাসমূহৰ ভিতৰত অন্যতম হ'ল সংস্কৃত ভাষা। প্রাচীন যুগতেই বিস্তাৰ লাভ কৰা এই ভাষাটিতেই আর্যসকলৰ প্রাচীনতম গ্রন্থ 'ঋগ্বেদ' ৰচনা কৰা হৈছিল। ঋগ্বেদেৰে যাত্রা আৰম্ভ কৰা সংস্কৃতভাষাই বহু স্তৰ পাৰ কৰি আহি বর্তমানৰ অৱস্থা পাইছেহি। সংস্কৃত ভাষাৰ বিষয়ে জানিবলৈ হ'লে এই ভাষাটোৰ লগত যুক্ত ঐতিহাসিক পটভূমিৰ বিষয়ে অধ্যয়ন কৰাটো অতি প্রয়োজনীয়। তদুপৰি ভাৰতীয় আর্যভাষাৰ বিশাল ক্ষেত্রখনৰ এটি গুৰুত্বপূর্ণ অংশ অধিকাৰ কৰি আছে এই সংস্কৃত ভাষাই। সংস্কৃত ভাষাৰ উৎপত্তি ক'ত কিদৰে হৈছিল সেই বিষয়ে পণ্ডিতসকলৰ মাজত মতভেদ থাকিলেও বিভিন্ন সময়ত বিভিন্ন বিবর্তনৰ মাজেদি গৈ, বহু ধৰণৰ বাধা বিপত্তিৰ সন্মুখীন হৈও সংস্কৃত ভাষাটোৱে যে বর্তমান যুগতো স্বমহিমাৰে উজলি আছে সেই বিষয়ে দ্বিমত নাই। গতিকে বর্তমান সময়ত ব্যৱহাৰ হোৱা সংস্কৃত ভাষাৰ বিষয়ে জানিবলৈ হ'লে ইয়াৰ প্রাচীন ইতিহাসৰ বিষয়ে জ্ঞান থকাটো প্রয়োজনীয়।

এই অধ্যায়টিত আপুনি ঐতিহাসিক প্রেক্ষাপটত সংস্কৃত ভাষাৰ ক্রমবিকাশৰ বিষয়ে জানিব। লগতে আপুনি বিভিন্ন স্তৰত প্ৰচলিত সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্যৰ বিষয়েও অৱগত হ'ব।

১৪.৩ সংস্কৃত ভাষাৰ পৰিচয়

ভাৰতবৰ্ষৰ প্ৰাচীনতম ভাষা হ'ল সংস্কৃত। এই ভাষাৰ পৰিধি সুবিশাল। হিন্দু ধৰ্মৰ প্ৰাচীনতম গ্ৰন্থ ঋগ্বেদ এই ভাষাতেই ৰচিত হোৱা বাবে সংস্কৃতক আৰ্যসকলৰ প্ৰাচীনতম ভাষা হিচাপে গ্ৰহণ কৰিব পাৰি। দণ্ডীয়ে তেওঁৰ ***কাব্যাদৰ্শ*** নামৰ গ্ৰন্থখনত সংস্কৃতৰ বিষয়ে কৈছে—'সংস্কৃতং নাম দৈৱী ৱাক্'। অৰ্থাৎ সংস্কৃত হ'ল দেৱতাসকলৰ ভাষা। তেওঁৰ মতে ব্ৰহ্মা আদি দেৱতাসকলে এই ভাষাতেই কথা পাতিছিল আৰু পৰৱৰ্তী সময়ত ***পাণিনি*** আদি পণ্ডিতে তেওঁলোকে ৰচনা কৰা গ্ৰন্থৰ সহায়ত এই ভাষাটোক পৰিশীলিত কৰি তুলিছিল।

আচাৰ্য দণ্ডীৰ এই অভিমতে সংস্কৃত ভাষাৰ প্ৰাচীনত্বৰ বিষয়ে প্ৰমাণ দিয়ে। তদুপৰি ৰামায়ণৰ সুন্দৰকাণ্ডত হনুমানে সীতাৰ লগত কথা পাতোতে কি ভাষাৰ প্ৰয়োগ কৰিব এই প্ৰসঙ্গত সংস্কৃতভাষাৰ উল্লেখ পোৱা যায়—'ৱাচং চোদাহৰিষ্যামি মানুষীমিৰ সংস্কৃতাম্'। এইখিনিতে হনুমানে সংস্কৃতভাষাৰ দুটা ৰূপৰ বিষয়ে ইংগিত দিছে। মহাকবি কালিদাসেও তেওঁৰ কাব্যত বিভিন্ন প্ৰসংগত সংস্কৃত ভাষাৰ বিষয়ে উল্লেখ কৰিছে। ***কুমাৰসম্ভৱম্*** কাব্যত তেওঁ সংস্কৃতক 'সংস্কাৰপূত' ভাষা বুলি আখ্যা দিছে। ইয়াত 'সংস্কাৰপূত' শব্দটোৰে কালিদাসে পৰিমাৰ্জিত বা অলঙ্কৰণসমৃদ্ধ অৰ্থ বুজাইছে বুলি অনুমান কৰা যায়।

> ***কাব্যাদৰ্শ*** ঃ এইখন অলঙ্কাৰশাস্ত্ৰৰ গ্ৰন্থ। আচাৰ্য দণ্ডীয়ে এই গ্ৰন্থখন ৰচনা কৰে। এই গ্ৰন্থখনত তিনিটা পৰিচ্ছেদ আছে। এইখন গ্ৰন্থত ৰীতি, শব্দালঙ্কাৰ আৰু অৰ্থালংকাৰৰ বিষয়ে বিশেষ আলোচনা কৰা হৈছে।
>
> ***পাণিনি*** ঃ মহান ব্যাকৰণবিদ। তেওঁ অষ্টাধ্যায়ী গ্ৰন্থখন ৰচনা কৰে। এইখন গ্ৰন্থত বৈদিক আৰু লৌকিক সংস্কৃতৰ ব্যাকৰণ সম্বন্ধীয় প্ৰায় চাৰি হাজাৰ সূত্ৰ আছে। সংস্কৃত ব্যাকৰণৰ এইখন এখন অমূল্য সম্পদ।
>
> ***কুমাৰসম্ভৱম্*** ঃ কালিদাস বিৰচিত এখন মহাকাব্য। শিৱ আৰু পাৰ্বতীৰ বিবাহৰ পিছত মহাদেৱৰ ঔৰসত পাৰ্বতীৰ গৰ্ভত কুমাৰ অৰ্থাৎ কাৰ্ত্তিকেয়ৰ জন্ম—এয়াই মহাকাব্যখনৰ মূল বিষয়বস্তু। মুঠ সোতৰটি সৰ্গত ৰচিত এইখন কাব্যত মহাকবি কালিদাসৰ ৰচনাৰীতিৰ সৌন্দৰ্য সম্পূৰ্ণভাৱে প্ৰকাশ পাইছে।

তদুপৰি মহাকবি কালিদাসে তেওঁৰ ৰঘুবংশ মহাকাব্যত সংস্কৃতভাষাক 'ভাৰতী' বুলি অভিহিত কৰি ইয়াক 'কৃত সংস্কাৰা' অৰ্থাৎ সংস্কাৰসমৃদ্ধ ভাষা হিচাপে ব্যক্ত কৰিছে। ইয়াৰ পৰা ধাৰণা কৰিব পাৰি যে এটা সময়ত সংস্কৃত ভাষাক 'ভাৰতী' নামেৰেও কোৱা হৈছিল। এই সকলো কথাৰ পৰা জনা যায় যে সংস্কৃত বা প্ৰাচীন আৰ্যভাষা বহুকালৰ পৰা ভাৰতবৰ্ষত চলি আছিল।

ভাষাতাত্ত্বিক গঠনৰ দিশৰ পৰা ক'ব পাৰি যে সংস্কৃত বা প্ৰাচীন আৰ্যভাষাৰ উৎপত্তি হৈছে ইন্দো-ইউৰোপীয় আৰু ইন্দো-ইৰাণীয় ভাষাৰ পৰা। কিন্তু ভাৰতবৰ্ষতেই এই ভাষাটিয়ে বহুতো পৰিৱৰ্তনৰ সোঁতৰ মাজেদি প্ৰবাহিত হৈছে। ভাৰতবৰ্ষত এই ভাষাৰ আৰম্ভণি হয় বৈদিক যুগৰ পৰা।

গতিকে বৈদিক যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে এই ইতিহাসসমৃদ্ধ ভাষাটিয়ে প্ৰায় ৩৫০০ শব্দ গছকি আহিছে। এই ৩৫০০ বছৰৰ ইতিহাসেই হ'ল সংস্কৃত ভাষাৰ ঐতিহাসিক প্ৰেক্ষাপট। ভাষাতাত্ত্বিক সত্যৰঞ্জন বন্দোপাধ্যায়ৰ মতে সংস্কৃত ভাষাৰ ইতিহাস জানিবলৈ হ'লে তলত দিয়া ধৰণে ভাষাৰ স্তৰবোৰ অধ্যয়ন কৰিব লাগিব ঃ ইন্দো-ইউৰোপীয় ভাষা—ইন্দো-ইৰাণীয় ভাষা—প্ৰত্ন আৰ্যভাষা—কথ্য সংস্কৃত ভাষা—বৈদিক সংস্কৃত—লৌকিক সংস্কৃত—আধুনিক সংস্কৃত।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ভাৰতীয় আৰ্যভাষা বুলিলে যি সংস্কৃতৰ ধাৰণা হয় তাৰ

আৰম্ভণি বৈদিক সংস্কৃতৰ পৰাই ধৰা হয়। এই সংস্কৃত ভাষাৰ মাধুর্য অপৰিসীম। সম্পূর্ণ পৃথিৱীৰ প্রাচীন ভাষাসমূহৰ ভিতৰত সংস্কৃত ভাষাৰ সুকীয়া বৈশিষ্ট্যটো হ'ল যে অতি প্রাচীন কালৰ পৰা প্রচলিত হৈ থকা এই ভাষাটোৱে আজিও নিজৰ মর্যাদা লৈ জীয়াই আছে। অৱশ্যে এটা কথা আমি সকলোৱে স্বীকাৰ কৰিবই লাগিব যে প্রাচীন ভাৰতত সংস্কৃতৰ যি মর্যাদা বা সন্মান আছিল বর্তমান সময়ত সেইটো বহু পৰিমাণে হ্রাস পাইছে। কিন্তু এই কথাটো অনস্বীকার্য যে বহুবিধ ইতিহাস সম্বলিত এই সংস্কৃত ভাষাটো নিজৰ মহিমাৰে আজিও জীৱিত। যিসকলে সংস্কৃতক মৃত ভাষা বুলি জ্ঞান কৰে তেওঁলোকে প্রকৃততে এই ভাষাৰ স্বৰূপৰ বিষয়ে নাজানে।

প্রকৃততে ভাৰতবর্ষৰ ইতিহাস জানিবলৈ হ'লে সংস্কৃতৰ ইতিহাস জনাটো আৱশ্যক। কাৰণ সুপ্রাচীন কালতে ৰচনা কৰা বৈদিক বাঙ্ময়ত যি ইতিহাস বা জ্ঞান সিঁচৰতি হৈ আছে সেইটো জনাৰ বাবে সংস্কৃত ভাষাৰ জ্ঞান অতি আৱশ্যক। তদুপৰি এই ভাষাটোৰ ***ধ্বনিতত্ত্ব, ৰূপতত্ত্ব*** আদিয়ে বহুতো ঐতিহাসিক ঘটনাৰো সাক্ষ্য দিয়ে। সংস্কৃত ভাষাত নিহিত প্রাণশক্তিয়েই আজিলৈকে এই ভাষাক জীয়াই ৰাখিছে। সেইকাৰণে হিব্রু, গ্রীক্, লেটিন আদি প্রাচীন ভাষাবোৰ যেতিয়া পৃথিৱীৰ বুকুৰ পৰা হেৰাই গৈছে তেতিয়াও সংস্কৃত ভাষাৰ চর্চা গোটেই বিশ্বত চলি আছে। পণ্ডিত জৱাহৰলাল নেহেৰুৱে তেওঁৰ ৰচনাত সংস্কৃত ভাষাক ভাৰতৰ শ্রেষ্ঠ সম্পদৰূপে অভিহিত কৰিছে। চাৰ উইলিয়াম জোনছে সংস্কৃত ভাষাক গ্রীক আৰু লেটিন ভাষাতকৈ অধিক পৰিমার্জিত বুলি ব্যক্ত কৰিছে।

> ***ধ্বনিতত্ত্ব*** ঃ এটি ভাষাত কিছুমান নির্দিষ্ট ধ্বনি থাকে। এই ধ্বনিসমূহৰ কিছুমান নিজস্ব বৈশিষ্ট্য থাকে। এই ধ্বনি আৰু ইয়াৰ বৈশিষ্ট্যসমূহক একেলগে ধ্বনিতত্ত্ব বোলে।
>
> ***ৰূপতত্ত্ব***ঃএটি ভাষাত ব্যৱহাৰ হোৱা শব্দবোৰৰ ৰূপ আৰু ৰূপৰ বৈচিত্র্যসমূহক একেলগে ৰূপতত্ত্ব বুলি কোৱা হয়।

গতিকে আমি জানিব পাৰিলো যে আজিৰ যুগত প্রচলিত যি সংস্কৃতভাষা— তাৰ এটা ইতিহাস সম্বলিত প্রেক্ষাপট আছে। সেই কাৰণে সংস্কৃতভাষাৰ ক্রমবিকাশৰ বিষয়ে জানিবলৈ হ'লে এই প্রেক্ষাপটৰ স্তৰসমূহৰ বিষয়ে জানিব লাগিব।

১৪.৪ ইন্দো-ইউৰোপীয় ভাষা আৰু সংস্কৃত

ইন্দো-ইউৰোপীয় ভাষাটো সম্পূর্ণৰূপে এটি কাল্পনিক ভাষা। ইয়াত 'ইন্দো' পদটোৱে ইণ্ডিয়া (India) বা ভাৰতবর্ষক সূচায় আৰু ইউৰোপ মহাদেশৰ দেশবিলাকক সামৰি লয়। প্রকৃততে এনেকুৱা নামৰ ভাষাটো আছিল নে নাই সেই বিষয়ে কোনোধৰণৰ প্রামাণিক তথ্য দিয়া সম্ভৱ নহয়। কিন্তু গ্রীক, লেটিন, সংস্কৃত, ফার্চী আদি কিছুমান প্রাচীন ভাষাৰ মাজত ধ্বনিগত আৰু ৰূপগত সাদৃশ্য লক্ষ্য কৰি এই ভাষাসমূহৰ মূল হিচাপে ইন্দো-ইউৰোপীয় ভাষাৰ অস্তিত্ব কল্পনা কৰি লোৱা হৈছে। আজিলৈকে কোনেও এই কাল্পনিক ভাষাটোৰ বিপৰীতে কোনোধৰণৰ সাক্ষ্য প্রমাণ আনিব পৰা নাই। সমগ্র বিশ্বৰ ভাষাতত্ত্ববিদসকলে এই কল্পিত ভাষাটোৰ অস্তিত্ব স্বীকাৰ কৰিহে নিজৰ নিজৰ গৱেষণাসমৃদ্ধ আলোচনা আগবঢ়াই আহিছে। কিছুমান পণ্ডিতে এই ইন্দো-ইউৰোপীয় ভাষাৰো এটি প্রাচীন স্তৰ থকা বুলি কল্পনা কৰিলেও সেইটো সকলোৱে স্বীকাৰ কৰি লোৱা নাই। সংস্কৃত, লেটিন, গ্রীক আদি প্রাচীন ভাষাসমূহৰ মূল হিচাপে সকলোৱে ইন্দো-ইউৰোপীয় ভাষাটোকেই স্বীকাৰ কৰি লৈছে।


ইন্দো-ইউৰোপীয় ভাষাটো বিভিন্ন স্তৰত বিভিন্ন নামেৰে জনাজাত হৈছিল। যেনে—আর্যভাষা, ইন্দো-জার্মানিক ভাষা আৰু ইন্দো-বেলতিক্ ভাষা। কিন্তু এই নামবোৰত থকা কিছুমান জটিলতাৰ বাবে এইবোৰ সময়ৰ সোঁততে হেৰাই যায় আৰু ইন্দো-ইউৰোপীয় নামটোৱেই সর্বজনগ্রাহ্য হৈ ৰয়। এই ইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা—সতম্ (Satam) আৰু কেন্তুম্ (Centum)। প্রকৃততে ইন্দো-ইউৰোপীয় ভাষাৰ এই ভাগটো সম্পূর্ণভাৱে ভাষাতত্ত্বৰ আধাৰত নির্ধাৰিত হৈছে। ইন্দো-ইউৰোপীয় ভাষাৰ তালব্যধ্বনিৰ পৰিবর্তনৰ আধাৰতহে এই ভাগ দুটা

স্থিৰ কৰা হৈছে। 'শত' শব্দৰ ইন্দো-ইউৰোপীয় ৰূপৰ ধ্বনি পৰিবৰ্তনৰ ফালে লক্ষ্য ৰাখি ইন্দো-ইউৰোপীয় ভাষাটোক সতম্ আৰু কেন্তুম্—এই দুটা ভাগত ভগোৱা হৈছে। যি ভাষাত এই ধ্বনিটো শিস্ ধ্বনিত (sibilant) পৰিবৰ্তিত হয় সেইবোৰ সতম্ বিভাগটোৰ অন্তর্ভুক্ত হয় আৰু যি ভাষাত এই ধ্বনিটো তালব্য ক-ধ্বনিলৈ পৰিবৰ্তিত হয় সেইবোৰ কেন্তুম্ বিভাগটোৰ অন্তর্ভুক্ত হয়। ভৌগোলিক দিশৰ পৰাও ইন্দো-ইউৰোপীয় ভাষাক দুটা শ্ৰেণীত ভগোৱা হয়—এটা পূৰ্বীয়, আনটো পশ্চিমীয়। কিন্তু এই বিভাগ দুটাক সকলো পণ্ডিতে স্বীকাৰ নকৰে। ইন্দো-ইউৰোপীয় ভাষাৰ সতম্ শাখাৰ প্ৰধান ভাষাবোৰ হ'ল—ইন্দো-ইৰাণীয়, আলবানীয়, আৰ্মেনীয় আদি। আনফালে কেন্তুম্ শাখাৰ প্ৰধান ভাষাবোৰ হ'ল—গ্ৰীক্, লেটিন, জাৰ্মানিক্, বেলতিক্ আদি।

সংস্কৃত ভাষা ইন্দো-ইউৰোপীয় ভাষাৰ ইন্দো-ইৰানীয় ভাগৰ অন্তর্ভূক্ত। ইন্দো-ইৰাণীয় ভাষাৰ অধ্যয়নৰ পৰা জনা যায় যে এই ভাষাটো এটা সময়ত দুটা দিশত গতি কৰে। ইয়াৰ এটা হ'ল প্ৰত্ন ইৰানীয়, য'ৰ পৰা প্ৰাচীন ফাৰ্চী ভাষাৰ উৎপত্তি হয় আৰু আনটো হ'ল প্ৰত্ন-ভাৰতীয় আৰ্য, য'ৰ পৰা উৎপত্তি হয় প্ৰাচীন ভাৰতীয় আৰ্যভাষা বা সংস্কৃতৰ। সেইকাৰণে ইন্দো-ইৰানীয় ভাগৰ অন্তর্ভুক্ত ইন্দো-এৰিয়ান ভাষাৰ প্ৰাচীন ভাগটোকেই সংস্কৃত বুলি কোৱা হয়। এই অনুমানৰ ভিত্তিতেই সংস্কৃতভাষাক অ'ল্ড ইন্দো-এৰিয়ান (Old Indo-Aryan) বা সংক্ষেপে OIA বুলি কোৱা হয়। গতিকে সংস্কৃতভাষাৰ ঐতিহাসিক প্ৰেক্ষাপট জানিবলৈ হ'লে ইন্দো-ইউৰোপীয় তথা ইন্দো-ইৰাণীয় ভাষাৰ লগত থকা ইয়াৰ সম্বন্ধৰ কথা জানিব লাগিব। এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল ইন্দো-ইউৰোপীয় ভাষাটো কাল্পনিক হ'লেও ইয়াত যে প্ৰকৃতি-প্ৰত্যয়ৰ ভিত্তিত বাক্য গঠন কৰা হৈছিল সেইবিষয়ে সহজেই অনুমান কৰা যায়। ইন্দো-ইউৰোপীয় ভাষাৰ অন্তর্গত সংস্কৃত, গ্ৰীক্, লেটিন আদি ভাষাৰ মাজতো এই বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই ভাষাসমূহত প্ৰকৃতি-প্ৰত্যয়গত অৰ্থ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই ভাষাসমূহত প্ৰকৃতি-প্ৰত্যয়গত অৰ্থ আৰু বাক্যৰ অৰ্থৰ মাজত পূৰ্ণ সামঞ্জস্য থকা দেখা যায়। যিসমূহ ভাষাত প্ৰকৃতি প্ৰত্যয়গত অৰ্থৰ সহায়ত শব্দবোৰে বাক্যৰ অৰ্থ গঠন কৰে অৰ্থাৎ বাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ প্ৰকৃতি-প্ৰত্যয়গত অৰ্থৰ লগত বাক্যৰ সম্পূৰ্ণ অৰ্থৰ পূৰ্ণ সামঞ্জস্য থাকে সেইবোৰক সমন্বয়ী (synthetic) ভাষা বোলে। সংস্কৃত ভাষা হ'ল সমন্বয়ী ভাষাৰ অন্যতম উদাহৰণ। উদাহৰণস্বৰূপে কোৱা যায়— বালকঃ বিদ্যালয়ং গচ্ছতি— এই বাক্যটোত 'বালকঃ' পদটো কৰ্তা আৰু ইয়াত প্ৰথমা বিভক্তিৰ একবচন প্ৰযুক্ত হৈছে। তদুপৰি বাল পদটোত 'ক' প্ৰত্যয় যুক্ত হৈছে আৰু সম্পূৰ্ণ 'বালকঃ' পদটো সৰু ল'ৰাক বুজাইছে। দ্বিতীয়তে, বিদ্যাৰ আলয় বা স্থান অৰ্থত বিদ্যালয় পদটো প্ৰযুক্ত হৈছে আৰু ইয়াত দ্বিতীয়া বিভক্তিৰ একবচন দিয়া আছে। 'গচ্ছতি' এই তৃতীয় পদটোত 'গমন' বা 'যোৱা' অৰ্থত 'গম' ধাতুৰ প্ৰথম পুৰুষৰ একবচনৰ ৰূপ প্ৰযুক্ত হৈছে। এতিয়া 'বালকঃ বিদ্যালয়ং গচ্ছতি'— এই বাক্যটোত 'ল'ৰাজনে পঢ়াশালিলৈ যায়'— এনেকুৱা যি অৰ্থ প্ৰকাশ পায় সেইটো পদবিলাকৰ প্ৰকৃতি প্ৰত্যয়যুক্ত অৰ্থৰ লগত সম্পূৰ্ণ সামঞ্জস্যযুক্ত। এনেদৰে সংস্কৃত ভাষাত প্ৰতিটো বাক্যৰ ক্ষেত্ৰতেই এই নিয়ম প্ৰযুজ্য হয়। এইফালৰ পৰা দেখা গ'ল যে সংস্কৃত ভাষাটো সম্পূৰ্ণভাবে এটি সমন্বয়ী ভাষা। ইয়াৰ বিপৰীতে যি ভাষাত বিভক্তি নথকা বাবে বিশ্লেষণৰ সহায়ত পদবিলাকক কৰ্তা, কৰ্মৰূপে নিৰ্দ্ধাৰণ কৰি বাক্যৰ অৰ্থ নিৰূপণ কৰিবলগীয়া হয় সেইবোৰক বিশ্লেষণাত্মক ভাষা বোলে। ইন্দো-ইউৰোপীয় ভাষাৰ পৰা উৎপত্তি হোৱা আধুনিক ভাৰতীয় ভাষাসমূহ, যেনে— অসমীয়া, বাংলা আদি বিশ্লেষণাত্মক ভাষাৰ অন্তর্গত।

গতিকে এই আলোচনাৰ পৰা আমি জানিব পাৰিলো যে সংস্কৃত ভাষাটো ইন্দো-ইৰাণীয় ভাষাৰ লগত প্ৰত্যক্ষভাৱে জড়িত আৰু ইন্দো-ইৰাণীয় ভাষাৰ জৰিয়তে এইটো ইন্দো-ইউৰোপীয় ভাষাৰ সন্তানতুল্য ভাষা। কিন্তু ইন্দো-ইউৰোপীয় আৰু ইন্দো-ইৰাণীয় ভাষাৰ পৰা সংস্কৃত ভাষা উৎপন্ন হলেও পৰৱৰ্তী সময়ত এই ভাষাত বিভিন্ন ধৰণৰ স্তৰৰ সন্ধান পোৱা যায়। এই সকলো স্তৰৰ মাজেদি গৈ হে সংস্কৃত ভাষা বৰ্তমানৰ ৰূপ ধাৰণ কৰিছে। সংস্কৃত ভাষাক ভাষাতাত্ত্বিক দিশৰ পৰা ওল্ড-ইন্দো-এৰিয়ান (OIA) বুলি কোৱাৰ কাৰণ হিচাপে তলৰ

চিত্রটো দেখুৱাব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ইন্দো-ইউৰোপীয় ভাষা বুলিলে কি বুজায়?

.....

.....

প্ৰশ্ন নং ২ ঃইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা কি কি?

.....

প্ৰশ্ন নং ৩ ঃসংস্কৃত ভাষাটো ইন্দো-ইউৰোপীয় ভাষাৰ কোনটো বিভাগৰ অন্তৰ্ভুক্ত?

.....

প্ৰশ্ন নং ৪ ঃভাৰতীয় আৰ্য ভাষা বুলিলে কোনটো ভাষাক বুজায়?

.....

প্ৰশ্ন নং ৫ ঃসমন্বয়ী ভাষা কি?

.....

প্ৰশ্ন নং ৬ ঃকেইটামান বিশ্লেষণাত্মক ভাষাৰ উদাহৰণ দিয়ক।

.....

প্ৰশ্ন নং ৭ ঃসংস্কৃত ভাষাৰ ভাষাতাত্ত্বিক নামটো কি?

.....

১৪.৫ বৈদিক সংস্কৃত ভাষা

সমগ্ৰ বৈদিক সাহিত্যত যি সংস্কৃত ভাষা ব্যৱহাৰ কৰা হৈছে সেইটোৱে বৈদিক সংস্কৃত ভাষা। সংহিতা, ব্ৰাহ্মণ, উপনিষদ, আ�ৰণ্যক, বেদাঙ্গ আদিত বৈদিক সংস্কৃত ভাষাৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। এই সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্য আছে যিবোৰৰ বাবে সমগ্ৰ সংস্কৃত ভাষাৰ জগতত বৈদিক সংস্কৃত ভাষাৰ এটি সুকীয়া স্থান আছে। বৈদিক সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্যৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

ক) বৈদিক সংস্কৃততে স্বৰ প্ৰক্ৰিয়া এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। বৈদিক সংস্কৃততে তিনিটা মূল স্বৰ ব্যৱহাৰ কৰা হৈছিল। সেইবোৰ হ'ল—উদাত্ত, অনুদাত্ত আৰু স্বৰিত। বাগমন্ত্ৰত থকা তালু, মূৰ্দ্ধা আদি বৰ্ণ-উচ্চাৰণ

স্থানৰ উৰ্দ্ধভাগত যি স্বৰবৰ্ণৰ উচ্চাৰণ হয় সেইটোৱে উদাত্ত। সেইদৰে তালু, মূৰ্দ্ধা আদি উচ্চাৰণ স্থানৰ নিম্নভাগত উচ্চাৰণ হোৱা স্বৰবৰ্ণক অনুদাত্ত বোলে। উদাত্ত আৰু অনুদাত্তৰ বৰ্ণধৰ্ম য'ত সংমিশ্রিত হয় সেই স্বৰক স্বৰিত বোলে। পাণিনিয়ে তেওঁৰ ব্যাকৰণত কৈছে—**'উচ্চৈঃ উদাত্তঃ'**, **'নীচৈঃ অনুদাত্তঃ'** আৰু **'সমাহাৰঃ স্বৰিতঃ'**। এই তিনিটা মূল স্বৰৰ বাহিৰেও বৈদিক সংস্কৃতত আৰু বহু ধ ৰণৰ স্বৰ দেখিবলৈ পোৱা যায়।

খ) বৈদিক সংস্কৃতত পদপাঠৰ ব্যৱহাৰ এটি বৈশিষ্ট্য। সংহিতা-পাঠ অর্থাৎ সন্ধিযুক্ত পাঠসমূহৰ সন্ধি ভাঙি এটা নির্দিষ্ট পদক ব্যৱহাৰ কৰাটোৱেই হ'ল পদপাঠ।

গ) বৈদিক ছন্দৰ ক্ষেত্রতো এটি বিশেষ নিয়ম থকা দেখা যায়। লৌকিক সংস্কৃতৰ ছন্দসমূহ গণভিত্তিক। কিন্তু বৈদিক ছন্দসমূহ অক্ষৰভিত্তিক। সেইকাৰণে গায়ত্রী, উষ্ণিক, অনুষ্টুপ, বৃহতী, পঙক্তি, ত্রিষ্টুপ আৰু জগতী নামৰ যি সাতটা বৈদিক ছন্দ আছে সেইবোৰ লৌকিক সংস্কৃতত পোৱা নাযায়।

ঘ) বৈদিক সংস্কৃতত বহুতো ক্ষেত্রত অন্ত্য ব্যঞ্জনবর্ণৰ লোপ হোৱা দেখা যায়। উদাহৰণস্বৰূপে ক'ব পৰা যায় কর্মন্ শব্দটোৰ কথা। কর্মন শব্দৰ অন্ত্যব্যঞ্জনবর্ণ 'ন্' লুপ্ত হৈ কর্ম হয় আৰু ইয়াৰ তৃতীয়া বিভক্তিৰ বহুবচনত 'কর্মেভিঃ' পদৰ প্রয়োগ পোৱা যায়।

ঙ) লৃঙ্-লকাৰৰ প্রয়োগ বৈদিক সংস্কৃতত খুবেই কম কিন্তু এই ভাষাত লেট লকাৰৰ প্রচুৰ প্রয়োগ দেখিবলৈ পোৱা যায়।

চ) বৈদিক সংস্কৃতত তুমুন্-প্রত্যয়ৰ অর্থত সে, অসে আদি বহুতো প্রত্যয়ৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়।

ছ) উপসর্গৰ ব্যৱহাৰৰ ক্ষেত্রত বৈদিক সংস্কৃতত বহুতো বৈচিত্র্য দেখিবলৈ পোৱা যায়। লৌকিক সংস্কৃতত উপসর্গ সদায় ধাতুৰ আগত বহে। কিন্তু বৈদিক সংস্কৃতত উপসর্গ কেতিয়াবা ধাতুৰ পিচতো বহা দেখা যায়। তদুপৰি কেতিয়াবা এই উপসর্গসমূহ পদৰ ব্যৱধানতো বহা দেখা যায়। কেতিয়াবা বৈদিক সংস্কৃতত একেটা উপসর্গৰ একাধিকবাৰ ব্যৱহাৰ পোৱা যায়।

জ) বৈদিক সংস্কৃতত কাৰক আৰু ক্রিয়াৰ সময়ৰ বিষয়ে কেতিয়াবা বেলেগ বেলেগ প্রয়োগ দেখিবলৈ পোৱা যায়। কেতিয়াবা বর্তমান কালৰ অর্থত লিট-লকাৰৰ প্রয়োগ পোৱা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ উদাত্ত, অনুদাত্ত আৰু স্বৰিত বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৯ ঃ পদপাঠ কি?

.....

প্রশ্ন নং ১০ ঃ বৈদিক সংস্কৃতত ব্যৱহাৰ হোৱা ছন্দসমূহ কি কি?

.....

.....

প্রশ্ন নং ১১ ঃ বৈদিক সংস্কৃতত উপসর্গৰ ব্যৱহাৰ কেনেদৰে হোৱা দেখা যায়?

.....

.....

প্রশ্ন নং ১২ ঃ বৈদিক সংস্কৃতত কোনটো লৃকাৰৰ প্রয়োগ নাই আৰু কোনটো ল-কাৰৰ প্রয়োগ বেচিকৈ দেখা যায়?

.....

.....

১৪.৬ লৌকিক সংস্কৃত ভাষা

আপুনি ইতিমধ্যে জানিব পাৰিছে যে ঋগ্বেদৰ পৰা আৰম্ভ কৰি বেদাঙ্গ সাহিত্যলৈকে গ্রন্থসমূহত বৈদিক সংস্কৃত ভাষাৰ ব্যৱহাৰ হৈ আহিছে। বৈদিক সংস্কৃত ভাষা ব্যৱহাৰৰ সময়ছোৱাক বৈদিক কাল বুলি কোৱা হয়। কিন্তু ৰামায়ণ মহাভাৰত আদি গ্রন্থৰ ভাষাটো যদিও সংস্কৃত, ই বৈদিক সংস্কৃতৰ দৰে নহয়। প্রকৃততে ৰামায়ণক আদিকাব্য বুলি কোৱাৰ কাৰণটোৱেই হ'ল যে লৌকিক সংস্কৃত ভাষাত লিখা এইখন গ্রন্থকেই পণ্ডিতসকলে প্রথম ৰচনা বুলি গ্রহণ কৰিছে। গতিকে বৈদিক সংস্কৃত ভাষাৰ কালৰ পিছতহে লৌকিক সংস্কৃত ভাষাৰ কাল আৰম্ভ হোৱা বুলি ধৰা হয়। কিন্তু এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ৰামায়ণ-মহাভাৰতৰ কালৰ পৰা লৌকিক সংস্কৃত ভাষাৰ কাল গণনা কৰিলেও বেদাঙ্গ সাহিত্যৰ বহু পিছলৈকে বৈদিক ভাষাত গ্রন্থ ৰচনা অব্যাহত থাকে। ৰামায়ণ-মহাভাৰত-পুৰাণৰ পিছত কালিদাস আদিৰ লৌকিক সংস্কৃত ভাষাত ৰচনা কৰা গ্রন্থৰাজিৰে যি সাম্রাজ্যৰ বিস্তাৰ ঘটিছিল সময়ৰ নিৰিখত তাক তিনিটা ভাগত ভাগ কৰা হৈছে। সেইবোৰ হ'ল—প্রাক্-কালিদাসৰ যুগ, কালিদাসীয় যুগ আৰু কালিদাসোত্তৰ যুগ। ৰামায়ণ-মহাভাৰতকে আদি কৰি কালিদাসোত্তৰ যুগৰ কাব্যলৈকে গ্রন্থসমূহত ব্যৱহাৰ হোৱা সংস্কৃত ভাষাটোতেই বহু ধৰণৰ পৰিবর্তন পৰিলক্ষিত হয়। তদুপৰি ভাষাগত দিশৰ পৰা পাণিনিৰ অষ্টাধ্যায়ী গ্রন্থখনেও সংস্কৃতৰ পৰিৱর্তনৰ সূচকাংক হিচাপে বহু ক্ষেত্রত কাম কৰে। লৌকিক সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্য আছে। ইবিলাকে ইয়াক বৈদিক সংস্কৃত ভাষাৰ পৰা সম্পূর্ণ পৃথক কৰি ৰাখিছে। এই বৈশিষ্ট্যসমূহৰ কিছুমানৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

ক) লৌকিক সংস্কৃতত স্বৰপ্রক্রিয়া নাই।

খ) লৌকিক সংস্কৃতত পদপাঠৰ প্রয়োগ পোৱা নাযায়।

গ) লৌকিক সংস্কৃতত ছন্দবোৰ গণভিত্তিক। ম, ভ, ন, ত, স আদি গণৰ ওপৰত ভিত্তি কৰিহে লৌকিক সংস্কৃতত ছন্দসমূহ নিৰূপিত হয়। মালিনী, বংশস্থবিল, মন্দাক্রান্তা, উপজাতি আদি লৌকিক ছন্দ।

ঘ) লৌকিক সংস্কৃতত উপসর্গসমূহ ধাতুৰ আগত বহে। এই ক্ষেত্রত পাণিনিৰ অষ্টাধ্যায়ীত সূত্র এটি পোৱা যায় 'তে প্রাগ্ ধাতোঃ'।

ঙ) লৌকিক সংস্কৃতত অ-কাৰান্ত পুংলিঙ্গ শব্দৰ তৃতীয়াৰ বহুবচনত ঐস্ বিভক্তি যুক্ত হয় কিন্তু বৈদিক সংস্কৃতৰ নিচিনা 'এভিঃ' যুক্ত নহয়।

চ) লৌকিক সংস্কৃতত ক্রিয়াৰ কাল অনুসৰিহে ল-কাৰৰ প্রয়োগ হোৱা দেখিবলৈ পোৱা যায়।

ছ) লৌকিক সংস্কৃতত লেট-লকাৰৰ প্রয়োগ নাই।

জ) লৌকিক সংস্কৃতত সর্বনাম পদ মহ্য, অস্মে, আবদ্ আদিৰ প্রয়োগ নাই।

ঝ) লৌকিক সংস্কৃতত তিঙ্-বিভক্তি 'মসি' আৰু 'ধ্ব'-ৰ ব্যৱহাৰ দেখা নাযায়।

ঞ) লৌকিক সংস্কৃত ভাষাত পাণিনি প্রমুখ্যে বৈয়াকৰণসকলে ৰচনা কৰা নিয়মবোৰৰ প্রয়োগ দেখা যায়। অর্থাৎ ক'ব পৰা যায় যে লৌকিক সংস্কৃত ভাষা পাণিনি ব্যাকৰণৰ আধাৰত প্রতিষ্ঠিত।

ট) লৌকিক সংস্কৃতত দীর্ঘসমাসবদ্ধ পদৰ ব্যৱহাৰ খুব বেচিকৈ দেখা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ ঃ লৌকিক সংস্কৃত ভাষাৰ আৰম্ভণি কেতিয়াৰ পৰা হৈছিল ?

.....

প্রশ্ন নং ১৪ ঃ লৌকিক সংস্কৃত ভাষাৰ প্রথম কাব্য কোনখন ?

.....

প্রশ্ন নং ১৫ ঃ লৌকিক সংস্কৃতত উপসর্গৰ প্রয়োগ ক'ত হয় ?

.....

প্রশ্ন নং ১৬ ঃ কিছুমান লৌকিক ছন্দৰ নাম কওক।

.....

প্রশ্ন নং ১৭ ঃ লৌকিক সংস্কৃতত কাৰ ব্যাকৰণ অনুসৃত হোৱা দেখা যায় ?

.....

১৪.৭ সংস্কৃত ভাষাৰ বর্তমান অৱস্থা

আপুনি ইতিমধ্যে জানিব পাৰিছে যে সংস্কৃত ভাষা অতি প্রাচীন হৈও বর্তমান কালতো প্রচলিত হৈ আছে। কেৱল ভাৰতবর্ষতেই নহয় সমগ্র বিশ্বৰ বিভিন্ন ঠাইত সংস্কৃত ভাষা অধ্যয়নৰ বিভিন্ন প্রতিষ্ঠান আছে আৰু সেইবোৰ ঠাইত সংস্কৃত ভাষাক লৈ বিভিন্ন ধৰণৰ গৱেষণা আদিও কৰা হৈ আছে। ভাৰতবর্ষত বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত সংস্কৃত পঢ়িবলৈ আগ্রহী ছাত্র-ছাত্রীয়ে তেওঁলোকৰ মনৰ ইচ্ছা পূৰণ কৰিব পাৰে। তদুপৰি কর্ণাটক ৰাজ্যৰ এখন ভিতৰুৱা গাঁৱত সংস্কৃতক মানুহে মাতৃভাষা হিচাপে ব্যৱহাৰ কৰে। 'সুধর্মা' নামৰ সংস্কৃত দৈনিক বাতৰি কাকতখনে আজিৰ যুগতো সংস্কৃতৰ চর্চাৰ বিষয়ে আমাক জনাই দিয়ে।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে ইন্দো-এৰিয়ান ভাষাৰ মধ্যস্তৰৰ ভাষাবিলাক যেনে পালি, প্রাকৃত আদিৰ লগত এটা সময়ত লৌকিক সংস্কৃত ভাষাৰ এটি অঘোষিত প্রতিযোগিতা হোৱা যেন অনুভৱ কৰা যায়। বৌদ্ধ ধর্ম আৰু জৈন ধর্মৰ প্রসাৰৰ লগে লগে সমাজত পালি আৰু প্রাকৃত ভাষাৰ সমাদৰ বাঢ়ি যায়। ফলত এটা সময়ত লৌকিক সংস্কৃত ভাষাটোৱে যথেষ্ট ক্ষতিৰ সন্মুখীন হয়। কিন্তু লাহেলাহে সংস্কৃত ভাষা পুনৰুজ্জীৱিত হয় আৰু গোটেই বিশ্বৰ বহু ঠাইতেই এই ভাষাৰ প্রচাৰ আৰু প্রসাৰৰ বাবে প্রচেষ্টা চলোৱা হয়। আজিৰ যুগত সংস্কৃত ভাষাত বহুধৰণৰ সৰলীকৰণ প্রক্রিয়াৰ ব্যৱহাৰ কৰা হয়। দীর্ঘসমাসবদ্ধ পদৰ ব্যৱহাৰ কমি অহা দেখা যায়। সংযুক্তব্যঞ্জনবর্ণবোৰক ভাঙি দেখুৱাবৰ বাবে প্রচেষ্টা চলোৱা হয়। দ্বিত্ব বর্ণৰ ক্ষেত্রত এটা বর্ণৰ ব্যৱহাৰৰ প্রৱণতা বেচিকৈ দেখা যায়। যেনে প্রাচীন সংস্কৃতত ব্যৱহাৰ হোৱা ধর্ম, কর্ত্তৃ আদি পদবোৰ ধর্ম, কর্তৃ আদি ৰূপতহে ব্যৱহাৰ হোৱা দেখা যায়। তদুপৰি আজিৰ সংস্কৃতত বহুতো স্থানীয় শব্দৰ অন্তর্ভূক্তি হোৱা দেখা যায়।

এই সময়ত সংস্কৃত ভাষাৰ যি গৰিমা সমগ্র ভাৰতবর্ষ তথা বিশ্বতেই আছিল সেইটো আপাতদৃষ্টিত বহু পৰিমাণে হ্রাস পোৱা যেন অনুভৱ হয়। এটা সময়ত ভাৰতবর্ষত সংস্কৃত ভাষা বিদ্যালয়ত বাধ্যতামূলক পাঠ্য বিষয় আছিল। কিন্তু বর্তমান যুগত ভাৰতবর্ষত সকলো ঠাইত সংস্কৃতক বিদ্যালয়ত বাধ্যতামূলক বিষয় হিচাপে গ্রহণ কৰা হোৱা নাই। তদুপৰি বিজ্ঞানভিত্তিক অধ্যয়নৰ প্রতি আকর্ষণ বৃদ্ধি পোৱাত গোটেই ভাৰতবর্ষতে আন আন ভাষাৰ লগতে সংস্কৃত ভাষাৰ প্রতি থকা আকর্ষণ মানুহৰ মাজত কমি আহিছে। এতিয়াও কিছুমান মানুহে সংস্কৃত বুলি ক'লে পূজা-পাতলৰ ভাষা বুলি ভাবে। কিন্তু সমগ্র বিশ্বৰ বিভিন্ন ঠাইতে সংস্কৃত ভাষাৰ বিভিন্ন বিষয়ক লৈ যথেষ্ট গৱেষণা চলি আছে। উদাহৰণস্বৰূপে ক'ব পাৰি কানাডাৰ ইউনিবার্চিটি অব ব্রিটিছ কলাম্বিয়াত সংস্কৃত

ভাষাৰ বিভিন্ন দিশত গুৰুত্বপূৰ্ণ অধ্যয়ন চলি আছে। জার্মানীত আজিৰ দিনতো বিভিন্নধৰণৰ সংস্কৃত চর্চা গোটেই বিশ্বৰ বাবেই আদর্শ হিচাপে নির্ণীত হৈছে। এনেদৰে নেপাল, ইটালী, ইন্দোনেছিয়া, পোলেণ্ড আদি ঠাইতো সংস্কৃতৰ অধ্যয়ন অধ্যাপনা, গৱেষণা আদি কার্য চলি আছে। বেলেগ বেলেগ ভাষাৰ দৰে সংস্কৃত ভাষাও গতিশীল আৰু সেইকাৰণে আন আন ভাষাৰ দৰে এই ভাষাতো সময়ে সময়ে বিভিন্ন পৰিবর্তন ঘটিছে আৰু অদূৰ ভৱিষ্যতকালতো এই ভাষাৰ আৰু পৰিৱর্তন হ'ব বুলি অনুমান কৰিব পাৰোঁ।

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃত ভাষাৰ এটি সাধাৰণ পৰিচয় পালে। সংস্কৃত ভাষাৰ উৎপত্তিৰ বিষয়ে জানিব পাৰিলে।
- ইন্দো-ইউৰোপীয় ভাষাৰ লগত থকা সংস্কৃতৰ সম্বন্ধৰ বিষয়ে জানিব পাৰিলে।
- তদুপৰি বৈদিক সংস্কৃত ভাষা বুলিলে কি বুজায় আৰু এই ভাষাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ল।
- লৌকিক সংস্কৃত ভাষাৰ আৰম্ভণি কেতিয়া হৈছিল সেই বিষয়েও জানিলে। ইয়াৰ উপৰি লৌকিক সংস্কৃত ভাষাত থকা বৈশিষ্ট্যসমূহৰ বিষয়েও জানিব পাৰিলে।
- বর্তমান যুগত সংস্কৃতৰ কি অৱস্থা সেই বিষয়েও জানিলে। তদুপৰি বর্তমান যুগত কেৱল ভাৰতবর্ষতেই নহয় বিশ্বৰ বিভিন্ন ঠাইতে যে সংস্কৃত ভাষাৰ চর্চা চলি আছে সেই বিষয়েও অবগত হ'ব পাৰিলে।

১৪.৯ অধিক জানিবলৈ

১) উপাধ্যায়, প্রঃ বাচস্পতি, (২০০১), *সংস্কৃত ষ্টাডিজ ইন ইণ্ডিয়া*— (edt); নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

২) উপাধ্যায়, প্রঃ বাচস্পতি, (২০০১), *সংস্কৃত ষ্টাডিজ এব্রড*— (edt); নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

৩) বেনার্জী, প্র. সত্যৰঞ্জন, (২০০০), *এ হেণ্ডবুক অব সংস্কৃত ফিলোলজি*, কলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৪) ভাগৱতী, কামাখ্যাচৰণ, *সংস্কৃত সাহিত্যৰ জিলিঙনি*, গুৱাহাটী ঃ গ্রন্থপীঠ।

১৪.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত, গ্রীক, লেটিন আদি প্রাচীন ভাষাসমূহৰ মূল ভাষা হিচাপে ইন্দো-ইউৰোপীয় ভাষাক কল্পনা কৰা হৈছে।

২নং প্রশ্নৰ উত্তৰ ঃ ইন্দো-ইউৰোপীয় ভাষাৰ ভাগ দুটা হ'ল সতম্ আৰু কেন্তুম্।

৩নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাটো ইন্দো-ইউৰোপীয় ভাষাৰ ইন্দো-ইৰাণীয় ভাষাৰ অন্তর্ভুক্ত।

৪নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাক বুজায়।

৫নং প্রশ্নৰ উত্তৰ ঃ যি ভাষাত বাক্যত ব্যৱহাৰ হোৱা পদবিলাকৰ প্রকৃতি-প্রত্যয়গত অর্থই বাক্যটোৰ অর্থ সূচায় তাকেই সমন্বয়ী ভাষা বোল। যেনে—সংস্কৃত ভাষা।

৬নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া, বাংলা, হিন্দী আদি।

৭নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাৰ ভাষাতাত্ত্বিক নামটো হ'ল প্রাচীন ইন্দো-এৰিয়ান (OIA)

৮নং প্রশ্নৰ উত্তৰ ঃ উচ্চাৰণস্থানৰ ওপৰৰ অংশত উচ্চাৰিত হোৱা স্বৰবর্ণক উদাত্ত, উচ্চাৰণস্থানৰ তলৰ অংশত

উচ্চাৰিত হোৱা স্বৰবৰ্ণক অনুদাত্ত আৰু উদাত্ত-অনুদাত্ত বৰ্ণধৰ্মৰ সংমিশ্রণ থকা স্বৰবৰ্ণক স্বৰিত বুলি কোৱা হয়।

৯নং প্রশ্নৰ উত্তৰ ঃ সংহিতা বা সন্ধিযুক্ত পাঠক ভাঙি পদবিলাকৰ সুকীয়া অবস্থিতিৰে যি পাঠ দর্শোৱা হয় সেইটোকে পদপাঠ বোলে।

১০নং প্রশ্নৰ উত্তৰ ঃ গায়ত্রী, উষ্ণিক, অনুষ্টুপ, ত্রিষ্টুপ্, বৃহতী, পঙ্‌ক্তি আৰু জগতী।

১১নং প্রশ্নৰ উত্তৰ ঃ বৈদিক সংস্কৃতত উপসর্গবোৰ ধাতুৰ পিছত বা কেইবাটাও শব্দৰ পিছত বহা দেখা যায়। তদুপৰি কেতিয়াবা একেটা উপসর্গৰে একাধিকবাৰ ব্যৱহাৰ হোৱা দেখা যায়।

১২নং প্রশ্নৰ উত্তৰ ঃ বৈদিক সংস্কৃতত লিঙ-লকাৰৰ প্রয়োগ নাই কিন্তু লেট লকাৰৰ প্রয়োগ বেচিকৈ দেখা যায়।

১৩নং প্রশ্নৰ উত্তৰ ঃ ৰামায়ণ-মহাভাৰতৰ ৰচনাকালৰ পৰাই লৌকিক সংস্কৃতৰ আৰম্ভণি বুলি কোৱা হয়।

১৪নং প্রশ্নৰ উত্তৰ ঃ ৰামায়ণকেই লৌকিক সংস্কৃত ভাষাৰ প্রথম কাব্য বুলি ধৰা হয়।

১৫নং প্রশ্নৰ উত্তৰ ঃ লৌকিক সংস্কৃত ভাষাত উপসর্গৰ ব্যৱহাৰ সদায় ধাতুৰ আগত হয়।

১৬নং প্রশ্নৰ উত্তৰ ঃ মন্দাক্রান্তা, বসন্ততিলক, স্রগ্ধৰা, উপজাতি আদি।

১৭নং প্রশ্নৰ উত্তৰ ঃ পাণিনিৰ ব্যাকৰণ (অষ্টাধ্যায়ী)

? ১৪.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সংস্কৃত ভাষাৰ ঐতিহাসিক পটভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ ইন্দো-ইউৰোপীয় ভাষাৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন ৩ ঃ বৈদিক সংস্কৃত ভাষাৰ বৈশিষ্ট্যবোৰ লিখক।

প্রশ্ন ৪ ঃ লৌকিক সংস্কৃত ভাষাৰ বৈশিষ্ট্যবোৰ লিখক।

প্রশ্ন ৫ ঃ বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতৰ মাজত থকা পার্থক্যবোৰ কি কি?

প্রশ্ন ৬ ঃ সংস্কৃত ভাষাৰ বর্তমান অৱস্থাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

প্রসংগ পুথি

- শর্মা, থানেশ্বৰ; *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত;* গুৱাহাটী, চন্দ্ৰ প্ৰকাশ।
- গোস্বামী, হৰমোহন দেৱ, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী,* পাণবজাৰ, গুৱাহাটী, বুকলেণ্ড।
- শর্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
- Krishna Machariar, M.History of classical sanskrit Literature, New Delhi : MLBD
- গোস্বামী, হৰমোহন দেৱ (১৯৯২) ; *সংস্কৃত সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী, বুকলেণ্ড।
- ভাগৱতী, কামাখ্যাচৰণ (২০০৩); *সংস্কৃত সাহিত্যৰ জিলিঙনি;* গুৱাহাটী, গ্ৰন্থপীঠ।
- Kale, M. R. (Ed.) (1969) : *The Abhijnana Sakuntalama of Kalidasa;* Delhi : MBD et al.
- Keith, A. B. (1973) : *A History of Sanskrit Literature*, Delhi : Oxford UP.
- Krishnamacharior (2004) : *History of Classical Sanskrit Literature*; Delhi : Motilal Banarsidass Publishers Pvt. Ltd.
- Radhakrishnan, C. S. (2005) : *Kalidasa New Perspective*; Delhi : New Bharatiya Book Corporation.
- Winternitz. M, *History of Indian Literature-Vol. III*. : MLBD, Delhi.
- গোস্বামী, হৰমোহন দেৱ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী,* গুৱাহাটী ঃ বুকলেণ্ড।
- শর্মা, থানেশ্বৰ, (১৯৯৫); *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত ,*গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
- কৃষ্ণমাচাৰিয়াৰ, এম (১৯৮৯); *হিষ্টৰি অব্ ক্লাচিকেল সংস্কৃত লিটাৰেচাৰ,* বাৰানসী ঃ মতিলাল বনাৰসী দাস।
- জোশী অনিৰুদ্ধ, (১৯৮৪), *সংস্কৃত অলংকাৰ শাস্ত্ৰকা সমন্বিত ইতিহাস,* দিল্লী ঃ অজন্তা পাবলিকেশন্।
- কানে পি ভি, (১৯৯৪), *হিষ্টৰি অফ্ ইণ্ডিয়ান পোয়েটিক্স,* দিল্লী ঃ মতিলাল বানাৰসিদাস।
- দে এচ্ কে, (১৯৬০), *হিষ্টৰি অফ সংস্কৃত পোয়েটিক্স,* কলিকতা।
- চৈতন্য কৃষ্ণ, (১৯৬৫), *সংস্কৃত পোয়েটিক্স,* এছিয়া পাবলিশিং হাউচ।
- Sarma, M. M. (1992). *Anundoram Borooah*. Anundoram Borooah Institute of Language, Art & Culture.
- International Association of Sanskrit Studies. Fifth World Sanskrit Conference, Varanasi, India: October 21—26, 1981. *Sanskrit studies in India, 1979—1981*. Rashtriya Sanskrit Sansthan. Delhi, India.
- Sharma, N. C. (n.d.) *Ācāryya Manoranjan Śāstrī: Jīvan-sādhanāāru kṛtitva. **Śāstrī: Jīvan-sādhanāāru kṛtitva*** . Bnai Prakas Private Limited.
- Goswami, M. (2018). *Krishna Kanta Handiqui: Life and works*. Publication Division, Dibrugarh University.
- Bhagavati, B. (1932). *Sati Jayamati*. Anundoram Borooah Institute of Language, Art & Culture.

- উপাধ্যায়, প্রঃ বাচস্পতি, (২০০১), *সংস্কৃত ষ্টাডিজ ইন ইণ্ডিয়া*— (edt); নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।
- উপাধ্যায়, প্রঃ বাচস্পতি, (২০০১), *সংস্কৃত ষ্টাডিজ এব্রড*— (edt); নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।
- বেনার্জী, প্র. সত্যৰঞ্জন, (২০০০), *এ হেণ্ডবুক অব সংস্কৃত ফিলোলজি*; কলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।
- ভাগৰতী, কামাখ্যাচৰণ, *সংস্কৃত সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ গ্রন্থপীঠ।

*** ***** ***